# সোৱণশিৰি

## লক্ষীমপুৰ জিলা সাহিত্য সভাৰ পত্ৰিকা

২০২৫-২৭ খ্ৰীষ্টাব্দ

(প্ৰথম সংখ্যা)

সম্পাদক ঃ

জিতেন বৰুৱা

## <u>সম্পাদনা সমিতি</u> ঃ

| | |
|---|---|
| সঞ্জীৱ কুমাৰ উপাধ্যায়, | সভাপতি |
| অনিল শইকীয়া, | উপ সভাপতি |
| জিতেন বৰুৱা, | পত্ৰিকা সম্পাদক |
| হেমন্ত শইকীয়া, | সদস্য |
| ড° চুফিয়া খাতুন, | সদস্য |
| ধনদা বৰুৱা, | সদস্য |
| প্ৰবীণ হাজৰিকা, | প্ৰকাশক<br>সম্পাদক, লক্ষীমপুৰ জিলা সাহিত্য সভা। |


প্ৰকাশ কাল ঃ **১২ জুলাই, ২০২৫ চন।**

মূল্য ঃ **১২০.০০** টকা মাত্ৰ

প্ৰচ্ছদ ঃ **সম্পাদক**

গ্ৰাফিক্স ঃ **সুৰথ শইকীয়া**

**অক্ষৰ বিন্যাস** ঃ মঙ্গলময় পত্ৰিকা প্ৰেছ
আহুচাউল গাঁও, উত্তৰ লক্ষীমপুৰ।
ফোন ঃ **৯৩৬৫৪৩৬২১৩**

**মুদ্ৰণ** ঃ ..................... গুৱাহাটী

# উছৰ্গা

*চিৰ চেনেহী ভাষা জননীৰ সেৱাত*
*জীৱন উছৰ্গা কৰা প্ৰতিগৰাকী বৰেণ্য সাহিত্যিকৰ*
*পবিত্ৰ স্মৃতিত 'সোৱণশিৰি'*
*পত্ৰিকাখন শ্ৰদ্ধাৰে উছৰ্গা কৰা হ'ল।*

সম্পাদনা সমিতি

ড° বসন্ত কুমাৰ গোস্বামী
সভাপতি

# অসম সাহিত্য সভা

কেন্দ্ৰীয় কাৰ্যালয় ঃ চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট-৭৮৫০০১
গুৱাহাটী কাৰ্যালয় ঃ ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-৭৮১০০১

আঞ্চলিক কাৰ্যালয়
বাংছিনা ভৱন, তিনিচুকীয়া-৭৮৬১২৫
ধুবুৰী আঞ্চলিক কাৰ্যালয়, ধুবুৰী-৭৮৩৩০১
ৰায়বাহাদুৰ ৰামেশ্বৰলাল চহৰীয়া সংহতি ভৱন, ডিব্ৰুগড়-৭৮৬০০৩
শিলচৰ আঞ্চলিক কাৰ্যালয়, শিলচৰ-৭৮৮০০১
উত্তৰ লক্ষীমপুৰ আঞ্চলিক কাৰ্যালয়, উত্তৰ লক্ষীমপুৰ-৭৮৭০০১
কমলাদেৱী তোদী স্মৃতিভৱন, মহীচন্দ্ৰ বৰা পথ, নগাঁও-৭৮২০০১
অদ্ভুত নিবেদিতা মেধি সাহিত্য ভৱন, জালাহ-৭৮১৩২৭
সাহিত্য সভা প্ৰকল্প, মজুলি, নৰং-৭৮৪১২৫
১/১৪ বি-সংসঙ্গ বিহাৰ মাৰ্গ, ব্লক এ, কুতুব ইন্সটিটিউচনেল এৰিয়া, নতুন দিল্লী, ১১০০৬৭

প্ৰসংগ নং ঃ ..........................................

তাৰিখ ঃ ২৪-০৬-২০২৫



## শুভেচ্ছা বাৰ্তা

লক্ষীমপুৰ জিলা সাহিত্য সভাৰ বাৰ্ষিক মুখপত্ৰ **সোৱণশিৰি** প্ৰকাশৰ দিহা কৰাৰ বতৰাত সন্তোষ পাইছোঁ। মুখপত্ৰখনিয়ে ভাষা জননীৰ সেৱকসকলৰ চিন্তা-চেতনা আৰু সৃষ্টিৰাজিক উজলাই তোলাৰ লগতে ভাৱীকালৰ সাধকসকলক হাতত কলম তুলি ল'বলৈ প্ৰেৰণা যোগাব— সেই আশাৰে শুভেচ্ছা জ্ঞাপন কৰিলোঁ ।

(ড° বসন্তকুমাৰ গোস্বামী)
*সভাপতি, অসম সাহিত্য সভা*

ঘৰৰ ঠিকনা ঃ পোহৰ, সুৰাগপুৰ, ঢোলাধৰা, তৰুণৰাম ফুকন পথ, যোৰহাট, অসম, ভ্ৰাম্যভাষ ঃ ৮৪৭৩৯০৭১৯৪, ৯৪৩৫২৬৪৫০৯
ই-মেইল ঃ drbkgoswami3@gmail.co

# লক্ষীমপুৰ জিলা সাহিত্য সভাৰ সভাপতিৰ কলম

লক্ষীমপুৰ জিলাৰ গৌৰৱ তথা অসম সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি, সাহিত্যকাণ্ডাৰী পদ্মনাথ গোহাঞি বৰুৱাৰ প্ৰচেষ্টাতে **১৯১৭** চনত অসম সাহিত্য সভা প্ৰতিষ্ঠা হৈছিল। আন এক গৌৰৱৰ কথা যে অসম সাহিত্য সভা গঠন হোৱাৰ পাঁচ বছৰৰ পূৰ্বেই **১৯১২** চনতে উত্তৰ লক্ষীমপুৰ সাহিত্য সভা গঠন হৈছিল। লগতে কলিকতাত পঢ়িবলৈ গৈ মাতৃভাষাৰ প্ৰতি সেৱা আগবঢ়োৱা স্বনামধন্য অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ সাধক তথা জোনাকী যুগৰ ত্ৰিমূৰ্ত্তি খ্যাত লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামীদেৱক সশ্ৰদ্ধ সেৱা নিবেদন কৰিছোঁ।

শতায়ু গৰকা এই জাতীয় অনুষ্ঠানটোৰ লক্ষ্য আৰু উদ্দেশ্য মহান। অসমীয়া ভাষা, সাহিত্য, সংস্কৃতি তথা অসমৰ সকলো খিলঞ্জীয়া লোকৰ ভাষা, সাহিত্য, সংস্কৃতিৰ সৰ্বাঙ্গীণ উন্নয়ন, বিকাশ, সুৰক্ষা আৰু ৰক্ষণাবেক্ষণৰ স্বাৰ্থত, সকলো ধৰণৰ সংকীৰ্ণ, সাম্প্ৰদায়িক, গোষ্ঠীগত আৰু দলীয় ৰাজনৈতিক চিন্তাৰ উৰ্ধত, অসমত বসবাস কৰা সকলো জাতি, ধৰ্ম, বৰ্ণ, ভাষা আৰু নৃ-গোষ্ঠীক সামৰি সকলোৰে উমৈহতীয়া সামাজিক স্বাৰ্থত নিষ্ঠাৰে কাম কৰিবৰ বাবে, দেশ, জাতি, ভাষা, সাহিত্য, কলা, সংস্কৃতিৰ প্ৰতি অনুৰাগী আৰু নিষ্ঠাবান সকলো লোককে সভ্য হিচাপে সামৰি লোৱাটোৱেই হৈছে অসম সাহিত্য সভাৰ প্ৰধান উদ্দেশ্য।
অসম সাহিত্য সভাৰ সভাপতিৰ পদ অলংকৃত কৰা নমস্য ব্যক্তি প্ৰতিষ্ঠাপক সভাপতি সাহিত্য কাণ্ডাৰী পদ্মনাথ গোহাঞি বৰুৱা আৰু দুগৰাকী নমস্য ব্যক্তি হ'ল প্ৰয়াত হোমেন বৰগোহাঞি আৰু ভাৰপ্ৰাপ্ত সভাপতি বিশ্ব বৰুৱাদেৱ। এই গৌৰৱময় ইতিহাস বিজড়িত লক্ষীমপুৰ জিলাত বিভিন্ন জাতি জনগোষ্ঠীয়ে মিলা-প্ৰীতিৰে বসবাস কৰি অনৈক্যৰ মাজত ঐক্য বিৰাজমান কৰি আহিছে। অসম সাহিত্য সভাৰ সংবিধান অনুসৰি সভাই সকলো জনগোষ্ঠীৰ ভাষা- সাহিত্য-সংস্কৃতিৰ শ্ৰীবৃদ্ধিৰ বাবে কাম কৰি আহিছে।

## লক্ষীমপুৰ জিলা সাহিত্য সভাৰ কৰণীয় কাৰ্যাৱলী ঃ-

(ক) জিলা আৰু শাখা সাহিত্য সভাসমূহক কৰ্মকৰ্তা আৰু বিষয়ববীয়াসকলৰ মাজতেই সীমাবদ্ধ নাৰাখি সৰ্বসাধাৰণৰ মাজলৈ লৈ যোৱাৰ প্ৰয়োজনৰ লগতে ধ্ৰুপদী ভাষাৰ শুদ্ধ প্ৰয়োগত মনোনিবেশ কৰিব লাগিব। ইয়াৰ বাবে এখন বিশুদ্ধ কৰ্ম আঁচনি প্ৰস্তুতৰ প্ৰয়োজন।

(খ) উল্লেখযোগ্য আৰু গুৰুত্বপূৰ্ণ দিৱসসমূহ উদ্‌যাপনৰ লগতে কবিতা, গল্প আৰু অন্যান্য ৰচনাৰাজি লিখনৰ কৰ্মশালা অনুষ্ঠিত কৰা ।

(গ) লক্ষীমপুৰ জিলাৰ খিলঞ্জীয়া জাতি-জনগোষ্ঠী লোকসকলৰ ভাষা-সাহিত্য-সংস্কৃতি সুৰক্ষা আৰু উন্নয়নৰ বাবে তেওঁলোকৰ লগত আলাপ-আলোচনা কৰি একেলগে কাম কৰাৰ উদ্যোগ লোৱা।

(ঘ) মুখপত্ৰ সোৱণশিৰিৰ চাৰিটা সংখ্যা প্ৰকাশৰ চেষ্টা।

(ঙ) লক্ষীমপুৰ জিলা সাহিত্য সভাৰ মজিয়াৰ পৰা ই-মেগাজিন প্ৰকাশ কৰা।

(চ) সৰ্বাধিক গ্ৰন্থ প্ৰকাশৰ ওপৰত গুৰুত্ব দি নৱপ্ৰজন্মৰ মাজত লেখক-পাঠক সৃষ্টিৰ উদ্দেশ্য আগত ৰাখি গ্ৰন্থমেলা অনুষ্ঠিত কৰা আৰু অনুবাদ সাহিত্যৰ ওপৰত গুৰুত্ব প্ৰদান কৰা।

(ছ) চৰকাৰী কাৰ্যালয়ত অসমীয়া ভাষা ব্যৱহাৰৰ ক্ষেত্ৰত বাস্তৱিক পদক্ষেপ গ্ৰহণ কৰাৰ লগতে বিভিন্ন কাৰ্যালয় আৰু ব্যৱসায়ী প্ৰতিষ্ঠানৰ নাম ফলকত অসমীয়া ভাষাৰ প্ৰয়োগ নিশ্চিত কৰা ।

(জ) লক্ষীমপুৰ জিলাৰ অন্তৰ্গত সকলো শাখাক স্বৰ্ণ শাখা আৰু শতদল শাখালৈ উন্নীতকৰণত গুৰুত্ব আৰোপ কৰাৰ লগতে নতুন শাখা গঠনতো পদক্ষেপ গ্ৰহণ।

(ঝ) ভাষা-সাহিত্য উন্নয়নৰ বাবে লক্ষীমপুৰ জিলাৰ বিভিন্ন সামাজিক দল-সংগঠনৰ লগত আলোচনা- বিলোচনা অনুষ্ঠিত কৰি সমিলমিলে অসমীয়া ভাষাৰ প্ৰয়োগত গুৰুত্ব প্ৰদান ।

(ঞ) লক্ষীমপুৰ জিলা কাৰ্যালয় লক্ষীবিলাস শইকীয়া ভৱনৰ উন্নয়নৰ বাবে মনোনিবেশ কৰা।

(ট) সাহিত্য-সংস্কৃতি-শিক্ষা ক্ৰীড়া সমাজসেৱা আদি ক্ষেত্ৰত বিশেষভাৱে পাৰদৰ্শিতা থকা যোগ্য ব্যক্তিক বঁটা প্ৰদান ।

(ঠ) জিলাখনৰ সাহিত্য-সংস্কৃতিৰ নীৰৱ সাধকসকলক জনমানসত পৰিচয় কৰোৱাৰ প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰা ।

(ঠ) বছৰেকত এবাৰ আজীৱন সভ্য, হিতৈষী সভ্য আৰু প্ৰাক্তন বিষয়ববীয়াসকলৰ সৈতে মত- বিনিময় অনুষ্ঠান অনুষ্ঠিত কৰাৰ লগতে বিগত দিনৰ আধৰুৱা কামবোৰ সম্পূৰ্ণ কৰাৰ উদ্যোগ লোৱা।

(ড) মাতৃভাষা মাধ্যমৰ বিদ্যালয়ক সুৰক্ষা প্ৰদানৰ বাবে চৰকাৰী পক্ষৰ লগত আলোচনাত গুৰুত্ব প্ৰদানৰ লগতে ধ্ৰুপদী ভাষা স্বীকৃত অসমীয়া ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰত বিশেষভাৱে পদক্ষেপ গ্ৰহণ কৰা ।

পৰিশেষত, লক্ষীমপুৰ জিলা সাহিত্য সভাৰ **২০২৫-২৭** বৰ্ষৰ বাবে আমাক সভাপতি পদত নিৰ্বাচিত কৰাৰ বাবে জিলা সাহিত্য সভাৰ সমূহ সন্মানীয় বিষয়ববীয়া আৰু সন্মানীয় শাখা সমূহক আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। এই দুবছৰীয়া কাৰ্যকালত ওপৰত উল্লেখ কৰা সমূহ কৰ্মসূচী সফল ৰূপায়ণত আমাৰ তৰফৰ পৰা যৎপৰোনাস্তি চেষ্টা কৰা হ'ব। এই ক্ষেত্ৰত সকলোৰে দিহা-পৰামৰ্শ আৰু সহযোগিতা আন্তৰিকতাৰে কামনা কৰা হ'ল।

।। চিৰ চেনেহী মোৰ ভাষা জননী।।
জয়তু অসম সাহিত্য সভা
জয়তু লক্ষীমপুৰ জিলা সাহিত্য সভা।

**সঞ্জীৱ কুমাৰ উপাধ্যায়**
সভাপতি,
লক্ষীমপুৰ জিলা সাহিত্য সভা।
দিনাঙ্ক ঃ **১০** জুলাই, **২০২৫** খ্ৰীষ্টাব্দ ।

## সম্পাদকীয়

# সাহিত্য মানৱতাৰ ঢাল

**জিতেন বৰুৱা**

বহু সময়ত আমাৰ দৃষ্টি ভ্ৰম হয়। সময় আৰু পাৰিপাৰ্শ্বিকতাই আমাক এনে ভাৱে পীড়িত কৰি ৰাখে যে, যাৰ পৰিণতিত আমি হাততে থকা বস্তু এটাকে বিচাৰি হাহাকাৰ কৰি ফুৰোঁ। এনে কঠিন মুহূৰ্তত কাৰোবাৰ হস্তক্ষেপ অথবা সহযোগত বিচৰা বস্তুটোৰ অৱস্থান সম্পৰ্কে জ্ঞাত হওঁ। এনে পৰিস্থিতিত নিজৰ পুতৌজনক আচৰণৰ বাবে নিজকে ধিক্কাৰ দিবলৈ মন যায়। বস্তুটো যে হাততে আছিল সেই কথা আমাৰ অন্তঃসংযোগ বিচ্ছিন্ন হোৱাৰ কাৰণে আমি পাহৰি গৈছিলো। এই অন্তঃসংযোগ ঘটাবলৈকে আমাক অন্য অস্তিত্বৰ আৱশ্যক হ'ল। একেদৰে আমি কেনেদৰে জীৱন-যাপন কৰিব লাগে, জীৱনত আমি কেনে ধৰণৰ কৰ্তব্য কৰা উচিত-এনে কথাবোৰত প্ৰায়ে আমি দ্বিধাগ্ৰস্ত হওঁ। আমি পাহৰি পেলাওঁ জীৱনৰ সঠিক বাট। এনে সংকট কালত আমাৰ মনোজগতত শুভবুদ্ধিৰ উদ্বেগ ঘটাবলৈ প্ৰয়োজন হয়-প্ৰজ্ঞা উদ্দীপক, প্ৰেৰণাদায়ক বাণীৰ। একমাত্ৰ মহৎ সাহিত্যৰ মাজতহে আমি এনে বাণীৰ সন্ধান পাব পাৰো। কিয়নো মহত্বপূৰ্ণ সাহিত্যৰ ব্যঞ্জনাইহে আমাৰ চিত্ত পোহৰাব পাৰে। কালোৰ্ত্তীণ  সাহিত্যৰ মাজত এনে অমোঘ শক্তি আছে যে,মানুহে নিজকে চিনিবলৈ,সময় আৰু পাৰিপাৰ্শ্বিকতাক সলাব পৰাকৈ অমল মনোবল পাবলৈ সৰ্বদা সক্ষম।

জীৱন পৰিক্ৰমাৰ যি ধাৰাবাহিকতা অৰ্থাৎ সামাজিক সত্তাৰ যি নিৰন্তৰ বিকাশ আৰু দ্বন্দ্ব এই সকলোবোৰ সাহিত্যৰ মাধ্যমেৰে পূৰামাত্ৰাই প্ৰতিভাত হয়। সাহিত্যৰ জৰিয়তে বিপন্ন মানৱতাক তুলি ধৰি জীৱনৰ জয়গান গাব পাৰি। জীৱনক বৰ্ণময় কৰাৰ স্বাৰ্থত সাহিত্যৰ স'তে সহবাস কৰাটো আমাৰ বাবে অতিকে জৰুৰী।

সাহিত্যক জনতাৰ বুকুৰ কাষলৈ লৈ যোৱাৰ ক্ষেত্ৰত লেখকসকলৰ ভূমিকা আৰু দায়বদ্ধতাই সৰ্বাধিক গুৰুত্বপূৰ্ণ কথা। কিয়নো পাঠকৰ চিত্তত ৰ'দালি সিঁচিব পৰাকৈ ৰসগ্ৰাসী, কালোত্তীৰ্ণ, কল্যাণকামী সাহিত্য সৃষ্টিৰ বাবে লেখক সকলে নিজৰ পৰিশ্ৰম আৰু প্ৰজ্ঞাক সঠিক ভাৱে নিয়োজিত কৰিব লাগিব। সাহিত্য বিকাশৰ বাবে কাম কৰি থকা সাহিত্যৰ সংগঠন বিলাকে সৰ্বসাধাৰণ মানুহক বুজাব পাৰিব লাগিব যে,-ভোগবাদে আজিৰ পৃথিৱীখনক ভাৰসাম্যহীন কৰি তুলিছে। মানুহক চৰিত্ৰহীন,পঙ্গু কৰি তোলাত ভোগবাদে আজি মানুহৰ অন্তৰাত্মাত বৰপীৰা পাৰি বহি লৈছে। ইয়াৰ বিপৰীতে এখন সুখময়,শান্তিময়,সমৃদ্ধিশালী পৃথিৱী গঢ়িবলৈ হ'লে আমি কালজয়ী সাহিত্যই দেখুৱাই দিয়া মানৱতাৰ বাটেৰে অগ্ৰসৰ হব লাগিব। তেতিয়াহে জীৱন বাটৰ খোজে খোজে থকা মহাজীৱনৰ সুৰ শুনিবলৈ আমি আগ্ৰহান্বিত হৈ উঠিম আৰু জীৱনৰ প্ৰতি আমাৰ যোগাত্মক আশা সঞ্চাৰিত হব। কিন্তু অতি দুখজনক আৰু পৰিতাপৰ কথা এয়ে যে সাহিত্য-সংস্কৃতিক অতি সম্প্ৰতি

পুঁজিবাদৰ বহতীয়া কৰাৰ ষড়যন্ত্র সৰ্বত্র চলিব লাগিছে। সৰ্ব বৃহৎ প্ৰচাৰ মাধ্যম সমূহ যিহেতু পুঁজিবাদী শ্ৰেণীৰ হাতলৈ গৈছে, এনে প্ৰেক্ষাপটত সৰ্ব জনসাধাৰণৰ দুখেৰে লক্ষ্য কৰিছে যে সাহিত্য, সংস্কৃতি পণ্য সামগ্ৰীত পৰিণত হব লাগিছে। সাহিত্য-সংস্কৃতিক বিনোদনৰ মাধ্যম কৰি একাংশই অৰ্থ আৰ্জিছে।

আমাৰ কথা হ'ল কলা চৰ্চাৰ মাধ্যমেৰে ধন ঘটাটোত আমাৰ আপত্তি কৰিব লগা বিশেষ নাই। আমাৰ আপত্তি হ'ল - মানুহৰ হৃদয় পোহৰাব পৰা, বিপ্লৱ সংঘটিত কৰিব পৰা সাহিত্যক সমূহীয়া ৰূপ দিয়াটোত। ইয়াক বিৰোধীতা কৰিবই লাগিব। চিন্তাশীল আৰু দায়বদ্ধ লেখক সকলে ঐক্যবদ্ধ হৈ জনতাক সঠিক পথৰ সন্ধান দিবই লাগিব। ইয়াত ব্যক্তিগত লাভালাভৰ স্বাৰ্থ নাথাকে। থাকিব মাথো সমূহীয়া মানৰ কল্যাণৰ স্বাৰ্থ। অন্যথা মানৱতা ভূ-লুণ্ঠিত হৈ সৰ্বসাধাৰণ মানুহ আশ্ৰয়হাৰা হ'ব। সেয়ে আমি সাহিত্যক পণ্য বস্তু হোৱাৰ পৰা উদ্ধাৰ কৰিবলৈ বাস্তৱিক পদক্ষেপ গ্ৰহণ কৰোঁ আহক।

# ঃঃ সূচীপত্ৰ ঃঃ

ঃঃ বড়ো সমাজ আৰু সংস্কৃতিৰ ধাৰা - মহেন্দ্ৰ দৈমাৰী /১০
ঃঃ হোমেন বৰগোহাঞিৰ ৰচনাত ঢকুৰাখনা, চাৰিকড়ীয়া নৈ আৰু ম'হঘুলি চাপৰি - বগেন গগৈ /১৬
ঃঃ শাখা সাহিত্য সভাসমূহ - কিছু দায়িত্ব - ভৰত ৰাজখোৱা /২০
ঃঃ অসংগঠিত খণ্ডৰ প্ৰাধান্য আৰু শ্ৰমিকৰ জীৱন যাত্ৰা - ড° সুৰেশ দত্ত /২৩
ঃঃ অসমীয়া সাহিত্যৰ আপুৰুগীয়া সম্পদ স্বৰূপ ঃ ফকৰা যোজনা আৰু প্ৰবচন - বীণা শইকীয়া /২৭
ঃঃ নামঘোষাত সমতা আৰু বিশ্বজনীন আবেদন ঃ এক চমু অৱলোকন - প্ৰশান্ত বাৰিক /৩০
ঃঃ বৰেণ্য লেখিকা স্নেহ দেৱীৰ সাহিত্যকৃতি - মীনা ফুকন হাজৰিকা /৩৩
ঃঃ লোক সাহিত্যৰ সম্পদসমূহ - ৰেণু ভূঞা ফুকন /৩৬
ঃঃ তিৱা জনগোষ্ঠীৰ ইতিবৃত্ত - কুঞ্জ বুজৰবৰুৱা /৩৯
ঃঃ ভাইৰাছ - যুগান্ত শইকীয়া /৪১
ঃঃ কি হ'ব নতুন প্ৰজন্মৰ ভৱিষ্যৎ - জীৱন্ত শইকীয়া /৪৫
ঃঃ খাদ্যাভ্যাস বনাম আধুনিকতা - গায়ত্ৰী ভূঞা সোনোৱাল /৪৮
ঃঃ কবিতাৰ শিতান সজাইছে - প্ৰণিতা শইকীয়া বৰা, ৰেখা শৰ্মা হাজৰিকা, ৰঞ্জিতা হাজৰিকা চেতিয়া, পুলুমা ভঁৰালী, দিলীপ পৰাজুলী, পল্লৱী নেওগ বৰা, দিগন্ত সোনোৱাল, বিজুমণি হাজৰিকা, উমেশ্বৰী ভূঞা, প্ৰশান্ত শইকীয়া, ৰঞ্জন বৰ্মন, মিনু নেওগ ভৰালী, সৌৰভ বৰুৱা, জুমী দেৱী, ভাগ্যলক্ষী ডেকা, /৫১- ৫৭)
ঃঃ উদাসীন বসন্ত - এক সমালোচনাত্মক টোকা - নিৰ্মালী পূজাৰী /৫৮
ঃঃ লাৱণ্য ৰাণু ফুকনৰ অণুগল্প /৫৯
ঃঃ বিয়লি বেলিৰ বিষাদ - গঙ্গা শইকীয়া /৬০
ঃঃ সাহিত্যৰ বিকাশত সৃজনীমূলক সাহিত্যৰ ভূমিকা - ৰাজিত চাংমাই /৬৫
ঃঃ অদাহ্য অৰুচি - গোলাপ দিহিঙ্গীয়া/৬৭
ঃঃ অভিলাষ - বুলি চুতীয়া /৬৯
ঃঃ ধূপ নীৰৱে জ্বলে - নিৰুপমা বুঢ়াগোহাঁই /৭৪
ঃঃ কহিনুৰ কাবাৰীৱলা আৰু দুটা দিনৰ কথকতা - দীপালী বৰুৱা /৭৫
ঃঃ বিহপুৰীয়া শাখা সাহিত্য সভাৰ চমু ইতিবৃত্ত - ললিত মহন্ত /৮০
ঃঃ জিলা সম্পাদক আংশিক প্ৰতিবেদন - প্ৰবীণ শইকীয়া /৮৩
ঃঃ পৰিশিষ্ট-১ /৮৮
ঃঃ পৰিশিষ্ট-২ /৮৯

# বড়ো সমাজ আৰু সংস্কৃতিৰ ধাৰা

**মহেন্দ্ৰ দৈমাৰী**

উৰণ, বুৰণ, গজন আৰু ভ্ৰমণ- এই চাৰিমুঠি জীৱৰ জীৱশ্ৰেষ্ঠ হ'ল মানৱ। মানৱ সমাজপ্ৰিয়, সমাজ গতি জীৱন নিৰ্বাহ কৰে। সংস্কৃতি হ'ল মানৱ সমাজৰ আধাৰ ই হ'ল সমূহীয়া ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, স্বভাৱ-চৰিত্ৰ আৰু মানৱ সমাজৰ পৰম্পৰাগত অভ্যাস আৰু অভিজ্ঞতাৰো আধাৰ। সমাজ বিজ্ঞান অধ্যয়নৰ দ্বাৰা সংস্কৃতি সম্পৰ্কে ভালকৈ উপলব্ধি কৰিব পৰা যায়। মানৱ সমাজে নিতৌ চলন-ফুৰণ, শয়ন-ভোজন, জন্ম-বিবাহ-মৃত্যু, জীৱিকাৰ ব্যৱহাৰ, লোকাচাৰ, সাজপাৰ, মাংগলিক অনুষ্ঠান সকলোতে পৰম্পৰাগত সংস্কাৰ ভাৱাপন্ন নীতি-নিয়ম অতীজৰে পৰা মানি চলি আহিছে আৰু এনে ধাৰা বোৱতী সুঁতিৰ দৰে বৈয়েই থাকিব। অসমত বসবাস কৰি অহা জনজাতিসকলৰ ভিতৰত চীন-তিৰ্ব্বত-বৰ্মী-মংগোলীয়-কৈৰাতীয় বড়োসকলেই আদিমবাসী, ইয়াত কাৰো দ্বিমত থাকিব নোৱাৰে। তেওঁলোকৰ নিজৰ সংস্কৃতি বিদ্যমান। পুৰণিকালৰ পৰা মহা আড়ম্বৰেৰে ৰাজকাৰ্য সম্পাদন কৰিলেও ত্ৰয়োদশ শতিকাৰ পৰা তাই আহোমসকলৰ অত্যাচাৰত মহান বড়ো জাতি জুৰুলা আৰু ছেদেলি-ভেদেলি হয় আৰু যিয়ে য'তে সুবিধা পালে ত'তে বসবাস কৰিবলৈ লয়। বড়োসকলৰ নিজস্ব ইতিহাস নাথাকিলেও প্ৰাচীন মহাকাব্য, যোগিনীতন্ত্ৰ, পুৰাণ, আখ্যান আদিৰ পৰা প্ৰাক্-ঐতিহাসিক যুগৰ পৰাই তেওঁলোক সমগ্ৰ অসম তথা পূৰ্বোত্তৰ ভাৰতত বসবাস কৰি অহাৰ কথা স্পষ্টকৈ জানিব পৰা যায়। উল্লেখ্য বড়ো সংস্কৃতি আৰু অসমীয়া সংস্কৃতি একোটি মুদ্ৰাৰে ইপিঠি-সিপিঠি বুলিব পাৰি। সংস্কৃতি যিহেতু এটা জাতিৰ দাপোণ স্বৰূপ, নিৰ্দিষ্ট এটা জাতিৰ বিষয়ে খৰচি মাৰি জানিবলৈ হ'লে সেই জাতিৰ সংস্কৃতি অধ্যয়ন কৰাটো নিতান্তই প্ৰয়োজন। ইতিহাসে ঢুকি নোপোৱা বিষয়টি সংস্কৃতিয়েহে মানৱ সমাজক বোধগম্যলৈ ঠেলি নিব পাৰে। এই কথা স্বীকাৰ কৰিবই লাগিব যে সংস্কৃতি অবিহনে কোনো জাতি গোষ্ঠী উন্নীত হ'ব নোৱাৰে। কিৰাত বংশীয় বড়ো কছাৰীসকলৰ আছে স্বকীয় সংস্কৃতি। কোনো জাতি বা উপ-জাতিৰ জীৱন ধাৰণৰ মানদণ্ড স্বৰূপ এনে স্বকীয় সংস্কতিসমূহৰ বিষয়ে জ্ঞান থকাটো সকলোৰে কৰ্তব্য হোৱা উচিত। ক্ৰমোন্নতিশীল জাতিৰ সম্পদ হ'ল ভাষা- সাহিত্য, ৰীতি-নীতি, লোকাচাৰ, ধৰ্ম, মানসিক উৎকৰ্ষ, সুকুমাৰ কলা, স্থাপত্য, ভাস্কৰ্য, কিংবদন্তী আদি।

বড়ো সমাজ আৰু সংস্কৃতি ধাৰা পূৰ্বতে কেনে আছিল, সম্প্ৰতি কেনেধৰণৰ হৈ আছে, ভৱিষ্যতে কেনে ৰূপ ল'ব আৰু নৱপ্ৰজন্মই কেনে চিন্তাধাৰা আৰোপ কৰিছে, তাক খৰচি মাৰি জনাৰ হেতু কেইটিমান দিশৰ ওপৰত কিঞ্চিত আলাপ কৰাটো সমীচীন হ'ব।

১) <u>ভাষা- সাহিত্য</u> ঃ ইতিহাস প্ৰসিদ্ধ বড়োসকলে আৰ্য হিন্দুসকলৰ ওপৰত অতীজৰ পৰাই বাৰুকৈ প্ৰভাৱ পেলাই আহিছে। বনজ সম্পদৰ ব্যৱহাৰ, এড়ী, মুগা, পাট কাপোৰ আদিৰ প্ৰস্তুতকৰণ, মাটিৰে ঘৰ নিৰ্মাণ আৰু অইন কৃষিজাত কৰ্মৰ ক্ষেত্ৰত এক বৈচিত্ৰময়ৰ দ্বাৰা অসম ৰাজ্যখনক চহকী কৰি ৰাখিছে। ৰজা মহামাণিক্য, নৰনাৰায়ণ, তাম্ৰধ্বজ, ৰাণী চন্দ্ৰপ্ৰভা আদি স্মৰণযোগ্য। বড়ো জাতিয়ে সামাজিক নিজস্ব অভিজ্ঞতাৰ নিদৰ্শন দাঙি ধৰি অসমীয়া ভাষা-সাহিত্যৰ সম্ভাৰ টনকীয়াল কৰি ৰাখিছে। তেওঁোকক কিৰাত, অসুৰ, দানৱ, দৈত্য,

অনাৰ্য, কছাৰী যি নামেই নামাতক কিয়, তেওঁলোকৰ উমৈহতীয়া ভাষা হ'ল বড়ো। বড়ো ভাষাই ভাৰতীয় সংবিধানৰ অষ্টম অনুসূচীত অন্তৰ্ভূক্ত হোৱাৰ ওপৰি অসমত চৰকাৰী সহযোগী ভাষাৰূপে স্বীকৃত। উত্তৰ - পূৰ্বাঞ্চলৰ কেউখন বিশ্ববিদ্যালয়ত আধুনিক ভাৰতীয় ভাষা হিচাপে পৰিগণিত হৈছে। বড়ো ভাষাৰে পুথি ৰচনা কৰি মদাৰাম ব্ৰহ্ম, ড০ কামেশ্বৰ ব্ৰহ্ম, ড০ মংগলসিং হাজোৱাৰী, ড০ অনিল বড়োয়ে পদ্মশ্ৰী সন্মান পাবলৈ সক্ষম হৈছে। ভাষা বিজ্ঞানৰ গৱেষক অধ্যাপক মধুৰাম বড়োই সাহিত্য অকাদেমি বঁটা পাবলৈ সক্ষম হৈছে। সু-সাহিত্যিক অধ্যক্ষ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্যকে ধৰি বহুকেইগৰাকী সাহিত্য সেৱীয়ে ডক্টৰেট ডি গ্ৰী পোৱাৰ যোগ্যতা অৰ্জন কৰিছে। সৌ সিদিনা বড়ো সংস্কৃতিৰ সাধক মোহিনী মোহন ব্ৰহ্মাই আমেৰিকাৰ ফ্লোৰিজ আৰু চীনৰ বেইজিং চহৰত আন্তঃ ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ ভাষা-সাহিত্যৰ অধিৱেশনত ভাৰ.তীয় দলৰ নেতৃত্ব বহন কৰি বড়ো ভাষাৰ বিষয়ে বক্তব্য ৰখাৰ কথা সকলোৱে জানে। অসমৰ নদ-নদী, পৰ্বত-পাহাৰ, নগৰ-চহৰ, ঠাই, মাল-বস্তু আদি উচ্চাৰিত নামৰ মাজত বড়ো ভাষাৰ শব্দৰ প্ৰতিধ্বনি যেনেদৰে আছে, ঠিক তেনেদৰে বাৰে ৰহনীয়া গীত-মাত, সুৰ-ছন্দ, নাচ-গান, পিন্ধন-উৰণৰ মাজত বড়ো সংস্কৃতিৰ প্ৰভাৱ অতিশয় সুস্পষ্ট। এশ এবুৰি সমস্যাৰ সন্মুখীন হৈও বড়োসকলে নিজৰ ভাষা-সংস্কৃতি ৰক্ষা কৰি থকাটো বেছ লক্ষণীয়। বড়ো সাহিত্য সভাই নিজস্ব ভাষা-সাহিত্য-সংস্কৃতি বিকাশৰ ক্ষেত্ৰত উল্লেখনীয় ভূমিকা পালন কৰি আহিছে। বড়ো সাহিত্য সভা প্ৰতিষ্ঠা হয় ১৯৫২ চনৰ যোল্ল নৱেম্বৰৰ দিনা। ইয়াৰ সহযোগী সংগঠন সমূহ হ'ল নিখিল বড়ো ছাত্ৰ সন্থা, নিখিল বড়ো মহিলা কল্যাণ পৰিষদ, সদৌ বড়ো প্ৰাথমিক শিক্ষক সংস্থা, নিখিল বড়ো সাংস্কৃতিক মঞ্চ আৰু অইন জাতীয় সংগঠনসমূহ। বড়ো সাহিত্য সভাই উদ্‌যাপন কৰা দিৱসকেইটি হ'ল- ওঠৰ মে'ত বড়ো মাধ্যম দিৱস, আঠাইছ চেপ্তেম্বৰত ছহিদ দিৱস আৰু যোল্ল নৱেম্বৰত প্ৰতিষ্ঠা দিৱস। কেন্দ্ৰীয়ভাৱে প্ৰতিষ্ঠিত বড়ো সাহিত্য সভা (বৰ' থুনলাই আফাদ), জিলা ভিত্তিত এখন বা ততোধিক জিলা বড়ো সাহিত্য সভা আৰু আঞ্চলিক ভিত্তিত প্ৰাথমিক বড়ো সাহিত্য সভা। ইয়াৰ কাৰ্যকাল তিনিবছৰীয়া। বড়ো সাহিত্য সভাৰ নিজস্ব সংবিধান আছে।

২)ধৰ্ম ঃ বড়োসকলৰ কিংবদন্তী, জনশ্ৰুতি, লোককথাৰ পৰা স্পষ্টকৈ ধাৰণা কৰিব পাৰি যে, তেওঁলোকে শিৱ প্ৰভুক শিব্ৰাই আৰু আনান গোসাই নামেৰে ধ্যান ধাৰণা কৰে। তেওঁৰ পত্নী পাৰ্বতী, অন্য প্ৰকাৰে আদি মাতৃ শ্ৰীশ্ৰী দূৰ্গা গোঁসানী বুলি ভাৰতবৰ্ষত জাতি-উপজাতি সকলোৱে পূজা অৰ্চনা কৰে। পঞ্চতত্বৰ ভাগী বাথৌ থাপনাৰে উপাস্য দেৱতাক নৈবেদ্য আগবঢ়োৱাৰ নীতি বড়োসকলৰ আছে। মানৱ সৃষ্টিৰ কোনো এক লগ্নত কিৰাতৰূপী আদি প্ৰভু শিৱ অৰ্থাৎ দেৱাদিদেৱ মহাদেৱ আৰু শ্ৰী শ্ৰী দূৰ্গাৰ গৃহবাস আশ্ৰমৰ প্ৰথম কৰ্তা হিচাপে শ্ৰী শ্ৰী ব্ৰহ্মবৈৱৰ্ত পুৰাণৰ ব্ৰহ্মখণ্ড আৰু প্ৰকৃতি খণ্ডত বিস্তৃতভাৱে উল্লেখ থকা দেখা যায়। আমাৰ পৰম্পৰাগতভাৱে চলি অহা শাস্ত্ৰ বিশ্বাস, লোক বিশ্বাস অনুসৰি যি কোনো এটা জাতিৰ ধৰ্মৰ ভেটি স্বৰূপ ৰীতি-নীতিৰ ঘাই খুঁটা। বড়োসকলৰ পূজা অৰ্চনাত ঘাইকৈ শিব্ৰাই আনান গোসাই, বাথৌ, দিবা বুঢ়া-দিবা বুঢ়ী, সিজু গছ, কামাখ্যা দেৱী থান বিশেষে পূজা কৰা পদ্ধতি চলি আহিছে। দেৱ-দেৱীৰ পূজাত তেওঁলোকৰ নিজস্ব বাদ্য-বাজনা সংগত কৰা দেখা যায়। বড়োসকলৰ গীতৰ তাল-মান-লয়, স্বৰ-ছন্দ কোনো গুণে হীন নহয় বুলি স্বীকাৰ কৰিব লাগিব। বড়োসকলৰ আদি ধৰ্ম হ'ল বাথৌ আৰু প্ৰধান উপাস্য দেৱতা হ'ল বুঢ়া বাথৌ অৰ্থাৎ শিৱ। বাথৌ ধৰ্মীলোকে বিশ্বাস কৰে যে, বিশ্ব ব্ৰহ্মাণ্ডৰ সৃষ্টিকৰ্তা হ'ল আনান গোসাই। নিৰাকাৰ(নুৱাথাৰি) প্ৰভুৱে চকুৰ এক পলকতে এদিন মহাবিশ্বৰ সৃষ্টি কৰিছিল। শি বুঢ়া-শি বুঢ়ী প্ৰীতিৰ বিনিময়ত জন্ম হোৱা প্ৰথম মানৱ সন্তানটি হ'ল মৌনচিনচি।

বড়োসকলৰ জাতীয় উৎসৱ হ'ল খেৰাই। খেৰাই উৎসৱত শিৱাই মহাদেৱৰ লগতে পাৰ্বতী আৰু তেওঁৰ অনুস্বৰ বৰ্গৰ পূজা কৰা হয়। পাঁচশিৰিয়া সিজু গছৰ চাৰিওফালে পাঁচ যোৰ বাঁহৰ কামিৰে বোৱা ওঠৰযোৰ খুঁটি ওঠৰযোৰ দেৱ-দেৱীৰ প্ৰতীক। দেওধনী লম্ভা দৌ দিনীয়ে ওঠৰবিধ নৃত্য প্ৰদৰ্শন কৰে। বাথৌ ধৰ্মী বড়োসকলে ওঠৰযোৰ দেৱ-দেৱীৰ লগতে অন্যান্য তেত্ৰিশ কোটি দেৱ-দেৱী থকাৰ কথা বিশ্বাস কৰি আহিছে। আগৰ দিনত বাথৌ পূজা অন্যান্য মাংগলিক অনুষ্ঠানসমূহত বলি প্ৰথা আছিল যদিও সম্প্ৰতি সংস্কাৰ সাধন কৰি ফুল, মাহ, প্ৰসাদৰ দ্বাৰা এনে কাম সম্পন্ন কৰা দেখা যায়। বাথৌ ধৰ্মীয় লোকে সপ্তাহৰ মংগলবাৰ দিনটোক পৱিত্ৰ দিন হিচাপে গণ্য কৰে। সকলোৱে জ্ঞাত যে, মাঘ মাহৰ দ্বিতীয় মংগলবাৰে (নৈথি মংগলবাৰ) বাথৌ ধৰ্মীয় বড়োলোকে পবিত্ৰ বাথৌ দিৱস (গৌথাৰ বাথৌ চান) হিচাপে উদ্যাপন কৰে। অসম চৰকাৰে সেই দিনটো বন্ধৰ দিন হিচাপে ঘোষণা কৰিছে।

অবিভক্ত গোৱালপাৰা জিলাৰ পৰ্বতঝৰা টিপকাই অঞ্চলৰ কাজি গাঁৱত ১৮৬০ চনৰ ১৮ এপ্ৰিলৰ এটি শুভ ক্ষণত খৌলাৰামৰ ঔৰস আৰু ৰণদিনীৰ গৰ্ভত এটি পুত্ৰ সন্তানৰ জন্ম হয়। তেওঁৰ নামেই জনাজাত হয় কালীচৰণৰূপে। তেওঁ শিৱ নাৰায়ণ পৰমহংস নামৰ এজন উত্তৰ ভাৰতীয় গুৰুৰ সংস্পৰ্শলৈ আহি ব্ৰহ্মধৰ্ম গ্ৰহণ কৰে। মদ-গাহৰি-কুকুৰা, অসংখ্য দেৱ-দেৱী পূজা, বলিদান আদি পৰিত্যাগ কৰি তেওঁ এক প্ৰবল সামাজিক জাগৰণৰ সূচনা কৰিলে। সত্য নিষ্ঠাৰে ব্ৰহ্মধৰ্ম পালন কৰি বড়ো আৰু অনা বড়োসকলৰ মাজত প্ৰচাৰ আৰু প্ৰসাৰ কৰিব পৰাৰ বাবে তেওঁ গুৰুদেৱ অভিধাৰে বিভূষিত হয়। তেওঁ প্ৰকৃততে সমাজ সংস্কাৰক হিচাপে চিৰ পৰিচিত। গুৰুদেৱ কালীচৰণ ব্ৰহ্মাৰ সংস্পৰ্শলৈ আহি বড়োসকলৰ বহুতে ব্ৰহ্ম ধৰ্মত দীক্ষিত হয়।

বড়োসকলৰ মাজত খ্ৰীষ্টীয়ান ধৰ্ম গ্ৰহণ কৰা লোক অনেক পোৱা যায়। মহাপুৰুষ শংকৰদেৱ-মাধৱদেৱৰ সংস্পৰ্শলৈ আহি বৈষ্ণৱ ধৰ্ম, অনুকুল চন্দ্ৰ ঠাকুৰৰ অনুকুল ধৰ্ম, কৃষ্ণগুৰু ধৰ্ম, মানৱ ধৰ্ম প্ৰভৃতি ধৰ্ম গ্ৰহণ কৰা বড়োলোক পোৱা যায়। বড়োসকলৰ বহুতে অইন ধৰ্মলৈ বাগৰি গৈছে যদিও তেওঁলোকৰ আদি ধৰ্ম যে "বাথৌ", এই কথা এশ শতাংশ বড়োলোকে স্বীকাৰ কৰে।

৩)<u>সাজ-পাৰ, আ-অলংকাৰ</u> ঃ বড়ো পুৰুষ-মহিলা উভয়ে ব্যৱহাৰ কৰা সাজ-পাৰসমূহ নানান ৰঙৰ, পুৰুষে কঁকালত গাম্‌চা পিন্ধে, লগতে থাকে ফাইলি আৰু আৰ'নাই। মহিলাসকলে ব্যৱহাৰ কৰা সাজ-পাৰৰ ভিতৰত দখনা, ফাস্ৰা, ফাইলি আৰু আৰ'নাই। সৰু ছোৱালীয়ে কঁকালত দখনা পিন্ধে আৰু ডাঙৰে পিন্ধে বুকুত মেথনি মাৰি। নাৰীসকলে বহুৰঙী দখনা আৰু আৰ'নাইসহ ফাস্ৰা পৰিধান কৰা নৃত্যাংগনা বড়ো নাৰীক ফুলনি বাগিছাত ফুলৰ ৰস চুহি উৰি ফুৰা পখিলাৰ দৰে দেখা যায়। আগৰ দিনত তিৰোতাই একে ৰাতিৰ ভিতৰতে সূতা কাটি ফুলাম গামোচা প্ৰস্তুত কৰি নিজ নিজ স্বামীক গাত মেৰিয়াই দি শত্ৰুৰ বিৰুদ্ধে যুঁজ দিবলৈ পৰামৰ্শ দি পঠিয়াইছিল- এই কথা লোকগীতত পোৱা যায়। মহিলাসকলৰ দৰে পুৰুষসকলেও বাঁহ, বেত, কাঠৰ কাম কৰি নিত্য ব্যৱহাৰ্য সামগ্ৰীসমূহ তৈয়াৰ কৰি লোৱা দেখা যায়। মহিলাই পৰিধান কৰা দখনা দুই প্ৰকাৰৰ- লাংগা দখনা আৰু অগ্ৰং দখনা। অগ্ৰং দখনাতকৈ লাংগা দখনাৰ জনপ্ৰিয়তা আৰু চাহিদা আছে। খেৰাই নৃত্যবা তেনে কোনোবা উৎসবাদিত বয়সীয়াল পুৰুষে ফাইলি বা আৰ'নাই কাপোৰ মূৰত পাগুৰি মাৰি লোৱাটো এক উল্লেখনীয় বৈশিষ্ট্য। অইন জাতি-জনজাতিৰ তিৰোতাসকলৰ দৰে বড়ো তিৰোতাসকলে সৰুৰে পৰা বৃদ্ধলৈকে গহণা পাতি ব্যৱহাৰ কৰে। বৃদ্ধাৱস্থাৰ মহিলাই ব্যৱহাৰ কৰা কেৰু, থুৰিয়া, গলপতা আদি অলংকাৰ কিছু বেলেগ ধৰণৰ। উন্নত পৰিয়ালৰ ল'ৰা-ছোৱালীৰ পিন্ধন-উৰণ মধ্যবিত্ত বা দুখীয়া পৰিয়ালৰ লগত প্ৰায় একেই। অৱশ্যে তিৰোতাৰ ক্ষেত্ৰত কিছু তাৰতম্য আছে। অৱস্থাসম্পন্ন ঘৰৰ তিৰোতাই দামী

নাকফুলি (নাখাফুল), চন্দ্ৰহালা, মোহন জিঞ্জিৰি আদি গহণা ব্যৱহাৰ কৰা দেখা যায়।

৪) বিবাহ পদ্ধতি ঃ বড়োসকলৰ মাজত পিতৃবংশীয় আৰু মাতৃবংশীয় দুয়োবিধ বিবাহৰ ব্যৱস্থা আছে। বিশিষ্ট লেখক, শিক্ষাবিদ, ৰাজনীতিবিদ ভৱেন নাৰ্জীৰ মতে বড়োসকলৰ ছয় প্ৰকাৰৰ বিবাহৰ ব্যৱস্থা আছে। সেইবোৰ হ'ল- ক) গুবৈ হাবা (সমাজৰ নীতি অনুযায়ী বিবাহ), খ) গৰৈজিয়া হাবা (ঘৰ জোঁৱাই ৰাখি দিয়া বিবাহ), গ) খাৰছন্নায় হাবা (ছোৱালীয়ে নিজে ঘৰ সোমোৱা বিবাহ), ঘ) দংখা হাবা (ঢোকা প্ৰথাৰে কৰা বিবাহ), ঙ) ৰৌনায় হাবা (টানি নি কৰা বিবাহ) আৰু চ) লাংখাৰনায় বা দৈখাৰনায় হাবা (পলুৱাই নি কৰা বিবাহ)। ইয়াৰে প্ৰথম চাৰি প্ৰকাৰৰ বিবাহৰ ব্যৱস্থা বৈধ আৰু শেষৰ দুই প্ৰকাৰৰ ব্যৱস্থা অবৈধ বুলি অতীজৰে পৰা চলি আহিছে। আগৰ দিনত ল'ৰাই কোনো ছোৱালীক ভাল পালেই ঘৰৰ পৰাই হওক বা বাটে-পথে কামে-বনে লগ পালেই জোৰ-জুলুমকৈ টানি নি ঘৰ সোমোৱা নিয়ম আছিল। সম্প্ৰতি নীতি বিৰুদ্ধ বুলি সভ্য সমাজে বিবেচনা কৰি এনে অবৈধ নাইবা আসুৰিক ব্যৱস্থাৰে পতাটো নিষেধ কৰিছে। বাথৌ ধৰ্মী লোকে দৌৰীৰ দ্বাৰা বিবাহ কাৰ্য সম্পাদন কৰে। ব্ৰহ্ম ধৰ্মীয় লোকৰ এজন পুৰোহিতৰ দ্বাৰা আৰ্য সনাতন ধৰ্মৰ মন্ত্ৰ পাঠ কৰি হোম যজ্ঞৰে বিবাহ কাৰ্য সম্পাদন কৰে। বিয়াৰ দিনা দৰাপক্ষ কইনাৰ ঘৰলৈ আহোতে তিনিজন মানুহে তিনিখন ভাৰ আনে। ইয়াৰে মূল ভাৰ দুখন বুলি কোৱা হয়। এখন ভাৰত তামোল-পাণ, আনখন ভাৰত থাকে গাখীৰ, চেনি , চাহ, মিঠাই ইত্যাদি। তৃতীয় ভাৰখন অৱশ্যে কইনা ঘৰৰ পদূলিমূৰত গৰখীয়া ল'ৰাইঁতে কাঢ়ি লৈ যায়; সেয়ে ইয়াকগৰখীয়া ভাৰ (লাউখাৰ বিবান) বুলি কোৱা হয়। তাত থাকে মাছ-মাংস, মিঠাতেল, জলকীয়া, মছলা, শাক-পাচলি, নিমখ। গৰখীয়াৰ ভাৰখনক ঠাইবিশেষে ঠেং ব্ৰাংখা বুলিও কোৱা হয়। বিয়াৰ কাম চলি থকাৰ সময়তে কইনা পক্ষই দৰাৰ লগত যোৱা মানুহখিনিক সাধ্যানুসাৰে ভোজ-ভাত খুওৱা দেখা যায়। বড়োসকলৰ বিয়াত এজনী 'বৈৰাথি' আৰু এজন 'বাৰলাংফা' নামাকৰণেৰে এহাল যুৱক-যুৱতী থাকে, তেওঁলোকৰ অনেক দায়িত্ব থাকে। ক'বলৈ গ'লে বড়োসকলৰ বিবাহ কাৰ্যৰ সময়ত বৈৰাথি নহ'লে প্ৰকৃত বিবাহ বুলি কোৱা নাযায়। বৈৰাথিক লৈয়েই বিবাহস্থলীৰ লোকসকলে ৰং-তামাচা কৰে, তাই দিয়া চাহ-মিঠাই, তামোল-পাণ খাই পৰম তৃপ্তি পায়। বৈৰাথি আৰু বাৰলাংফাই নৃত্য-গীত জনাটো বাধ্যতামূলক। বিবাহৰ বাবে ছোৱালী চাবলৈ যোৱাৰ নিয়ম, বিয়াত জোৰণ পিন্ধোৱা বড়োসকলৰ এক উল্লেখনীয় দিশ। সাধ্যানুসাৰে যৌতুকৰ ব্যৱস্থাও নথকা নহয়। নীতি-নিয়ম ভংগ নকৰাৰ পৰিপ্ৰেক্ষিতত কিঞ্চিত হ'লেও গাধন লোৱাৰ ব্যৱস্থা আছে। মাতৃয়ে প্ৰসৱ বেদনাৰ পৰা আৰম্ভ কৰি জীয়েকক দৰাৰ ঘৰলৈ উলিয়াই দিয়ালৈকে যি পাৰিশ্ৰমিক পোৱাৰ যোগ্যতা অৰ্জন কৰিব পাৰে, তাৰ বিনিময়ত জীয়েকে সন্তান পোৱাৰ পাছত মাকক গাহৰি খুওৱা নিয়মো আছে; এই ব্যৱস্থাও সাধ্যানুসাৰে কৰা হয়। বিবাহ কাৰ্য সম্পন্ন হোৱাৰ সাত দিনৰ পাছত অৰ্থাৎ অষ্টম দিনা আঠমঙলা (আথি মংগল নাইবা নেওথা জানায়) খাবলৈ জোঁৱায়েকে শহুৰেকৰ ঘৰলৈ যোৱাৰ নিয়মটো সৰ্বজনবিদিত। বহুতে ইয়াক গাঁৱলীয়া কথাৰে ঘৰ উঠা বুলিও অভিহিত কৰে। শহুৰেকৰ ঘৰলৈ যাওঁতে নিজৰ সখিয়েক যাক পালি দৰা আৰু ন- কইনাৰ লগত এজনী সখীয়েক অৰ্থাৎ দুযোৰ হৈ যোৱাৰ নিয়ম। বিয়াত ছোৱালীয়ে উপহাৰ হিচাপে পোৱা অৰ্থসহ সামগ্ৰীসমূহ দৰাৰ ঘৰলৈ লৈ আহে। এনেদৰে বিবাহ ব্যৱস্থাৰ সামৰণি পৰে।

৫) গীত-মাত, বাদ্য-যন্ত্ৰ ঃ কৃষ্টি হ'ল সংস্কৃতিৰ ঘাই অংগ। ললিত কলা কিম্বা বড়ো কৃষ্টিৰ সন্দৰ্ভত গীত-মাত, নৃত্যাদিত সংগত কৰা বাদ্য যন্ত্ৰৰ ভিতৰত (ক) খাম (মাদল সদৃশ), (খ) চিফুং (বাঁহী), (গ) জখা (তাল), (ঘ) চেৰ্জা (বেহলাসদৃশ), (ঙ) জাৰখ্ৰিং (ঝুনুকা সদৃশ), (চ) গংগৌনা (গগনা) আদিয়েই প্ৰধান। এইসমূহ বাদ্যযন্ত্ৰৰ

ভিতৰত চেৰ্জা নামৰ একতন্ত্ৰীযুক্ত অতি কলা কৌশলী লোকেহে তৈয়াৰ কৰিব পাৰে আৰু বজাব পাৰে। ইয়াৰ সুৰৰ ধ্বনি অতিকৈ মধুৰ। অইন হাতেদি খাম নামৰ মাদল সদৃশ বাদ্য যন্ত্রটি তৈয়াৰ কৰোতে আৰম্ভণিৰ পৰাই তেওঁলোকৰ উপাস্য দেৱতাক সুঁৱৰি মন্ত্রপুতৰ দ্বাৰা সমাপ্ত কৰা হয়। বাঁহী বা মুৰুলীত সপ্তসুৰৰ বংশৰ শুনা যায়, কিন্তু বড়োৰ চিফুং হ'ল ষষ্ঠীসুৰ বিশিষ্ট, ইয়াত পাঁচটা বিন্ধাহে থাকে।

বড়োসকলৰ লোকগীত আৰু লোকনৃত্যই স্বকীয় বৈশিষ্ট্যৰ চিনাকি দি আহিছে। এইসমূহ ধৰ্মীয় আৰু উৎসৱ-পাৰ্বণ সম্পৰ্কীয়। খেৰাই, বাগুৰুম্বা,ত্ৰেলী, ৰণচণ্ডী, বাৰদৈ চিখ্লা, খ্ৰফি চিৰনায়, দাওশ্ৰিদেলাই, মৌচাগ্ৰাংনায়, না গুৰনায়, বৈশাগু, আদুংগাবি প্ৰভৃতি নৃত্যসমূহ নিশ্চয় ৰাইজে উপভোগ কৰিবলৈ পাইছে। বড়োসকলৰ গীত-মাতৰ সুৰ-সঞ্চাৰ, তাল-মান-লয় আদি অতিকৈ উন্নত ধৰণৰ। নৃত্যৰ ভিতৰত লাস্যমান বাগুৰুম্বাই শ্ৰেষ্ঠ আসন দখল কৰি আহিছে। তেওঁলোকৰ খেৰাই নৃত্যৰ সুকীয়া বৈশিষ্ট্য বিদ্যমান। ৰংজালি বৈচাগু (ৰঙালী বিহু) আৰু মাগী দমাচি (মাঘ বিহু) উৎসৱ আদিত অত্যাধুনিক পাশ্চাত্য দেশীয় বাদ্য যন্ত্রও ব্যৱহাৰ কৰা দেখা যায়। লোকনৃত্য আৰু শাস্ত্রীয় নৃত্য এই দুয়োবিধ নৃত্যৰ ভিতৰত লোকনৃত্যই শ্ৰেষ্ঠ বুলি কোৱা হয়। বড়োসকলৰ নৃত্য-গীতাদিৰ শিক্ষা খ্ৰীষ্টীয় সপ্তম শতিকাৰ আৰম্ভণিৰ পৰাই জনাজাত আছিল; ইয়াৰ নিদৰ্শন চীনা পৰিব্ৰাজক হিউৱেনচাং কামৰূপলৈ আহোতে বড়ো গাভৰুৱে হালালি নামৰ ফুলাম জাপিৰে নৃত্য কৰি আদৰণি জনাইছিল। সেয়ে জাপি নৃত্য বড়োসকলৰ অৱদান বুলি দাবী কৰিবৰ যথেষ্ট থল আছে। বিখ্যাত তাণ্ডৱ নৃত্য তণ্ডু মুণিৰ পৰাই সৃষ্টি হোৱা। এনে নৃত্য বড়োসকলৰ পৰা তণ্ডু মুনিয়ে শিকি লৈছিল। নৃত্যত পাকৈত ৰাজ্যমতী নামৰ এজনী বড়ো গাভৰুক লিচ্চৰি বংশৰ এজন নেপালী ৰজাই বিবাহ কৰিছিল। সম্প্ৰতি নেপালত বড়ো মেডে নৃত্য গীতে প্ৰাধান্য লাভ কৰি আছে। বড়োসকলৰ মূল উপাস্য দেৱতা বুঢ়া বাথৌ মহাদেৱক উপাসনা কৰা বাণ ৰজাই জীয়েক ঊষাদেৱীক শ্ৰীকৃষ্ণৰ নাতিয়েক অনিৰুদ্ধই বিবাহ কৰি নিয়াৰ বাবে দ্বাৰকা নগৰৰ গাভৰুসকল নৃত্য গীতত পাকৈত আছিল।

৬) শিল্প-ভাস্কৰ্যঃ বড়োসকলক শিল্প-ভাস্কৰ্যত পাকৈত বুলি কোৱাৰ যুক্তিযুক্ততা আছে। পুৰণি কালত খোদিত মূৰ্তি, চিত্রাংকনসমূহৰ পৰা এনে নিদৰ্শন পোৱা যায়। ডিমাপুৰ নগৰৰ ভগ্নাৱশেষ, মাইঙৰ সমীপৰ মাহুৰ নদীৰ পাৰত থকা শিলৰ মূৰ্তি, তেজপুৰৰ বড়ো বৰাহী ৰজা মহামাণিক্যৰ প্ৰতিমূৰ্তি, বড়ো ৰাজ্যৰ শেষ নগৰ খাচপুৰত থকা শিলৰ তোৰণ আৰু বাট-পথ আদি বড়োসকলৰেই যে অৱদান, ই সহজে অনুমেয়। নীলাচল পাহাৰস্থ কামাখ্যা মন্দিৰত থকা ভিন ভিন মূৰ্তি, শদিয়াত পোৱা তাম্ৰেশ্বৰী মন্দিৰত থকা মূৰ্তিসমূহো বড়ো চিত্ৰকৰৰ হাতৰ পৰশত সৃষ্টি হোৱা অমূল্য সম্পদ। ধেমাজি জিলাৰ চিলাপথাৰৰ সমীপত মালিনী থানক বড়োসকলে মাইনা বুঢ়া-মাইনা বুঢ়ী বুলি অভিহিত কৰে। দৰাচলতে মাইনা শব্দটো বড়ো মাইনাও (লক্ষ্মী) শব্দৰ অপভ্ৰংশহে মাথোন। সেই মাইনাও বুঢ়ীয়েই ধন-ধান, ঐশ্বৰ্য সম্পত্তিৰ অধিষ্ঠাত্ৰী দেৱী। মালিনী থানৰ কাৰুকাৰ্য আৰু শিলৰ গাঁথনি অতি বৈচিত্ৰময়। সেইসমূহ মাইয়ঙৰ বড়ো-কছাৰী ৰজাৰ শিলেৰে সজোৱা ৰাজপ্ৰসাদ, ই তাম্ৰেশ্বৰী মন্দিৰৰ শিলত কটা বেদীৰ লগত হুবহু মিল থকা দেখা যায়।

শিলত কটা দেৱ-দেৱীৰ ভাস্কৰ্য হ'ল কাৰ্তিক, গণেশ, অপ্সৰা, শিৱৰ বাহন নন্দী, পাৰ্বতীৰ বাহন সিংহ, পাৰ্বতীৰ মূৰ্তি আৰু সোঁহাতত ডম্বৰু লৈ থকা শিৱৰ মূৰ্তি পুৰণি ভাস্কৰ্যৰ নিদৰ্শন। বড়ো-কছাৰী শেষ ৰজা গোবিন্দ্ৰ চন্দ্ৰ (ইৰাগ্ দাও) কাছাৰ ৰাজ্যৰ খাচপুৰত ৰজাসকলক স্মৰণ কৰিবলৈ মন্দিৰ নিৰ্মাণ কৰিছিল। ৰজাসকলৰ ভিতৰত জ্যেষ্ঠ কৃষ্ণ চন্দ্ৰৰ (খুংখ্ৰা) আসন আছিল সকলোতকৈ উন্নত। জ্যেষ্ঠ ৰজাৰ পৰা আৰম্ভ কৰি তেওঁৰ ৰাজত্বকালৰ কণিষ্ঠ ৰজালৈকে পূৰ্ব পুৰুষক নৈবেদ্য আগবঢ়োৱাৰ নিয়ম আছিল। বিশিষ্ট চিত্ৰশিল্পী

শোভা ব্ৰহ্মৰ লিখনিসমূহৰ পৰা বড়ো শিল্প-ভাস্কৰ্যৰ বিষয়ে আমি বিতংকৈ জানিব পাৰো।

৭) খাদ্য সম্ভাৰ ঃ আগৰ দিনত ভাৰতৰ উচ্চ হিন্দু সম্প্ৰদায়ৰ লোকে কুকুৰা পোহা বা খোৱাটো অস্পৃশ্য বুলি গণ্য কৰিছিল। সম্প্ৰতি সেই ভাৱ পৰিহাৰ কৰা পৰিলক্ষিত হৈছে। জন-জীৱনত কুকুৰা চৰাইকে লৈ অলেখ সাধুকথা, কিংবদন্তী, লোকবিশ্বাস গঢ়ি উঠিছে। বড়োসকলৰ জন-জীৱনত কুকুৰা চৰাই এক অপৰিহাৰ্য প্ৰাণী, ৰুচীৰ ভিতৰত গাহৰি মাংস উত্তম যদিও গাহৰি পোহাটো গৌণ বুলি ভৰা হয়। পূৰ্বতে তেওঁলোকৰ পূজা-পাৰ্বণত কুকুৰা বলি দিয়া প্ৰথা আছিল। ঘৰখনৰ মূৰব্বী লোক নাইবা পৰিয়ালৰ কোনো লোক অইন দূৰণিবটীয়া ঠাইৰ পৰা আহি ঘৰ সোমোৱাৰ আগতে গা-পা ধুই নিশা হৈ এযোৰ কুকুৰা পোৱালি কাটি প্ৰায়শ্চিত্ত কৰোৱাই ঘৰ সোমোৱা নিয়ম আছে। কিবা অসামাজিক কাম কৰি অপৰাধী হৈ শপত খোৱা লোকে নাতি-নিয়ম পালন কৰিব নোৱাৰিলে শিব্ৰাই মহাদেৱলৈ কুকুৰা পোৱালি এটা কাটি ক্ষমা প্ৰাৰ্থনা কৰে। বাথৌ পূজাত বহি দীঘল মন্ত্ৰ মাতি কুকুৰা উছৰ্গা কৰা, খেৰাই পূজাত যোগদান কৰা লোকসকলে সাধ্যানুসাৰে মদৰ কলহ, ধান-চাউল আৰু অপৰিহাৰ্য কুকুৰা আগবঢ়োৱা আদি প্ৰথা বড়ো সমাজৰ মাজত প্ৰচলিত। কুকুৰা চৰাইকে লৈ পূজা-পাৰ্বন, মাংগলিক অনুষ্ঠান, সভা-সমিতি আদিত কৃষ্টি প্ৰদৰ্শন কৰা সকলোৰে দৃষ্টিগোচৰ হয়। প্ৰিয় ধৰ্মীয় নৃত্য কুকুৰা ৰক্ত পান (দাও থৈ লৌংনায়) এটি হুবহু বৰ্ণনা। কুকুৰা কাটি বলি দিলেও পিছত মানুহেই ভোজন কৰে। অতিথিক সোধ-পোছ কৰিলে অইন মাছ-মাংসৰ লগতে কুকুৰাৰ মাংসও অন্যতম। কুকুৰাৰ মাংসেৰে এসাঁজ খুৱাই হ'লেও গৃহস্থই পৰম আনন্দ পায়।

বড়োসকলৰ খাদ্যৰ ব্যৱহাৰ অইন সম্প্ৰদায়ৰ খাদ্যতকৈ কিছু পৃথক। গাঁৱলীয়া লোকে কৰাৰ দৰে বড়োসকলৰ মাজত পিঠাগুড়ি(অনলাখাৰি) আঞ্জা অতি প্ৰিয়; মাছ-মাংস নতুবা অইন শাকৰ লগত পিঠাগুড়ি মিহলাই আঞ্জা তৈয়াৰ কৰা নিয়ম। বড়ো চিখ্‌লা (গাভৰু), বিহামজৌ (বোৱাৰী) সকলে পথাৰ, হাবি-বননিৰ পৰা বিধে বিধে পাচলি সংগ্ৰহ কৰি আনি পৰম তৃপ্তিৰে ভোজ-ভাত খাই ভাল পায়। মাটি মাহৰ আঞ্জাত মাংস দিয়া প্ৰথা চলি আহিছে। সৰুৰে পৰা বয়সস্থ মহিলাসকলে কুকুৰা, গাহৰি, হাঁহ পুহি আৰু মৎস্য স্বীকাৰ কৰি খুব ভাল পায়। বিহুৰে-তিথিয়ে আৰু অইন সময়তো পিঠা, চিৰা, মুড়ি, কৰাই, আখৈ আদি প্ৰস্তুত কৰণত মহিলাসকল পাকৈত। ঘৰুৱা মদ এক প্ৰকাৰ খাদ্য। বড়োসকলৰ সকাম-নিকাম, উৎসৱাদিত মদ নহ'লে নচলে; সম্প্ৰতি সংস্কাৰ-ভাৱাপন্ন গতিৰে বলি বিধান আৰু এইবিলাকৰ প্ৰচলন হ্ৰাস পাই আহিছে। প্ৰায়লোকে জানে যে, জৌ বা জুমাই (মদ), নাৰজি (শুকান মৰাপাত), নাফাম (শুকান খুন্দা মাছ), খাৰদৈ (খাৰ) তিতা-টেঙা জাতীয় খাদ্য বড়োসকলৰ প্ৰিয় খাদ্য।

অসমীয়া সমাজত প্ৰচলিত প্ৰায়বোৰ প্ৰথা কিম্বা সামাজিক ৰীতি-নীতি বড়ো জনজাতিৰ সংস্কৃতিৰ উপাদানৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত আছে। সম্প্ৰতি বড়ো সংস্কৃতি অপ সংস্কৃতিলৈ ধাৱমান হোৱাৰ উপক্ৰম হৈছে যদিও সচেতন নৱ প্ৰজন্মই আপোন সংস্কৃতি বুলি সংস্কাৰ ৰূপী মনোভাৱ পোষণ কৰিবলৈ এই লেখাৰ যোগেদি উদাত্ত আহ্বান জনালোঁ।

*সভাপতি, বগীনদী শাখা সাহিত্য সভা।*

# হোমেন বৰগোহাঞিৰ ৰচনাত ঢকুৱাখনা, চাৰিকড়ীয়া নৈ আৰু ম'হঘূলি চাপৰি

বগেন গগৈ

প্ৰখ্যাত সাহিত্যিক সাংবাদিক, বিংশ শতিকাৰ এগৰাকী শক্তিশালী আৰু শ্ৰেষ্ঠ লিখক গদ্যশিল্পী, একবিংশ শতিকাৰো দুটা দশকৰ সুযোগ্য প্ৰতিনিধি, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি হোমেন বৰগোহাঞিদেৱৰ সমগ্ৰ ৰচনাৱলীৰ এক বৃহৎ অংশ আগুৰি আছে তেখেতৰ জন্ম ঠাই ঢকুৱাখনা, তেখেতৰ প্ৰিয় আৰু মনোৰম নদী চাৰিকড়ীয়া আৰু তেখেতৰ শৈশৱ কালত সাঁতুৰি নাদুৰি খেলা-ধূলা কৰি আৰু প্ৰকৃতিৰ ৰম্যকানন স্বৰূপ চাৰিকড়ীয়া নৈৰ পাৰৰ শৈশৱৰ বিচিত্ৰময় ৰমনীয় প্ৰাকৃতিক সৌন্দৰ্যময়ী ঠাই ম'হঘূলি চাপৰি আৰু কাষৰ পাজৰৰ ঠাইসমূহৰ অপূৰ্ব আৰু বৈচিত্ৰময় বৰ্ণনা আৰু প্ৰাকৃতিক শোভাই। তেখেতৰ আত্মজীৱনীমূলক গ্ৰন্থ কেইখনৰ লগতে অন্যান্য গ্ৰন্থ, উপন্যাস, গল্প আৰু আন আন প্ৰবন্ধ সমূহতো ঢকুৱাখনাৰ প্ৰাকৃতিক পৰিৱেশ, প্ৰাকৃতিক সৌন্দৰ্য আৰু অপৰূপ ৰূপ শোভাই সুযোগ পালেই বা সুযোগ বুজি পোহাৰ মেলিবলৈ পাহৰা নাই। হোমেন বৰগোহাঞিদেৱৰ আত্মজীৱনীমূলক গ্ৰন্থ 'আত্মানুসন্ধান', 'ধুমুহা আৰু ৰামধেনু', 'মোৰ সাংবাদিক জীৱন', 'সাউদৰ পুতেকে নাও মেলি যায়', 'মৎস্য গন্ধা', 'পিতাপুত্ৰ' আদি গ্ৰন্থকেইখনত ঢকুৱাখনাৰ প্ৰাকৃতিক চিত্ৰ, ম'হঘূলি চাপৰিৰ দৃশ্য আৰু তেখেতৰ প্ৰিয় মনোৰম নৈ চাৰিকড়ীয়া নদীৰ কথা অতি সৰস মনোৰম আৰু উৎসাহেৰে বৰ্ণনা কৰিছে।

প্ৰত্যেকগৰাকী প্ৰখ্যাত লিখক, সাহিত্যিকে নিজৰ গাঁওখনৰ কথা, নিজৰ জন্ম ঠাইখনৰ কথা, ঠাইখনৰ বুৰঞ্জী, ঐতিহ্য, নৈ নিজৰা আৰু গুৰুত্বৰ কথা ঐতিহ্য আৰু ক্ষেত্ৰবোৰৰ সুন্দৰ বৰ্ণনা কৰি ভাষা সাহিত্যৰ বুৰঞ্জীত জিলিকাই থৈ যোৱাৰ উদাহৰণ বহুতো আছে। প্ৰখ্যাত কবি সাহিত্যিক, অসমীয়া সাহিত্যৰ বুৰঞ্জীকাৰ ডিম্বেশ্বৰ নেওগদেৱে তেখেতৰ নিজৰ সৰু গাঁও কমাৰ ফদীয়া গাঁওখনিৰ কথা এটা কবিতাত বিখ্যাত কৰি থৈ গৈছে। 'কমাৰ ফদীয়া এই সৰু গাঁওখনি মোৰ ব্ৰহ্মাণ্ডৰ ক্ষুদ্ৰ তাঙৰণ।' অসমীয়া সাহিত্যত কেইবাগৰাকীও সাহিত্যিক কবিয়ে তেওঁলোকৰ নিজা অঞ্চলৰ নদী, নিজৰা আৰু ঠাইসমূহক লৈ অসমীয়া সাহিত্যত সুন্দৰ আৰু নিতুল বৰ্ণনাৰে বিখ্যাত কৰি থৈ যোৱাৰ উদাহৰণ বহুতো আছে। উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈয়ে 'মিৰি জীয়ৰী' উপন্যাসত সোৱণশিৰি নদীৰ নিতুল সুন্দৰ আৰু ঐতিহাসিক বৰ্ণনাৰে সোৱণশিৰি নদী বিখ্যাত হৈ আছে। উপন্যাসিক, সাহিত্য সম্ৰাট চৈয়দ আব্দুল মালিকদেৱে তেখেতৰ কালজয়ী উপন্যাস 'সুৰুজমুখী স্বপ্ন' উপন্যাসত ধনশিৰী নদীক অসমীয়া সাহিত্যত বিখ্যাত কৰি থৈ গৈছে। ঠিক তেনেকৈ কবি দেৱকান্ত বৰুৱাই কলং নদীক অসমীয়া সাহিত্যত বিখ্যাত কৰি গৈছে। তেনেকৈ দিহিং, দিচাং, দিখৌ, নামদাং, জীয়াভৰলী, কপিলী, ৰঙা নৈ, জীয়াধল আদি নদীসমূহ অসমীয়া সাহিত্যত, অসমীয়া লোকগীত, বিহুগীত, কবিতা আদিত বিখ্যাত হৈ আছে। ইতিহাস প্ৰসিদ্ধ ঢকুৱাখনা অঞ্চলৰ চাৰিকড়ীয়া নৈ অসমৰ ভৌগলিক মানচিত্ৰত এখন সৰু আৰু অখ্যাত নৈ। এই সৰু নৈখনক প্ৰখ্যাত সাহিত্যিক, সাংবাদিক হোমেন

বৰগোহাঞিদেৱে তেখেতৰ কালজয়ী সাহিত্যৰ যোগেদি অসমীয়া সাহিত্যত, অসমৰ ভৌগলিক আৰু ঐতিহাসিক মানচিত্ৰত এখন সুন্দৰ নদী হিচাপে আৰু তেখেতৰ প্ৰিয় নদী হিচাপে বিখ্যাত কৰি থৈ গ'ল।

চাৰিকড়ীয়া অবিভক্ত ধেমাজি-ঢকুৱাখনা অঞ্চলটোৰ আৰু উত্তৰ পাৰৰ নৈসমূহৰ ভিতৰত এখন সৰু নৈ। এই নৈখন উত্তৰৰ পৰা দক্ষিণলৈ চিচি, মাছখোৱা, হাৰ্হি, ঢকুৱাখনা আদি বহুতো গাঁও, পথাৰ, অৰণ্যৰ মাজেদি অকাই পকাই বৈ গৈ মাজুলী হৈ সোৱণশিৰিত মিলি শেষত ব্ৰহ্মপুত্ৰত পৰিছেগৈ। চিৰপ্ৰবাহিনী চাৰিকড়ীয়া নৈখনে বিভিন্ন ঠাইত বিভিন্ন নাম লৈছে। ঢকুৱাখনা অঞ্চলৰ মাজেদি হৈ যোৱা অংশটোৰ নাম লৈছে কাৰিকড়ীয়া। উত্তৰৰ চিচি মাছখোৱা অংশটোৰ নাম লাইপুলীয়া। হোমেন বৰগোহাঞিদেৱৰ বৰ্ণনাত অতি সুন্দৰ আৰু জীৱন্ত হৈ উঠা এই নৈখনৰ গতি অনিৰুদ্ধ, চিৰ প্ৰবাহিনী; জীৱন্ত আৰু গতিশীল। অসমৰ বহু ঠাইত নৈবোৰ শুকাই গৈছে আৰু বহুতো নৈ মৰিছে, আগৰ জীৱন্ত আৰু গতিশীল অৱস্থা এতিয়া প্ৰায়ে নাই। কিন্তু লাইপুলীয়া, চাৰিকড়ীয়া নৈখনৰ অনন্তঃ সেই অৱস্থা হোৱা নাই। হোমেন বৰগোহাঞিৰ বৰ্ণনাত এই নৈখন আৰু জীৱন্ত আৰু গতিশীল হৈ উঠিছে। লগতে হোমেন বৰগোহাঞিৰ বিভিন্ন গল্প আৰু উপন্যাস আৰু প্ৰবন্ধত চাৰিকড়ীয়া নৈখনৰ লগতে ম'হঘূলি নামটোও বিখ্যাত হৈ ৰ'ল। চাৰিকড়ীয়া আৰু ম'হঘূলি নাম দুটা ঢকুৱাখনাৰ মানচিত্ৰত আৰু অবিভক্ত ধেমাজি ঢকুৱাখনাৰ ইতিহাসতে দুটা বিখ্যাত নাম হৈ পৰিল। হোমেন বৰগোহাঞিদেৱৰ জন্ম গাঁও বালিগাঁও, ম'হঘূলি আৰু চাৰিকড়ীয়া এই নাম কেইটা সম্পৰ্কত হোমেন বৰগোহাঞিদেৱে লিখিছে— 'মোৰ গল্প উপন্যাসত গাঁওখনৰ নাম বালিগাঁৱৰ পৰিৱৰ্তে হৈছে ম'হঘূলি, তাৰ কাৰণো আছে। আমাৰ গাঁৱৰ দক্ষিণফালে বৈ যোৱা চাৰিকড়ীয়া নৈৰ পৰা এক কিলোমিটাৰ মান নিলগত ম'হঘূলি নামৰ এখন বিল আছিল। লগৰ লগৰীয়াৰ সৈতে এই নৈখনত সোণালী পোহৰে অপাৰ্থিব মায়াপুৰিত পৰিণত কৰা বিলখনৰ দৃশ্যই মোক অনিৰ্বচনীয় আবেগত অভিভূত কৰিছিল। কিন্তু বিলখন এতিয়া আৰু নাই। ১৯৫০ চনৰ বৰভূইকঁপত বিলখন পোত গ'ল। পৃথিৱীৰ বুকুৰ পৰা বিলখনৰ অস্তিত্ব চিৰকাললৈ বিলুপ্ত হৈ গ'লেও মোৰ হৃদয়ত তাৰ স্মৃতি হৈ ৰ'ল যুগমীয়া। ম'হঘূলিৰ বিলুপ্তিৰ পিছত মোৰ গাঁৱত চামে চামে যিবোৰ মানুহৰ জন্ম হ'ল আৰু ভৱিষ্যতেও হ'ব তেওঁলোকৰ স্মৃতিত ম'হঘূলি নামটো জীয়াই ৰাখিবলৈকে মই মোৰ গল্প উপন্যাসত গাঁওখনৰ নামটো বালিগাঁৱৰ পৰিৱৰ্তে কৰিলো ম'হঘূলি।' চাৰিকড়ীয়া নৈখনৰ নামকৰণ সম্পৰ্কে হোমেন বৰগোহাঞিয়ে 'কেহুঁকাই' শীৰ্ষক প্ৰবন্ধটোত লিখিছে— 'গাঁৱৰ বুঢ়াসকলে কোৱা মতে আহোম ৰজাৰ দিনত নৈখন পাৰ হ'বলৈ হ'লে ঘাটৈক বোলে চাৰিটা কড়ী দিব লগা হৈছিল, সেই কাৰণে নৈখনৰ নাম হ'ল চাৰিকড়ীয়া।' বালিগাঁৱে ম'হঘূলি নাম লোৱাৰ দৰে চাৰিকড়ীয়া নৈখনেও হোমেন বৰগোহাঞিৰ উপন্যাস আৰু গল্পত ম'হঘূলি নাম লৈছে।

প্ৰখ্যাত সাহিত্যিক সাংবাদিক হোমেন বৰগোহাঞি ৰচনাত অতীত বুৰঞ্জী আৰু অতীত ঐতিহ্য বহুখিনিয়েই সংৰক্ষিত হৈ আছে। তেখেতে লিখা 'ঢকুৱাখনাৰ ফাটবিহু' শীৰ্ষক প্ৰবন্ধত উল্লেখ কৰিছে যে আহোম যুগৰে পৰা প্ৰাকৃতিক পৰিৱেশত উদ্‌যাপিত হৈ অহা ফাটবিহু আজি যি আধুনিক ৰূপ পাইছে সেই ৰূপে বিহুক কমাচিয়েলাইজেচন কৰিব। আহোম যুগৰ নৈ পৰীয়া (চাৰিকড়ীয়া) ফাটত ফাটবিহুৰ জন্ম হৈছিল যদিও ১৯১৮ চনৰ পৰা লুটপাটৰ ঘটনাই ফাটবিহুত যতি পেলায়। তেতিয়ালৈকে ফাটবিহু সম্পূৰ্ণ প্ৰাকৃতিক আছিল বুলি জনা যায়। কুৰি শতিকাৰ সপ্তম দশকৰ পৰা নতুন ৰূপত চাৰিকড়ীয়াৰ পাৰত ফাটবিহু ৰাজহুৱাভাৱে উদ্‌যাপন কৰা হয়। ফাটবিহুৰ অতীত ঐতিহ্য সম্পৰ্কে হোমেন বৰগোহাঞিদেৱে এইদৰে লিখিছে— "ফাটবিহু ঢকুৱাখনাৰ এটা নিজস্ব উৎসৱ। আমি সৰু হৈ থাকোতেই দেউতাহঁতৰ মুখত ফাটবিহুৰ কথা শুনিছিলো।

ঢকুৱাখনাৰ চাৰিওফালে অসংখ্য মিৰি (মিচিং) গাঁও আছে। প্ৰতি বছৰে ব'হাগ বিহুৰ সময়ত বিহুবলীয়া মিৰি ডেকা-গাভৰুৱে দল বান্ধি ঢকুৱাখনাৰ চাৰিকড়ীয়া নৈৰ পাৰত বিহু মাৰিবলৈ আহে। সেই বিহু চাবলৈ গাঁও ভূঁই ভাহি ভূহুহি আহি হেজাৰ হেজাৰ মানুহ ঢকুৱাখনাত জমা হয়। ঠাইখন লোকে লোকাৰণ্য হয়। সাত দিন সাত ৰাতি এই ফাটবিহু চলে। কেৱল যে মিচিংসকলেই এই সাৰ্বজনীন বিহু উৎসৱত অংশ লয় এনে নহয়। ঢকুৱাখনাৰ আহোম, চুতীয়া, কৈৱৰ্ত আদি সকলো সম্প্ৰদায়ৰ মানুহেই আনন্দ বলিয়া এই বলিয়া বানত নিজকে উটুৱাই দিয়ে। সেই সাত দিনৰ কাৰণে মুকলি আকাশৰ তলেই হয় ঘৰৰ চাল আৰু চাৰিকড়ীয়া নৈৰ পকা বালিয়েই হয় বিচনা। উজ্বল নীল আকাশৰ তলত চাৰিকড়ীয়াৰ পাৰৰ ঘন সেউজীয়া অৰণ্যত সাত দিন ধৰি চলে সেই উদ্দাম বসন্ত উৎসৱ।" (হোমেন বৰগোহাঞি)

ব'হাগ মাহৰ শেষৰ সপ্তাহত আজি প্ৰায় অৰ্দ্ধশতিকা ধৰি নিৰবিচ্ছিন্নভাবে ঢকুৱাখনাৰ ফাট বিহু উৎসৱ পালন কৰি আহিছে ঢকুৱাখনাৰ বিহু প্ৰেমী তথা সংস্কৃতিপ্ৰেমী ঢকুৱাখনাবাসীৰ ৰাইজে। ঢকুৱাখনাৰ ফাট বিহুৱে সমগ্ৰ অসমতে এতিয়া এক ৰাজ্যিক পৰ্যায়ৰ তাৎপৰ্যপূৰ্ণ আৰু গুৰুত্বপূৰ্ণ উৎসৱলৈ পৰিণত হৈছে। ঢকুৱাখনিয়া ৰাইজে আৰু অভিভক্ত ধেমাজি ঢকুৱাখনাৰ ৰাইজে ফাট বিহুলৈ গ'লে জাতীয় সাজপাৰ নিপিন্ধাকৈ নেযায়। অন্ততঃ বিহুৰ দিন কেইটাত ধূতি চোলা আৰু মুগাৰ ৰিহা-মেখেলা আৰু মুগা চোলা আৰু ধূতি পৰিধান কৰি কান্ধত বিহুৱানখন লৈহে বিহুলৈ যায়। সেই পৰম্পৰা ঢকুৱাখনাবাসী ৰাইজে কটকটীয়াকৈ বাহাল ৰাখিছে। অসম সাহিত্য সভাৰ সভাপতি হৈ থাকোতে প্ৰখ্যাত সাহিত্যিক ৰং বং টেৰাঙে ঢকুৱাখনাৰ ফাট বিহুলৈ আহি ধূতি পাঞ্জাৱী বা জাতীয় সাজপাৰ পৰিধান নকৰাক লৈ আয়োজক সমিতিৰ লগত এক সংঘাতৰ সৃষ্টি হৈছিল আৰু জাতীয় সাজপাৰ পৰিধান নকৰাৰ বাবেই তেওঁ ফাট বিহুৰ সভাত অংশগ্ৰহণ নকৰাকৈয়ে ঘূৰি যাব লগা হৈছিল। সেয়াই হৈছে ঢকুৱাখনাৰ ফাট বিহুৰ একক বৈশিষ্ট্য আৰু স্বাভিমান।

এতিয়াও ফাটবিহু তলিৰ নিচেই কাষেৰেই বৈ যোৱা চাৰিকড়ীয়া নৈখনে আজিও সেইবোৰ কথাকে সোঁৱৰাই আছে। এই চাৰিকড়ীয়া নৈখনেই আছিল হোমেন বৰগোহাঞিদেৱক উন্মনা কৰিতোলা তেখেতৰ বিপুল প্ৰেৰণা যোগোৱা ঐতিহাসিক নৈ চাৰিকড়ীয়া আৰু তেখেতৰ সাহিত্যক সজীৱ আৰু চিৰ নতুন কৰি তোলা চিৰ প্ৰবাহিনী চাৰিকড়ীয়া নৈ। হোমেন বৰগোহাঞি চাৰিকড়ীয়া নৈৰ প্ৰেমত বন্দী এজন লিখক সাহিত্যিক। 'এখন নৈ, এজন মানুহ' বিষয়ক এটা প্ৰৱন্ধত হোমেন বৰগোহাঞিয়ে লিখিছে— 'জীৱনত মই ভালপোৱা সকলো বস্তুৰ তালিকাৰ ভিতৰত এক নম্বৰ ঠাই দখল কৰি আছে এখন নৈয়ে। নৈখনৰ নাম চাৰিকড়ীয়া। অসমৰ উত্তৰ ফালৰ আবৰ-মিৰি পৰ্বতৰ পৰা ওলাই বহুতো গাঁও, বহুতো অৰণ্য, বহুতো পথাৰৰ মাজেদি বৈ বৈ গৈ নৈখন সোৱণশিৰিত পৰিছে। মই ভ্ৰমণ বিমুখ মানুহ। পৃথিৱীখন দেখা দূৰৰ কথা, ভাৰতখনকে ভালকৈ দেখা নাই। কিন্তু পৃথিৱীখন নেদেখাকৈয়ে মই বুকু ডাঠ কৰি ক'ব পাৰো যে মোৰ চাৰিকড়ীয়াৰ দৰে সুন্দৰ নৈ পৃথিৱীত খুব কমেই আছে। অৱশ্যে এইখিনিতে এটা কথা ভুলকৈ ক'লো। কাৰণ চাৰিকড়ীয়াৰ আগৰ সৌন্দৰ্য এতিয়া নাই। ৰোগ আৰু বাৰ্দ্ধক্যৰ কবলত পৰি বিশ্ববিমোহিনী সুন্দৰীৰৰ যেনে দশা হয় চাৰিকড়ীয়া এতিয়া ঠিক তেনে দশা। কিন্তু চাৰিকড়ীয়া যেতিয়া সুন্দৰী আছিল, তৰুণী আছিল, গৰবিনী আছিল তেতিয়া পৃথিৱীৰ এনে কোনো মানুহ নাই যাক চাৰিকড়ীয়াই অচ্ছেদ্য প্ৰেমৰ বান্ধোনেৰে বান্ধি ৰাখিব নোৱাৰিলেহেঁতেন। পৃথিৱীৰ আটাইতকৈ সুন্দৰ নৈবোৰৰ বিষয়ে পৃথিৱীৰ আটাইতকৈ ডাঙৰ কবিবোৰে যিমানবোৰ ভাল ভাল কথা লিখিছে সেই আটাইবোৰ কথা চাৰিকড়ীয়াৰ ক্ষেত্ৰতো প্ৰয়োগ কৰিব পাৰি।" (হোমেন বৰগোহাঞি) হোমেন বৰগোহাঞিদেৱৰ এই কথাখিনি পঢ়াৰ পাছত স্বাভাৱিকতে এক প্ৰশ্ন মনলৈ আহিব যে এনে এখন

সুন্দৰ নৈ কিদৰে নোহোৱা হৈ গ'ল বা ইয়াৰ সৌন্দৰ্য কিদৰে নোহোৱা হৈ গ'ল। নৈখন আগৰ দৰে বৈ আছে ঠিকেই, কিন্তু তাৰ সৌন্দৰ্য আৰু পবিত্ৰতা আগৰ দৰে অপৰিৱৰ্তীত হৈ থকা নাই। হোমেন বৰগোহাঞিদেৱে লিখামতে— 'নৈখনৰ ভূৱন মোহিনী ৰূপ লাহে লাহে মৰহি আহিব ধৰিছে। এতিয়া নৈখনৰ এনে শ্ৰীহীন অৱস্থা যে চালে চকুপানী ওলাব খোজে। নৈখনৰ ৰূপ সৌন্দৰ্যত যিবা অলপমান অৱশেষ কালৰ পৰাক্ৰম তুচ্ছ কৰি এতিয়াও জীয়াই আছে তাকো ভূতৰ ওপৰত দানহৰ দৰে এটা নতুন উৎপাত লগ লাগি ধ্বংস কৰি পেলাব খুজিছে। সেই উৎপাতটো হ'ল যাতায়তৰ সুগম হ'বৰ দিন ধৰি আমাৰ জকাইচুকীয়া অঞ্চলটোলৈ অজস্ৰ উত্তৰ ভাৰতীয় ঘাইকৈ বিহাৰী লোকৰ আমদানি।" (হোমেন বৰগোহাঞি) সেইটো লিখনিতে বৰগোহাঞিদেৱে আৰু লিখিছে— 'চাৰিকড়ীয়া নৈ আমাৰ গাঁৱৰ ঘাটটোক কেন্দ্ৰ কৰি পাৰৰ সুবৃষ্টিৰ্ণ অঞ্চলটোৰ আছিল প্ৰকৃতিৰ অপৰূপ লীলাভূমি। নৈৰ ফটিক ধাৰ যেন পানীত সিপাৰৰ ওখ ওখ চোম গছৰ নাচি থকা ছাঁবোৰ, ইপাৰে ঘাটৰ পৰা বহু দূৰলৈকে পকা বালি, তাতে ওৰে দিন গঙা চিলনী, মাছৰোকা, চাকৈচকোৱা আদি চৰাইৰ খেলা। তাৰ কিছু দূৰত গোটেই দিন বতাহত মৰ্মাহিত হৈ থকা ঘন ঝাউবনৰ শাৰী, তাৰ সিপাৰে বিভিন্ন লতা গুল্মৰে পৰিপূৰ্ণ বনভূমি, অৱশেষত গাঁৱৰ প্ৰান্তসীমা স্পৰ্শ কৰি ওখ ওখ শিমলু গছ কেইজোপামান। এয়ে আছিল চাৰিকড়ীয়াৰ পাৰ। গাঁৱৰ জাক জাক ল'ৰা-ছোৱালী আৰু ডেকা-বুঢ়াই গা ধুবলৈ আহি মায়াপুৰীৰ পৰা সহজে ঘূৰি যাব নোৱাৰে। নিঃসীম নীল আকাশৰ তলত মধুকলস্বৰা চাৰিকড়ীয়াৰ সোণালী বালিত উদং পিঠিত ৰ'দ লৈ বহি বহি সিহঁতৰ চহা অলিক্ষিত মনবোৰেও ক্ষন্তেকৰ কাৰণে জীৱনৰ এটা গভীৰ অৰ্থ বিচাৰি পায় হৃদয়ৰ এক অনাবিস্কৃত তলদেশ স্পৰ্শ কৰে। হেজাৰ বছৰৰ সাক্ষী চাৰিকড়ীয়াৰ বুকু চুই অহা শীতল বতাহজাকত তেওঁলোকে শুনিবলৈ পায় বহুত দূৰৰ আহ্বান, অনন্তৰ আহ্বান অনুভব কৰে পৰম শকিৰ্তৰ স্পৰ্শ। আমি যিবোৰ প্ৰায় জন্মবধি বাধ্য হৈ গাঁৱৰ পৰা আঁতৰি আছো আৰু চিৰকাল বিৰহ যন্ত্ৰণাত ডেইপুৰি মৰিছো সেইবোৰৰো গাঁৱৰ কথা মনত পৰিলেই সৰ্বপ্ৰথম মনত পৰে চাৰিকড়ীয়াৰ সেই চিৰপৰিচিত আৰু চিৰ চেনেহৰ সেই ঘাটটোৰ কথা, কাৰণ আমি জানো যে সুদীৰ্ঘ প্ৰবাস যন্ত্ৰণাৰ মূৰত গাঁৱলৈ যোৱা মানেই চাৰিকড়ীয়াৰ লগত পুনমিলন। চাৰিকড়ীয়াৰ অপাৰ্থিব তীৰভূমিত আকৌ এবাৰ হৃদয় অনিৰ্বচনীয় জাগৰণ। কিন্তু এই সকলোবোৰ আজি কেৱল মধুৰ স্মৃতি মাত্ৰ।" (হোমেন বৰগোহাঞি) এনে অনুভৱেই আছিল জীৱনৰ শেষৰ ফালে হোমেন বৰগোহাঞিদেৱৰ অনুভৱ, আবেগ আৰু চাৰিকড়ীয়াৰ প্ৰতি ভালপোৱা। এই সকলোবোৰ এতিয়া স্মৃতি হ'ল, এই আবেগ অনুভূতি মৰম চেনেহ সকলোবোৰ লৈ হোমেন বৰগোহাঞিদেৱ আমাৰ মাজৰ পৰা গ'লগৈ।

# শাখা সাহিত্য সভাসমূহ - কিছু চিন্তা, কিছু দায়িত্ব

**ভৰত ৰাজখোৱা**

বৰ্তমান পৃথিৱীৰ সৰ্ববৃহৎ জাতীয় অনুষ্ঠানটোৱেই হ'ল অসম সাহিত্য সভা। অসমীয়া ভাষা সাহিত্যৰ সুৰক্ষা আৰু প্ৰসাৰৰ বাবে নিজ ৰাজ্য অসমৰ উপৰিও ভাৰতবৰ্ষ আৰু বিশ্বৰ বিভিন্ন প্ৰান্তৰৰ প্ৰবাসী অসমীয়াসকলৰ মাজত অসম সাহিত্য সভাই কাম কৰি আছে।

১৯১৭ চনতে অসম সাহিত্য সভাৰ প্ৰতিষ্ঠা হৈছিল। চিৰ চেনেহী অসমীয়া ভাষাৰ মৌ বৰষা ৰূপটো জাকত জিলিকা কৰাৰ লগতে খতিখুন নোহোৱাকৈ যুগমীয়া কৰি ৰাখিবৰ বাবে তেতিয়াৰ দূৰদৰ্শী সাহিত্য প্ৰেমী কেইজনমান ব্যক্তিয়ে অসম সাহিত্য সভাখন প্ৰতিষ্ঠা কৰিছিল।

আটাইতকৈ গৌৰৱৰ কথা ১৯১৭ চনৰ ২৭ ডিচেম্বৰত প্ৰতিষ্ঠা হোৱা অসম সাহিত্য সভাৰ প্ৰথমজন সভাপতি আছিল লক্ষীমপুৰৰ পদ্মনাথ গোহাঁই বৰুৱা। তেখেতৰ অহোপুৰুষাৰ্থৰ ফলতেই এই বৃহৎ জাতীয় অনুষ্ঠানটিৰ জন্ম হৈছিল। তেখেতৰ লগত আছিল বেণুধৰ শৰ্মা, যতীন্দ্ৰনাথ দুৱৰাৰ দৰে প্ৰথিতযশা সাহিত্যিকসকল। শৰৎ চন্দ্ৰ গোস্বামী ডাঙৰীয়া আছিল অসম সাহিত্য সভাৰ প্ৰথমজন সম্পাদক।

বৰ্তমান বিশ্বৰ বিভিন্ন ঠাইত অসম সাহিত্য সভাৰ শাখাই কাম কৰি আছে। প্ৰথমখন অধিৱেশনৰ মাত্ৰ এবছৰৰ পাছতে ১৯১৮ চনত বৃটিছ অধ্যুষিত ছিংগাপুৰত অসম সাহিত্য সভাৰ শাখা এটা প্ৰতিষ্ঠা হৈছিল বুলি জানিবলৈ পোৱা যায়। এই বিষয়ত অধ্যয়ন আৰু গৱেষণাৰ প্ৰয়োজন আছে বুলি ভাৱো।

লক্ষীমপুৰ বাসীৰ বাবে অতিকে গৌৰৱৰ কথা অসম সাহিত্য সভাৰ প্ৰতিষ্ঠাৰ পাঁচ বছৰৰ আগলৈ ডাঙৰীয়া নীলকণ্ঠ গোহাঁই বৰুৱা দেৱৰ চেষ্টাত উত্তৰ লক্ষীমপুৰ সাহিত্য সভাৰ জন্ম হৈছিল। স্বকীয় বৈশিষ্ট্যৰে উত্তৰ লক্ষীমপুৰ সাহিত্য সভাই এতিয়াও কাম কৰি আছে।

অসম সাহিত্য সভাৰ সংবিধানৰ প্ৰস্তাৱনাত কোৱা হৈছে 'অসমীয়া ভাষা সাহিত্য সংস্কৃতি তথা অসমৰ সকলো খিলঞ্জীয়া লোকৰ ভাষা, সাহিত্য সংস্কৃতিৰ সৰ্বাংগীন উন্নয়ন, বিকাশ, সুৰক্ষা আৰু ৰক্ষণাবেক্ষণৰ স্বাৰ্থত সকলো ধৰণৰ সংকীৰ্ণ, সাম্প্ৰদায়িক, গোষ্ঠীগত আৰু দলীয় ৰাজনৈতিক চিন্তাৰ উৰ্ধত, অসমত বসবাস কৰা সকলো জাতি, ধৰ্ম, বৰ্ণ, ভাষা আৰু ন-গোষ্ঠীক সামৰি সকলোৰে উমৈহতীয়া সামাজিক স্বাৰ্থত নিষ্ঠাৰে কাম কৰিবৰ বাবে দেশ জাতি ভাষা সাহিত্য কলা সংস্কৃতিৰ প্ৰতি অনুৰাগী আৰু নিষ্ঠাবান সকলো লোককে সভ্য হিচাপে সামৰিবলৈ গঠিত হৈছে অসম সাহিত্য সভা।

অসম সাহিত্য সভাই কি কৰিব সেয়া প্ৰস্তাৱনাতেই উল্লেখ কৰা হৈছে। সাহিত্য সংস্কৃতিৰ লগতে খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ সৰ্বাংগীন উন্নতিয়েই সাহিত্য সভাৰ লক্ষ্য আৰু উদ্দেশ্য। সাহিত্যৰ মাজেদি জাতিৰ প্ৰগতি অসমৰ ভৌগোলিক চাৰিসীমাৰ ভিতৰত জনগোষ্ঠীসমূহৰ মাজত অক্ষয় সম্প্ৰীতি আৰু চাৰিসীমাৰ বাহিৰৰ জনগোষ্ঠীসমূহৰ লগত সৌহাদ্যপূৰ্ণ সম্পৰ্ক স্থাপন হ'ব সাহিত্য সভাৰ লক্ষ্য।

তিনিতৰপীয়া অসম সাহিত্য সভাৰ প্ৰথম স্তৰত থাকিল কেন্দ্ৰীয় কাৰ্য্য নিৰ্বাহক, দ্বিতীয় স্তৰত জিলা সাহিত্য সভা আৰু তৃতীয় স্তৰত শাখা সাহিত্য সভাসমূহ। কিন্তু গঠন প্ৰণালী আৰু কাৰ্য্য প্ৰণালী তিনিও স্তৰতে প্ৰায় একে।

শাখাসমূহ হ'ল অসম সাহিত্য সভাৰ প্ৰাণশক্তি অৰ্থাৎ মূল চালিকাশক্তি। কেন্দ্ৰীয় সমিতিৰ পৰা অহা সকলোধৰণৰ নিৰ্দেশ ৰূপায়ণ কৰিব শাখাসমূহে। শাখাৰ এলেকাৰ জনসাধাৰণৰ বাবে সকলোধৰণৰ জনকল্যাণমূলক কাম কৰাৰ সুযোগ আৰু ক্ষমতা আছে শাখাসমূহৰ। সাহিত্য সভাৰ প্ৰতিটো ইতিবাচক দিশ জনসাধাৰণৰ দৃষ্টিগোচৰ কৰাব শাখা সমূহে। অসম সাহিত্য সভাৰ সভাপতি, উপ সভাপতি, প্ৰধান সম্পাদক, জিলা সাহিত্য সভাৰ সভাপতি, উপ-সভাপতি আৰু সম্পাদক জনকো শাখা সাহিত্য সভা সমূহে নিৰ্বাচন কৰাতো সাংবিধানিক নিয়ম।

তলত উল্লেখ কৰা অসম সাহিত্য সভাৰ মৌলিক নীতি-নিৰ্দ্দেশনা সমূহ শাখা সভা সমূহৰ ক্ষেত্ৰটো প্ৰযোজ্য হয়।

প্ৰথম অনুশীলনীৰ ছেদ একত কোৱা হৈছে-সভাৰ সকলো সদস্য সৰ্বতোপ্ৰকাৰে সমান আৰু ভাতৃস্বৰূপ। জাতি, বৰ্ণ, ভাষা, ধৰ্ম, নৃগোষ্ঠীগত উৎস তথা মানৱ প্ৰজাতি নিৰ্বিশেষে সভাৰ সকলো সদস্যই সভাৰ মজিয়াত সমান, তেওঁ বিলাকৰ স্থিতি আৰু মৰ্য্যাদাত সমান। সেয়ে সভাৰ কোনো সদস্যই উল্লিখিত দিশ সমূহত কাৰো লগত কোনো ধৰণৰ ভেদ-ভাৱক আৰু যি কোনো ধৰণৰ সাম্প্ৰদায়িক চিন্তাৰ প্ৰশ্ৰয় দিব নোৱাৰিব আৰু সভাৰ প্ৰতিজন সদস্যৰ লগত প্ৰীতি, মৈত্ৰী আৰু ভাতৃত্বৰ সম্পৰ্ক, বৰ্তাই ৰাখিবলৈ সততে সচেষ্ট হ'ব আৰু সকলো সদস্যই সভাৰ বিভিন্ন স্তৰৰ বিভিন্ন পদবীত নিৰ্বাচিত আৰু মনোনীত হোৱা তথা সভাৰ পৰা ন্যায় বিচাৰ পোৱাৰ ক্ষেত্ৰত সমান অধিকাৰ থাকিব।

ছেদ দুইত কোৱা হৈছে অসমীয়া ভাষা সাহিত্য আৰু সংস্কৃতিৰ সৰ্বাংগীন উন্নতিৰ বাবে কাম কৰিব লাগিব। অৰ্থাৎ শাখা পৰ্য্যায়ত সকলো সদস্যই নিজৰ নিজৰ শাখাত এলেকাৰ জনসাধাৰণৰ ভাষা, সাহিত্য আৰু সংস্কৃতিৰ সৰ্বাংগীন উন্নতিৰ বাবে কাম কৰিবলৈ প্ৰয়াস কৰিব লাগিব। কোনো এজন ব্যক্তি যেতিয়া শাখা সাহিত্য সভাত সদস্য হিচাপে মনোনীত হয় তেতিয়াৰ পৰাই তেওঁৰ ওপৰত এইখিনি দায়বদ্ধতা আহি পৰে। পূৰ্ব্বতে সাহিত্য চৰ্চা আৰু সাংস্কৃতিক কৰ্মৰ বাহিৰত থকা এজন ব্যক্তিৰ আন্তৰিকতা, অনুসৰণ আৰু অনুধাৱনৰ বাবে একোজন ভাল কৰ্মী হ'ব পাৰে।

ছেদ তিনিত কোৱা হৈছে অসমৰ খিলঞ্জীয়া থলুৱা ভাষা, সাহিত্য বাৰু সংস্কৃতিৰ সুৰক্ষা আৰু উন্নতি। বজৰুৱা শব্দ আৰু সংস্কৃতিয়ে থলুৱা ভাষা সংস্কৃতিৰ গ্ৰাস কৰি পেলোৱাৰ উপক্ৰম হৈছে। শাখা সভা সমূহৰ বিষয়ববীয়া সকলে উৎসৰ্গীকৃত মনোভাৱেৰে কাম কৰিবলৈ ওলাব লাগিব। সেই সংশোধনী প্ৰক্ৰিয়া আৰম্ভ কৰিব লাগিব নিজৰ পৰা। তাৰ পাছত সমাপ্ত। যেতিয়া উদ্দেশ্য সকল হোৱাৰ লগতে সাহিত্য সভাত কাম কৰাৰ আনন্দ অনুভৱ কৰিব পাৰিব।

ছেদ চাৰিত অধ্যয়ন গৱেষণা আৰু চৰ্চাৰ কথা কোৱা হৈছে।

শাখাৰ বিষয়ববীয়া সকলে পৰিকল্পিত ভাৱে কাম কৰি অঞ্চলটোৰ সমাজ জীৱন, লোক জীৱন, সাহিত্য, সংস্কৃতি, ভাষিক সাহিত্যিক, সামাজিক, আধ্যাত্মিক, ঐতিহ্য আৰু পৰম্পৰা, কথিত ভাষা আৰু মৌখিক সাহিত্য, ইতিহাস নৃত্য নাট্য, চাৰু আৰু কাৰু শিল্পৰ ঐতিহ্য আদি বিভিন্ন দিশত অধ্যয়ন, গৱেষণা আৰু চৰ্চাৰ ক্ষেত্ৰত উদ্‌গনি যোগাব।

ছেদ পাঁচত কোৱা হৈছে- অধ্যয়ন, শিক্ষণ, প্ৰশিক্ষণ আৰু সাংস্কৃতিক অনুষ্ঠান তথা কেন্দ্ৰ সংগঠন। শাখাৰ বিষয়ববীয়া সকলৰ অসীম দায়িত্ব। যুৱ প্ৰজন্মক সাধক পথত আগবঢ়াই নিবৰ বাবে শাখা সাহিত্য সভা সমূহে কাম কৰিব লাগিব।

ছেদ- ৬ ত ভৱিষ্যত প্ৰজন্মক সচেতন, সক্ৰিয় আৰু সুনাগৰিক কৰি গঢ়ি তোলাৰ দায়িত্ব পালন কৰিব লাগিব।

দীঘল দীঘল কথাৰ ফুলজাৰিৰে উপদেশ দিয়া মানুহ বহুত আছে। কিন্তু উদাহৰণহে সদায় অনুকৰণীয় হয়। গতিকে শাখা সাহিত্য সভাৰ বিষয়ববীয়াসকলে স্বসংশোধনীৰ দ্বাৰা আনৰ বাবে উদাহৰণ হ'বলৈ চেষ্টা কৰিব লাগিব। মানুহৰ অতীতটো বেলেগ আৰু বৰ্তমানটোও বেলেগ। গতিকে সাজ-পোছাক, চাল-ছলন, কথা-বতৰা আৰু ব্যৱহাৰত আমি নিজকে সাহিত্য সভাৰ কৰ্মী হিচাপে গঢ়ি তুলিব লাগিব। শাখাৰ বিষয়ববীয়াসকল অসম সাহিত্য সভাৰেই একো একোজন গুৰুত্বপূৰ্ণ সদস্য।

শাখাত জড়িত হৈ থকা বহুলোকে এনেদৰে কয়, "মই সাহিত্যৰ মানুহ নহয়, সেইবোৰ একো নাজানো, দায়িত্ব এটা দি দিলে গতিকে আছোঁ আৰু"

আপুনি সাহিত্য চৰ্চা কৰা নাছিল সেয়া হয়তো সত্য, তাৰ মানে এইটো নহয় যে আপোনাৰ ব্যক্তিসত্তাৰ মাজত সাহিত্য নাই। সৰস্বতীক লগ পোৱাৰ আগলৈকে কালিদাস কি আছিল? ছদ্মবেশী ব্ৰহ্মাক লগ পোৱাৰ আগলৈকে বাল্মিকী কি আছিল, শংকৰদেৱক লগ পোৱাৰ আগলৈকে মাধৱদেৱ কি আছিল? সাহিত্য সভাত জড়িত হোৱা মানেই সৰস্বতীক লগ পোৱা বা গুৰুজনাক লগ পোৱা। সাহিত্য সভাত জড়িত হৈ সমাজৰ হকে কাম কৰাৰ এয়া এক দুৰ্লভ সুযোগ।

অসম সাহিত্য সভাৰ মহান উদ্দেশ্যৰ লগত জড়িত এই ব্যৱস্থাপনাটোক আংশিক ক্ষতি কৰিছে কিছুমান পদলোভী ব্যক্তিয়ে। এই শ্ৰেণীৰ মানুহে যুগে যুগে সাহিত্য সভাৰ লগত জড়িত হৈ থাকিবলৈ বিচাৰে। কেৱল এটা সামাজিক স্থানৰ বাবে তেওঁলোকে নিজৰ যোগ্যতা বিবেচনা নকৰাকৈ সাহিত্য সভাখনত হৰ্তাকৰ্তা হৈ থাকিবলৈ বিচাৰে। শাখাতকৈজিলা সাহিত্য সভাত জলৌকা প্ৰজাতিৰ এনেধৰণৰ ব্যক্তিৰ পয়োভৰ যথেষ্ট। আনটো গুৰুত্বপূৰ্ণ কথালৈ আহোঁ। যি কেইজন ব্যক্তিক শাখা সভাৰ সভাপতি, উপ-সভাপতি, সম্পাদক, জিলা প্ৰতিনিধি বা অন্য দায়িত্ব প্ৰদান কৰা হয়, তেওঁলোকৰ বহুতৰে দক্ষতা, চিন্তা, কাম কৰাৰ পদ্ধতি, জাতীয় চেতনা, ভাষা প্ৰেম যথেষ্ট উচ্চমানৰ। কিন্তু জিলা সাহিত্য সভা আৰু কেন্দ্ৰীয় সাহিত্য সভাৰ নিৰ্বাচনৰ সময়ত সেই সকল ব্যক্তিৰ চিন্তা চৰ্চাক ওলাই কৰি এচাম ন্যস্ত স্বাৰ্থ জড়িত লোকে তেওঁলোকক পৰিচালনা কৰিবলৈ চেষ্টা কৰাতো হাস্যকৰ। কোনগৰাকী প্ৰাৰ্থী যোগ্য বা কোনগৰাকী অযোগ্য সেয়া বিবেচনা কৰাৰ সম্পূৰ্ণ অধিকাৰ শাখা সাহিত্য সভাৰ। কিন্তু তাৰ পৰিৱৰ্তে এচামে নিজৰ নগ্ন স্বৰূপটো প্ৰকাশ কৰি, ৰাজনৈতিক দ'লৰ সমৰ্থকসকলে নিৰ্বাচনৰ সময়ত অন্য প্ৰাৰ্থীক লিঙ্গ, ধৰ্ম, বৰ্ণ, চৰিত্ৰ আদি বিষয়বোৰ ইছু হিচাপে লৈ নিৰ্লজ প্ৰচাৰ চলোৱাৰ দৰে সাহিত্য সভাৰ দৰে পবিত্ৰ অনুষ্ঠানটিতো একে কামকে কৰিবলৈ বিচাৰে।

শাখা সভাৰ দায়িত্বত থকা ব্যক্তি সকল নিঃসন্দেহে যোগ্য ব্যক্তি। সেইসকল ব্যক্তিৰ বিবেক আৰু চিন্তাক প্ৰক্ষালন কৰিবলৈ যোৱাতো চূড়ান্ত ধৃষ্টতাৰ পৰিচায়ক। আৰু এটা নীচক ষড়যন্ত্ৰই গোপনে গা কৰি উঠা পৰিলক্ষিত হৈছে। সাহিত্য সভাৰ এটা কাৰ্যকাল আৰম্ভ হওঁতেই কিছু বিষয়ববীয়াহে দুবছৰৰ পাছত আহি থকা কাৰ্য্যকালটোত অন্য এটা উচ্চ পদ লাভৰ বাবে পৰোক্ষ আৰু প্ৰত্যক্ষভাৱে কুচকাৱাজ আৰম্ভ কৰে। তেওঁলোকে নিজেই ভাৱি লয় যে সাহিত্য সভাখনৰ বাবে তেওঁ অপৰিহাৰ্য আৰু আপুৰুগীয়া সম্পদ আৰু এই কামবোৰকে তেওঁ সাহিত্য সেৱা বা সমাজ সেৱা হিচাপে গণ্য কৰে।
শাখাসমূহৰ সুচিন্তিত কাৰ্যকলাপৰ ওপৰতে অসম সাহিত্য সভাৰ যশস্যা নিৰ্ভৰ কৰিছে।

শেষত আকৌ কওঁ বিশ্বৰ একমাত্ৰ বৃহৎ জাতীয় অনুষ্ঠান অসম সাহিত্য সভাৰ প্ৰথমজন সভাপতি লক্ষীমপুৰৰ আছিল বুলি আমি গৌৰৱ কৰি থাকিলেই নহ'ব সেই খ্যাতি স্থায়ী কৰাৰ লগতে বৃদ্ধি কৰিবলৈ হ'লে আমি কথাৰে নহয় কামেৰে আগবাঢ়িব লাগিব।

।। জয়তু অসম সাহিত্য সভা।।

*কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক, অসম সাহিত্য সভা।*

# অসংগঠিত খণ্ডৰ প্ৰাধান্য আৰু শ্ৰমিকৰ জীৱন যাত্ৰা

ড° সুৰেশ দত্ত

সৰুতে আমাৰ গাঁৱৰ ঘৰত ভোলা নামৰ লোক এজনে বছৰেকত কেইমাহমানৰ কাৰণে মাহেকীয়া পাৰিশ্ৰমিকৰ বিনিময়ত কৃষি শ্ৰমিক হিচাপে কাম কৰা দেখিছিলোঁ। আমি তেওঁক ভোলা দাইটি বুলি মাতিছিলোঁ। তেওঁৰ ঘৰৰ আৰ্থিক অৱস্থা দুৰ্বল হোৱা হেতুকে হালোৱা বা আন কৃষিভিত্তিক শ্ৰমিক হিচাপে নিয়োজিত হৈ পৰিয়ালটি পোহপাল দিছিল। বাৰিষা খেতিৰ সময় আৰু আঘোণ-পুহ মাহৰ শস্য চপোৱাৰ সময়খিনিকে ধৰি তেওঁক বছৰটোত পাঁচ-ছমাহ মানৰ কাৰণে নিয়োজিত হৈ থকা দেখিছিলোঁ। বছৰৰ বাকী সময়খিনিত পৰিয়াল চলাবলৈ অ'ত-ত'ত অস্থায়ী শ্ৰমিক হিচাপে কাম বিচাৰি ফুৰিছিল। নিৰ্দিষ্ট পৰিমাণৰ মাটি-খেতি থকা অৱস্থাসম্পন্ন লোকসকলক বাদ দি যোৱা সত্তৰৰ দশকত আমাৰ গাঁও অঞ্চলত স্থায়ীভাৱে বসবাস কৰা বাকী লোকসকলৰ আৰ্থিক অৱস্থা কম-বেছি পৰিমাণে ভোলা দাইটিৰ দৰেই আছিল। আন কথাত ক'বলৈ গ'লে নিজৰ সীমিত খেতিৰ ভূমিত খেতি কৰাৰ লগতে ৰোৱণী, দাৱনী বা হালোৱাৰ ৰূপত কৃষি শ্ৰমিক হিচাপে পাঁচ-ছমাহ সময় নিয়োজিত থাকি বছৰৰ বাকী সময়খিনি কৰ্মহীন হৈ পৰে। ফলস্বৰূপে আয় আহৰণৰ অভাৱত এই শ্ৰেণীৰ লোকসকল দৰিদ্ৰতাত ভোগে। তেওঁলোকৰ সীমিত আয় আহৰণৰ পৰাই পৰিয়ালৰ খাদ্য, বাসস্থান, সন্তানৰ শিক্ষাৰ খৰচ, বেমাৰ-আজাৰত হোৱা খৰচ আদিবোৰো জোৰা মাৰিবলগা হয়। মজুৰিভিত্তিক হোৱাৰ সূত্ৰে নিজৰ বেমাৰ-আজাৰৰ বাবে কামত অনুপস্থিত থাকিলে এই শ্ৰমিসকলে মজুৰিও লাভ নকৰে। তেওঁলোকৰ নিয়োগবোৰ অনানুষ্ঠানিক তথা নিৰ্দিষ্ট চৰকাৰী নীতি-অধিনিয়মৰ আওতাৰ বাহিৰত হোৱাৰ কাৰণে মজুৰিভিত্তিক ছুটী, আন ভাট্টা বা ৰেশ্যন আদিও লাভ নকৰে। সাম্প্ৰতিক সময়তো ৰাস্তাই-ঘাটে, হাটে-বজাৰে তথা বিভিন্ন নিৰ্মাণ আৰু উৎপাদনস্থলীত অস্থায়ী ভিত্তিত নিয়োজিত হৈ থকা এনে শ্ৰমিকৰ পয়োভৰ যথেষ্ট। সাধাৰণ ভাষাত এনে কৃষি বনুৱা, অংশকালীন তথা অস্থায়ী শ্ৰমিকসকলকে অসংগঠিত খণ্ডৰ শ্ৰমিক বুলি ক'ব পাৰি। আমাৰ দৈনন্দিন জীৱন যাত্ৰাত কিমানজন যে এনে অসংগঠিত খণ্ডৰ অধীনৰ কৰ্মীক বিভিন্ন গৃহসেৱা, নিৰ্মাণস্থলী, উৎপাদনস্থলী, হাট-বজাৰ, মেলা আদিৰ চুকে-কোণে গৃহকৰ্মী, নিৰ্মাণ শ্ৰমিক, উৎপাদন কৰ্মী, ক্ষুদ্ৰ বিক্ৰেতা, ফেৰিৱালা তথা আন ৰূপত লগ পাইছোঁ তাৰ সংখ্যা নিৰ্ধাৰণ কৰাটো সহজ নহ'ব।

সাধাৰণতে অসংগঠিত খণ্ডৰ ধাৰণাটো বুজি পাবলৈ আমাৰ অৰ্থনীতিত থকা সংগঠিত খণ্ডৰ বিষয়ে জনাটো আৱশ্যক হয়। সহজ অৰ্থত সংগঠিত খণ্ড বুলি ক'লে অৰ্থনীতি এখনত বিধিগত গাঁথনিৰ অধীনত চালিত হৈ থকা ব্যৱসায়-বাণিজ্য, নিয়োগ আৰু আন আৰ্থিক কাৰ্যকলাপ সামৰি লোৱা বিভাগ, সংস্থা বা প্ৰতিষ্ঠান আদিক বুজোৱা হয় য'ত সামাজিক সুৰক্ষাৰ ব্যৱস্থাসমূহ যেনে অৱসৰকালীন সা-সুবিধা, প্ৰ'ভিডেণ্ড ফাণ্ড, প্ৰসূতিৰ বাবে নিৰ্দিষ্ট ছুটীৰ সুবিধা, বীমাৰ সুবিধা আদি ইয়াৰ কৰ্মীসকলৰ বাবে প্ৰচলিত চৰকাৰী নিয়ম অনুসাৰে সুনিশ্চিত হৈ থাকে। আৰ্থিক বা ব্যৱসায় সংগঠন আৰু বিভাগ অনুসাৰে অৱশ্যে বিধিগত ৰূপত এনে সামাজিক সুৰক্ষাৰ ব্যৱস্থাসমূহ পৃথক প্ৰকৃতিৰ হ'ব পাৰে। চৰকাৰী বিভাগ, ৰাজহুৱা খণ্ডৰ উদ্যোগ আৰু ব্যৱসায় প্ৰতিষ্ঠান, চৰকাৰী পুঁজিৰ দ্বাৰা চালিত ৰাজহুৱা শিক্ষা প্ৰতিষ্ঠান ইত্যাদি সাধাৰণতে সংগঠিত খণ্ডৰ

অধীনত থকা বুলি ক'ব পাৰি। লগতে নিৰ্দিষ্ট আইনৰ অধীনত পঞ্জীয়নভুক্ত তথা প্ৰচলিত শ্ৰম আইনৰ অধিনিয়মৰ দ্বাৰা পৰিচালিত বৃহৎ ব্যৱসায় নিগম, ৰিজাৰ্ভ বেংকৰ অধিনিয়মৰ দ্বাৰা চালিত বেংক, বিত্তীয় প্ৰতিষ্ঠান, বীমা কোম্পানী তথা আন পঞ্জীয়নভুক্ত আৰু পৰিচালিত প্ৰতিষ্ঠান (য'ত বিধিগত সামাজিক সুৰক্ষাৰ সুবিধা বিদ্যমান) আদিও সংগঠিত খণ্ডৰ অন্তৰ্ভুক্ত। আমাৰ অসমৰ প্ৰায় ৭৬০ খনৰো অধিক বৃহৎ চাহ বাগান সংগঠিত খণ্ডৰ অন্তৰ্ভুক্ত হোৱাৰ সূত্ৰে ইয়াৰ শ্ৰমিক-কৰ্মচাৰীসকলে নিৰ্দিষ্ট নিয়মৰ আধাৰত সামাজিক সুৰক্ষাৰ সুবিধাসমূহ লাভ কৰি থকাৰ বিপৰীতে প্ৰায় এক লাখ বিশ হাজাৰৰো অধিক ক্ষুদ্ৰ চাহ বাগান অসংগঠিত খণ্ডৰ অধীন হোৱাৰ বাবে ইয়াত নিয়োজিত হৈ থকা শ্ৰমিক-কৰ্মচাৰীসকল এনে সামাজিক সুৰক্ষা সুবিধাৰ পৰা বঞ্চিত হৈ আছে। 'আনঅৰগেনাইজড্ ৱৰ্কাৰচ চ'ছিয়েল ছিকিউৰিটি এক্ট, ২০০৮' অনুসৰি অসংগঠিত খণ্ডৰ কৰ্মী বুলি ক'লে এনে এজন কৰ্মীক বুজোৱা হয় যি গৃহভিত্তিক, স্বনিয়োজিত বা মজুৰিভিত্তিক কৰ্মী হিচাপে নিয়োজিত হৈ থাকে অথবা এগৰাকী সংগঠিত খণ্ডৰ কৰ্মীও হ'ব পাৰে যাৰ সামাজিক সুৰক্ষাৰ ব্যৱস্থা— কৰ্মীসকলৰ বাবে থকা ক্ষতিপূৰণ আইন (১৯২৩), ঔদ্যোগিক বিবাদ আইন (১৯৪৭), কৰ্মচাৰীৰ ৰাজ্যিক বীমা আইন (১৯৫২), প্ৰসূতি সুবিধা আইন (১৯৬৯) আৰু গ্ৰেচুইটি পৰিশোধ আইন (১৯৭২) ৰ অধীনত সুনিশ্চিত নহয়।

ভাৰত চৰকাৰৰ ইকন্‌মিক চাৰ্ভে, ২০২১-২২ ৰ সমীক্ষা মতে, ২০১৯-২০ বৰ্ষত ভাৰতৰ মুঠ শ্ৰম বলয় ৫৩.৫৩ কোটিৰ ভিতৰত ৪৩.৯৯ কোটি শ্ৰমিকেই অসংগঠিত খণ্ডত নিয়োজিত হৈ আছে। মুঠ শ্ৰম বলয়ৰ ই প্ৰায় ৮২.১৮ শতাংশ। ভাৰত চৰকাৰৰ শ্ৰম আৰু নিয়োগ মন্ত্ৰণালয়ৰ বাৰ্ষিক প্ৰতিবেদন, ২০১৫-১৬ ত প্ৰকাশিত তথ্য মতে দেশৰ মুঠ নিয়োগৰ ৯০ শতাংশৰো অধিক কেৱল অসংগঠিত খণ্ডৰ কৰ্মী। এই ৰিপৰ্টৰ মতে এনে অসংগঠিত খণ্ডৰ কৰ্মীৰ এক বুজন অংশ ঘৰুৱা ভিত্তিক বৃত্তি যেনে বিড়ি বনোৱা, ধূপ নিৰ্মাণ, পাপড় বনোৱা, টেইলৰিং আৰু এম্ব্ৰইডাৰী আদিত নিয়োজিত। উল্লেখযোগ্য যে ভাৰতৰ দৰে বিশাল দেশ এখনত অনানুষ্ঠানিক বা অসংগঠিত খণ্ডত কৰ্মৰত শ্ৰমিকৰ সঠিক সংখ্যাৰ বিষয়ে জনাটো বৰ সহজসাধ্য নহয়। স্থায়ী নিয়োগ, পেন্সন, বীমা, বেতনসহ নিৰ্দিষ্ট ছুটীৰ সুবিধা আদিৰ অভাৱৰ লগতে নিম্ন আয়যুক্ত কৰ্মত দেশৰ চুকে-কোণে নিয়োজিত হৈ থকা এনে শ্ৰমিকৰ দুৰ্দশাৰ ছবি এখন ক'ভিড মহামাৰীৰ সময়ত অতি দুঃখজনকভাৱে আমি সকলোৱেই প্ৰত্যক্ষ কৰিছিলোঁ। দেশৰ অৰ্থনীতিৰ ৰাজহাড়স্বৰূপ এই শ্ৰমিকসকলৰ এটা তথ্য ভাণ্ডাৰ সৃষ্টিৰ বাবে সেয়েহে কেন্দ্ৰীয় চৰকাৰৰ শ্ৰম আৰু নিয়োগ মন্ত্ৰণালয়ে এটা 'ই-শ্ৰম প'ৰ্টেল' ২০২১ চনৰ ২৬ আগষ্টত মুকলি কৰে। আধাৰ নম্বৰ সংযোগী এই প'ৰ্টেলত অসংগঠিত খণ্ডৰ অধীনৰ শ্ৰমিকসকলৰ পঞ্জীয়ন বিনামূলীয়া হোৱাৰ লগতে এনে শ্ৰমিকৰ বাবে প্ৰযুক্তিৰ সহায়ত সামাজিক সুৰক্ষা আৰু নিয়োগৰ সুযোগ, বিত্তীয় অন্তৰ্ভুক্তিকৰণৰ ব্যৱস্থা আদি নিশ্চিতকৰণৰ লক্ষ্যও লোৱা হৈছিল। উল্লেখযোগ্য যে, উপলব্ধ তথ্য অনুসৰি ২০২৫ চনৰ ৩ মাৰ্চ পৰ্যন্ত 'ই-শ্ৰম প'ৰ্টেল'ত হোৱা শ্ৰমিকৰ পঞ্জীয়নৰ সংখ্যা হ'ল- ৩০,৬৮,৭৪,০৯৪ গৰাকী। পঞ্জীয়নভুক্ত মুঠ শ্ৰমিকৰ ৫৩.৬৮ শতাংশই হ'ল মহিলা শ্ৰমিক। এই প'ৰ্টেলত পঞ্জীয়নভুক্ত অসমৰ অসংগঠিত শ্ৰমিকৰ সংখ্যা হ'ল ৭৬,২৫,০৪১ গৰাকী। এইখিনিতে এইটোও উল্লেখনীয় যে ভাৰতৰ মুঠ ৩০.৬৮ কোটি পঞ্জীয়নভুক্ত শ্ৰমিকৰ ভিতৰত উত্তৰ প্ৰদেশ (৮.৩৮ কোটি) আৰু বিহাৰ (২.৯৭ কোটি)ৰ পৰা পঞ্জীয়ন হোৱা শ্ৰমিকৰ সংখ্যাই আটাইতকৈ অধিক আৰু কেন্দ্ৰীয়শাসিত অঞ্চল লাক্ষাদ্বীপ (২৮১৮ গৰাকী)ৰ পৰা হোৱা পঞ্জীয়ন আটাইতকৈ কম।

দেশৰ অৰ্থনীতিৰ চালিকা শক্তিস্বৰূপ অসংগঠিত খণ্ডৰ এই শ্ৰমিকসকলক চৰকাৰে ইতিমধ্যে ঘোষণা

কৰা সামাজিক সুৰক্ষাৰ আঁচনিসমূহৰ সুযোগ লোৱাত সুবিধা হোৱাকৈ ২০২৪ চনৰ ২১ অক্টোবৰত কেন্দ্ৰীয় বাজেটত ঘোষণা কৰা অনুসাৰে 'ই-শ্ৰম প'ৰ্টেল'ক 'ৱান-ষ্টপ-ছলিউশ্যন' (One-Stop-Solution) হিচাপে গঢ়ি তোলা হৈছে। এই পৰ্যন্ত বিভিন্ন কেন্দ্ৰীয় মন্ত্ৰণালয়/বিভাগৰ অধীনৰ ১৩ খন আঁচনি 'ই-শ্ৰম প'ৰ্টেল'ৰ সৈতে সমন্বয় সাধন কৰি তোলা হৈছে। এনে আঁচনিসমূহৰ ভিতৰত প্ৰধানমন্ত্ৰী ষ্টীট ভেণ্ডৰ আত্মনিৰ্ভৰ নিধি, প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনা, প্ৰধানমন্ত্ৰী জীৱনজ্যোতি বীমা যোজনা, নেশ্যনেল ফেমিলী বেনিফিট স্কীম, মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিতকৰণ আইন, প্ৰধানমন্ত্ৰী আৱাস যোজনা (গ্ৰামীণ), আয়ুষ্মান ভাৰত- প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা, প্ৰধানমন্ত্ৰী আৱাস যোজনা (নগৰীয়), প্ৰধানমন্ত্ৰী মৎস সম্পদ যোজনা আৰু প্ৰধানমন্ত্ৰী কিষাণ মান-ধন যোজনা আদি উল্লেখনীয়। 'ই-শ্ৰম প'ৰ্টেলত' শ্ৰমিকসকলে সহজে অভিগমন কৰিব পৰাকৈ তথ্যসমূহ ২২ টা ভাৰতীয় ভাষাত ২০২৫ চনৰ ৭ জানুৱাৰীৰ পৰা উপলব্ধ কৰাৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰোপৰি 'ই-শ্ৰম প'ৰ্টেল'ৰ লগত সংলগ্ন হৈ থকা কল্যাণমূলক আঁচনিসমূহৰ বিষয়ে সহজে জানিব পৰাকৈ চলিত বছৰৰ ২৪ ফেব্ৰুৱাৰীত 'ই-শ্ৰম ম'বাইল এপ্লিকেশ্যন'ও মুকলি কৰাটো আন এক সময়োচিত পদক্ষেপ বুলি অভিহিত কৰিব পাৰি।

অসংগঠিত খণ্ডৰ প্ৰাদুৰ্ভাৱ কেৱল যে আমাৰ ভাৰততহে আছে তেনে নহয়; বিশ্বৰ উন্নত-অনুন্নত প্ৰায়বোৰ দেশতে এনে খণ্ডৰ উপস্থিতি কম-বেছি পৰিমাণে থকা দেখা যায়। অৱশ্যে আন বহুবোৰ দেশত ইয়াক অনানুষ্ঠানিক খণ্ড বা ইনফৰমেল চেক্টৰ ৰূপেও জনা যায়। ভাৰতৰ প্ৰেক্ষাপটত এই দুয়োটা ধাৰণা প্ৰায় সমাৰ্থক যদিও কিছু পাৰ্থক্যও নথকা নহয়। অসংগঠিত খণ্ডই আনুষ্ঠানিক নিয়ন্ত্ৰণমূলক গাঁথনিৰ বাহিৰত থকা বহল পৰিসৰৰ আৰ্থিক কাৰ্যকলাপক সামৰি লয়। আনহাতে অনানুষ্ঠানিক খণ্ডক অসংগঠিত খণ্ডৰ এক উপাংশ বুলি ক'ব পাৰি, য'ত কাৰ্যকলাপসমূহ প্ৰচলিত শ্ৰম আইন, অধিনিয়ম আৰু সামাজিক সুৰক্ষা আঁচনিৰ আওতাৰ বাহিৰত থাকে। স্বনিয়োজিত কৰ্মী, অতি ক্ষুদ্ৰ মাত্ৰাৰ ব্যৱসায়ত নিয়োজিত শ্ৰমিক, মজুৰিভিত্তিত নিয়োজিত অস্থায়ী শ্ৰমিক আদি সাধাৰণতে অনানুষ্ঠানিক খণ্ডৰ আওতাত থকা বুলি ধৰা হয়। সেয়া যি কি নহওক, নিৰ্দিষ্ট বিধিগত গাঁথনিৰ অধীনৰ নহ'লেও আৰ্থিক কাৰ্যকলাপত অংশগ্ৰহণৰ মাধ্যমত জীৱন যাত্ৰা অব্যাহত ৰখা প্ৰতিগৰাকী অসংগঠিত খণ্ডৰ শ্ৰমিকৰে দেশৰ অৰ্থনীতিত আৰ্থিক গুৰুত্ব আছে। বিশ্বৰ সৰ্বাধিক জনবহুল দেশখনৰ অৰ্থনীতিক চালিত আৰু জীপাল কৰি ৰখাত অসংগঠিত খণ্ডৰ শ্ৰম শক্তিৰ ভূমিকা অনবদ্য। কেৱল সংগঠিত খণ্ডৰ অধীনৰ সৰ্বাধিক ১৫-১৭ শতাংশ শ্ৰমিকৰ অংশ গ্ৰহণেৰে দেশৰ অৰ্থনীতিৰ সকলো আৰ্থিক কাৰ্যকলাপ আগবঢ়াই নিয়াটো কেতিয়াও সম্ভৱপৰ নহয়।

সীমিত উপাৰ্জন, অসুৰক্ষিত নিয়োগ, নিম্ন মজুৰি, বহুলাংশে নগদ লেন-দেনত নিৰ্ভৰশীল, নিম্ন কৌশলী আৰু অশিক্ষিত বা কম শিক্ষিত আদি বৈশিষ্ট্যপূৰ্ণ অসংগঠিত খণ্ডৰ শ্ৰমিকসকলৰ জীৱন নিৰ্বাহৰ মান সহজেই অনুধাৱন কৰিব পাৰি। ক'ভিড কালত এই শ্ৰেণীৰ শ্ৰমিকৰ বিশেষকৈ প্ৰব্ৰজিত শ্ৰমিকসকলৰ জীৱন যাত্ৰাৰ কৰুণ ছবিসমূহে আমাক ব্যথিত কৰি তোলাৰ স্মৃতি আজিও সজীৱ হৈয়েই আছে। আমাৰ শ্ৰম বলয়ৰ বুজন সংখ্যক নিয়োজিত হৈ থকা কৃষিখণ্ডত ঋতুজনিত কৃষিৰ প্ৰাধান্য হ্ৰাস কৰি বহু তৰপীয়া কৃষি পদ্ধতিৰ প্ৰয়োগ কৰিব পৰাৰ ওপৰতো এনে একাংশ শ্ৰমিক-কৰ্মীৰ আৰ্থিক অৱস্থাৰ উন্নয়ন বহুখিনি নিৰ্ভৰশীল হৈ আছে। একেদৰে থলুৱা দ্ৰব্য-সামগ্ৰীৰ উৎপাদন তথা বিক্ৰীৰ সুবিধা হোৱাকৈ স্থানীয় বজাৰ ব্যৱস্থাৰ উন্নয়ন আৰু সম্প্ৰসাৰণৰ ওপৰতো আন একাংশ এনে শ্ৰমিক-কৰ্মীৰ আয়ৰ পৰ্যায়ৰ পৰিৱৰ্তন আৰু জীৱন নিৰ্বাহৰ মান উন্নয়নৰ বিষয়টো বহু পৰিমাণে জড়িত হৈ আছে। কৃষিৰ উৎপাদনশীলতা বৃদ্ধিৰ বাবে কৃষিখণ্ডত

বৰ্তমানেও জড়িত হৈ থকা ৰাহি শ্ৰমিকখিনি উদ্যোগ আৰু সেৱাখণ্ডত নিয়োজনৰ পথ প্ৰশস্ত কৰিব পৰাৰ ওপৰতো অসংগঠিত খণ্ডৰ শ্ৰমিকৰ আৰ্থিক অৱস্থা উন্নয়নৰ দিশটো জড়িত হৈ আছে। অৱশ্যে ইয়াৰ বাবে কেৱল নগৰ বা চহৰতে নহয়, গ্ৰাম্য অঞ্চলতো উদ্যোগ আৰু সেৱাখণ্ডৰ অধীনত গ্ৰাম্য পৰ্যটন, পৰিবহন, বেংকিং আদি আৰ্থিক সা-সুবিধা আৰু ব্যৱসায়িক কাৰ্যকলাপৰ যথোপযুক্ত মাত্ৰাত সম্প্ৰসাৰণ ঘটিব লাগিব।

গতিশীল উপাদান হিচাপে যিকোনো দ্ৰব্যৰ উৎপাদনত শ্ৰমিকৰ ভূমিকা অতিশয় গুৰুত্বপূৰ্ণ। মানৱীয় উপাদান হিচাপেও অৰ্থনীতিৰ উৎপাদন কাৰ্যত শ্ৰমিকৰ এটা সুকীয়া গুৰুত্ব আছে। দীৰ্ঘদিন ঔপনিৱেশিক শাসনৰ অধীনত থকা কৃষি নিৰ্ভৰ অৰ্থনীতি এখনত বৃহৎ সংখ্যক অসংগঠিত খণ্ডৰ শ্ৰমিকৰ বাবে সামাজিক সুৰক্ষাৰ ব্যৱস্থা সুনিশ্চিত কৰাটো যথেষ্ট প্ৰত্যাহ্বানমূলক। আৰ্থিক সংস্কাৰৰ কালছোৱাত ঘটা অৰ্থনীতিৰ গাঁথনিগত ৰূপান্তৰৰ ফলত শ্ৰম বলয়ৰ ওপৰত পৰা প্ৰভাৱ, প্ৰযুক্তি কৌশলৰ চমকপ্ৰদ উন্নতি আৰু প্ৰয়োগ, কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ৰমবৰ্ধমান প্ৰয়োগ আদিয়ে সংকুচিত কৰি অনা মানৱ শ্ৰমৰ ক্ষেত্ৰখনতো নতুন নতুন প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। ক'ভিড মহামাৰীয়ে খাটিখোৱা শ্ৰমিকসকলকেই অতি শোচনীয়ভাৱে ক্ষতিগ্ৰস্ত কৰিছিল। সেইয়া যি কি নহওক, অসংগঠিত খণ্ডৰ শ্ৰমিকসকলৰ কল্যাণৰ কাৰণে চৰকাৰে সম্প্ৰতি পৰ্যায়ক্ৰমে গ্ৰহণ কৰা ব্যৱস্থাৱলী নিশ্চিতৰূপে সমাদৰযোগ্য। আৰ্থিক উন্নয়নৰ হাৰ বৃদ্ধিৰ লগে লগে সম্প্ৰসাৰিত হ'বলগা আৰ্থিক কাৰ্যকলাপত এনে শ্ৰমিকসকলে সামাজিক সুৰক্ষাসহ যাতে নিয়োজনৰ সুবিধা পায়, তাৰ প্ৰতি মানৱীয় দৃষ্টিকোণেৰে দায়বদ্ধশীল হৈ থকাটো সংশ্লিষ্ট সকলো পক্ষৰে কৰ্তব্য হোৱা উচিত।

*লেখকৰ ঠিকনা ঃ*
*(অধ্যক্ষ, পানীগাঁও অ' পি ডি কলেজ, ডাক ঃ পানীগাঁও, লখিমপুৰ-৭৮৭০৫২)*

# অসমীয়া সাহিত্যৰ আপুৰুগীয়া সম্পদ স্বৰূপ ফকৰা যোজনা আৰু প্ৰবচন

ৰীণা শইকীয়া

এটা জাতিৰ জাতীয় জীৱনৰ পৰিচয় দাঙি ধৰে সেই জাতিৰ সাহিত্য আৰু সংস্কৃতিয়ে। এটা জাতিৰ সভ্যতা আৰু প্ৰগতিৰ পৰিচয় প্ৰদান কৰা প্ৰধান উপাদানটো হৈছে সাহিত্য। সাহিত্য ভাষাৰে প্ৰকাশিত মানৱ জীৱনৰ প্ৰতিবিম্ব। অন্য অৰ্থত সাহিত্য হৈছে মানৱীয় চেতনাৰ সাৰ্থক আৰু কলাত্মক অভিব্যক্তি। সাহিত্যৰ জন্ম হয় শব্দ আৰু অৰ্থৰ সুষম আৰু অৰ্থৰ আৰ্থিক সংযোগৰ ফলত। অসমীয়া সাহিত্যৰ জৰিয়তে অসমীয়া জাতিৰ মানসিক বিকাশ, সৌন্দৰ্য্যবোধৰ ধাৰা লক্ষ্য কৰা হয় আৰু জাতিৰ অতীত বৰ্তমানৰ পৰিচয় আৰু ভৱিষ্যত জীৱনৰ সম্ভাৱনাৰো ইংগিত পোৱা যায়। শঙ্কৰী যুগত সৃষ্টি হোৱা সাহিত্য সমূহৰ মাজত লোকৰঞ্জনৰ হেতু লোক-সাহিত্য সদৃশ কিছুমান সাহিত্যিক সমলৰ সৃষ্টি হৈছিল। লোক সাহিত্য সদৃশ এনে কিছুমান সমলকে ফকৰা যোজনা বা পটন্তৰ নামেৰে নামাকৰণ কৰা হয়।

মৌখিক সাহিত্যৰ অন্তৰ্গত ফকৰা যোজনা বা পটন্তৰ সমূহ অসমীয়া সাহিত্যৰ মহা মূল্যবান স্বৰূপ ফকৰা শব্দৰ অভিধানিক অৰ্থ নীতি শিকোৱা পদ যদিও 'ফক্কৰ' শব্দৰ পৰা ফকৰা শব্দৰ উৎপত্তি হৈছে বুলি ধাৰণা কৰা হয়। ফক্কৰ শব্দৰ অৰ্থ ধেমেলীয়া। ফকৰাসমূহ শুনিবলৈ ধেমেলীয়া যদিও ইয়াৰ অন্তৰ্নিহিত অৰ্থ তত্ত্বগধুৰ। ফকৰা-যোজনাবোৰক যুগ নিৰপেক্ষ সাহিত্য বুলি কোৱা হয়। কাৰণ ফকৰা যোজনাবোৰ কেতিয়া কোনে ৰচনা কৰিছিল জনা নাযায় যদিও এই ফকৰা-যোজনাবোৰে অসমীয়া ভাষা সাহিত্যক চহকী কৰাত এক উল্লেখযোগ্য অৰিহণা যোগাইছে। ইয়াৰ মাজত এটা জাতিৰ চৰিত্ৰ আৰু প্ৰজ্ঞাৰ নিদৰ্শন ফুটি ওলায়। ফকৰা-যোজনা আৰু পটন্তৰবোৰত সাংসাৰিক জীৱনৰ অভিজ্ঞতালব্ধ জ্ঞানমূলক নীতি, বিভিন্ন সময়ত প্ৰচলিত জীৱনচৰ্য আৰু আদৰ্শবাদ, জাতিৰ মনস্তত্ব, আচাৰ-ব্যৱহাৰ মননশীলতা আদিৰ আভাস পোৱা যায়। ফকৰাবোৰৰ অন্তৰালত একোটা গূঢ়াৰ্থ সোমাই থাকে।

অসমীয়া সাহিত্যৰ মহামূল্যবান অলংকাৰ স্বৰূপ ফকৰা-যোজনাবোৰত কিছুমান বিশেষত্ব দেখা পোৱা যায়।

প্ৰবাদ-প্ৰবচন আৰু ফকৰা-যোজনাবোৰত বক্তাৰ কথাকোৱা চমৎকাৰিত্ব, বুদ্ধিদীপ্ততা, সাংসাৰিক জীৱনৰ অভিজ্ঞতা, সৃষ্টিশীলতা, বুদ্ধিনিষ্ঠতা আদি গুণৰ আভাস পোৱা যায়। যেনেকৈ- " জপিয়াই জপিয়াই টোপ খায় ফান্দত নিদিয়ে পাৰ।"

অসমীয়া মৌখিক সাহিত্যৰ অন্তৰ্গত ফকৰাবোৰ সাধাৰণতে, ছন্দোবদ্ধতাৰ প্ৰহেলিকা ভাৱপন্ন হয়। যেনেকৈ সাগৰৰ মৌ, পৰ্বতৰ টৌ, বাপেকৰ তিৰী নাই পুতেকৰ সাত বৌ।

অসমীয়া সাহিত্যত ফকৰা-যোজনা, প্ৰবাদ-প্ৰবচনবোৰৰ প্ৰয়োগে বক্তাৰ বক্তব্য ৰসাল, অৰ্থঘন আৰু প্ৰভাৱশালী কৰি তোলে। যেনেকৈ- "আইৰ ঘৰলৈ যাম দুইহাতে খাম বিধিয়ে বোলে মইও পিছে পিছে

যাম।"

ফকৰা-যোজনা আৰু প্ৰবচনসমূহ ৰচনাৰ সময় নিৰ্ণয় কৰা টান যদিও বুৰঞ্জী ঘটনা উল্লেখ থকা বা বৈষ্ণৱ নীতি, সদাচাৰ সম্পৰ্কীয় ৰচনাসমূহৰ সময় নিৰ্ণয় কৰিব পৰা যায়। যেনেকৈ- " নাই ৰঙামাটি, নাই গুৱাহাটী।" এনেধৰণৰ প্ৰবচনবোৰ আহোম ৰাজত্বকালত সৃষ্টি হোৱা বুলি অনুমান কৰিব পাৰি। ভকতীয়া ফকৰাবোৰ বৈষ্ণৱ সাহিত্যৰ পৰা বুটলি অনা বচনবোৰ বৈষ্ণৱ যুগৰ সৃষ্টি বুলি অনুমান কৰা যায়-"দেখন্তে শিশু বয়সত বৃদ্ধ।" তেনে এক শ্ৰেণীৰ ফকৰা।

কিছুমান যোজনা পটন্তৰত নাৰীৰ মনৰ নাৰী সমাজৰ চিত্ৰ স্পষ্টভাৱে প্ৰকাশ পাই- "আৰ ছিগা চুলি, তাৰ ছিগা চুলি মাৰি যাওঁ নেঘেৰী খোপা", "তিৰোতাৰ কপালে ধন, পুৰুষৰ কপালে জন", "এনেও কানি তেনেও কানি, শামুক দিও ভালকৈ পানী" ইত্যাদি।

পটন্তৰ সমূহ শিক্ষামূলক বা উপদেশমূলক হোৱা দৃষ্টিগোচৰ হয়। প্ৰায়ে পটন্তৰ সমূহত একোটা তুলনাৰ দ্বাৰা এটা দুটা কথাতে নীতিমূলক কথা বা উপদেশ দাঙি ধৰা হয় আৰু যেনেকৈ মাতৃৰ সন্তানৰ প্ৰতি থকা মৰম আৰু ত্যাগক নৈৰ লগত তুলনা কৰি কোৱা হয়, "আইৰ সমান হ'ব কোন, নৈৰ সমান ব'ব কোন?" ঠিক একেদৰে "আইৰো বাৰ্তা গংগাৰো যাত্ৰা।" এই কথাষাৰৰ জৰিয়তে বুজাব বিচৰা হৈছে গংগাত স্নান কৰিবলৈ যোৱাটো যিদৰে পুণ্য আৰু আনন্দৰ কথা ঠিক তেনেকৈ মাকৰ ঘৰলৈ জীয়েক যোৱাটোও আনন্দৰ কথা।

"উপদেশতকৈ আৰ্হি শ্ৰেষ্ঠ", আপ্ত বাক্যটিৰ জৰিয়তে ইয়াকে বুজাব বিচৰা হৈছে যে আমি আনক উপদেশ দিবলৈ যোৱাৰ আগতে নিজে কামটো কৰি দেখুৱাব লাগে।

"অলপ আৰ্জন, বিস্তৰ ভোজন সেই পুৰুষৰ দৰিদ্ৰ লক্ষণ" এই বাক্যশাৰীৰ জৰিয়তে উপদেশ দিব বিচৰা হৈছে যে মানুহে উপাৰ্জনে চাইহে ব্যয় কৰিব লাগে উপাৰ্জনতাক যদি ব্যয় বেছি হয় মানুহে জীৱনত কেতিয়াও উন্নতি কৰিব নোৱাৰোঁ।

আমি কেতিয়াও দেখিবলৈ পাওঁ এটা ফকৰাত এটা সাধু কথা লুকাই থাকে। যেনেকৈ - " গপত মৰে গজহস্তী, গচকত মৰিল গোম, শ খাওঁতে শগুণ মৰিল, আজোৰত মৰিল কোন? - সাধুটো এনেধৰণৰ এদিন এটা প্ৰকাণ্ড হাতী ৰাস্তাইদি গৈ থাকোঁতে বাটত ৰ'দ লৈ থকা এটা বিৰাটকায় ফেঁটিসাপ লগ পালে। দুয়োটাই নিজকে সৰ্ব-শক্তিমান বুলি ভাৱি গপতে গংগাটোপ হৈ এটাই ও ৰাস্তা এৰি নিদিলে। শেষত হাতীটোৱে ফেঁটি সাপটোক গচকি মাৰিব খুজোঁতেই সাপটোৱে হাতীটোক দংশন কৰিলে আৰু হাতীটোৱে খণ্ডত একো নাই হৈ সাপটোক গচক মাৰি ধৰিল। ফলত সাপো মৰিল হাতিও মৰিল। এনেতে ওপৰেদি উৰি যোৱা শগুণ এটাই মৰা হাতীটো দেখি লোভত ৰ'ব নোৱাৰি হাতীৰ মাংস দকচি খালে। হাতীৰ বিষাক্ত মাংস ভক্ষণ কৰি শগুণটো মৰি থাকিল। সেই সময়তে এজন বাটৰুৱা সেইফালেদি যাওঁতে হাতীৰ দাঁত কেইটা দেখি লোভত ৰ'ব নোৱাৰি হাতীৰ দাঁত দুটা কাটি ল'বলৈ চেষ্টা কৰোঁতে দাঁতৰ খোচত বাটৰুৱা জনৰ অকাল মৃত্যু হ'ল। এইদৰে অহংকাৰ আৰু লোভৰ বাবে আটাই কেইটা প্ৰাণীয়ে অকাল মৃত্যুক সাৱতি ল'ব লগা হ'ল।

প্ৰবাদ বাক্য আৰু প্ৰবচনবোৰ সময়ৰ প্ৰয়োজনে জন্ম দিয়ে যদিও সমাজৰ পৰিৱৰ্তনৰ লগে লগে কিছুমান প্ৰবাদ বাক্য লুপ্ত হয়। অৱশ্যে কিছু প্ৰবাদ বাক্য সময়ৰ পৰিৱৰ্তনৰ লগত সংগতি ৰাখি দীৰ্ঘস্থায়ী হয় আৰু কিছুমান প্ৰাচীন পটন্তৰ আধুনিকতাৰ লগত খাপ-নাখায় ক্ৰমে লুপ্ত হৈছে। আমি সকলোৱে এটা কথা মনত ৰখা উচিত যে এনে বহু ফকৰা-যোজনা আছে যিবিলাকে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰাত

উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰি আহিছে। অৱশ্যে বৰ্তমান সময়ত অসমীয়া সাহিত্যৰ লোক সম্পদ, ফকৰা-যোজনা বা পটন্তৰবোৰ সংগ্ৰহৰ বাবে প্ৰথম পদক্ষেপ গ্ৰহণ কৰিছিল মিছনেৰীসকলে। অসমীয়া সাহিত্যৰ আপুৰুগীয়া সম্পদ স্বৰূপ ফকৰা-যোজনাসমূহৰ মাজত আমি নীতি-আদৰ্শৰ সৈতে জীৱন বাটত অগ্ৰসৰ হোৱাৰ সাহস আৰু প্ৰেৰণা পাওঁ। এই সম্পদসমূহে অসমীয়া ভাষা, সাহিত্যক অধিক সমৃদ্ধিশালী কৰাৰ লগতে অধিক সৌন্দৰ্য্যশালী কৰি তুলিছে। তাত আমি অসমীয়া হিচাপে প্ৰত্যেকেই এই ফকৰা-যোজনাসমূহ সংগ্ৰহ আৰু সংৰক্ষণ কৰাৰ ওপৰত গুৰুত্ব দিব লাগে তেনেহ'লে আমাৰ ভাষাটো অধিক সমৃদ্ধিশালী হ'ব আৰু ভাষাটোৰ সৰ্বাঙ্গীন উন্নতি সাধিত হ'ব। লগতে অসমীয়া সাহিত্যই বিশ্ব দৰবাৰত নিজৰ পৰিচয় সগৌৰৱেৰে দাঙি ধৰিব পাৰিব।

সহায়ক গ্ৰন্থ ঃ

১) অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত- ড০ সত্যেন্দ্ৰনাথ শৰ্মা।
২) সমীক্ষাত্মক আলোচনা -শ্ৰীযুত দেৱব্ৰত গগৈ।
৩) যোগাযোগ লিখিত আৰু কথিত- ড০ হেমন্ত শৰ্মা।

*পূৰ্বাঞ্চল শাখা সাহিত্য সভা।*

# নামঘোষাত সমতা আৰু বিশ্বজনীন আবেদন ঃ এক চমু অৱলোকন

**প্ৰশান্ত বাৰিক**

**সাৰাংশঃ-** নামঘোষা পুথিভাগ মহাপুৰুষ মাধৱদেৱৰ কাব্য প্ৰতিভাৰ সৰ্বশ্ৰেষ্ঠ ৰচনা। নামঘোষাত গুৰুজনাৰ আধ্যাত্মিক দৰ্শন অতি সুন্দৰভাবে প্ৰতিফলিত হৈছে। মৌলিকভাৱে গ্ৰন্থখন বেদান্ত দৰ্শনৰ ওপৰত প্ৰতিষ্ঠিত। যদিও গ্ৰন্থখন মধ্যযুগতে ৰচিত হৈছিল, তথাপিও আধুনিক জ্যোতিষশাস্ত্ৰ, সমাজশাস্ত্ৰ আৰু ৰাজনীতি বিজ্ঞানৰ ভালেমান আদৰ্শ নামঘোষাত বিদ্যমান। নামঘোষাত মাধৱদেৱৰ আধ্যাত্মিক জীৱনৰ পুৰ্ণ অভিব্যক্তি প্ৰতিফলিত হৈছে।[১] নামঘোষা মাধৱদেৱৰ সমস্ত জীৱনৰ জ্ঞান আৰু গভীৰ অনুভৱৰ স্বতঃস্ফুট, বাক্যময় প্ৰকাশ, ভাবৰ গভীৰতা, বিষয়বস্তুৰ যথাযোগ্যতা, প্ৰকাশভংগীৰ চাৰুতা আৰু ভক্তিৰ ৰসময়ী স্বৰূপৰ অনন্য অভিব্যক্তিয়ে নামঘোষাক সকলো কালৰ বাবে অতুলনীয় মহৎ কাব্যকৃতি হিচাপে গঢ়ি তুলিছে।[২]

**সূচনাঃ-** নামঘোষা মহাপুৰুষ মাধৱদেৱৰ মহত্বম সৃষ্টি। গ্ৰন্থখনৰ ৰচনাকালি ১৫৬৮-১৫৯৬ বুলি অনুমান কৰা হৈছে।[৩] ভাৰতীয় ভক্তিবাদী ধাৰাত হৰিভক্তি ৰহস্যৰে ভৰপুৰ নামঘোষা শাস্ত্ৰখনিত এক সুকীয়া পৰিচয় আৰু প্ৰমূল্যবোধ চিৰবিদ্যমান। একশৰণ হৰিনাম ধৰ্মৰ ভক্তিতত্ত্বৰ সাহিত্য সংস্কৃতি আৰু দৰ্শনৰ মূল্যবান গ্ৰন্থ হিচাপে নামঘোষা অদ্বিতীয়। নামঘোষা এখনি ভক্তি তত্ত্বমুলক গ্ৰন্থই নহয়, ই এখনিষ্ঠ ভক্ত মহাপুৰুষ মাধৱদেৱৰ হিয়া ভেদি ওলোৱা ভক্তি নিজৰাৰ ছন্দোময় প্ৰকাশ। ড° কৃষ্ণ নাৰায়ন প্ৰসাদ মগধে নামঘোষাক "এখনি প্ৰাৰ্থনা গ্ৰন্থ যাৰ প্ৰতি ফাকি ঘোষাই মন্ত্ৰতুল্য" বুলি মন্তব্য কৰিছে।[৪] একেদৰে ড° দুলুমণি ডেকাই নামঘোষাক সাহিত্য, ধৰ্মপুথি দাৰ্শনিক মতবাদত প্ৰতিষ্ঠিত গ্ৰন্থ হিচাপে অভিহিত কৰিছে।[৫] ভগৱত ভক্তিৰ মাজত আনন্দ উৎস নিৰূপন কৰিবলৈ যাওঁতে গুৰুজনাই নামঘোষাত বিভিন্ন ধৰণৰ আদৰ্শ উপস্থাপন কৰিছে। নামঘোষাত উপলব্দ অন্যান্য আদৰ্শৰ ভিতৰত সমতা আৰু বিশ্বজনীন আবেদনৰ ধাৰণাটোৱে গ্ৰন্থখনিক এক সুকীয়া মাত্ৰা প্ৰদান কৰিছে।

**নামঘোষাত সমতাৰ বিশ্লেষণ ঃ-** জাতিবাদ ভাৰতীয় সমাজ ব্যৱস্থাৰ এক অবিচ্ছেদ্য অংগ। মধ্যযুগত জাতি, বৰ্ণ, গোত্ৰৰ ভিত্তিত সমাজখন বহুধা বিভক্ত হৈ পৰিছিল। ধৰ্ম, সামাজিক পৰম্পৰা আদিত

১। ড° **সত্যেন্দ্ৰনাথ শৰ্মা**
২। ড° **বাণীকান্ত কাকতি**
৩। Nam Ghosa- The book of the names Divine : A Tribute to Sankardeva, A. Gupta
৪। ড° **কৃষ্ণনাৰায়ন প্ৰসাদ মগধ, শুভ কথন ঃ নামঘোষা তত্ত্বদৰ্শন**
৫। ড° **দুলুমণি ডেকা, মাধৱদেৱৰ হৃদয়স্তম্ভ ঃ নামঘোষা।**

সকলো জাতিৰ সমান অধিকাৰ নাছিল। সমাজৰ মানুহখিনি ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ এই চাৰি জাতিত বিভক্ত হৈ আছিল। বিভিন্ন জাতিৰ মাজত থকা পাৰস্পৰিক বিভেদে সামাজিক সম্প্ৰীতি বিঘ্নিত কৰি ৰাখিছিল। উনবিংশ শতিকাত ৰাজনীতি বিজ্ঞানৰ অধ্যয়নলৈ সমতাৰ ধাৰণাটোৰ আগমন ঘটিল। ভাৰতে স্বাধীনতা লাভ কৰাৰ পাছত জাতিবাদৰ অৱসানক অগ্ৰাধিকাৰ দি সংবিধানৰ চতুৰ্থ অধ্যায়ত সমতাৰ ধাৰণাটো সন্নিবিষ্ট কৰিছে। সাধাৰণ অৰ্থত সমতা শব্দই --- "সকলো সমান" অৰ্থ প্ৰকাশ কৰে। ব্যাপক অৰ্থত "সমতা" বুলিলে জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলোৰে সমান অধিকাৰ থকাকে বুজায়। উল্লেখযোগ্য এইয়ে যে বিশ্ব সম্প্ৰদায়ৰ মাজলৈ সমতাৰ ধাৰণাটো আগমন ঘটাৰ প্ৰায় আঢ়ৈশ বছৰৰ আগতেই মাধৱদেৱে নামঘোষাত সমতাৰ কথা উল্লেখ কৰি গৈছে। নামঘোষাৰ ৬৭০ নং পদত মাধৱদেৱে লিখিছে ---

"নোহো জানা আমি চাৰি জাতি চাৰিয়ো আশ্ৰমি নোহো আতি
নোহো ধৰ্মশীল দান ব্ৰত তীৰ্থগামী।
কিন্তু পুৰ্ণানন্দ সমুদ্ৰৰ গোপী ভত্তা পদ কমলৰ
দাসৰ দাস তান দাস ভৈলো আমি।।" ৬৭১

উল্লিখিত পদফাকিত মাধৱদেৱে মই ব্ৰাহ্মন ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰ কোনো জাতৰ নহওঁ বুলি স্বীকাৰ কৰি প্ৰত্যক্ষভাবেই জাতিবাদৰ অস্বীকাৰ কৰিছে। মাধৱদেৱে এনে এখন সমাজৰ পোষকতা কৰিছে য'ত জাত-পাত আৰু ধৰ্মৰ নামত মানুহৰ মাজত কোনো বিভেদ নাথাকিব। হৰি ভকতিত সকলো লোকৰে সমান অধিকাৰ ঘোষণা কৰি পোন্ধৰ শতিকাতে মাধৱদেৱে সমতাৰ ধাৰণাটো প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছে।

নামঘোষাত ২৮ নং পদফাকিতো মাধৱদেৱে প্ৰকাৰন্তৰে সমতাৰ কথাকে স্বীকাৰ কৰিছে ------

"হৰি নাম কীৰ্ত্তনত নাহি দেশ কাল পাত্ৰ
নিয়ম সংঘম একো বিধি।
নিয়ম শৰণ লৈয়া কেৱলে হৰিৰ নাম
কীৰ্ত্তন কৰন্তে হোৱে সিদ্ধি।।"

একেদৰে ২৯ নং পদতো মাধৱদেৱে হৰি ভক্তিৰ বেলিকা ভক্তসকলৰ মাজত সমতাৰ ধাৰণাটো প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছে ------

"চাৰিও জাতিৰ নিজ পিতৃ কৃষ্ণ
জানিয়া যিটো নভজে।
এহি পাপে নিজ ধৰ্ম ভ্ৰষ্ট হুয়া
ঘোৰ নৰকত মজে।।"

উপৰোক্ত পদ সমূহে এইটো প্ৰতিপন্ন কৰে যে আধুনিক ৰাজনীতি বিজ্ঞান বা সমাজ বিজ্ঞানৰ অন্যান্য আলোচনাত সমতাৰ ধাৰণাটো আৰম্ভ হোৱাৰ বহু পূৰ্বেই মাধৱদেৱে নামঘোষাত ইয়াৰ উল্লেখ কৰি থৈ গৈছে।

নামঘোষাত বিশ্বজনীন আবেদনৰো এক নিৰ্মোহ বিশ্লেষণ পৰিলক্ষিত হয়। জন মুৰ (১৭৪১-১৮১৫) আৰু এলাহানান উইনচেষ্টাৰ (১৭৫১- ১৭৯৭) ক সাৰ্বজনীনবাদৰ হোতা বুলি কোৱা হয়। সাৰ্বজনীনবাদী সকলে বিশ্বাস কৰে যে — **"It is imposible that a loving God would elect only**

**a portion of humankind to salvation and doom and the rest to eternal Punishment."**

নামঘোষাৰ বিভিন্ন পদত সাৰ্বজনীন আবেদনৰ প্ৰমান পোৱা যায়। নামঘোষাৰ চছ নং পদত সাৰ্বজনীন আবেদনৰ স্পষ্ট প্ৰতিফলন ঘটিছে ----

"আপুনি আপোন শক্ৰ আপুনি আপোন শক্ৰ
আপুনি আপোন ৰাখে মাৰে ।
হৰিক নভজি নৰে আপুনি হোৱই নষ্ট
হৰি ভজি আপোনাক তৰে।।"

সাৰ্বজনীনবাদী সকলৰ দৰেই মাধৱদেৱে বিশ্বাস কৰে যে মানুহৰ কৰ্মই তেও জীৱনত ভোগ কৰা দুখ যাতনাৰ বাবে দায়ী। সমস্ত সুখ-দুখৰ কাৰণ মানুহৰ কৰ্ম। মাধদেৱে নামঘোষাত এই কথা স্বীকাৰ কৰিছে যে কেৱল কৃষ্ণ নাম কীৰ্ত্তনৰ যোগেদি মানৱে জীৱনৰ সমস্ত যাতনাৰ পৰা মুক্তি লাভ কৰিব পাৰে। নামঘোষাৰ বিভিন্ন পদত সাৰ্বজনীনবাদী সকলৰ দৰেই বিশ্বজনীন আবেদনৰ সুৰ এটা প্ৰবাহিত হৈ থকা পৰিলক্ষিত হয়।

**সামৰণি** ঃ- মৌলিকভাৱে নামঘোষা এখনি ধৰ্মীয় গ্ৰন্থ। নামঘোষাত যদিও বিভিন্ন আদৰ্শৰ প্ৰতিফলন ঘটিছে। তথাপি এটা কথা প্ৰনিধানযোগ্য যে এই আলোচনাবোৰ আধ্যাত্মিক দৃষ্টিৰে পৰিচালিত হৈছে। ইয়াত এই আদৰ্শবোৰ প্ৰণালীবদ্ধ ভাবে আলোচনা কৰা হোৱা নাই। ধৰ্মীয় দৰ্শনেৰে হ'লেও সমাজখনলৈ এই আদৰ্শবোৰ কঢ়িয়াই অনাত ইয়াৰ গুৰুত্বতাক কেতিয়াও অস্বীকাৰ কৰিব নোৱাৰি। মধ্যযুগত এনেবোৰ আলোচনাই মাধৱদেৱৰ প্ৰতিভাৰ কথাকে প্ৰমাণ কৰে।

## সহায়ক গ্ৰন্থপঞ্জী-

**১। দাস হৰমোহন, নামঘোষা (সম্পাঃ), বনলতা প্ৰকাশন, ২০১২।**

**২। গোস্বামী নাৰায়ন চন্দ্ৰ, কীৰ্ত্তন ঘোষা আৰু নামঘোষাৰ তৰ্ত্ত্বাথ সমীক্ষা।**

**৩। দাস ইলাৰাম, নামঘোষাৰ ৰসমৃত, বনলতা প্ৰকাশন।**

**৪। সভাষ চাচমল, নামঘোষাৰ মূল সহ এটি সমালোচনামূলক অধ্যয়ন, এচিয়াটিক ছচাইটি, ২০১২।**

**৫। বৰকাকতি, ড° সঞ্জীৱ কুমাৰ,** Nam Ghosa- The Oriental Gem.

**৬। পাঠক, প্ৰণবানন্দ,** Nam Ghosa-Hymns to the Blessed Lord, Bibliophile, South Asia-2005.

**৭। হাজৰিকা, সূৰ্য, নামঘোষা (সম্পাঃ), বাণীমন্দিৰ, গুৱাহাটী- ২০০৩।**

**৮। চুতিয়া, ৰামেশ্বৰ-কথা নাম ঘোষা, কিৰণ প্ৰকাশন, ধেমাজী- ১৯৯৩।**

**৯। দাস হিৰেণ, ডেকা লাটুমনি, দাস চিন্তামনি, মাধৱদেৱৰ সাহিত্য প্ৰতিভা, অশোক বুকষ্টল, গুৱাহাটী- ২০১৭।**

# বৰেণ্য লেখিকা স্নেহ দেৱীৰ সাহিত্যকৃতি

**মীনা ফুকন হাজৰিকা**

এগৰাকী ব্যতিক্ৰমী গল্পকাৰ হিচাপে অসমীয়া সাহিত্য জগতত প্ৰতিষ্ঠা লাভ কৰা স্নেহ দেৱীয়ে যথেষ্ট পলমকৈ গল্প-লেখিকা হিচাপে আত্মপ্ৰকাশ কৰিছিল। আৰম্ভণিতে তেওঁ কাব্যচৰ্চাত হাত দিছিল। ১৯৫২ চনত "সৌমাৰজ্যোতি" নামৰ আলোচনীখনত 'প্ৰয়োজন' নামৰ কবিতা প্ৰকাশ কৰি কবি হিচাপে আত্মপ্ৰকাশো কৰিছিল। কিন্তু জীৱন আৰু জগতৰ বিচিত্ৰ অভিজ্ঞতাই তেওঁক কথা-সাহিত্যৰ প্ৰতিহে আকৰ্ষিত কৰিলে। সেয়ে তেওঁৰ ব্যক্তিগত জীৱনৰ বিভিন্ন ঘটনা-পৰিঘটনা অনুৰণন গল্পসমূহত বেচিকৈ দেখিবলৈ পোৱা যায়। পুৰুষ প্ৰধান সমাজত মাত্ৰ পঞ্চমমান পৰ্যন্ত আনুষ্ঠানিক শিক্ষাৰে নিষ্ঠা আৰু পৰিক্ৰমৰ বলত নিজকে প্ৰতিষ্ঠিত কৰোঁৱাটো বৰ সহজ কাম নাছিল। কিন্তু স্নেহ দেৱীৰ জীৱনত আমি সেয়া সফল হোৱাদেখিবলৈ পাওঁ।"

স্নেহদেৱীৰ ৰচনাও সদায় চকুৰে দেখা সৰু সৰু কথাবোৰ, নাৰী-হৃদয়ৰ মনস্তাত্বিক দিশবোৰ, সমাজৰ পৰা পোৱা ভয়, আতংক, সুখ-দুখ, বিৰহ-বিচ্ছেদৰ ছায়াবোৰ, পৰিয়াল কেন্দ্ৰিক সৰু সৰু সমস্যাবোৰ, প্ৰতিবেশীৰ স'তে পোৱা সৰু অথচ গভীৰ সমস্যাবোৰে ধৰা দি তেওঁৰ সহজ-সৰল লিখনীৰে আত্ম প্ৰকাশ কৰি নাৰী সমাজৰ স্বচ্ছ এখন দাপোণৰ দৰে হৈ পৰিল। সেই দাপোণখনত যেন নাৰী-সমাজৰ চিত্ৰৰ সুন্দৰ প্ৰতিফলন ঘটিছে। সমাজত সংঘটিত হৈ থকা কথাবোৰেই আত্মপ্ৰকাশ লাভ কৰি গীতৰ দৰে এখনি গল্পৰ ছবিয়ে পাঠক সমাজক আকৰ্ষিত কৰিছে। এয়া স্নেহদেৱীৰ ৰচনাৰ এক একক বিশেষত্ব বুলি ক'ব পাৰি।

সাহিত্য সদায় সত্যৰ ওপৰত আধাৰিত হ'লে সেই সাহিত্যই স্থায়িত্ব লাভ কৰিব পাৰে। স্নেহ দেৱীয়ে গল্পৰ ছলেৰে সমাজত হৈ থকা সমস্যাবোৰৰ বৰ্ণনা কৰি হয়তো সমাজক নিকা কৰাত পৰোক্ষ ভূমিকা পালন কৰিছে। সাহিত্য যিহেতু সমাজৰ দাপোণ, সাহিত্য চিন্তা কৰোতে, লিখনি আগবঢ়াওতে গভীৰভাৱে সমাজখন লেখকৰ আগলৈ ভাহি আহে। এই সামাজিক দায়বদ্ধতা পালন কৰিব নোৱাৰিলে হাতত কলম তুলি লোৱা বহু মহিলা অন্তৰ্দ্বন্দ্বত ভূগিব লগা হয়।

১৯১৬ চনতে জন্ম গ্ৰহণ কৰা স্নেহদেৱী কোনো বিদ্যায়তনিক স্তৰলৈ যাব নোৱাৰিলে। যোৰহাট মধ্য ইংৰাজী বিদ্যালয়ত পঞ্চমমান শ্ৰেণীলৈকে পঢ়িছিল। তেতিয়াই তেওঁৰ পিতৃ-মাতৃয়ে সেই সময়ৰ সামাজিক নীতি অনুসৰি বিয়াৰ ব্যৱস্থা কৰিলে। সেই সময়ৰ সমাজ ব্যৱস্থাৰ প্ৰতি সন্মান জনাই স্নেহদেৱীয়ে ১২ বছৰ বয়সতে পৰোক্ষভাৱে বৈবাহিক জীৱন আৰম্ভ কৰে। সেই সময়ৰ সমাজ ব্যৱস্থা নাৰীৰ অনুকুলে নাছিল। তেওঁৰ স্বামী আছিল ডাক্তৰ। স্বামী কিন্তু তেনে মানসিকতাৰ লোক নাছিল। তেওঁ পত্নীৰ সৃজনীশীল মনটোক বিভিন্ন প্ৰকাৰে উৎসাহিতহে কৰিছিল। আনহাতে চিকিৎসক স্বামীৰ সুবাদত স্নেহ দেৱীয়ে সমাজৰ বিভিন্ন স্তৰৰ বিভিন্ন মানসিকতাৰ মানুহৰ সংস্পৰ্শ লাভ কৰাৰ লগতে, বিভিন্ন ঠাই ফুৰাৰো সুযোগ পাইছিল। এইদৰে হোৱা অভিজ্ঞতাই তেওঁৰ সৃজনীশীল মনটোক অধিক সংবেদনশীল আৰু সৃষ্টিমুখী কৰি তুলিছিল।

স্নেহদেৱীয়ে মাজেৰে জগতখনকে আঁকোৱালি লৈছে। গল্পৰ মাজেৰে তেওঁ অনেক মানুহৰ চৰিত্ৰৰ লগত পাঠকক চিনাকি কৰি দিছে। সমাজত পুৰুষৰ দ্বাৰা নিৰ্যাতিতা, প্ৰতাৰিতা নাৰীসকলৰ বাবে লিখিবলৈ

তেওঁ হাতত কলম তুলি ল'লে ১৯৫২ চনত। তেতিয়া তেওঁৰ ৩৬ বছৰ বয়সৰ প্ৰথম কবিতা প্ৰকাশ হ'ল 'প্ৰয়োজন' 'সৌমাৰজ্যোতিত'। ১৯৫৩ চনত সেই সময়ৰ অতি বিখ্যাত আলোচনী 'ৰামধেনু'ত তেওঁৰ প্ৰথম গল্প 'জোৱাৰৰ পিছত' প্ৰকাশ হয়। কিন্তু তেওঁ পঢ়ুৱৈ সমালোচকৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয় 'সূচনা' শীৰ্ষক গল্পটোৰেহে। গল্প প্ৰতিযোগিতাত পুৰস্কৃত হোৱা এই গল্পটিয়ে স্নেহদেৱীক ভৱিষ্যতৰ এগৰাকী প্ৰতিভাৱান গল্পকাৰ হিচাপে পৰিচিতি দিয়ে। লাহে লাহে তেওঁৰ গল্পৰ সংখ্যা ইমানেই বাঢ়ি গ'ল যে তেওঁ চাৰিখনকৈ গল্প সংকলন প্ৰকাশ কৰিলে। ১/ কৃষ্ণা দ্বিতীয়বাৰ জোনাক (১৯৫৮) ২/ স্নেহদেৱীৰ গল্প ((১৯৬৬) ৩/ স্নেহদেৱীৰ শ্ৰেষ্ঠ গল্প (১৯৮১) আৰু ৪/ স্নেহদেৱীৰ একুঁকি গল্প (১৯৮৮) তদুপৰি আছে অকণিৰ চ'ৰা, কবিতা, নাটক ইত্যাদি।

১৯৮৭ চনত লাভ কৰিলে অসম সাহিত্য সভাৰ 'বাসন্তী বৰদলৈ' সোঁৱৰণী বঁটা। ১৯৮৬ চনত নিমন্ত্ৰিত হয় অসম সাহিত্য সভাৰ ৰামপুৰ অধিৱেশনৰ 'গ্ৰন্থ উন্মোচনী' সভালৈ। ১৯৮৮ চনত সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ বৰপেটা অধিৱেশনৰ মুকলি সভাত সভানেত্ৰীত্ব কৰে স্নেহদেৱীয়ে। ১৯৯০ চনত লাভ কৰিলে ভাৰতবৰ্ষৰ সৰ্ব্বোচ্চ স্বীকৃতি- 'সাহিত্য অকাদেমিৰ বঁটা'। দুখৰ কথা যে ১৯৯০ চনৰ ডিচেম্বৰ মাহত ঘোষণা হৈছিল সাহিত্য অকাডেমিৰ বঁটা প্ৰাপকসকলৰ নাম, কিন্তু স্নেহদেৱী স্বৰ্গগামী হৈছিল ১৯৯০ চনৰ ৫ অক্টোবৰত। জীৱিত কালত স্নেহদেৱীয়ে সেই সৌভাগ্যৰ খবৰটো শুনি যাবলৈ নাপালে। স্নেহদেৱীৰ হৈ বঁটা গ্ৰহণ কৰিলে তেওঁৰ সুযোগ্য পুত্ৰ পুলিন বৰুৱাই। অসমীয়া ভাষাত এই বঁটা লাভ কৰা তেওঁ আছিল চতুৰ্থগৰাকী মহিলা। তেওঁ 'স্নেহ দেৱীৰ একুঁকি গল্পৰ বাবে এই বঁটা লাভ কৰে।

স্নেহদেৱীৰ গল্পৰ বিষয়বস্তুৰ মোহনীয় আৰু চৰিত্ৰ সৃষ্টিৰ দক্ষতা বিচিত্ৰ। নিজৰ গল্পৰ বিষয়বস্তুৰ সন্দৰ্ভত স্নেহদেৱীয়ে লিখিছে - " মোৰ গল্পত যিবিলাক নাৰী চৰিত্ৰৰ কথা দেখোঁ তেওঁবিলাক মোৰ চিনাকি চৰিত্ৰ। মই সততে তেওঁবিলাকক লগ পাইছিলোঁ। তেওঁলোকক মই বুজিছিলো আৰু তেওঁলোকেও নিজৰ সুখ-দুখৰ কথা অকপটে মোক জনাইছিল। তেওঁবিলাক প্ৰধানকৈ গাঁৱৰ তিৰোতা নাইবা গাঁৱৰ ওচৰৰ সৰু চহৰৰ মধ্যবিত্ত নাইবা নিম্নবিত্তৰ ঘৰৰ।"স্নেহদেৱীৰ প্ৰতিটো গল্পৰে প্ৰধান চৰিত্ৰ হিচাপে একোগৰাকী নাৰীক চিত্ৰিত কৰিছে। তেখেতৰ গল্পত চিত্ৰিত বিভিন্ন বয়সৰ এই নাৰী চৰিত্ৰ সমূহৰ জৰিয়তে অসমীয়া সমকালীন সমাজ - ব্যৱস্থাত নাৰীৰ যি স্থিতি সেই সম্পৰ্কীয় ধাৰণাক প্ৰকট কৰি তোলা হৈছে। বিশিষ্ট সমালোচক ত্ৰৈলোক্যনাথ গোস্বামীয়ে স্নেহদেৱীৰ গল্পৰ সম্পৰ্কত মন্তব্য প্ৰকাশ কৰিছে এনেদৰে- 'সহানুভূতিশীল দৃষ্টিভংগীৰে নাৰী চৰিত্ৰ বিশ্লেষণৰ চেষ্টা তেওঁৰ এটা বিশেষত্ব।"

স্নেহদেৱীৰ গল্পৰ ক্ষেত্ৰত ভাল কেইজন সমালোচকে মন্তব্য দি গৈছে। যোগেশ দাসে কৈছে-স্নেহদেৱীৰ গল্প কলাৰ আটাইতকৈ উল্লেখযোগ্য বৈশিষ্ট্য হৈছে তেওঁ কেতবোৰ বৰ জটিল মানসিক সংঘাত ব্যাখ্যা কৰিবলৈ চেষ্টা কৰিছে। উপেন্দ্ৰ নাথ শৰ্মাৰ মতে মানৱ হৃদয়ৰ সুক্ষ্মতম অনুভূতিৰ সুৰ এটা তেওঁৰ গল্পত যিমান তীব্ৰভাৱে বাজি উঠিছে খুব কম সংখ্যক গল্প লিখকৰ ক্ষেত্ৰতহে তেনে দেখা গৈছে। সাম্প্ৰতিক কালৰ গল্প সাহিত্যত সমস্যাৰ বিশ্লেষণ যিমান হৈছে মানৱ হৃদয়ৰ অনুভূতি অনুধাৱন সেই অনুপাতে হোৱা নাই। স্নেহ দেৱীয়ে এই ক্ষেত্ৰত অসমীয়া গল্প-সাহিত্যৰ এটা অভাৱ পুৰাইছে। সতেন্দ্ৰনাথ শৰ্মাৰ মতে স্নেহ দেৱীৰ ৰচনা সংযত আৰু দৃষ্টিভংগী কিছু পৰিমাণে ৰক্ষণশীল। ঘৰুৱা জীৱনৰ খুটিনাটিৰে এওঁৰ গল্প উজ্জ্বল। এওঁৰ ৰচনাত প্ৰেমৰ বিভিন্ন দিশৰ আকৰ্ষণীয় প্ৰকাশ ঘটিছে যদিও অভিব্যক্তি কেৱল প্ৰেমতে সীমিত নহয়।

সেনহ দেৱী নিঃ সন্দেহে এগৰাকী সমাজ সচেতন লেখিকা পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাত অৱদমিত নাৰীৰ

কৰুণ দৃশ্য আৰু অমানৱীয় দিশসমূহ দেখি দেখি লেখিকাৰ মানৱবাদী মনটো স্বাভাৱিকতেই ব্যথিত আৰু সেয়েহে এই দিশবোৰৰ সংস্কাৰৰ স্বাৰ্থত তেওঁ সংস্কাৰমূলক গল্পবোৰ লিখিছিল। 'মৃদুমধুৰ' গল্পটো তদানীন্তন পুৰুষতান্ত্ৰিক অসমীয়া সমাজখনৰ দাপোণ স্বৰূপ। গল্প, কবিতাৰে সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ যোৱা স্নেহ দেৱীয়ে শিশুৰ বাবেও কিছু কাম কৰি থৈ গৈছে। শিশু মনস্তত্ত্বৰ অবিহনে শিশুৰ বাবে লিখাটো সম্ভৱ হ'ব নোৱাৰে। শিশুক বুজি পাব লাগিব। শিশুৰ ভিতৰৰ জগত খনত প্ৰৱেশ কৰিব জানিব লাগিব। স্নেহ দেৱীয়ে জানিছিল শিশু মনৰ অলেখ কথা। সেয়েহে হয়তো লিখিব পাৰিছিল 'মৌ গুটি আৰু মৌ গুটি'ৰ দৰে শিশু উপযোগী গল্প। স্নেহ দেৱীক এগৰাকী শিশু সাহিত্যিক বুলিও অভিহিত কৰিব পৰা যায়। তেখেতে ডাঙৰৰ বাবে যেনেদৰে গল্প লিখি থৈ গৈছে, সৰুৰ বাবেও তেনেদৰেই লিখি থৈ গৈছে।

স্নেহদেৱীৰ গল্পবোৰ পঢ়াৰ পাচত অনুভৱ হয় মানুহৰ মনৰ যে কিমান বৈপৰীত্য আৰু কিমান যে বিচিত্ৰ ৰূপ, কিমান যে মানসিক দন্দ্ব আৰু কিমান যে খেয়াল। কেতিয়াবা মানুহ অনুতপ্ত হয়, কেতিয়াবা মানুহ প্ৰতিশোধ পৰায়ণ হয়, কেতিয়াবা মানুহৰ মতিভ্ৰম হয় আৰু কেতিয়াবা অনুশোচনা কৰে। মানুহৰ সন্দেহৰো অন্ত নাই, কুবুদ্ধিৰো অন্ত নাই।

পদ্মশ্ৰী শীলা বৰঠাকুৰে কৈছিল- "স্নেহ দেৱী নাৰীৰ প্ৰতি সহানুভূতিশীল। গল্পবোৰত তেওঁ সমূহ নাৰীকে সম দৃষ্টিৰে আৰু সহৃদয়তাৰে গ্ৰহণ কৰিছে। পীড়িতা , নিৰ্যাতিতা নাৰীৰ প্ৰতি তেওঁৰ সমবেদনা স্পৰ্শকাতৰ ভাৱে প্ৰকাশ পাইছে। নাৰী মনৰ চিৰন্তন অন্তৰ্দ্বন্দ্বক বলিষ্ঠ লেখনীৰে হৃদয়গ্ৰাহী কৰি তুলিবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাই। পুৰুষৰ দানৱীয় ৰূপটোক তেওঁ ঘৃণাৰ দৃষ্টিৰে চায়। পুৰুষৰ স্বাৰ্থপৰ, চৰিত্ৰহীন আচৰণৰ বিৰুদ্ধে তেওঁ সৰব ধ্বনি তুলিছিল।"

স্নেহ দেৱীৰ নাৰীকেন্দ্ৰিক গল্পসমূহত আৱাহন কালৰ গ্ৰাম্য ঐতিহ্য পৰম্পৰাৰ বৰ্ণনা অতি সুন্দৰ ৰূপত প্ৰতিভাত হৈছে। বিচিত্ৰ চৰিত্ৰৰ সজীৱ চিত্ৰৰে পাঠক সমাজক আপ্লুত কৰি আহিছে। নাৰী চৰিত্ৰসমূহত প্ৰায়েই দুৰ্বলতা আৰু অসহায়তা প্ৰকাশ পায়। বহু সময়ত নাৰীক পৰিস্থিতিৰ দাস ৰূপে তেওঁ চিত্ৰিত কৰিছে। পীড়িতা, নিৰ্যাতিতা নাৰীৰ প্ৰতি তেওঁৰ সমবেদনা হৃদয়স্পৰ্শী ৰূপত প্ৰকাশ পাইছে। মানৱীয় প্ৰমূল্যই তেওঁৰ গল্পত উচ্চস্থান লাভ কৰিছে। বাহুল্য থাকিলেও বাস্তৱ জীৱনৰ যথাৰ্থ চিত্ৰ অংকণ আৰু সাৱলীল প্ৰকাশ ভঙ্গীৰে অসমীয়া চুটি গল্পৰ ভঁৰাল টনকিয়াল কৰি নিঃসন্দেহে এখন উচ্চ আসন অলংকৃত কৰিবলৈ সক্ষম হৈছিল।


<u>সহায়ক গ্ৰন্থ</u>

১/ স্নেহ দেৱীৰ জীৱন আৰু সাহিত্য
সম্পাদনা- দীপালী দত্ত শইকীয়া
সদৌ অসম লেখিকা সমাৰোহ সমিতি
২/ স্নেহ দেৱী, লেখিকা- জ্যোতিৰেখা হাজৰিকা
গ্ৰন্থ -কথা বৰেণ্য ১০০


*উত্তৰ লক্ষীম পুৰ সাহিত্য সভা।*

# লোক-সাহিত্যৰ সম্পদসমূহ

**ৰেণু ভূঞা ফুকন**

লোক সাহিত্য আৰু লোক সংস্কৃতিৰ লগত সংপৃক্ত লোক শব্দৰ ব্যৱহাৰ প্ৰাচীন কালৰে পৰা কৰি অহা হৈছে। লোক সংস্কৃতি আৰু লোক সাহিত্য একে পৰ্যায়ৰ নহয়। গাঁৱলীয়া সমাজৰ ৰীতি-নীতি, আচাৰ-বিচাৰ, লোক বিদ্যা আদি বিভিন্ন উপাদানসমূহৰ যি সাহিত্যত মৌখিকৰূপে প্ৰচলিত হৈ আহিছে সেয়ে লোক- সাহিত্য।

মানৱ পৰিক্ৰমাৰ এক বিশাল অৱদান হ'ল লোক-সংস্কৃতি আৰু লোক সাহিত্য। লোক সাহিত্যৰ পৰিসৰ বৰ বিশাল আৰু বৈচিত্ৰ্যপূৰ্ণ। লোকসংস্কৃতি বা লোক-সাহিত্যক বাদ দি এখন সমাজ পূৰ্ণাঙ্গ হ'ব নোৱাৰে। যিহেতু সংস্কৃতিয়ে এটা জাতিৰ পৰিচয়।

অসম লোক-সাহিত্যত চহকী। এই লোক-সাহিত্যৰ জন্ম ক্ষেত্ৰখন ঘাইকৈ গ্ৰামাঞ্চল। কোনো অনাখৰী দিনৰে পৰা নিৰক্ষৰ শ্ৰমজীৱী জনসাধাৰণৰ মুখেৰে স্বতঃস্ফুৰ্তভাৱে নিগৰি অহা গীত, সাধুকথা, সাঁথৰ, আইনাম, ফঁকৰা-যোজনা, মালিতা, নিচুকনি গীত, নীতি বচন আদিয়েই সংস্কৃতিৰ সমল।

লোক- সাহিত্য সমাজৰ উমৈহতীয়া সৃষ্টি । লোকগীতৰ কোলাতেই লোক-সাহিত্য ঠন ধৰি উঠে। সময়ৰ পৰিৱৰ্তন বা আধুনিকতাৰ প্ৰভাৱত এইবোৰৰ ৰূপান্তৰ ঘটিলেও ইয়াৰ সৌন্দৰ্য্য সদায় অটুত হৈয়ে থাকে। লোক-সাহিত্যৰ ভিতৰত লোকগীত সমূহেই বেছি জনপ্ৰিয়। অতীতৰ পৰা চহা কবিসকলে ৰচনা কৰা গীত-মাতবোৰ বিভিন্ন সময়ত মানুহৰ মুখ বাগৰি আহোতে বিভিন্ন সমাজৰ বিভিন্ন চিত্ৰ কঢ়িয়াই আনে। এনে গীতবোৰত সমাজৰ দৈনন্দিন জীৱন-যাপনৰ পৰম্পৰাগত সাৱলীল  বৰ্ণনা পোৱা যায়। অসমীয়া ভাষাই মান্যতা পোৱাৰ আগতেই এই গীতসমূহ পুৰুষ বা মহিলা কবিৰ মুখৰ পৰাই নিৰ্ভেজাল ৰূপত স্বতঃস্ফুৰ্তভাৱে নিঃসৃত হৈছিল বাবেই আঞ্চলিক ভাষাই ইয়াৰ পোছাক। মানুহৰ জীৱনত সুখ-দুখ, হাঁহি-কান্দোন আছেই। হাঁহি অবিহনে কান্দোন আৰু কান্দোন অবিহনে হাঁহিৰ উপলব্ধি নহয়। লোক সাহিত্যত বিলাপ গীত, আইনাম, মণিকোঁৱৰ আৰু ফুলকোঁৱৰৰ গীতো লোক সাহিত্যৰ সম্পদ।

বিলাপ গীত অৰ্থাৎ বিননি- দুখৰ সময়ত মনত গুজৰি-গুমৰি থকা ভাৱৰ স্বতঃস্ফুৰ্ত প্ৰকাশ ঘটে শব্দৰে। সংস্কৃতিৰ বুকুত জন্মপোৱা ৰসাল গীতসমূহ গোৱালপৰীয়া সংস্কৃতিৰ একচেতীয়া সম্পদ। নাৰী বা পুৰুষৰ অন্তৰৰ পৰা ওলাই অহা গীতবোৰৰ মাজেৰে নোপোৱাৰ বেদনা প্ৰকাশ পাইছে তাত সাহিত্যৰ ৰস বিদ্যমান বাবেই সাৰ্বজনীন হ'ব পাৰিছে। বিলাপ গীতসমূহত জীয়া জীৱনৰ দুখৰ হুমুনিয়াহ শুনা যায়।

লোক-সাহিত্যত আইনামো বিশেষভাৱে উল্লেখযোগ্য। বিশেষকৈ নাৰীসকলে মাতৃৰূপে নিজৰ সন্তানক ৰোগ নিবাৰণৰ বাবে, পৰিয়াল মঙ্গলৰ বাবে শুদ্ধ চিত্তেৰে আধ্যাত্মিকভাৱে গোৱা সুমধুৰ আইনামসমূহে এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিছে। শীতলা দেৱী বসন্তৰ অধিষ্ঠাত্ৰী দেৱী। শীতলা দেৱীৰ সন্তুষ্টিৰ অৰ্থে শীতলা পূজা বা আই সবাহ পতা হয়। আইৰ সাতগৰাকী ভনী। এই সাতগৰাকী আইৰ সামূহিক নাম ভৱানী

আইৰ নামত গাইছে-
আই মোৰ উজাই আহিলে
আই মোৰ আইৰে সাতভনী
আই মোৰ বসন্তৰ বা লগাই
টেমাতে আনিছে জাতি চন্দনে
সবাকো দিছে পিন্ধাই।

জনজীৱনত আইনামসমূহে প্ৰভাৱিত কৰে। বিশ্বাসেৰে ভৰপূৰ আইনামসমূহ আইৰ আৰ্বিভাৱৰ সময়ত ঘৰ-দুৱাৰ পৰিস্কাৰ কৰি ধূপ-ধুনা, চাকি-বন্তি জ্বলাই শুদ্ধ মনেৰে আই সবাহ পাতিবলৈ টোপোলা বান্ধি গোসানী ঘৰৰ থাপনাত আই সুপ্ৰসন্ন হ'বলৈ প্ৰাৰ্থনা কৰে।

আখ্যানমূলক গীতসমূহেও লোক সাহিত্যৰ ভঁৰাল চহকী কৰিছে। আখ্যানমূলক গীতসমূহক মালিতা, কাহিনী গীত বা লোককাব্য বোলা হয়। মালিতাসমূহো তিনিটা ভাগত ভাগ কৰা হৈছে- ১) ঐতিহাসিক বা বুৰঞ্জীমূলক ২) জনশ্ৰুতিমূলক আৰু ৩) কাল্পনিক।

বুৰঞ্জীমূলক মালিতাৰ ভিতৰত নাহৰৰ গীত, মণিৰাম দেৱানৰ গীত, হৰদত্ত-বীৰ দত্তৰ গীত, জয়মতীৰ গীত। উদাহৰণস্বৰূপে তলত দুফাঁকি গীতৰ নমুনা দিয়া হ'ল-

১) হাবিত কান্দিলে হঁয়কলী চৰায়ে
ছিটিকাৰ মুখলৈ চাই
জেৰেঙাৰ পথাৰত কান্দে জয়মতীয়ে
চাউদাংৰ মুখলৈ চাই।

২) সোণৰ ধোঁৱাখোৱাত খালি ঐ মণিৰাম
ৰূপৰ ধোৱা খোলাত খালি
কিনো ৰজা ঘৰত দ্ৰোহ আচৰিলে
ডিঙিত চিপে জৰী ল'লি।

কন্দুৱা দ্ৰোহৰ নেতা আছিল হৰদত্ত বীৰদত্ত। এই হৰদত্তৰে জীয়েক পদ্মকুমাৰীক বৰফুকনে কুমোদন নামেৰে হিন্দুস্তানী সেনাপতি এজনলৈ বিয়া দিছিল।

হৰদত্ত জীয়াৰী পদ্মকুমাৰী
ধনবাত নেখালে ভাত
কুমুদান বঙালে হাতত ধৰি নিলে
বঙালে মাৰিলে জাত।

ভাৰতবৰ্ষত হোৱা (১৮৫৭ চন) চিপাহী বিদ্ৰোহত অসমৰ বীৰ মণিৰাম দেৱানে বিদ্ৰোহ কৰিছিল বুলি দেশদ্ৰোহী সজাই ১৮৫৮ চনত পিয়লি বৰুৱাৰ সৈতে ফাঁচী দিছিল। এই মৃত্যু দণ্ড ৰাজি সহ্য কৰিব পৰা নাছিল।

সোণৰ ধোঁৱাখোৱাত খালি ঐ মণিৰাম
ৰূপৰ ধোৱা খোলাত খালি
কিনো ৰজা ঘৰত দ্ৰোহ আচৰিলে
ডিঙিত চিপে জৰী ল'লি।

কাল্পনিক কাহিনীৰ আধাৰত অখ্যাত চহা কবিয়ে কাহিনী গীত ৰচনা কৰি থৈ গৈছে।

বিহুগীতো লোক-সাহিত্যৰ অমূল্য সম্পদ। বিহুগীতত থকা ছন্দ, দুলড়ী, অলংকাৰে অনুপম সৌন্দৰ্য প্ৰকাস কৰিছে। যেনেকৈ-

ক) চ'তে গৈয়ে গৈয়ে ব'হাগে পালেহি
ফুলিলে ভেবেলি লতা
কৈনোকৈয়ে থাকিলে ওৰকে নপৰে
ব'হাগৰ বিহুৰে কথা।

খ) হাতী হেৰুৱালো লিহিৰি বনতে
ঘোঁৰা হেৰুৱালো ৰণত
পাই হেৰুৱালো সৰগৰ মুকুতা
চোতালৰ দুবৰি বনত।

আহোমসকলৰ ৰাজত্বৰ পৰাই বিহুৰ ব্যাপকতা বাঢ়িছিল আৰু সেই সময়তে বিহুগীত লোকগীত হিচাপে ৰচিত হৈছিল।

যেনে- " স্বৰ্গদেউ ওলালে বাটচ'ৰাৰ মুখলৈ
দুলিয়াই পাতিলে দোলা
কাণত জিলিকিলে নৰাকৈ জাংফাই
গাতে গোমচেঙৰ চোলা।

বিহুগীতত এখন সমাজৰ চিত্ৰ প্ৰতিফলিত হয়। বিহুগীত আৰু বিহুৰ পৰম্পৰাত প্ৰাকৃতিক চিত্ৰ নৈ, জান-জুৰি, পৰ্বত-পাহাৰ, গছ-লতিকা, ফল-ফুল,

পশু-পক্ষী সকলোৰে সুন্দৰ চিত্ৰ আৰু বৰ্ণনা থাকে। সেয়ে গাইছে -

লুইতৰ বালি বগে ধকেধকী/ কাছই কণী পাৰে লেখি
গাতে জুই জলিছে সৰিয়হ ফুটিছে
চেনাইক পানী ঘাটে দেখি।

প্ৰাকৃতিক সৌন্দৰ্যৰ অনুপম উপাদান আৰু অসমীয়াত অতি আদৰৰ ফুল। এই ফুলকলৈ বিহুগীতত সুন্দৰভাৱে প্ৰতিফলিত হৈছে-

নাহৰ ফুল ফুলিবৰ বতৰ ঐ লাহৰী
তগৰ ফুল ফুলিবৰ বতৰ
তগৰৰ গোন্ধে পাই ৰ'ব মই নোৱাৰো
গছকত ভাঙি যাওঁ যঁতৰ।

ফকৰা যোজনা হ'ল লোক-সাহিত্যৰ সম্পদ। অসমীয়া ভাষাৰ অমূল্য সম্পদ ফকৰা যোজনা আৰু সাঁথৰ। ফকৰা-যোজনাৰ মাজত আমাৰ সমাজৰ সামাজিক ৰীতি-নীতি, ধৰ্ম কৰ্ম, বিশ্বাস, জীৱনবোধ, প্ৰমূল্য আদিৰ পৰিচয় পোৱা যায়। আহোম ৰাজত্ব কালৰ বুৰঞ্জীবোৰতো ফকৰা যোজনাৰ ব্যৱহাৰ দেখা যায়। তাৰ পাছত ক্ৰমান্বয়ে অসমীয়া ভাষাৰ মাণিক মুকুতাস্বৰূপ ফকৰা যোজনাবোৰ অভিজ্ঞতাপুষ্ট মানুহৰ মুখে মুখে প্ৰচলন হৈ আহিছে। যেনে-

'নাই মোমাইতকৈ কণা মোমাইয়ে ভাল।'

জীয়াই থকাৰ সম্বল বিচৰাজনে জীৱনৰ বাটত একোকে বিচাৰি নাপাই হতাশ হৈ পৰে। কেতিয়াবা পালে সকাহ পোৱা যেন লাগে।

"ওলায়ে দেখিবা যাক
শত্ৰু নেভাবিবা তাক"

ওলায়েই দেখাজনক কেতিয়াও শত্ৰু ভাৱ থাকিব নালাগে। শত্ৰুৱে সমাজ বিশৃংখল কৰে।

লোক সাহিত্যৰ অন্যতম অংগ হৈছে সাঁথৰ। অসমৰ গছ-গছনিৰ নামেৰে সিঁচৰতি হৈ থকা সাঁথৰ।

ক) থেক্ থেক্ থেকেনা
একেডাল গছতে মহ, কঁপাহ, বেঙেনা
-শিমলু গছ

খ) লম্ লম্কৈ বাঢ়ি যায়
দাঢ়ি-চুলি পকি যায় -গোমধান।

খাদ্য সম্ভাৰতো সাঁথৰ।

ক)ডেকাত বেঁকা বুঢ়াত পোন
এই কথা জানে কোন? -ঢেঁকীয়া

খ) ৰজাৰ পুতেক ভোলা
জন্ম হৈ পিন্ধে চোলা - কলডিল।

মানুহৰ অংগ প্ৰতংগকলৈ সাঁথৰ-

ক) এঙা এঙা এঙা
একেটা ডালতে পাঁচোটা টেঙা -আঙুলি

খ) গাঁত যে গাঁত বৰ গাঁত
পাত যে পাত বৰ পাত -পেট

লোক সাহিত্যৰ এটা গুৰুত্বপূৰ্ণ দিশ হ'ল নিচুকনি গীত।নৰকান্ত বৰুৱাই ধাইনাম বা নিচুকনি গীতসমূহক অসমীয়া শিশু কবিতাৰ পুথি হিচাপে অভিহিত কৰিব পাৰি।

ঘুমটি যায়াৰে অৰে কানাই
হুৰে কানখোৱা আসে
সকল শিশুৰ কাণ কাই খাই
আসয় তোমাৰ পাশে।

জগতৰ ঈশ্বৰ কৃষ্ণকো মাতৃয়ে 'কাণখোৱা' নামৰ এক ভয়ানক জীৱৰ ভয় দেখুৱাবৰ চেষ্টা এই কাব্যাংশৰ মাজেৰে দেখিবলৈ পাওঁ।

আমাৰে মইনা শুব এ
বাৰীতে বগৰী ৰুব এ
বাৰীৰে বগৰী পকি সৰি যাব
মইনাই বুটলি খাব।

এইদৰে মাতৃয়ে নিচুকনি গীত গাই শিশুক শুৱাবলৈ যত্ন কৰে। গীতবোৰ অৰ্থহীন হ'লেও সুললিত আৰু ছন্দময়।

এনেদৰে ইতিহাস ৰঞ্জিত কৰা অসমৰ লোক-সাহিত্যৰ সম্পদসমূহে অসমৰ আকাশ পাতাল মুখৰিত কৰি অসমৰ লোক-সাহিত্যৰ ভঁৰাল চহকী কৰিছে। ইতিহাসৰ ৰহন চৰাই আপোনসুৰে উজ্জলিত হৈছে। শেষত এই বাপতি-সাহোন লোক-সাহিত্যসমূহ নতুন প্ৰজন্মৰ বাবে গৱেষণা আৰু সংৰক্ষণৰ ব্যৱস্থা লোৱা উচিত।

# তিৱা জনগোষ্ঠীৰ ইতিবৃত্ত

**কুঞ্জ বুজৰবৰুৱা**

তিৱা অসমৰ এটা খিলঞ্জীয়া জনগোষ্ঠী। এওঁ লোক চীনা তিৰ্ব্বতীয়া ভাষা পৰিয়ালৰ মান তিৰ্ব্বতীয়া শাখাৰ জনগোষ্ঠী। অসমৰ নগাওঁ, মৰিগাওঁ আৰু কাৰ্বি আংলং জিলাতেই ঘাই বসতি যদিও কামৰূপ জিলাৰ দক্ষিন পূৱ অংশৰ লখিমপুৰ জিলাৰ কেইখনমান গাঁৱত আৰু যোৰহাটৰ ওচৰত তিতাবৰত কিছুসংখ্যক তিৱা লোকে নিজকে তিৱা বুলি চিনাকি দিহে ভালপায়। কাৰ্বিসকলৰ লগত তিৱা সকলৰ যথেষ্ট সাদৃশ্য দেখা যায়। বহুক্ষেত্ৰত তেওঁলোকক দুটা সুকীয়া জনজাতি হিচাপে ঠাৱৰ কৰাই কঠিন। দুয়োটা জনজাতিৰ সামাজিক প্ৰথা, ৰীতি-নীতি আদিৰ মাজত পাৰ্থক্যতকৈ সাদৃশ্যই বেছি।

শ্ৰেণী বিভাজন ঃ- তিৱা সকল কেইবাটাও ভাগত বিভক্ত যেনে- মছ্ৰং কোঁৱৰ, পাটৰ, মাছ্ৰেং, মাগৰ, আগাৰা, মালৈ, চলং, মুনি, মেলাং, লৰম ইত্যাদি। ইয়াৰ ভিতৰত মছ্ৰং আৰু মাছ্ৰে কুলক শ্ৰেষ্ঠ বুলি কোৱা হয়। উল্লিখিত প্ৰতিটো কুলেই বহিৰ্বিবাহী। বিশেষ এটা কুলে আন এটা বিশেষ কুলৰ লগতহে বৈবাহিক সম্পৰ্ক পাতিব আৰু ৰাখিব পাৰে।

তেওঁলোকে ব্যৱহাৰ কৰা উপাধি সমূহ হৈছে ঃ- বৰদলৈ, দেউৰী, হুকাই, আমচি, ড্ৰংলি, ফামচণ্ড, পামচং, মান্তা, লালুং, কোঁৱৰ, পাটৰ আদি।

ধৰ্ম বিশ্বাস ঃ- তিৱা সকল হিন্দু ধৰ্মালম্বী। অতীজতে তেওঁলোকৰ নিজা ধৰ্মীয় বিশ্বাস আৰু ক্ৰিয়া-কাণ্ড আছিল যদিও বৰ্তমানে তেওঁলোকে হিন্দু ধৰ্ম গ্ৰহণ কৰিছে। মহাদেৱ আৰু কেঁচাই খাতী গোসাঁনী তেওঁলোকৰ আৰাধ্য দেৱ-দেৱী। বুধবাৰ তিৱা সকলৰ গুৰুবাৰ।

অৰ্থনৈতিক জীৱন শিক্ষা-দীক্ষা ঃ- তিৱা সকলৰ অৰ্থনৈতিক জীৱন আৰু অনান্য জনগোষ্ঠীৰ সৈতে একে। তেওঁলোকৰ সৰসংখ্যক লোকেই কৃষিজীৱি। ধান, সৰিয়হ, মাহ, আলু আদিৰ খেতি কৰি তেওঁলোকৰ জীৱন নিৰ্ব্বাহ কৰে। অৰ্থনৈতিক দিশত তিৱাসকল এতিয়াও অনুন্নত। একে দৰে শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত সৰহসংখ্যক তিৱা সকল পিছপৰা।

ভাষা দোৱান ঃ- তিৱা সকলৰ নিজস্ব কথিত ভাষা বা দোৱান আছে যদিও ভৈয়ামৰ সৰহসংখ্যক তিৱা লোকে তাক পাহৰি পেলাইছে। বৰ্তমান অসমীয়া ভাষাকেই তেওঁলোকে মাতৃভাষা ৰূপে ব্যৱহাৰ কৰিছে।

উৎসব-পাৰ্বণ, সাজ-পোছাক আৰু জীৱন নিৰ্বাহৰ পদ্ধতি ঃ- উৎসৱ-পাৰ্বণৰ ক্ষেত্ৰত ভৈয়ামৰ তিৱাসকলে স্থানীয় আন অসমীয়া সকলে পালন কৰা উৎসৱকেই পালন কৰে। তিৱা সকলৰ জীৱন নিৰ্বাহৰ পদ্ধতি অসমীয়া ভাষা-ভাষী হিন্দু সকলৰ লগত বহুখিনি মিল আছে।

তিৱা সকলৰ পৰম্পৰাগত সাজ-পোছাক ঃ---

১) জচকাই - তিৱা মহিলাই পিন্ধা দখনাৰ দৰে চাদৰ।

২) ফাচকাই - বুকুত পিন্ধা ফুলাম চাদৰ।

৩) পাগুৰি - তিৱা পুৰুষে মূৰত পিন্ধা পাগুৰি।

৪) ফালি-তিৱা সকলৰ পৰম্পৰাগত গামোছা।

৫) ফুইছালং - ডিঙিত পিন্ধা পইচাৰ মনি বা মালা।

তিৱা সকলৰ খাদ্য ঃ- পাহাৰীয়া আলু কচু আৰু কেঁচা হালধিৰে কুকুৰাৰ মাংস।

তিৱাসকলৰ অতি মৰমৰ উৎসৱ জোনবেলি মেলা মাঘৰ বিহুৰ উৰুকাৰ ঠিক এসপ্তাহৰ পাছতে অনুষ্ঠিত হয়। বিনিময় প্ৰথাৰ বাবে জনপ্ৰিয়। এই মেলাতে পাহাৰত তিৱা জয়ন্তীয়া সকলে তেওঁলোকে উৎপাদিত আলু, কচু, হালধি, আদা আদি ভৈয়ামৰ লোকসকলে প্ৰস্তুত কৰা পিঠা-পনা, সান্দহ, শুকান মাছ আদিৰ সৈতে সলায়। কেঁচা হালধি ভৈয়ামৰ লোক সকলে সিজাই ৰ'দত শুকুৱাই গুড়ি কৰি বছৰটোলৈ ব্যৱহাৰৰ উপযোগী কৰি ৰাখে। তাৰ লগতে কেঁচাকৈও তৰকাৰী ৰান্ধে মাছ, মাংস, কুচিয়া, শুকানমাছ আদিৰ সৈতে। আগতে যিহেতু তিৱা সকলে সিজাই আৰু খাৰ ব্যৱহাৰ কৰিয়ে বেছি ভাগ ব্যঞ্জন প্ৰস্তুত কৰিছিল আৰু শুকান হালধি গুড়ি বৰ বেছি ব্যৱহাৰ নহৈছিল তাতোতকৈ কেঁচা হালধি তৰকাৰী খনত বেছি গুৰুত্ব দিছিল। এতিয়া অৱশ্যে খাদ্যভাসত পৰিৱৰ্ত্তন পৰিলক্ষিত হোৱা দেখা যায়। তথাপি কিছুমান সোৱাদ তিৱা পাহাৰত এতিয়াও দেখা পোৱা যায়। কেঁচা হালধি আলু কচুৰে কুকুৰা মাংসৰ তৰকাৰীখনো তেনে এক জুতি।

তিৱা সকলৰ নৃত্য সমূহ ঃ তেওঁ লোকৰ সংস্কৃতিৰ এটা গুৰুত্বপূৰ্ণ অংশ। এই নৃত্যসমূহত বিভিন্ন উৎসৱ, সামাজিক অনুষ্ঠান আৰু ধৰ্মীয় কাৰ্য্যত অংশ গ্ৰহণ কৰা হয়। তিৱা সকলৰ প্ৰধান নৃত্যৰ ভিতৰত ছগ্ৰা-মিজোৰা, ছগ্ৰাখাম উৎসৱ আদি অন্যতম।

তিৱা সকলৰ বাদ্য যন্ত্ৰ ঃ- তিৱা সকলৰ বাদ্য যন্ত্ৰ হৈছে খ্ৰামবাৰ ( বৰ ঢোল) আৰু পিচুখাম (পাতি ঢোল) কিছুমান তিৱা লোকৰ সংস্কৃতিৰ বাদ্য হৈছে টুমডিং। টুমডিং হৈছে মাতিৰ খোলৰ অনুৰূপ বাদ্য।

তিৱা সকলৰ বাদ্য যন্ত্ৰ ভৈয়ামত বিভিন্ন উৎসৱত বৰঢোল আৰু পাতিঢোল ৰূপে ব্যৱহাৰ কৰে।

বৰত উৎসৱ বা বৰত পূজাঃ- অসম তিৱা জনগোষ্ঠী লোক সকলে পালন কৰা পাৰম্পৰিক ধৰ্মীয় লোক উৎসৱ প্ৰাচীন অসমৰ তেতেলীয়া তিৱা ৰাজ্যত প্ৰচলিত এই বৰত উৎসৱ কাতি বিহুৰ আৰম্ভণিতে সৰস্বতী পূজা পালন কৰি প্ৰথম বৰত উৎসৱ পালন কৰি পুহ মাহৰ পূৰ্ণিমা ৰাতি মূল বৰত পূজা কৰি উৎসৱ পালন কৰা হয়। তেতেলীয়া ৰাজ্য বুৰঞ্জীৰ অনুসৰি অষ্টাদশ শতিকাৰ আৰম্ভণিৰ পৰা বৰত উৎসৱ হৈ আহিছে।

আদিম কালৰে পৰা তিৱা সমাজত আত্মাৰ-পৰত্মাৰ ধাৰণা ব্যাপক প্ৰচলন আছিল। মানুহ মৰিলে তাৰ আত্মাটোৱে প্ৰেতাত্মাৰ ৰূপ ধৰি পৃথিৱীত ঘূৰি ফুৰে আৰু ইচ্ছা কৰিলে সি মানুহৰ অপকাৰ বা উপকাৰ কৰিব পাৰে বুলি তেওঁলোকে ধাৰণা কৰিছে। সেয়ে আত্মা আৰু প্ৰেতাত্মাৰ সন্তুষ্টিৰ অৰ্থে তেওঁলোকে পূজা কৰিছিল। আজিও তিৱা সমাজত পূৰ্ব পুৰুষৰ পূজা চলে। গোষ্ঠীৰ শক্তিশালী লোকক বা সম্ৰাতক পূজা কৰা প্ৰথা এসময়ত পৃথিৱীৰ প্ৰায় দেশতে আছিল।

*উত্তৰ লক্ষীম পুৰ সাহিত্য সভা।*

# ভাইৰাছ

**যুগান্ত শইকীয়া**
সহঃ সম্পাদক, লক্ষীমপুৰ জিলা সাহিত্য সভা।

প্ৰযুক্তিগত উন্নয়নে মানৱ সমাজৰ কল্যাণৰ বাবে বহু কাম কৰাৰ লগতে মানুহৰ জীৱন অতি সহজ কৰি তুলিছে। কিন্তু এই উন্নতিয়ে বহু সময়ত বুমেৰাং হৈ নানা আহুকালৰ সৃষ্টি কৰিছে। তথ্য প্ৰযুক্তিৰ ক্ষেত্ৰ খনত ভাইৰাছো হৈছে এনে এবিধ বুমেৰাং। বৰ্তমান ভাইৰাছে তথ্য প্ৰযুক্তিৰ পথাৰখনত এক বিভিষীকাৰ সৃষ্টি কৰিছে। এনে বিভীষিকাই তথ্য প্ৰযুক্তিৰ জগত খনক সময়ে সময়ে জোকাৰি যোৱাৰ বহু উদাহৰণ আছে।

**ভাইৰাছ কি ?**

কম্পিউটাৰ ভাইৰাছ হ'ল এনে কিছুমান বিদ্বেষ পৰায়ণ চফ্টৱেৰ (Malicious software) যি ব্যৱহাৰকাৰীৰ অজ্ঞাতেই প্ৰৱেশ কৰি ব্যৱহাৰকাৰীৰ কম্পিউটাৰত বেমেজালি সৃষ্টি কৰে। ই নিজেই বংশ বৃদ্ধি কৰিব পাৰে, নিজেই অন্য প্ৰগ্ৰেমত প্ৰৱেশ কৰি বেমেজালি সৃষ্টি কৰিব পাৰে। ভাইৰাছৰ চফ্টৱেৰবোৰ এনে ধৰণৰ আৰ্হিত বনোৱা হয় যাতে ই সহজে যিকোনো তথ্য সৰবাহকাৰী আহিলাৰ দ্বাৰা অন্য কম্পিউটাৰত থিতাপি লৈ দ্ৰুত বিস্তাৰ লাভ কৰি বিভিন্ন বেমেজালিৰ সৃষ্টি কৰিব পাৰে।

কম্পিউটাৰৰ বাবে ভয়াবহ এনে ভাইৰাছক তলত দিয়া ধৰণৰ বৈশিষ্ট্য যুক্ত বুলি ক'ব পাৰি-

- ই নিজেই নিজৰ অবিকল সৃষ্টি কৰাত সক্ষম প্ৰগ্ৰেম।
- ই এটাৰ পৰা অন্য এটা কম্পিউটাৰলৈ ফাইল বা প্ৰগেমৰ ৰূপে কোনো তথ্য সম্প্ৰসাৰণ মাধ্যমৰদ্বাৰা (Pendirive/Internet) বিস্তাৰ লাভ কৰে।

ভাইৰাছৰ বিস্তাৰৰ আৰু কিছুমান বৈশিষ্ট্য দেখা যায়-

- দ্ৰুত গতি - কিছুমান ভাইৰাছ আছে যি অতি দ্ৰুত গতিত বিস্তাৰ লাভ কৰি এক বৃহৎ অঞ্চলৰ কম্পিউটাৰক অতি কম সময়তে ক্ষতি সাধন কৰিব পাৰে। তেনে এটি ভাইৰাছ হ'ল ২০০০ চনৰ 'লাভ বাগ' (Love Bug) ভাইৰাছ। ফিলিপাইছত সৃষ্টি হোৱা ভাইৰাছ বিধে তথ্য প্ৰযুক্তিত তেতিয়া বিভিষীকাৰ সৃষ্টি কৰিছিল। এনে ধৰণৰ ভাইৰাছক সহজে চিনাক্ত কৰিব পাৰি।
- মন্থৰ গতি - এই ধৰণৰ ভাইৰাছবোৰ লাহে লাহে বিস্তাৰ লাভ কৰে। ই নিজকে লুকুৱাই ৰখাত পাৰ্গত। ১৯৮৬ চনৰ 'ব্ৰেইন' (Brain) এনে এটি ভাইৰাছ, যি এম এছ দছ (MS-DOS- Microsoft Disk Operating System) অপাৰেটিঙ প্ৰদ্ধটিত বুট চেক্টৰত(boot sector) আক্ৰমণ কৰিছিল ।এইটোৱেই হ'ল প্ৰথম ভাইৰাছ, যি MS-DOS অপাৰেটিং চিষ্টেমত (OS) আক্ৰমণ কৰিবলৈ সক্ষম হৈছিল। ১৯৮৬ চনত পাকিস্তানৰ দুজন ভাতৃ Basil Farooq Alvi আৰু Amjad Farooq Alvi এই ভাইৰাছ সৃষ্টি কৰিছিল।

**ভাইৰাছৰ জন্ম বৃতান্ত -**

১৯৪০ দশকৰ গণিতজ্ঞ জন ভন নিউম্যানে(John Von Neumann) সৰ্ব প্ৰথমে কিছুমান গণিতৰ পদ্ধতি নিজে নিজে বংশ বৃদ্ধি হোৱা বিষয়ত গৱেষণা কৰিছিল। এই ধৰণৰ গৱেষণাৰ পৰা তেখেতে দেখিছিল কিছুমান গণিতিৰ নিয়মে স্বকীয় ভাৱে কিছু পূৰ্ব নিধাৰিত কাৰ্য সম্পাদনা কৰিব পাৰিছিল(self-reproducing programs)। এনেধৰণৰ বিভিন্ন পৰীক্ষা নিৰীক্ষাই ভাইৰাছৰ ওপৰত কৰা আদি পৰীক্ষা। সেই দশকতে Aplle কম্পিউটাৰ ব্যৱহাৰ কাৰিৰ মাজত "Elk Cloner" নামৰ ভাইৰাছ বিধ পোৱা গৈছিল।

১৯৮৬ চনত প্ৰথম MS-DOS অপাৰেটিং চিষ্টেমত (Operating System) আক্ৰমণ কৰা ভাইৰাছ সৃষ্টি হয় যাৰ নাম 'ব্ৰেইন'। এই ভাইৰাছ বিধ ফ্লপি ডিস্কৰ (Flopy) মাধ্যমেৰে বিস্তাৰ লাভ কৰে আৰু ইয়াৰ পাছৰ পৰাই এন্টিভাইৰাছ চফ্‌টৱেৰ বজাৰত উপলব্ধ হয়।

মাইকেল এঞ্জোলো ভাইৰাছ(Michelangelo virus) (১৯৯১) বিভীষিকাই সেই সময়ৰ কম্পিউটাৰ ব্যৱহাৰ কাৰিক শংকিত কৰি তুলিছিল। ইয়াৰ সৃষ্টি অষ্ট্ৰেলিয়াত। সেই বছৰ ৩ মাৰ্চত হাজাৰ হাজাৰ কম্পিউটাৰ ভাইৰাছৰ দ্বাৰা আক্ৰান্ত হৈছিল। এই বিধ ভাইৰাছে MS-DOS অপাৰেটিং চিষ্টেমত (OS) আক্ৰমণ কৰিছিল। ইয়াৰ ফলতেই ভাইৰাছ বিষয়টোৱে প্ৰচাৰ মাধ্যমত ব্যাপক চৰ্চা লাভ কৰিছিল।

১৯৯৫ চনলৈ ভাইৰাছবোৰ মাত্ৰ হাৰ্ডডিস্ক, বুট চেক্টৰ বা সম্পাদনা সক্ষম (executable file ) প্ৰগেম ফাইলবোৰকে আক্ৰান্ত কৰিছিল। কিন্তু ১৯৯৫ চনৰ পৰা উইণ্ড'জ ব্যৱহাৰ যুক্ত কম্পিউটাৰটো ভাইৰাছে আক্ৰান্ত কৰিবলৈ ললে।

১৯৯৮ চনত প্ৰথম জাভা টাৰ্গেটেড ভাইৰাছ উদ্ভৱ হয় (Strange Brew)। ইয়াৰ উপৰিও বৰ্তমান যি বোৰ ভাইৰাছ সৃষ্টি হৈ আছে সি কম্পিউটাৰ BIOS (Basic Input Output System) চিপৰ কোড'কো আক্ৰান্ত কৰিবলৈ সক্ষম হৈছে। এইদৰে কম্পিউটাৰ ভাইৰাছে তাৰ আদি অৱস্থাৰ পৰা বৰ্তমানে ব্যাপক বিস্তাৰ লাভ কৰিছে।

**ভাইৰাছৰ প্ৰকাৰ ঃ**

ফাইল ভাইৰাছ ঃ এই ধৰণৰ ভাইৰাছ কম্পিউটাৰৰ সম্পাদনা সক্ষম ফাইল(executable files) (যেনে .exe বা .DLL extension যুক্ত ফাইল)ত সংযুক্ত হৈ থাকে। এই ধৰণৰ ভাইৰাছ বিধে সম্পাদনা সক্ষম ফাইবোৰৰ ক'ডবোৰ বিসংগতি যুক্ত কৰি দিয়ে। ই ডাউনলোড, ই-মেইল এটাচমেন্টৰ মাধ্যমেৰে বিস্তাৰ লাভ কৰে। ই তেতিয়া কাৰ্যক্ষম হৈ উঠে যেতিয়া এই ভাইৰাছ সংযুক্ত ডকুমেন্টবোৰ অ'পেন কৰা হয়। এই ধৰণৰ এটা ভাইৰাছ হ'ল - Jerusalem(1987)

বুট চেক্টৰ ভাইৰাছ ঃ পি চি এটা অপেন হওঁতে প্ৰয়োজনীয় তথ্যবোৰ পি চি ৰ হাৰ্ডডিস্কৰ বুট চেক্টৰ অংশত সঞ্চিত হৈ থাকে। এই অংশত আক্ৰমণ কৰা ভাইৰাছবোৰকে বুট চেক্টৰ ভাইৰাছবোলা হয়। এই ধৰণৰ ভাইৰাছৰ দ্বাৰা আক্ৰন্ত কম্পিউটাৰত সচৰচৰ "Invalid system disk" বাক্য শাৰী দেখাযায়। প্ৰত্যেকবাৰ কম্পিউটাৰ অপেন হোৱাৰ সময়ত ই সক্ৰিয় হৈ উঠে আৰু এই বুট চেক্টৰ সংক্ৰামিত কৰি তোলে। এনে ভাইৰাছ হৈছে Michelangelo আৰু Stoned

ম্যাক্ৰো ভাইৰাছ ঃ বৰ্তমান এই ভাইৰাছৰ আক্ৰমণেই সৰ্বাধিক আৰু ইয়াৰ ক্ষতি সাধন ক্ষমতাও সৰ্বাধিক। বৰ্তমান জনপ্ৰিয় কম্পিউটাৰ চফ্‌টৱেৰ MS-Word, Excel এই জাতীয় ভাইৰাছৰ দ্বাৰা আক্ৰান্ত

হয়। বিভিন্ন সময়ত এই ধৰণৰ ভাইৰাছ Word বা Excel চফ্‌টৱেৰত সংযুক্ত হয় আৰু ইয়াৰ পাছত এই চফ্‌টৱেৰত তৈয়াৰি সকলো ফাইলত ই আক্ৰান্ত কৰে আৰু এই ধৰণৰ ফাইল ই-মেইল বা Pendrive জড়িত অন্য কম্পিউটাৰলৈ বিয়পি পৰে। Melissa virus এই ধৰণৰ এক ভাইৰাছ।

**কোনবোৰ ভাইৰাছ নহয় ঃ**

বাগচ (Bugs) ঃ বাগচ হ'ল কম্পিউটাৰ চফৱেৰ কোনো প্ৰগেমত সৃষ্টি হোৱা বিসংগতি।

ফলচ এলাৰ্ম্ ঃ কেতিয়াবা কোনো ৱেব চাইট খুলিলে কিছুমান সতৰ্কতামূলক বাক্য দেখা যায়, এইবোৰ বিজ্ঞাপন বাবে ব্যৱহাৰ কৰা চফৱেৰহে, ভাইৰাছ নহয়।

**আপোনাৰ কম্পিউটাৰ ভাইৰাছ আক্ৰান্ত নেকি ?**

ভাইৰাছ আক্ৰান্ত কম্পিউটাৰ এটাত সচৰাচৰ কিছুমান পৰিৱৰ্তন লক্ষ্য কৰা যায়-

(১) প্ৰগেম লোডত মন্থৰ গতি ঃ বহু ভাইৰাছে প্ৰগেম ষ্টাৰ্ট আপ নিয়ন্ত্ৰণ কৰে। এনে ধৰণৰ ভাইৰাছে আক্ৰান্ত প্ৰগেম ৰাণ কৰিলে ভাইৰাছ সক্ৰিয় হৈ প্ৰগেমৰ অপেনত বিলম্ব ঘটাই।

(২) ডিস্ক এক্সেছত সময় দীঘলীয়া ঃ কোনো ফাইল চেভ(Save) অপেন কৰোতে দীৰ্ঘসময়ৰ প্ৰয়োজন হ'লে ভাইৰাছ আক্ৰান্ত হ'ব পাৰে। কিছু ডাঙৰ ফাইল অপেন আৰু চেভ(Save) ৰ সময়ত প্ৰয়োজন হয়।

(৩) অস্বাভাৱিক এৰ'ৰ মেছেজ ঃ বহু সময়ত ভাইৰাছৰ দ্বাৰা আক্ৰান্ত হোৱাৰ ফলত বহু ধৰণৰ মেছেজ দৃষ্টি গোচৰ হয়।

(৪) চিষ্টেম মেমৰি ভৰ্তি ঃ ভাইৰাছ আক্ৰান্তৰ ফলতেই এই ধৰণৰ বাৰ্তা পোৱা যায়।

(৫) ডিস্কত খালি ঠাইৰ অভাৱ ঃ ভাইৰাছে নিজে নিজে বংশ বৃদ্ধি কৰিব পাৰে। কোনো ডিস্কত যদি কম সংখ্যক ফাইল থাকোঁতে এনে ধৰণৰ বাৰ্তা পোৱা যায় বুজিব লাগিব ই ভাইৰাছ আক্ৰান্ত।

(৬) এক্সিকিউটেট প্ৰগেম ফাইল পৰিৱৰ্তনঃ এই ধৰণৰ ফাইল সাধাৰণতে পৰিৱৰ্তন কৰিব নোৱাৰি আৰু এই ধৰণৰ ফাইলেই এটা চফ্‌টৱেৰ চালিকা শক্তি। এনে ধৰণৰ ফাইল যদি পৰিৱৰ্তন হোৱা দেখা যায়, তেন্তে বুজা যায়, ই ভাইৰাছ আক্ৰান্ত।

(৭) যদি সংশোধন কৰা ফাইলৰ তাৰিখ পৰিৱৰ্তন হয়।

(৮) হাৰ্ড ডিস্কত বেড ছেক্টৰ সৃষ্টি হ'লে।

(৯) প্ৰগ্ৰাম ৰাণ নহলে।

(১০) ডিস্কৰ ভলিউম লেবেল পৰিৱৰ্তন হলে আৰু বহু ধৰণৰ পৰিৱৰ্তন দেখা যায়। কিন্তু এইটোও ক'ব লাগিব যে এই সকলোবোৰ একমাত্ৰ ভাইৰাছৰ বাবেই হৈছে। কেতিয়াবা কেতিয়াবা হাৰ্ডৱেৰ আৰু চফ্‌ট্‌ৱেৰ বেমেজালি বাবেও এনে ধৰণৰ সমস্যা দেখা দিব পাৰে।

**ভাইৰাছ আক্ৰমণ হ'লে কি কৰিব ?**

প্ৰথমে নিশ্চিত হওক কম্পিউটাৰটো ভাইৰাছৰ আক্ৰান্ত হৈছেনে নাই। নিশ্চিত হ'লে এটি এন্টি ভাইৰাছ চফ্‌টৱেৰ ৰাণ কৰক। যদি নাই অতি সোনকালে ইয়াক ইনষ্টল কৰক আৰু চফ্‌টৱেৰৰ দ্বাৰা গোটেই



ফাইল আৰু ড্ৰাইভ কেইটা স্কেন কৰক। এইদৰে স্কেন কৰোতে যদি ভাইৰ

কৰক। যদি ক্লিন নহয় ফাইলটো ডিলিট কৰক।

যদি স্কেন কৰোতে কোনো ভাইৰাছৰ অস্তিত্ব নাপায় তেতিয়া নেটত চাওক নতুন কিবা ভাইৰাছৰ আগমন ঘটিছে নেকি। যদি হৈছে এন্টি ভাইৰাছ প্ৰগেমটো আপডেট কৰক। পুনৰ স্কেন কৰক। এতিয়াও যদি ভাইৰাছ পোৱা নাযায়- কিন্তু আপোনাৰ সন্দেহ দূৰ হোৱা নাই তেতিয়া কম্পিউটাৰ বিশেষজ্ঞৰ কাষ চাপক।

**প্ৰতিৰোধ ব্যৱস্থা গঢ়ি তোলক ঃ**

আপোনাৰ পি চি টো আপোনাৰ সচেতনতাই ১০০ শতাংশ প্ৰতিৰোধ ব্যৱস্থা গঢ়ি তুলিব পাৰে-

(১) যিকোনো ধৰণৰ ডিস্ক্ - কেতিয়াও যধে-মধে ব্যৱহাৰ নকৰিব।

(২) অচিনাকি ৱেব চাইট বা লোভনীয় অচিনাকি ই-মেইল অপেন নকৰিব।

(৩) এন্টি ভাইৰাছ চফ্‌ৱেৰবোৰ সদায় আপদেট কৰক।

# কি হ'ব নতুন প্ৰজন্মৰ ভৱিষ্যৎ

জীৱন্ত শইকীয়া

পৰিৱৰ্তন এক চিৰন্তন সত্য । আহিছে মানুহ, গৈছে মানুহ ইয়ো এক পৰিৱৰ্তন । আমাৰ পৰিৱেশৰ লগতে সমান্তৰালভাৱে সাহিত্য আৰু সংস্কৃতি ক্ষেত্ৰলৈও ব্যাপকভাৱে পৰিৱৰ্তন আহিছে । ই এক স্বাভাৱিক প্ৰক্ৰিয়া । তাহানিতে জ্যোতি ককাইদেউৱে কৈ গৈছে- ৰূপান্তৰেহে মাথোঁ জগত ধুনীয়া কৰে । পৰিৱৰ্তন হ'বয়েই, কিন্তু পৰিৱৰ্তনৰ ঢৌত উটি গৈ নিজৰ শিপাৰ কথা পাহৰিব নালাগিব । আমাৰ চকুৰ সন্মুখত যিবোৰ পৰিৱৰ্তন ঘটিছে সেই পৰিৱৰ্তনৰ বতাহত সাহিত্য, সংস্কৃতিৰ লগতে নিজস্ব চিন্তা আৰু অস্তিত্ব বিলীন হৈ যোৱাটো এক চিন্তনীয় বিষয় হৈ পৰিছ । বৰ্তমান সময়ত উঠি অহা নতুন প্ৰজন্ম কৰবাত পৰিৱৰ্তনৰ বুকুচাত উঠি মূল শিপাৰ পৰা বিচ্ছিন্ন হোৱা নাই নে ? ইয়াৰ বাবে কাক দোষাৰোপ কৰিব ? আজিৰ শিক্ষা ব্যৱস্থাক নে সমাজ ব্যৱস্থাক সময়ৰ লগে লগে আনুষ্ঠানিক শিক্ষাৰ পাঠ্যক্ৰমত পৰিৱৰ্তন ঘটিল । শিক্ষাৰ মুল লক্ষ্য আছিল ছাত্ৰ এজনক মানৱীয় মূল্যবোধেৰে পৰিপূৰক কৰি এজন ভাল মানুহ হিচাপে গঢ়ি তোলাৰ । কিন্তু আজিকালি ইয়াৰ বিপৰীত ছবি এখনহে আমি দেখিবলৈ পাওঁ । চাকৰিমুখী শিক্ষা ব্যৱস্থাই মানুহক মানৱীয় চিন্তাধাৰাৰ পৰা বিচ্ছিন্ন কৰি পেলাইছে । সেইবাবে কেতিয়াবা নিজৰ মাজতে প্ৰশ্ন হয়, চৰিত্ৰ শ্ৰেষ্ঠ নে শিক্ষা শ্ৰেষ্ঠ ? আপোনাৰ মতে কি শ্ৰেষ্ঠ ? দুয়োটাই ইটো-সিটোৰ পৰিপূৰক । সজ চৰিত্ৰ গঠনৰ বাবে শিক্ষা লাগিবয়েই। কিন্তু আনুষ্ঠানিক বা বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ শিক্ষাই এজন ব্যক্তিক সজ চৰিত্ৰৱান নকৰিবও পাৰে । সেইবাবে আনুষ্ঠানিক শিক্ষাতকৈ পিতৃ-মাতৃয়ে সন্তানক দিয়া শিক্ষাহে মৌলিক কথা । সন্তানক পিতৃ-মাতৃয়ে যি শিক্ষাৰে শিক্ষিত কৰিব সেই শিক্ষাইহে মূলতঃ এগৰাকী ছাত্ৰ বা ছাত্ৰীক সজ চৰিত্ৰ গঠনত প্ৰধান ভূমিকা গ্ৰহণ কৰিব । ইয়াৰ বাবে সুস্থ পৰিৱেশ লাগিব আৰু পিতৃ-মাতৃ হ'ব লাগিব সজ চৰিত্ৰৰ আদৰ্শৱান অভিভাৱক । কিন্তু ইয়াৰ পৰিৱৰ্তে একাংশ অভিভাৱকে আধুনিক মহাভাৰতৰ ধৃতৰাষ্ট্ৰ আৰু গান্ধাৰী হ'বলৈ গৈ নিজৰ সন্তানকে অন্ধকাৰৰ ভৱিষ্যতলৈ ঠেলি দিছে । ইয়াৰ ফলত নিজৰ লগতে সমাজটো বেয়া প্ৰভাৱ পৰিছে । অহংকাৰী, মহাপ্ৰতাপী অসুৰৰ ৰজা হিৰণ্যকশিপুৰৰ পুত্ৰ আছিল প্ৰ !াদ । কিন্তু অসুৰৰ পুত্ৰ কেনেকৈ ধাৰ্মিক আৰু সজ চৰিত্ৰৰ অধিকাৰী প্ৰহ্লাদ হ'ল ! যিদিনা হিৰণ্যকশিপুৱে অমৰত্ব বৰ লাভৰ আশাৰে অনিৰ্দিষ্ট কাললৈ তপস্যালৈ যাবলৈ সিদ্ধান্ত লক্সলে আৰু সেই সময়ত হিৰণ্যকশিপুৰে পত্নী কয়াধুক কথাটো অৱগত কৰিলে । কিন্তু স্বামী হিৰণ্যকশিপুৰ তপস্যালৈ যোৱাৰ আগতে কয়াধুৱে স্বামীক এটা দিন তেওঁৰ লগত থাকিবলৈ ক'লে আৰু হিৰণ্যকশিপুৱেও প্ৰতিশ্ৰুতি দিলে । কথামতে কাম, কয়াধু আৰু হিৰণ্যকশিপুৱে সেই দিনটোৰ সদ্ব্যৱহাৰ কৰিলে । গোটেই দিনটো দুয়োৱে কথা পাতিলে । কথা পাতি থাকোতে তেওঁলোকৰ চোতালত গছৰ ডালত পৰি শুক পক্ষীয়ে নাৰায়ণ-নাৰায়ণ শব্দ উচ্চাৰণ কৰা কয়াধুৱে শুনিলে আৰু হিৰণ্যকশিপুৰ মুখৰ পৰা কয়াধুৱে সেই শব্দ শুনাৰ কাৰণে কাকূতি-মিনতি কৰিলে । সেই কাকূতি-মিনতিত সেও মানি হিৰণ্যকশিপুৱে মুখৰ পৰা উচ্চাৰণ কৰিছিল শুক পক্ষীয়ে কোৱা সেই নাৰায়ণ-নাৰায়ণ শব্দ । কেৱল এবাৰ-দুবাৰ নহয়, গোটেই ৰাতি হিৰণ্যকশিপুৰ মুখৰ পৰা নাৰায়ণ-নাৰায়ণ শব্দ উচ্চাৰণ কৰাই কয়াধুৱে

তেওঁৰ গৰ্ভত প্ৰহ্লাদৰ বীজ ৰোপণ কৰিলে, যাৰ কাৰণে প্ৰহ্লাদ ধাৰ্মিক আৰু সজ চৰিত্ৰ হোৱাত পিতৃ হিৰণ্যকশিপুৰ পৰিত্ৰ অৰিহণা সংযোগ হৈছিল ।

আজিকালি জ্যেষ্ঠ আৰু কনিষ্ঠ সকলৰ মাজত কিতাপ পঢ়াৰ প্ৰৱণতা যথেষ্ট হ্ৰাস পাইছে । জাতিটোৰ বাবে এয়া অত্যন্ত চিন্তনীয় আৰু দুৰ্ভাগ্যজনক কথা । ইয়াৰ ফলত মানুহৰ মাজত বৌদ্ধিক চিন্তা আৰু মানৱীয় মূল্যবোধ হেৰাই গৈছে । চিন্তাৰ উৎকৰ্ষ সাধনৰ একমাত্ৰ উপাদান হৈছে কিতাপ । গ্ৰন্থ অধ্যয়নৰ পৰা বিছিন্ন হ'লে জাতি এটা বিশ্বৰ বুকুত মেৰুদণ্ড চিধা কৰি থাকিব নোৱাৰে ! জাতি এটা স্বাভিমান আৰু স্বাধীনভাবে জীয়াই থাকিবলৈ জাতিটো অধ্যয়নশীল আৰু অৰ্থনৈতিকভাৱে স্বাধীন হ'বয়েই লাগিব । যি জাতি অধ্যয়নপুষ্ট আৰু অৰ্থনৈতিকভাৱে টনকিয়াল নহয় সেই জাতিটো সময়ৰ গতিত বুৰঞ্জীৰ পাতত হেৰাই যায় । ইয়াৰ উদাহৰণ বহুতো আছে । আমাৰ নতুন প্ৰজন্ম ধ্বংসৰ পাতনি আৰম্ভ হ'ল নিচা জাতীয় সামগ্ৰীৰ পৰা। আমাৰ সমাজত ব্যাপকভাবে নিচা জাতীয় সামগ্ৰী প্ৰচলনে এটা প্ৰজন্মক কোঙা কৰিছে । আজিকালি ৰাজহুৱা অনুষ্ঠানত আৰু প্ৰতিখন দোকানতে মুকলিকৈ গুদখা জাতীয় সামগ্ৰী বিক্ৰী কৰে । আনকি বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ আশে-পাশে ধঁপাত জাতীয় সামগ্ৰী সহজলভ্য । কিন্তু এই ক্ষেত্ৰত নিৰ্বিকাৰ হৈ থাকে আৰক্ষী প্ৰশাসন, আনকি শিক্ষানুষ্ঠান সমুহৰ কতৃপক্ষও চকুমুদা কুলিৰ ভাওঁ ধৰে । ইয়াৰ ফলত ছাত্ৰ-ছাত্ৰীসকলে এনেধৰণৰ মৰাত্মক দ্ৰব্য সেৱন কৰি নিজৰ স্বাস্থ্য ক্ষতি কৰিছে, সামাজিক আৰু শৈক্ষিক পৰিৱেশ বিনষ্ট কৰিছে ।

দৈনিক খবৰ কাগজ আৰু টেলিভিছনত হত্যা-হিংসা, অপহৰণ, নাৰীজনীত অপৰাধ আদি খবৰে শিৰোনাম দখল কৰে । এনেধৰণৰ দুষ্কাৰ্য খবৰৰ মাজত যুৱক-যৱতীৰ নাম প্ৰায়েই উচ্চাৰণ হয় । এনেবোৰ বাতৰি পঢ়ি আমি হতাশ হওঁ । ইয়াৰে সৰ্বাধিক ঘটনা ড্ৰাগছ নাইবা মদ সেৱনৰ ফলত হয় । ৰাজ্যত ড্ৰাগছৰ প্ৰচলন ইমানেই বৃদ্ধি হৈছে যে ইয়াক যদি বন্ধ কৰিব পৰা নাযায় তেন্তে এটা সময়ত অসমীয়া জাতিটোৰ ককাল ভাঙি পৰিব । বৰ্তমান নতুন প্ৰজন্ম ড্ৰাগছ আৰু মদক লৈ ব্যস্ত হৈ পৰিছে । ড্ৰাগছৰ বিৰুদ্ধে চৰকাৰে জেহাদ ঘোষণা কৰাৰ পিছতে আৰক্ষীয়ে ড্ৰাগছৰ বেহাৰ সৈতে জড়িত বহু অপৰাধীক আতক কৰাৰ লগতে কোটি কোটি টকা মাৰাত্মক ড্ৰাগছ জব্দ কৰি জ্বলাই দিছে । তথাপিও মাৰাত্মক ড্ৰাগছৰ প্ৰচলন বন্ধ কৰিব পৰা নাই । আনফালে চৰকাৰে অঞ্চলে অঞ্চলে মদৰ দোকান খুলিবলৈ লাইচেন্স দি ৰাজ্যত মদৰ প্ৰচলন সুলভ কৰি দিলে । চৰকাৰে একপ্ৰকাৰে অসমীয়া মানুহক মদ খাবলৈ ভিতৰি উৎসাহিত কৰাৰ দৰে কাৰবাৰ এটা কৰিছে । এইটো অত্যন্ত চিন্তনীয় কথা । আজিকালি অতি কম বয়সৰ যুৱক-যুৱতীয়ে মদৰ নিচাত মাতাল হৈ থাকে । এইসকল যুৱক-যুৱতীয়ে এখন ঘৰৰ আশা আকাংক্ষা ভৰিয়ে মোহাৰি নিজকে মৃত্যুৰ ফালে এখোজ আগবঢ়াই দিছে । এনেদৰে নতুন প্ৰজন্মটো যদি নিচা খাই ধ্বংস হয় তেন্তে জাতিটোৰ ভৱিষ্যত কি হ'ব ? এই সমুহ কথা চৰকাৰ আৰু বৌদ্ধিক মহলে আলোচনা কৰাটো অত্যন্ত প্ৰয়োজন আছে । বহু অভিভাৱকে মদ সেৱন কৰি ঘৰত পৰিৱেশ বিনষ্ট কৰে । সন্তানে পঢ়াৰ পৰিৱেশ নাথাকে, পত্নী আৰু ঘৰৰ মানুহক অত্যাচাৰ কৰে । এইবোৰ পৰাই সন্তানে কি শিকিব ! এনেবোৰ পৰিৱেশে সন্তানক বেয়া কৰে । আজিকালি বৃদ্ধাশ্ৰমৰ সংখ্যা বৃদ্ধি হৈছে । বহু শিক্ষিত ব্যক্তিয়ে নিজৰ মাক-দেউতাকক বৃদ্ধাশ্ৰমত থৈ অহাটো এটা ফেচনলৈ পৰিৱৰ্তন হৈছে । যি পিতৃ-মাতৃয়ে সকলো কষ্ট ত্যাগ কৰি নিজৰ সন্তানক ডাঙৰ দীঘল কৰে, ইয়াৰ পিছত কেনেকৈ সন্তানে পিতৃ-মাতৃক বৃদ্ধাশ্ৰমত থৈ দুষ্কাৰ্য কৰিব পাৰে ! মানুহবোৰ যিমানেই শিক্ষিত হৈছে সিমান জ্ঞানী হোৱা নাই । জ্ঞানী আৰু শিক্ষিতৰ মাজত পাৰ্থক্যটো আছেই ।

অসমীয়া ডেকাসকলে জাতিটো ভৱিষ্যত সুৰক্ষিত কৰা স্বাৰ্থত এতিয়া কাম কৰিব লাগিব । পশ্চিমীয়া সংস্কৃতিক বৰ্জন কৰি থলগিৰি স্বাভিমানী অসমীয়া হৈ আমি জীয়াই থাকিব লাগিব । অসমীয়া সংস্কৃতিক মুল শিপাৰ সৈতে ধৰি ৰাখিব লাগিব । অসমীয়া সাহিত্যক বিজতৰীয়া হোৱাৰ পৰা ৰক্ষা কৰিব লাগিব । অসমীয়া ভাষাৰ ওপৰত ইংৰাজী ভাষাৰ আগ্ৰাসন ৰোধ কৰিব লাগিব । অসমীয়া ভাষা বিশুদ্ধতাৰে ক'ব লাগিব । ইজনে-সিজনৰ সৈতে অসমীয়াতে কথা পাতিব লাগিব । অসমীয়া জাতিটোৰ অৰ্থনৈতিক ভেটি মজবুত কৰি সকলো ব্যৱসায়, চাকৰি, বেপাৰ-বানিজ্যি অসমীয়াৰ হাতলৈ আনিব লাগিব । অসমীয়া মানুহে শ্ৰমৰ মৰ্যাদা বুজিব লাগিব । অসমীয়া মানুহে কৰ্ম আৰু কৰ্মীক সন্মান দিব নাজানে । কামৰ মাজত সৰু-ডাঙৰ বিচাৰ কৰে, এই চিন্তাটোৱে জাতিটোৰ ভেটি থুনুকা কৰিছে । কামৰ কোনো সৰু-বৰ নাই, কাম কামেই । আমাৰ মানুহে সৰু-বৰ বিচাৰ কৰাৰ বাবে বহিৰাগত মানুহে আমাৰ পৰা এটা এটাকৈ কাম নিজৰ হাতলৈ লৈ গৈছে । পথাৰৰ চন পৰা মাটি আমি বছৰত ২-৩ টা খেতি কৰিব লাগিব । গৰু, ছাগলী, হাঁহ, কুকুৰা, গাহৰি আদি পোহ-পালনৰ জড়িয়তে উৎপাদন বৃদ্ধি কৰি নিজেই স্বাৱলম্বী হ'ব লাগি । ঘৰতে থকা পুখুৰীত মাছ পালন আৰু শাক-পাচলি খেতি কৰি নিজকে কৰ্মমুখী কৰিব লাগিব । নহ'লে ড° ভূপেন হাজৰিকাই কোৱাৰ দৰে- 'আমি অসমীয়া নহওঁ দুখীয়া বুলি সান্ত্বনা লভিলে নহ'ব'?

# খাদ্যাভ্যাস বনাম আধুনিকতা

**গায়ত্ৰী ভূএগ্ৰা সোনোৱাল**
বগীনদী

হঠাতে লগ পালোঁ ওচৰৰ গাঁৱৰ এগৰাকী কম বয়সীয়া বোৱাৰীক। স্বতঃস্ফূৰ্তভাবেই মুখলৈ আহিল বাক্যটো -

"ভালে আছানে?"

"বৰ ভাল নহয় বাইদেউ। আছোঁ আৰু যেনে তেনে।"

"কিয়, মইচোন দেখাত ভালেই দেখিছোঁ।"

"দেখাত ভালেই। দেহৰ ঠায়ে ঠায়ে বিষ। সেইদিনা আক' ফটকৈ পেটৰ বিষ হ'ল নহয়। আলট্ৰাচাউণ্ড কৰালোগৈ, ফেটী লিভাৰ ধৰা পৰিছে।"

"অস্।"

আচলতেই বোৱাৰীজনীৰ খবৰকেইটা শুনি মোৰ বুকুৰ একোণত বিষ এটা অনুভৱ কৰিলোঁ। তৎমুহূৰ্ততে কিছুমান চিন্তাই মনত অগাদেৰাও কৰিলেহি। গৈ গৈ মই আজিকালিৰ মানুহৰ খোৱা লোৱা ব্যৱস্থাটোকে জগৰীয়া কৰিব খুজিলোগৈ।

মই এটা কথা মানি লওঁ যে, বেছিভাগ মানুহ খাইহে মৰে।নেখাই মৰা মানুহ একেবাৰে কম। এইযে আজিকালি মানুহৰ কিছুমান সাধাৰণ ৰোগ বেছিকৈ হ'বলৈ লৈছে, তাৰ মূল কাৰণ ভুল আৰু অপুষ্টিকৰ খাদ্যাভ্যাস। যেতিয়াৰপৰাই মানুহৰ খোৱা ব্যৱস্থা ঘৰৰ পাকঘৰৰপৰা ওলাই আহি দোকানৰ পেকেট ফুড আৰু হোটেলৰ টেবুলত হ'লগৈ, তেতিয়াৰ পৰাই আমাৰ মানুহবোৰ ৰোগী হ'বলৈ ধৰিলে।শৰীৰৰ ভিতৰে বাহিৰে মেদ জমা হ'বলৈ ধৰিলে। ডাক্তৰৰ খৰচ বাঢ়িল। হ্রাস হ'ল মানুহৰ আয়ুস।

ঘৰে ঘৰে প্ৰতিদিনে এসোপা প্লাষ্টিকৰ পেকেটত সংৰক্ষিত খাদ্য সামগ্ৰী সোমোৱাটো এটা গতানুগতিক দৃশ্য হৈ পৰিছে। ইয়াৰ অধিকাংশ খাদ্যই যায় কণ কণ শিশুহঁতৰ পেটলৈ। তাৰ পিছত মাক আৰু ঘৰৰ মানুহবোৰৰ মুৰৰ কামোৰণি হয় যে শিশুটোৱে সমূলি একো নাখায়। খাব ক'ৰপৰা? অলপ আগতে কিবা পেকেট এটা চুঁচি বাচি খাই লৈছেহে। ইয়াৰ পিছত দিন যায় মানে শিশুটিৰ মাজে মাজে অকাৰণতে বমি নতুবা পেটৰ বিষ আৰম্ভ হ'ব। তেনেই কনমানিতে গেছৰ সমস্যাই দেখা দিব। এয়া পেকেট ফুডৰ পাৰ্শ্বক্ৰিয়া। এই একে সমস্যা ডাঙৰ মানুহৰ ক্ষেত্ৰটো হ'ব পাৰে।

জাংক ফুড আৰু ফাষ্ট ফুডৰ কথা ক'বলৈ গ'লেও, নএগ্ৰৰ্থক ফলাফলেই পাব। এই খাদ্য দুবিধত ব্যৱহৃত অতিৰিক্ত চেনি, চৰ্বি,ময়দা আদিয়ে শৰীৰৰ মেড বৃদ্ধি কৰাৰ লগতে হাৰ্ট, লিভাৰ আদিটো বেয়া প্ৰভাৱ পেলায়। ইয়াৰ পিছতে আহিব পাৰে ডিপ্ৰেচন,ইনচম্নেমেনিয়া আদিৰ সমস্যা।

দৰাচলতে এবিধ খাদ্য সামগ্ৰীৰ এটা নিৰ্দিষ্ট সময়ৰ পিছত ইয়াৰ পচন ক্ৰিয়া আৰম্ভ হৈ যায়।ইয়াক জোৰকৈ প্ৰিজাৰভেটৰ দি সংৰক্ষণ কৰিবলৈ গ'লে ইয়াৰ পুষ্টি সময়ত শেষ হৈ যায়। তাৰোপৰি কিছুমান কাৰণত যদি

খাদ্যসমূহ অক্সিজেনৰ সংস্পৰ্শলৈ আহে, তেতিয়াহ'লে অনতিপলমেই খাদ্য সামগ্ৰীৰ পুষ্টি শেষ হয়। গতিকে এই খাদ্যসমূহে মন আৰু পেটহে ভৰায়। কিন্তু শৰীৰক পুষ্টিৰ যোগান ধৰিবলৈ অপাৰগ হয়।তাতে ইয়াত থকা কেমিকেলখিনিৰ কথা নক'লোৱেবা।

এইখিনিতে আহি পৰে সাম্প্ৰতিক সময়ত আহি পৰা মানুহৰ পৰিবৰ্তিত জীৱন ব্যৱস্থাৰ কথা। আজি কালি বহুতে আনন্দ লাভৰ কাৰণে প্ৰায় নামী দামী হোটেলত মাছে মঙহে সাজে সাজে হেঁপাহত খায়গৈ। মানুহ যিমানেই অকলশৰীয়া হৈ গৈ আছে, সিমানেই এই 'বাহিৰত ডিনাৰ কৰা' অভ্যাসটো বাঢ়ি গৈছে।এচাম মানুহে মদে-মাংসই অনবৰতে পাৰ্টি কৰাটো এটা চখ হৈ পৰিছে। এই খাদ্যই ৰক্তচাপ, ফেটীলিভাৰ আদিকে ধৰি কেইবাটাও জটিল ৰোগৰ সৃষ্টি কৰে। নিৰামিষ খাদ্য যদি হজম হ'বলৈ ছয় বা সাতঘন্টা সময় লাগে, মাংস হজম কৰিবলৈ পশিছৰপৰা ত্ৰিশ ঘণ্টা সময় লাগে। ফলত বদ্ হজম হ'ব পাৰে। হজম শক্তি কমি গ'লে মাংস হজম নহ'বও পাৰে। তেতিয়া খাওঁতাজনৰ ৰক্তবাহী নলী নালিকাৰ বেৰত গেদ জমা হৈ তেজৰ সৰবৰাহ বন্ধ কৰে। ফলত মগজু -কলিজা-বুকু আদি যন্ত্ৰসমূহ বিকল হৈ যোৱাৰ সম্ভাৱনা বৃদ্ধি পায়।

ৰঙা মাংস আৰু প্ৰস্তুতকৃত মাংস অধিক খালে হৃদৰোগ আৰু কেঞ্চাৰৰ আশংকা বৃদ্ধি পায়। 'বিশ্ব স্বাস্থ্য সংস্থা'ৰ মতে প্ৰস্তুতকৃত মাংস কেঞ্চাৰকাৰী হিচাপে তালিকাভুক্ত।
(উৎস -গোগুল)

হোটেল আদিত যিকোনো খাদ্য সামগ্ৰী অধিক সোৱাদযুক্ত কৰিবলৈ 'আজিনা মোটো' (MSG বা মনোচদিয়াম গ্লুটামেট) বুলি এবিধ সামগ্ৰী ৰন্ধা খাদ্যত মিহলাই দিয়ে।ই শৰীৰৰ কাৰণে অতি মাৰাত্মক।

এতিয়া কথা হ'ল আমাৰ এই পৰিবৰ্তিত খাদ্য আৰু জীয়াই থকাৰ জীৱন শৈলীয়ে ৰোগসমূহক শৰীৰলৈ আমন্ত্ৰণ জনাইছে। অকনমান আনন্দ লাভৰ বিনিময়ত আমি জীৱনৰ স্থায়ী আনন্দবোৰ শেষ কৰিবলৈ গৈ আছো।

এইখিনিতে মনত পেলাইছো পুৰণি দিনবোৰ লৈ। আমাৰ শৈশৱকাল বৰ অনাড়ম্বৰভাৱে পাৰ কৰিছিলোঁ। তিনিআলিৰ একমাত্ৰ দোকানখনত কেইটামান কটা বিস্কুট,বৈয়ামত দুটামান নানকাটা ,টিনৰ চানা কেইটামান আৰু চেনিগুটি দুটামানৰ বাহিৰে আমি ল'ৰা ছোৱালীবোৰে খাব পৰা একো নাছিল।তাকো কোনোবাই পাঁচ পইচা এটা দিলেহে দোকানলৈ যোৱাৰ সৌভাগ্য মিলিছিল। নহ'লে মায়ে যোগাৰ কৰি থোৱা মুড়ি,আখৈ নতুবা ভজা পিঠাগুৰি উতলা গৰু গাখীৰত ডুবাই এবাতি খাই দিওঁ আৰু। মুখৰ জুতি মাৰিবলৈ চুঙা পিঠাৰ টুকুৰাটো, নতুবা নাৰিকল আৰু তিলৰ লাডুকেইটা আছেই দেখোন।বচ। আমাৰ খোৱাৰ সপোনবোৰ সিমানতে সীমিত আছিল।

সময়ৰ খোৱা সময়ত খাবই লাগিব। মায়ে এটা নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে তিতা তৰকাৰী, টেঙা জোল,খাৰ তৰকাৰী, জালুকীয়া, সিজোৱা, লগতে এসাঁজ আঁউসী-একাদশী-পূৰ্ণিমা বুলি উপবাস আদি হিচাপত চলাই নিছিল। পাচলি -খাৰলিৰ নামত বজাৰলৈ যোৱাৰ নিয়ম নাছিল। চুবুৰীয়াৰ বাৰীৰ পাচলিৰ লগত ঘৰৰ বাৰীৰ পাচলিৰে সলনা সলনিকৈ আদান-প্ৰদান চলি আছিল। শাক -পাত খুব ঘনাই খোৱা হৈছিল। মিক্সী মেছিন নাছিল। শিলৰ পটাতে পিচি পিচি মায়ে কিমানযে ঔষধি বন পাতৰ চাটনি খুৱাইছিল। তাৰ লগতে বাৰীৰ আমলখি,শিলিখা,মাধুৰী,জলফাই,অমৰা,লেতেকু,আম,কঁঠাল, মাটিকঁঠাল,জামুক,পনিয়ল,পকা অমিতা,টিয়হ এইবোৰ বতৰৰ ফল যদি নাখাওঁ, চিৰিপনি এচাৰিৰ কোব খাব লাগিব। সেই কাৰণেই ছাগৈ সুস্থ শৰীৰেৰে ইঘৰো পালোহি।

আমাৰ বেমাৰৰ ভিতৰত আছিল ঋতু সলনিৰ সময়ত হোৱা চৰ্দি জ্বৰ আৰু শৌচ বা বমি। তাকো আক' নিউম'নিয়া দৰৱপালি আছেই নহয়। কুঁজি থেকেৰা, নিমখত দিয়া গোলনেমুকন দেখি পেটৰ ৰোগ দুদিনতে পলায়। বদহজমী হ'লে আদা আৰু কলখাৰৰ জোলকণেই যথেষ্ট।

এতিয়াও সময় নোহোৱা নহয় বাটবোৰ পোনাবলৈ। আমাৰ গাঁৱৰ প্ৰত্যেকৰ বাৰী ঔষধি বন পাতেৰে ভৰি আছে।খাবলৈহে মানুহ নাই।চহৰৰ স্বাস্থ্যসচেতন ব্যক্তিয়ে কম ঠাইতে টাবত ৰুই হ'লেও এই শাক -পাত থাপতে পোৱাকৈ ৰুই লৈছে। বজাৰত নাপাই কি ? কচু -ঢেকীয়া-পচলা-ঔটেঙা-খুটৰা-জিলমিল-টিকনি বৰুৱা-চেংমৰা-মানিমুনিৰে চহৰৰ বজাৰ একেবাৰে ৰমৰমীয়া। আপুনি কি খায় নিৰ্বাচন কৰিবহে লাগে। সকলো ভালে থাকক আৰু সুস্থ হৈ থাকক।

(বহুসময়ত পোৱা কিছুমান প্ৰৱন্ধৰ সহায় লৈ লেখাটো লিখিবলৈ যত্ন কৰিলোঁ। এই লেখাটোৰ একমাত্ৰ উদ্দেশ্য সকলোকে সুস্থ থাকিবলৈ প্ৰেৰণা যোগোৱা।)


অসম সাহিত্য সভাৰ লখিমপুৰ জিলা সমিতিৰ উদ্যোগ

বগীনদীত কবি হীৰেন ভট্টাচাৰ্যৰ স্মৃতি দিৱস উদ্‌যাপন

*(কবিতাৰ শিতান)*

## জীৱনৰ দীঘ – বাণি

**প্ৰণিতা শইকীয়া বৰা**

শব্দ আৰু সময়ৰ চাতুৰ্যত কণ ফুটে
জীৱনৰ,
এদেও দুদেও লোটা নিয়াৰ ছেওত
প্ৰতিশ্ৰুতিবোৰে মেলা পাতে জয় কৰিবলৈ
সুউচ্চশৃংগৰ।
ৰৌদ্ৰোজ্বল পুৱাৰ কামনাৰে মানুহবোৰে
আকাশলৈ দুহাত মেলে
ৰ'দে –বৰষুণে জৰ্জৰিত সেউজীয়া পাতবোৰ
হালধীয়া হৈ সৰি পৰে
বৰ সংগোপনে।
বিগলিত সময়ৰ বুকুত জাহ যোৱা
যৌৱনা সুবাসে মানুহবোৰক মেৰিয়াই ৰাখে
চেৰেকীৰ সুতাৰ দৰে,
বাৰে – বাৰে উলটি চাব খোজা মনটো
সেউজীয়াৰ প্ৰেমত পৰে
অন্তৰাগৰ ৰাঙলী আভাই নিচেই ওচৰতে
মিচিকি হাঁহে ।
এনেকৈয়ে পৰিব্যাপ্ত হয় জীৱন
আস্থা ,বিশ্বাস আৰু সততাৰ আখৰা কৰি
হৰা- জিকাৰ খেলত লীন যায় মানুহ
জীৱনৰ দীঘ- বাণিত বাচি যায়
ফুলাম সপোন।

## অ' আকাশ

**ৰেখা শৰ্মা হাজৰিকা**

অ' আকাশ তোমাৰ বিশাল বক্ষ সাৱতি
মোৰ সপোনে উমলি থাকে
মোৰ হেঁপাহে দুপাখি মেলে

ডেউকাত অযুত ৰামধেনুৰে ৰং
স্বপ্ন মোৰ এসাগৰ হিয়াৰ
মন প্ৰজাপতিয়ে জাকে জাকে
আকাশ উতলা কৰে ।

সৃষ্টিৰ এখন পথাৰক
দুবাহু মেলি সাৱতি
সোণালী ৰ'দ কাচলিত
আকাশত সপোন সিঁচি দি ।

অ' আকাশ
তোমাৰ বক্ষ সাৱতি .....

নৱ নৱ ভাৱেৰে সৃষ্টিৰ
কঠিয়াতলি
নৱ নৱ চেতনাৰ
বিশাল হৃদয়ে হৃদয়ে ।

দিগন্তৰ সিমনালৈ
পোহৰ বিচাৰি ধাবমান আজি ?
জোনাকীৰ দেশলৈ
বাট বিচাৰি বিচাৰি ।
অ' আকাশ তোমাৰ বিশাল বক্ষ .....

# চগা

**ৰঞ্জিতা হাজৰিকা চেতিয়া,**
ঘিলামৰা শাখা সাহিত্য সভা।
আহ্বায়কঃ আকাশ অনুষ্ঠান (লক্ষীমপুৰ)

কাল অন্ধকাৰৰ বেসুৰা সুস্থৰিত ,
কামাতুৰা হৈ হালি জালি
উৰি ফুৰা এখন ৰহস্যময়ী নৈ।

তাইৰ চলনাময়ী বুকুৰ ঘৰত
সাঁতুৰি ফুৰা চগাবোৰে নুবুজে ,
চৌপাশৰ জলন্ত দহনৰ ভয়াবহতা।

বিজুলীৰ চমকত মতলীয়া হৈ
নৈৰ বুকুত বগুৰা বাই চগা,
অন্ধকাৰত হেৰাই বিবেকৰ ঠিকনা।

মোহাচ্ছন্ন মতলীয়া ৰাগীৰ
পৰিনাম নিৰাশা হতাশা,
অপগ্লানি অপমান অপযশ
সন্মুখত অন্ধকাৰ ভৱিষ্যত।

অবিবেচক কৰ্মৰ পৰিনাম
অসহনীয় যন্ত্ৰণা দায়ক,
পলকতে আঁতৰি যায়
সুখে ভৰা দিঠকৰ ঠিকনা।

# শব্দৰ আত্মহত্যা

**পুলুমা ভঁৰালী**
ঘিলামৰা সাহিত্য শাখা

মৃত্যু শীতল নিৰ্জনতাত
ব্ৰজনিনাদ প্ৰচণ্ড শব্দবোৰ
সুদূৰ পাহাৰৰ শিলে শিলে ঠেকা খাই
প্ৰতিধ্বনিত হৈছে মোৰ কলিজাত ।
সৌৱা অনাকাংক্ষিত কিহৰ আৰাও ?
শব্দ তৰঙ্গবোৰ যেন ওচৰ চাপি চাপি
বন্দী হয় ক্ৰুৰ ইটাৰ দেৱালত
আৰু বিলীন হয় মোৰ এটোপোলা
চকুলোৰে ভৰা এসাগৰ বুকুত
মোৰ দেহৰ সমগ্ৰ শক্তি যেন জাগ্ৰত হৈছে
মনত এক ৰহস্য ভেদৰ অদম্য বাসনাৰে
তীব্ৰতৰ পৰা তীব্ৰতৰ মোৰ কৌতূহলী মন
কিহৰ এই আৰ্তনাদ গৱাক্ষখনত ?
হাজাৰ প্ৰশ্নই মুখৰ কৰিছে আজি
কিহৰ এইয়া ৰহস্যময়ী শব্দ ??
সন্তৰ্পণে এদিন ওচৰ চাপিলোঁ
অদম্য হেঁপাহ আৰু উৎকণ্ঠা মনত লৈ
আঃ.. এইয়া কিযে আশ্চৰ্য
বাহিৰত ৰূপোৱালী জোনাকৰ
আঁৰ লৈ সিৰ্ সিৰকৈ কঁপিছে
জয়াল বাঁহনি ডৰাৰ বাঁহপাত বোৰ
আৰু লাহে লাহে যেন আহি
মোৰ বুকুত জোৰেৰে আঘাত
পৰাঘাত কৰিছে নিসংগতাক
আৰু তাৰ পাছত লাহে লাহে
হৈছে শব্দৰবোৰৰ আত্মহত্যা।

# কৃষ্ণচূড়া

**দিলীপ পৰাজুলী**
লুইতপৰীয়া শাখা সাহিত্য সভা।।

সেউজীয়া বসন পিন্ধি জীপাল হৈ থাকোতেই
হঠাৎ হালধীয়াৰ সুগন্ধি পাই
তেজাল হৈ কৃষ্ণচূড়া ফুলিছে
হাঁহিৰে বিৰিঙাই
নীলিম আকাশলৈ চাই।।

তেজাল ৰঙৰ আবিৰ বোকোচাত বান্ধি
ৰ'দে বৰষুণে
আকাশে বতাহে বিয়পিছে তেজ ৰঙী কৃষ্ণচূড়াৰ ঘ্ৰাণ।

বাটৰুৱাই তাকে দেখি
ৰ' লাগি চাই
মচগুল হৈ প্ৰেমালাপ কৰিছে
আপোন পাহৰা হৈ।।

বসন্তৰ পৰশ পাই
আজি তোমাৰ চৌপাশে মাথোন ৰঙচুৱা ৰঙালী
হাঁহি।।

কৃষ্ণচূড়াৰ ৰঙা ৰঙ বুলোৱা মাদকতা দেখি
নিলগৰ পৰাই ৰাধাচূড়াই জোকাইছে
কৃষ্ণচূড়া তই ৰঙা হৈয়ে ফুলি থাক
জীৱন্ত প্ৰেমৰ কাহিনী কৈ।।

কৃষ্ণচূড়া ফুলা দেখি
এজাৰেও গোলপীয়া মন মোহনীয়া সাজ পিন্ধি
কৃষ্ণচূড়াৰ ৰঙা ৰূপত মোহ গৈ
বেজাৰ মনে গোলপীয়া বিলাইছে
নিৰৱে নিতালে।।

কৃষ্ণচূড়া তই তেজাল হৈ
ফুলি থাক
ফুলি থাক
সম্প্ৰীতিৰ বতৰা আমাৰ মানুহৰ মাজত দি।।

# কবিতাৰ বাবে কবিতা

**পল্লৱী নেওগ বৰা**

কোনো কবিৰ উজাগৰী নিশাৰ সাধনাৰ ফচল
বেদনাৰ বেজীৰে সিওৱা অনুভৱৰ মেটমৰা
টোপোলাৰ পৰা নিগৰি ওলোৱা তেজৰ চেঁকুৰা
কোনো কবিৰ বিপ্লৱী সত্তাৰ অনুৰণন

কাৰ বাবে এই কবিতা
কবিতা এতিয়া বিদ্ৰোহ নে বিলাস

জীৱনৰ কঠিন সময়ত যুঁজাৰু হৈ উঠা কবিৰ
দাসত্বৰ বান্ধোনৰ পৰা মুকলি হোৱাৰ আপ্ৰাণ
চেষ্টাত
শবদৰে ৰাষ্ট্ৰদ্ৰোহ কৰা এই কবিতা
জীৱনৰ সৈতে অথবা জীয়াই থকাৰ বাবে
যুঁজ দিয়াৰ কবিতা

কবিতাৰ মেলত শবদতকৈ অৰ্থৰ ভাৰ বাঢ়ি গ'লে
আমাৰ দৰে সাধাৰণ কবি বুলি ভাবিও থমকি ৰোৱা
সকলৰ সুখী নোহোৱা কবিতা

কবিতাৰ বাবেই মাথো কবিতা ।।

---

# শিশু গীত

দিগন্ত সোনোৱাল

টিক্ টিক্ টিক্ টিক্
ঘঁড়ীটোয়ে কয়
সময় কালৈকো নৰয়
সময় গ'লে উৰি
ধৰি ৰাখিব নোৱাৰি
সময় গ'লে গুচি
ঘূৰাই আনিব নোৱাৰি।

সময়ৰ টিকনি
আগফালে উৰে
কথাষাৰ বাৰু
তুমি জানানে,
সময় পাৰহৈ গ'লে
ঘূৰাই আনিব নোৱাৰি।

সময়ে কাৰো বাধা নামানে
সময়ে কাৰো কথা নুশুনে
সময়ে উলটি
নাচায় কালৈকো
সময় বোৱতী নৈ
মাথো যায় বৈ।

সময়ৰ কাম সময়ত কৰা
যদিহে সময়ক ধৰি ৰাখিব খোজা
সময়ৰ শৰ সময়তে মাৰা
তেতিয়াহে জীৱনক গঢ়িব পাৰিবা ।
সময় গ'লে গুচি
ঘূৰাই নাপাবা তুমি
সময় গ'লে উৰি
ঘূৰাই আনিব নোৱাৰি।

সময়ৰ সৎ ব্যৱহাৰ কৰা
সময়ৰ মূল্য তেতিয়াহে পাবা
সময়ৰ গতি ৰুধিব নোৱাৰি
হাজাৰ বাধা নেওচি
তুমি যোৱা আগবাঢ়ি
সময় গ'লে উৰি
ঘূৰাই আনিব নোৱাৰি ।।

# মাতৃ

বিজুমণি হাজৰিকা

এখন মৰ্মান্তিক পৃথিৱী
এখন সেউজীয়া পৃথিৱী
বিষাদেৰে ভৰি থকা
জন্ম ল'লোঁ তাতেই।
হাত বাউল দি আছে মোক
সৌ বিষাদেৰে ভৰা
কংক্ৰিটৰ হাবিখনলৈ।
এফালে ৰক্তপিপাসু আনফালে
দানৱৰ নৰবলি।
এফালে আকাশ মুখৰিত
আনফালে ক'লা ডাৱৰে আৱৰি থকা
এই নিজান প্ৰকৃতি।
এফালে সন্ত্ৰাসৰ বলি
আনফালে মাতৃৰ বুকুৰ সপোন
জন্ম ল'লোঁ তাতেই
মই মাতৃ
অন্ধকাৰ মোৰ চৌপাশ
হাহাঁকাৰ মাথো জীৱন
হাহাঁকাৰ মাথো
এই সেউজীয়া পৃথিৱী।

## স্বৰ্গ

**উমেশ্বৰী ভূএগ্ৰা**

এক শ্বাসৰুদ্ধ,যন্ত্ৰণা কাতৰ শব্দ;
বিশ্বাসৰ অমিল বাবে মৃত্যুৰ জেহাদ।
শান্তিৰ সন্ধানত ভূ স্বৰ্গলৈ যাত্ৰা।
শাশ্বত প্ৰজ্ঞাৰ সন্ধান লবলৈ।
কোনেও ভবা নাছিল,ভূ স্বৰ্গত হ'ব মৃত্যুৰ কিৰিলি।
নিশ্চল হৈ পৰি ৰ'ব স্বামী, পিতৃ,মাতৃ বা পুত্ৰহাৰা হৈ
প্ৰকৃতিৰ সেউজ আৱৰণ,শুভ্ৰ দলিছাৰ মাজত স্নেহৰ বাৰ্তা;
কিম্বা নতুন জীৱনৰ গোপন আলাপ।
কিয় শান্তিৰ কোমল ৰ'দত সন্ত্ৰাসৰ ছাঁয়া?
শান্তিৰ বাণীত কিয় ধ্বংসৰ জয়গান?
ভূ স্বৰ্গত মানৱতাৰ বলি কোনো এক অদৃশ্য স্বৰ্গৰ আশাত
নিপাত যাওঁক সেই দেশদ্ৰোহী,নিপাত যাওঁক সেই সন্ত্ৰাসৰ ৰং;
নালাগে আমাক কোনো স্বৰ্গৰ সুখ কিম্বা ধৰ্মৰ নামত হোৱা অধৰ্মৰ সং।

দক্ষিণ বিহপুৰীয়া কল্যাণকামী শাখা সাহিত্য সভা।

## আঘোণৰ অনুভৱ

**প্ৰশান্ত শইকীয়া**

পুৱাতে উঠি খৰ খেদাকৈ
এড়ী চাদৰ খন লৈ,
গোহালিৰ পৰা গৰু হাল উলিয়াই
গ'লো এৰাল দিবলৈ।
আগ দিনাখন দেবেন খুড়াই
গোটেই পথাৰখন,
ডাঙৰী বান্ধি ঘৰলৈ কঢ়িয়াই
মুকলি ঘাঁহনি ঘন।
কুঁৱলী প্ৰকোপত একোকে নেদেখি
হাড় কপোৱা জাৰ,
ভাবিলো মনত ময়েই প্ৰথম
গৰু বান্ধিম এইবাৰ।
পাছত হে দেখিলোঁ নদাই ভদাই
দুয়ো ককাই ভাই,
গৰু এৰালত দি ঘুৰি আহিছে
পাছলে উভতি চাই।
সেমেনা সেমেন কৈ আগবাঢ়িলো
খালি ঠাই আছে বুলি,
গৈহে দেখিলোঁ গোটেই পথাৰখন
গৰুৱে আছে ঘুলি।
ঘাঁহনি খনটো ওপৰা ওপৰি
গৰু এৰালৰ বাবে,
শুই থকা শিয়ালে হাঁহ ধৰিব নোৱাৰে
বুজিলো কথাটো এবে।

*সোৱণশিৰি শাখা সাহিত্য সভা।*

## বন্ধ কোঠাৰ বিননি

**ৰঞ্জন বৰ্মন**

দুৱাৰখন জপাই দিয়াৰ পাছৰে পৰা
কোঠাটোৱে
এটা স্থায়ী নাম পালে

দুৱাৰখন জপাই দিয়াৰ বাবেই কোঠাটোৰ সৈতে
বিচ্ছিন্ন হ'ল
বতাহৰ আহ-যাহ
পোহৰৰ লুকা-ভাকু আনকি
বিচ্ছিন্ন হ'ল শব্দ কবিতা গান

মন গ'লেই কোঠাটোৱে তিতিব নোৱাৰে
বাৰিষাৰ প্ৰথমজাক বৰষুণত
শাওনৰ পথাৰত ভূ ৰুই
গাব নোৱাৰে 'বংআই আলুন' অথবা 'ঐনিতম'

মন গ'লেই কোঠাটোৱে বুটলিব নোৱাৰে
শৰতৰ তলসৰা শেৱালি
গচকিব নোৱাৰে নিয়ৰত তিতা সিক্ত দূবৰি
আঘোণৰ পথাৰত ল'ব নোৱাৰে ৰবাব টেঙাৰ
জুতি

মন গ'লেই কোঠাটোৱে ফাগুনৰ পচোৱাত
উৰুওৱাব নোৱাৰে উতনুৱা চিলা
আনকি মন গ'লেই কোঠাটোৱে গাব নোৱাৰে
গান
লিখিব নোৱাৰে প্ৰেমৰ কবিতা

মনে বিচৰাখিনি এপদ এপদকৈ হেৰুৱাই
কোঠাটোৱে
ৰাতি ৰাতি কান্দে

অথচ বন্ধ কোঠাৰ বিননি কোনেও নুশুনে

আৰু এদিন বৰফ হৈ অহা চকুপানীবোৰ সাবটি
শুই পৰে কোঠাটোৱে
নিজানে-নিৰৱে কোনেও নজনাকে।

*বগীনদী শাখা সাহিত্য সভা*

## অপূৰ্ণ ভাৱনা

**মিনু নেওগ ভৰালী**
হাৰমতী শাখা সাহিত্য সভা।

বিজুলী বেগেৰে যেন
কিবা এটা পাৰ হৈ গ'ল,
আঁকিম আঁকিম বুলি আধা অঁকা ছবিখন
অকাঁই নহ'ল

সপোনৰ পাখিবোৰ কোমলতো নাছিল
তথাপিতো ভাগি ছিগি
উৰলি গ'ল
ইমান কোমল, ইমান ঠুনুকা
যেন——ৰং দি সজাই থোৱা মাটিৰ পুতলা।

যোৱাবোৰ যাওঁকগৈ——
এইবাৰ শানত দি জোঙালিম মন
লোৰ শালত পিতি গঢ়িম ভাৱনা,
পূৰতি সপোনে পিন্ধিব
নতুন সাজ,
জলফাই বৰণীয়া হ'ব মোৰ
সপোনৰ কাজ ।

## কেটৰাক

### সৌৰভ বৰুৱা

হয়তো সমস্ত ত্যাগ
হেৰুৱাই পেলাইছোঁ
নাইবা ত্যাগে মোক
হেৰুৱাই পেলাইছে

হয়তো প্ৰাপ্তিবোৰ
হেৰুৱাই পেলাইছো
অথবা প্ৰাপ্তিবোৰে মোক
হেৰুৱাই পেলাইছে

হয়তো সমস্ত সুখ-দুখবোৰ
হেৰুৱাই পেলাইছো
নাইবা সুখ-দুখে মোক
হেৰুৱাই পেলাইছে

হয়তো সমস্ত আপোন সকল
হেৰুৱাই পেলাইছো
নাইবা আপোন সকলে মোক
হেৰুৱাই পেলাইছে

হয়তো সমস্ত আশা-নিৰাশা
হেৰুৱাই পেলাইছো
অথবা আশা-নিৰাশাই
মোক হেৰুৱাই পেলাইছে

হয়তো সমস্ত অতীত
হেৰুৱাই পেলাইছো
নাইবা অতীতে মোক
হেৰুৱাই পেলাইছে

কোনে বা কাক এৰি গ'ল
তেনেকৈয়ে থাককচোন
ধূসৰতাৰ ধ্ৰুপদী লয়লাস ।

ৰেম্পত মাথো এতিয়া
ধূসৰতাৰ কেটৰাক ।

## অভিমানী আঁউসীৰ জোন

### জুমী দেৱী

জোনাক নিশাৰ আকাশ
তৰাৰে ভৰি পৰোতে
সাতৰঙী সপোন সজাই
তৰাৰ সৈতে কথা পাতি
আপোন পাহৰা হৈছিল
পূৰ্ণিমাৰ জোন।

অমানিশাৰ আকাশ
তৰাৰে ভৰি পৰোতে
অভিমান কৰি
বিষণ্ণ মনে আঁতৰি
এন্ধাৰৰ বুকুত শুই পৰিল
অভিমানী আঁউসীৰ জোন।

ঠিকনা ঃ দক্ষিণ বিহপুৰীয়া
কল্যাণকামী শাখা সাহিত্য সভা।

## অঘৰী বাসনাৰ ৰং

### ভাগ্যলক্ষী ডেকা

সৰি পৰিছিল
সৰাপাতত চেনেহবোৰ
আজলী হেঁপাহে
জোনাকৰ আলিঙ্গনত
আঁকিছিল মুগ্ধতাৰ ছবি

দুচকুৰ প্ৰগলভতাত
গলিছিল হৃদয়বোৰ
উকিয়াই উকিয়াই
এপথাৰ শূন্যতাই
একাকাৰ কৰিছিল
জীৱন... সপোন...
আৰু... ভালপোৱাবোৰ

আকাশৰ বিপৰীতে
আকাশ বিনিময় কৰাৰ
সময় আছিল সিবোৰ
জলজ ভাৱনাত
আদ্ৰতাৰ পৰিমাণ জুখিব
নুখুজাৰ পল আছিল সিবোৰ

অঘৰী বাসনাক
ঠিকনা পিন্ধাবলৈ
এটি জুপুৰী সাজোতেই
এজাক বৰষুণ আহিছিল

বৰষুণজাকৰ দীৰ্ঘম্যাদীতাৰ বাবেই
এতিয়াও তিতি আছে
অনেক সপোন
আৰু মৰুময় জীৱনৰ
অঘৰী বাসনাবোৰ।।

# উদাসীন বসন্ত
# এক সমালোচনাত্মক টোকা

**নিৰ্মালী পূজাৰী**
নাৰায়ণপুৰ

"ধৰাতে আহি ব'হাগী ৰাণী
লগালে আমাক মাত
চ'তে গৈয়ে গৈয়ে বহাগে পালেহি
ততে নাই আমাৰ গাত"।

সঁচাকৈ হেপাঁহৰ বিহুটিৰ পদধূলা ধৰাত পৰাৰ লগে লগে অসমীয়াৰ গা সাতখন আঠখন কৰে। গৃহ পৰিস্কাৰৰ পৰা আৰম্ভ কৰি বিধে বিধে পিঠা-জলপান তৈয়াৰ কৰা, পৰিয়ালকে মুখ্য কৰি অঙহী-বঙহীকো সৰুকৈ হলেও কিবা উপহাৰ দিয়া, গৰু গা ধুৱুৱাৰ যো-জা, অতিথি আপ্যায়নৰ লগতে হুঁচৰি সন্মান যঁচা ইত্যাদি কম দায়িত্ব, কম ব্যস্ততা নে কিন্তু খুব ভাগ্য জাননে আজি কালি সেই ব্যস্ততাও নাই সেই গধুৰ দায়িত্বও নাই। কুলিটিয়ে আহি বিননি লওঁতেই বজাৰৰ পৰা সেই 'ৰেডিমেড' পিঠা-পনা আহিয়েই যায় নহয়। খুব কষ্ট লাঘৱ হয়। আলহীৰ সেৱা শুশ্ৰষা কিনা বস্তুৰে কৰি, আনৰ আগত যশ গালেহে আমাৰ আভিজাত্য প্ৰকাশ পায়। তাহানিৰ হুচৰিৰ দৰে আকৌ এতিয়া কেৱল গৃহস্থৰ কুশল-মংগল কামনা কৰি, গৃহস্থই সন্মান জনাই যি দিয়ে তাকে গ্ৰহন কৰিলেও নহ'ব। পাঁচশ টকীয়া খচখচিয়া খন বা তাতকে ওপৰত নিদিলে খুটিত জীএগ্ৰা পৰিয়ে থাকিব। এতিয়া কেৱল হুচৰিৰ সুৰতহে গৃহস্থৰ কুশলৰ্থে ধ্বনি, হৃদয়ত নাই। নহ'লে আকৌ খানা খোৱাৰ নামত ৰঙাপানী টুপিৰ সোৱাদ ল'ব নাপায় নহয়। আজি কালি বসন্ত আহিলে কপৌফুল নুফুলে, আমাৰ বাৰিত পিংক অৰ্কিডহে লাগে। বহাগী মেলাত বিহু নাচৰ সময় লাগিলে খন্তেক হওক নিশা প্ৰগেম কিন্তু দীঘলীয়া হ'বই লাগিব। তাতে সেই প্ৰগেমতহে এচামে লেকাম নোহোৱা উদ্দাম নৃত্য কৰি পৰিৱেশ নষ্ট কৰিব পাৰিব। কি কৰিব এইয়াই আৰু, আধুনিকৰ নাম লৈ অত্যাধুনিক বিহু। বহুতে কয় বিহু মঞ্চলৈ উঠাৰ পিছতেই ধ্বংস হ'ল কিন্তু মই পিছে এইক্ষেত্ৰত ব্যতিক্ৰম। বিহু আচলতে আমাৰ অত্যাধুনিক চিন্তাৰ বাবেহে ধ্বংস হৈছে। অতিমাত্ৰা সকলোতেই বেয়া। বিহুটোত ৰহন লগাওতে লগাওতে, কোনোবাদিনা বিহুও অসমীয়া সমাজৰ মেহেন্দী হলদি উৎসৱ থকা কিছুমান বিয়াৰ দৰে হয় বুলিহে ভয় হয়। বিহু গুচি বৰবিহ হ'বলৈ যেন আৰু কিছু ক্ষণহে বাকী। পিছে এপাচি শাকত এটা জালুক এতিয়াও দেখিব পোৱা যায়। এতিয়াও নিজ হাতেৰে পিঠা-পনা বনাই আলহীক আপ্যায়ন কৰা মানুহ আছে। নিষ্পাপ শিশুসকলৰ নিভাঁজ হুচৰিৰ সুৰত এতিয়াও বিহুৰ ফূৰ্তি আৰু হৃদয়ত গৃহস্থৰ কুশল মংগল আশীৰ্বাদ থাকে। এতিয়াও কিছুলোকৰ ঘৰত কপৌ তগৰ নাহৰ ফুলৰ সুবাস পোৱা যায়। কিন্তু দুখজনক বাৰ্তা এইয়াই যে সেইয়া খুবেই নগণ্য। যি সকলে এতিয়াও নিজৰ হৃদয়ত লগতে নিজৰ ঘৰ আৰু সমাজত বিহুটিৰ পূৰ্বৰ স্বৰূপ জীয়াই ৰাখিছে, সেইসকল লোক যেন বাকী সকলৰ বাবে আদৰ্শ হওক। সেই আশা আৰু সপোন বুকুৰ এচুকত বান্ধি ৰাখিছো। এদিন হয়তো আকৌ ক'ব পাৰিম "আমি অসমীয়া নহওঁ দুখীয়া কিহৰ দুখীয়া হ'ম?"

(অণুগল্প)

**লাৱণ্য ৰাণু ফুকন**

# মিছলীয়া

মনত আছেনে তোমালোকৰ, কাতি বিহুত যে তোমালোকৰ গোটটোত বাৰ গৰাকীক বাৰযোৰ কাপোৰ উপহাৰ দিছিলোঁ।
আছে, আছে বাইদেউ (২০০টকীয়া) এতিয়া মোক পঞ্চায়ত নিৰ্বাচনত ৰাইজে উঠাইছে ভোটটো দিব দেই।
এইজনীয়ে কি চিন তাকো নক'লে, তুমিৰ পৰা আপুনি হ'ল, ঘেণ্টা ভোট দিব, মিছলীয়া জাত।

# গীতৰ শৰাই

অ' মা কালি বিহুৰ শেষ ৰাতি গীত গাইছিল। ইমান বৰষুণ তথাপিও মানুহ বহুত হৈছিল হেনো। অ---মা চোৰাচোন পথাৰখনত চিঙা চেণ্ডেল, জোতা, ভঙা চকীবোৰ!
ও, জুবিন গাৰ্গ আহিছিল আক', তেওঁক বহুতে ভাল পায় খাতিকেহে----

# পৰিচয় পত্ৰ

অ' মাইনা তুমি পৰিচয় পত্ৰ লগোৰা নাই যে, বিহু নচা সকলে সামান্য মাননি **২০০** টকা দি বাৰ দিন আখৰা কৰিব পাৰিবা। আবেদন পত্ৰ ল'লা নে ?
'মায়ে নলও বুলি কৈছে। চাৰিদিন কৰাৰ পিছত বেলেগ এখনত নাচিম গৈ । তাত ফিজ্ **১৫০** টকা!' হয় নেকি??

# জুখি চালো

অ' মণি বাইদেউ মিঠাতেল আধা লিটাৰকৈ বেলেগ বেলেগ কৈ লৈছে যে! খোলা মিঠাতেলো ল'লে দেখোন,''হেৰি অ' বটলৰটো খাবলৈ ,খোলাটো ভগৱানৰ বন্তি খনিলৈ--!
আপোনালোক সেইকাৰণে ধনী,কিন্তু পম্পী বৌহঁত বেছি ধনী,তেওঁলোকে আকক্স খোলা তেল খায় আৰু দামী বটলৰ তেল প্ৰাৰ্থনা কৰোঁতে চাকিত দিয়ে।
পিছ দিনাৰ পৰা মণি বাইদেৱে তেলৰ কাৰবাৰ উলুটা কৰি ধনৰ দোকানৰ নিগনি পৰা খোলা তেল খাই এতিয়া ঢাৰি পাতিত।

# বিয়লি বেলিৰ বিষাদ

গঙ্গা শইকীয়া

কাহিলি পুৱাতে শোৱা পাটি এৰি, দধি ভকত গ'ল বোলে আতৈক বিচাৰি। পিচে আতৈনো কোন তাকহে নাজানে কোনেও, কাৰণ এই অঞ্চলত দধি ভকতৰ তেনে আতৈ জাতীয় লোক আছে বুলি আনে ভাবিব নোৱাৰে। খন্তেকতে খবৰতো গৈ গাওঁখনত বন জুইৰ দৰে বিয়পি পৰিল। বিচৰা বিচৰি, ঠায়ে ঠায়ে হুৱাদুৱা লাগিল। গাঁৱৰ জিয়ৰী বোৱাৰীহঁতে ৰাজহুৱা স্থানৰ পৰা পানী নিবলৈ আহি চাদৰৰ আচলেৰে মুখ ঢাকি জুম বান্ধিব ধৰিলে। কথাটো কি? কিহৰ বাবে ভকত গ'ল ইমান পুৱাতে, ঘুৰি আহিবনে বাৰুঙ্গ কিবা এমুঠি খাই গ'ললনে নোখোৱাকৈ গ'ল। গুৰু গৃহত বোধকৰো সোমোৱাই নহ'ল। বোৱাৰীয়েক ৰাজমালাই কোৱামতে যাওঁতে বোলে ভকতে মাত দি গৈছে কোনোবা আতৈক হেনো লগ ধৰিব লাগে। কথা সিমানেই, আৰু সুধিবলৈ সুবিধাই নহ'ল, চাইকেলখন ললে, সাউৎকৈ ওলাই গ'ল কোনোবা ফালে। বোৱাৰী বিচনাত থাকোতেই গ'ল। তাতে ভকতৰ পৰিবাৰ সৰলাও গৈ জীয়েকৰ ঘৰত ঘৰ ৰখীয়া হৈ আছেগৈ। জী-জোৱাই বোলে চহৰ ফুৰিবলৈ গৈছে। আনৰ কথা সুকীয়া, দধি ভকতৰ বাবে চিন্তা কৰিব লগীয়া আছে বুলি চুবুৰীয়াই কোৱা মেলা কৰে। কথাটো কাৰোবাক বা দুৰৈত থকা পুতেকক জনাবলৈ আৰু থানাত এখেদা মাৰি ফোনা-ফোনী কৰিবলৈকো অসুবিধা আছে, কাৰণ কথাটো এতিয়াও ভালদৰে জানিব পৰা হোৱা নাই। সৰু পুত্ৰ বোৱাৰীয়ে সিমান চিন্তা কৰা নাই বুলিয়েই গঞাই ভাবে। এজনে ক'লে বোলে এইবোৰ চিন্তা কৰিব লগা একো নাই, কিবা গৰজ পৰিছে আৰু ভকত গৈছে কাৰোবাক বিচাৰি, তাতে ইমান হেলা গোলা কৰি মুৰ ঘমোৱাৰ দৰকাৰ কি? এনে দৰে ৰাষ্টাই ঘাটে পৰচৰ্চ্চা কৰি থাকিলে বোৱাৰীয়েকৰ পৰা কটু কথা শুনিব লাগিব। তাইৰ ভাৱমূৰ্ত্তি আচৰণ বিধি সকলোৱে জানে। তাইলৈ সমীহ নকৰা লোক কোনো নাই। এনেদৰে কৈ মেলি কিছু যায় আকৌ নতুনকৈ কিছু লোক আহি তিনিআলিত জুম বান্ধেহি। তাৰে মাজৰে আদবয়সীয়া লাহেশ্বৰে এজনক মনেকানে লাহে লাহে ক'ব ধৰিলে "দধি ভকত বোলে আপোন ঘাটি হব লাগিব। তেওঁৰ মন বহু দিনৰ পৰাই বেয়া। খোৱা বোৱা, চলন ফুৰণ, নামপ্ৰসঙ্গ কৰা গুৰুগৃহত সোমোৱা, কামবন আদিত একো মন নবঢ়া হ'ল। সেৱা-সকামলৈ যাবলৈ এৰিয়ে পেলালে। গতিকে তেনে কৰিলে বুলি ভাবিবৰ থল আছে।" কথাটো মনে মনে কৈছিলে যদিও ভালেকেইজনে শুনি গৰগৰাই উঠিল-"ছিঃ ছিঃ এনে কথা কব নাপায়। বয়স ভাটি দিলে মানুহৰ তেনে হয়েই। তাতে তেওঁৰ এতিয়া জয় জয় ময়ময় অৱস্থা। দুখ বেজাৰো নাই। ভকত তেনে বিধৰ লোক হব নোৱাৰে। এনে ভাৱ মনলৈ আনিব নাপায়।" কান খৰিকাই থকা হলধৰে লগতে উজান দিলে "অঁতো, তাহানি মাজুলী বিৰিণা বাৰীত থাকোতে সাত জনী মেনী মহ খিৰাই খোৱা, পাভতি চাং মহৰ টোকোনেৰে ভৰাই থোৱা, বাঘৰ মুখৰ পৰা গৰু ছাগলী কাঢ়ি অনা আৰু এতিয়া এই নপমুৱাত এনেহেন দৰাৱ খৰাং বতৰত চাৰিজনী কৈ ছোৱালীক সময় পাৰ নৌ হওঁতেই সৎপাত্ৰত বিয়া দিয়া, তিনিটা ল'ৰালৈ চাৰিজনী বোৱাৰী গোটোৱা (তাৰমানে মাজু পুত্ৰই এগৰাকী পিচত বেচিকৈ গোটালে) তিনিটা কম দুই ডৰ্জন নাতী নাতিনীৰ মুখ দেখা দধি ভকত ইমান লেহুকা নহয় যে কিবা দুখত আপোন ঘাটি হব।"

"কথাটো সেই খিনিতেই বাপসকল।" ইমান পৰে কিবা ভাবি আন মনা হৈ তলকা মাৰি বহি থকা, দধি ভকতৰ

জীৱন যৌৱনত সোঁৱে বাঁৱে সাক্ষী হোৱা লেৰেলা খনিকৰে গহিনাই মাত লগালে। লগে লগে সকলো উবুৰিখাই পৰিল "হয়নে"। "দধি ভকত তেনেহলে হেৰাল" পাঠশালাৰ হেদ পণ্ডিতে হুমুনিয়াহ কাঢ়িলে। "তেনেকৈ ঘপকে কৈদিব পৰা নাযায়" বুলি লেৰেলা খনিকৰে আৰম্ভ কৰিলে। "আপোনালোক সৰহ ভাগেই জানে যে বিৰালিচৰ আগতে বিৰিণাবাৰী যেতিয়া বৰ নৈয়ে কাঢ়ি নিয়ে, তাৰ পিচত ভকতে কেনেকৈ ইমানকেইটা এমা দিমা লৰা ছোৱালী লৈ অ'ত ত'ত জুপুৰী সাজি সাজি কিমান আলই আথানি হৈ শেষত এই নপমুৱাত থিতাপি ললেহি। বৰ কষ্ট কৰিলে বুইছে বৰ নষ্ট কৰিলে। খং ৰাগ নাইকীয়া একেবাৰে নিমাখিত মানুহ বাবে আৰু পৰিবাৰ সৰলাও তেনেই সৰল বাবে আক তাক খাতিৰ খোচামতি কৰি হলেও ল'ৰাছোৱালী কেইটাক অন্ততঃ মানুহ কৰিব পাৰিলে। দুটা ল'ৰাকো দুঠাইত গোঁজ লগালে। সৰুটোক ক'তো থব নোৱাৰি জানিবা ৰাজআলিতে এখন দোকান দি বিয়াও কৰাই দিলে চাকৰিয়াল ছোৱালী লগত। ভকতৰ সুখেই সুখ হব ধৰিলে....এনেতে গুৱাহাটীৰ পৰা পুৱা ৰেলেৰে ঘৰলৈ বুলি ঘূৰি অহা এজনে তাৰমানে লিদাৰ নন্দই আহি মানুহখিনিক কলেহি, ৰেল আলিৰ কাষত আজি নিচেই পুৱাতে এটা মৰাশ ৰেলৰে পুলিচে পাইছে আৰু লাচটো জিলালৈ লৈ গৈছে বুলি শুনিছে। কিন্তু ক'ৰ মানুহ কি কথা তাৰ ঠিকনা ওলোৱা নাই বুলি কৈ খোজ ললে। কথাটো শুনি তাত থকা সকলৰ ধাতু উৰিল। গাৰ নোম দালি দালি হ'ল। ঘড়ীলৈ চাই দেখে যে ঘড়ীয়ে এতিয়া আঠ বাজিবৰ চেষ্টা কৰিছে। তাৰমানে ভকত নিখোজ হোৱা প্ৰায় সাত ঘন্টা হ'ল। তেনেতে জানিবা হেদ পণ্ডিতে সকলোকে সাৱধান কৰি দিলে যেন কোনেও আগ গুৰি নজনাকৈ উৰাবাতৰি উলিয়াই নুফুৰে। তাৰে দুজন লৰাক কথাটো মনে মনে জানি আহিবৰ বাবে পথাই দিলে।

"বাপ সকল, আমিযে ভকতৰ ভাল-সম্বাদ এটা পাম সেয়া আশা কৰিব নোৱাৰো। যদি কথা সেয়ে হয় তেনেহলে তেৰাৰ আদ্যশ্ৰাদ্ধৰ দিনা এখন মহাপুৰুষীয়া নাটৰ ভাওনা পাতিব লাগিব।" নন্দী বায়নে কলে। হলধৰে বোলে-" নহয় নহয় কংসবধ বা ৰাৱন বধহে পাতিব লাগিব। আৰু তাত ভাও বিলাক বুঢ়া মেথা সকলক ভাগ কৰি দিব লাগিব।"

'এহ বৰ আগবাঢ়িছা' বুলি লেৰেলা খনিকৰে ধমক এটা দি পুনৰ আৰম্ভ কৰিলে। খনিকৰৰ আগগুৰি নিমিলা কথাবোৰৰ সাৰমৰ্ম আচলতে এনেকুৱা-"ইমান এটা ডাঙৰ পৰিয়ালৰ সৈতে দধি ভকতে বৰ সুন্দৰকৈ সংসাৰ খন চলাই আছিল। ডাঙৰ পো-বোৱাৰী নগৰতে থাকে। উপাৰ্জন ভাল। মাজুটোৱে পানী যোগানত সৰু চাকৰি এটা কৰে। সি অৱশ্যে ভাড়া ঘৰত থাকে। তাৰ স্বভাৱ চৰিত্ৰ ভাল নহয় বাবে ভকতে বৰ হলি গলি নকৰে। পৰিবাৰ সলাই কিন্তু যোগসূত্ৰ ৰক্ষা কৰি চলে। পুৱা গধুলী নাম প্ৰসঙ্গ-প্ৰাৰ্থনা কৰা ভকতৰ এক এৰাব নোৱাৰা কৰ্ম। পুৱা ৯ বজাত তালৰ শব্দ শুনি গাঁৱৰ ল'ৰা-ছোৱালীবোৰ স্কুললৈ যায়। গধুলী ভোৰ তালৰ শব্দত গৃহিনীবোৰে ঘড়ী ঘন্টা নোচোৱাকৈ অন্নমুঠি প্ৰস্তুত কৰে। ভকতে নাম গালে আৰু পাঠ পঢ়িলে হেনো কলায়ো শুনে, নাম ঘৰত যিদিনা ভীমৰ ভাও দিব সিদিনা বোলে মৰায়ো মুৰ দাঙি চায়। এক কথাত কবলৈ গ'লে গুৰুজনাৰ ৰীতি-নীতিৰ কোনো ইফাল সিফাল নোহোৱাকৈয়ে দুটা ধৰ্মৰ দুটা খেলৰ সমাজখন পৰিচালনা কৰাত ভকতেই আগভাগ লয়। প্ৰকৃততে ন পমুৱা ভকতেই গঢ়িলে। নামঘৰ-মণিকূট নাটঘৰ আদি সজালে। জী-জোৱাই, নাতী-নাতীনি সকলো একশৰণীয়া। পুৱা গধুলা প্ৰাৰ্থনা নকৰাকৈ কলৈকো নাযায় আৰু এমুঠি নাখায়ো। ডাঙৰ বোৱাৰীক ভকতে বৰ ভালপায়, একেবাৰে সাদৰী, মাতটো মৰম লগা। কেতিয়াবা ভকতে ভাৱে বোৱাৰী গাঁৱৰ ঘৰতে থাকক বুলি। পিচে নাতী হঁতৰ পঢ়া শুনাত অসুবিধা হয় বুলি ভয়ো কৰে। মাজু পুত্ৰৰ নাতীয়ে চকুত ৰঙীন আইনা লগাই দীঘল চুলি ৰাখি, দিঙিত চেইন মাৰি মাটিত চুচৰি যোৱা পেন পিন্ধি

হাতত মবাইল লৈফুৰে। ভকতে ধমকি দিয়াত জানিবা ককাকৰ ওচৰলৈ সি নহাই হ'ল-তাতে সিঁহতৰ কিছু বিৰুধ। গতিকে মাজু পুত্ৰই অলপ খেলি মেলি কৰা দেখি সৰু পুত্ৰৰ বাবে এজনী "ভাল বোৱাৰী" বিচাৰি ফুৰোতেই জানিবা ভকতে নজনাকৈ ল'ৰাই পচণ্ড কৰিলে ৰাজমালাক। স্থানীয় চক্ৰ বিষয়াৰ কাৰ্যালয়তে কেৰানি চাকৰি কৰে, দৰমহা ভাল। তাতে উপৰোৱা দৰমহাও আছে। গতিকে ধুমধামেৰেই বিয়াখন হৈ গ'ল। ডাঙৰ বোৱাৰীয়েকেও ভাবিলে অন্ততঃ শাহুৰ শহুৰক ভাল লগ এটা দিব পাৰিলো বুলি। বিয়াৰ দিনা সমাজত আচাৰ্যদেৱে কন্যাক তেজস্বিনী হোৱাৰ কথাবোৰ কোৱা ভকতৰ মনত আছে আৰু বহু উপদেশ দিয়াৰ কথাও জানে। ভকতৰ মন এনেয়ে ভাল লাগি গ'ল। পুৱা গধুলী বোৱাৰীয়ে ঈশ্বৰ সেৱা কৰিব, ভকত বৈষ্ণৱক সেৱা কৰি তামোল এখন আগবঢ়াব পাৰিব ইত্যাদি।

বিয়াৰ পিচত ভবামতেই কামবোৰ আগবাঢ়িব ধৰিলে। নতুন বোৱাৰী সোমোৱা ছমাহৰ পিচতেই আগৰ জুপুৰী ঘৰটো ভাঙি তাৰ ঠাইত 'অসম আৰ্হিৰ' এটা সুন্দৰ ঘৰ সাজি দিলে। একেবাৰে ভাতঘৰৰ পৰা পাইখানা ঘৰলৈকে একেলগে। আগৰ কুমতীয়ে হাল বোৱা গুৰু গৃহটিও পিচৰ বছৰত আঁটৰাই নতুনকৈ কিবা মন্দিৰ যেন লগাকৈ এটা পকা গোসাঁই ঘৰ কেনিও ফুটা এটা নথকাকৈ সাজি দিলে। পিচে ইয়াতহে ভকতে বৰ ভাল নাপালে। যাই নহওক পো-বোৱাৰীয়ে কৰিছে যেতিয়া মাতমতা উচিত নহব। কেনাবোৰ ইয়াৰ পৰাই প্ৰথমে আৰম্ভ হব ধৰিলে। বাহিৰৰ ঘৰখন যিদৰে বোৱাৰীয়ে সজালে কিন্তু ভিতৰৰ মনৰ ঘৰখন সাজিব নাজানিলে। ক্ৰমে বোৱাৰীৰ কথাহে ঘৰখনত ৰজিব ধৰিলে, পোৱে মাত্ৰ চকুমুদি থকাৰ দৰে হ'ল। সস্তীয়া বিলাসিতা, ধনসম্পত্তিৰ লালসাই দিনে দিনে পো-বোৱাৰীৰ বাঢ়ি যাব ধৰিলে।। শেষত এখন বৰ ধুনীয়া গাড়ীও কিনি ললে। ৰাতি দুপৰলৈকে অফিচৰ মানুহ আহি ঘৰখনত ভৰি থাকেহি। বোৱাৰীয়ে পুৱা পলমকৈ শয্যা এৰিবলৈ ললে। সময়মতে চাহ কন ভাত কেইটা যোগাৰো অনিয়মীয়া হৈ পৰিল। নামসেৱা এভাগ পাতিব ধৰিলে পো বোৱাৰীয়ে হাতধৰি খৰছ কৰিব বিচাৰিলে। লাহে লাহে সেৱা সকামো পাতিবলৈ এৰি দিলে। গুৰুগৃহত সোমোৱাও অনিয়মীয়া হ'ল। যিহেতু 'নৰসিংহ ৰূপে হিয়া বিদাৰিল তাৰ' বুলি ভকতে বৰ জোৰদি তাল নবজালে সুখেই নালাগে। তেনেস্থলত মনেমনে গুৰুগৃহত কিমান গাব। তাল বজাই নাম গালে বোৱাৰীয়ে হুলস্থুল হোৱা বুলি বেয়া পোৱা হ'ল- সৰুকৈ প্ৰাৰ্থনা এটা গালেই বোলে হৈ যায়। তাৰ মানে বোৱাৰী সম্পৰ্কৰ মানুহবোৰ ঘৰখনলৈ আহে পুৱা আৰু গধুলী বেলা। যেতিয়া নেকি ভকতৰ প্ৰাণঢালি নাম গোৱাৰ সময়। অফিচৰ মানুহ বোৰেও হেনো বেয়া বুলি কয়। এই বিলাক কথাত প্ৰতিবাদ কৰিব নোৱাৰি ভকতে কেতিয়াবা পিচফালে থকা আৰামী চকীখনত বহি কথাবোৰ ভাবি থাকে, যিখন চকি আগতে মুল চ'ৰা ঘৰত আছিল-এতিয়া বোৱাৰীয়ে লৈ অহা নামী দামী আসনৰ শাৰীত সেই আৰামী চকি খন থলে বেয়া দেখি বাবে পিছফালৰ বাৰান্দাত থয়। এই কথাবোৰ অৱশ্যে পৰিবাৰ সৰলায়ো অনুভৱ নকৰাকৈ থকা নাই। তথাপি একো কব আৰু কৰিবও নোৱাৰে। কেতিয়াবা ভকতক কয় "ঘৰখন সৰু বোৱাৰীয়েহেগঢ়ি তুলিছে, আমিতো একো কৰিব নোৱাৰিলো। গতিকে সিঁহতৰ ভালেই আমাৰো ভাল। আমাৰ অসুবিধা হওক সেয়া ডাঙৰ কথা নহয় কাৰণ আমিনো আৰু কিমান দিন থাকিম। কিন্তু সিঁহতৰ অসুবিধা হৈ অমিল হ'লেহে আমাক দোষে চুব। সেয়েহে বনকৰা ছোৱালীয়ে চাহ দিলেও খাব কেতিয়াবা ভাত দিলেও খাব।" কেতিয়াবা ভকতেও ভাৱে ডাঙৰ বোৱাৰীৰ লগতে থাকোগৈ নেকি। পিছে বোৱাৰীয়ে আগবাঢ়ি ক'লেহে ভাল হয়। তাতে সিহঁতৰ ঘৰখন আকৌ বৰ ঠেক ইত্যাদি ভাৱবোৰে মনক খুন্দিয়াই থাকে। চাকৰি কৰা বোৱাৰি যে কেৱল আমাৰহে আছে এনে নহয় সেই গিৰিকান্ত চলিহাৰ বোৱাৰীয়েকে ইমান ডাঙৰ চাকৰি কৰিও বিভিন্ন মেলমিটিং সমাৰোহ

আদিত দান বৰঙণি দি ঘূৰি ফুৰে। মোৰনো কি দোষত এনেহবলৈ পালে। যিখন ঘৰত বিহুৰে সংক্ৰান্তিয়ে গএগ্ৰা জ্ঞাতি জী জোৱাই নাতী নাতিনীয়ে উখল মাখল কৰি থাকে তেনে এখন ঘৰলৈ আজি ক্ৰমে সকলোৱে পিঠি দিব ধৰিলে। যোৱা এটা বছৰে এজন ভকতক প্ৰসাদ এমুঠি দিবলৈকো সাহ কৰিব নোৱাৰা হ'ল। এনে এবোজা চিন্তা ভাবনা লৈ ভকতে নিজকে বৰ অকলশৰীয়া যেন অনুভৱ কৰিব ধৰিলে। কিন্তু লোকক দেখুৱাই ভকত বৰ ৰঙিয়াল হৈ থাকিবৰ চেষ্টা কৰে, পো-বোৱাৰী ভাল বুলি গৌৰবো কৰে, কিন্তু বুজালোকে তাৰ মাজতে সকলো বুজে।

ইফালে বোৱাৰীয়ে হেনো ফোনতে কাৰোবাৰ পৰা কিবা এটা সম্বাদ লাভ কৰি ৰুমৰ ভিতৰতে শুই কান্দি কাটি আছে, বাহিৰলৈ নোলোৱাই হ'ল, অফিচলৈকো বোলে আজি নাযায়। পুতেকো কোনোবাফালে ওলাই গ'ল। সদায় গাখীৰ যোগান দিয়া ৰামলালে আহি জুমটোৰ মানুহ খিনিক এনেকে কলেহি। খনিকৰ আৰু লাহেশ্বৰে বোলে যি হয় হৈ থাকক, তায়ো এসেকা পাব আজি। এতিয়া সকলো ঘৰা ঘৰি গৈ গা পা ধুই এমুঠি পেটত পেলোৱাৰ পিচতহে বাকী কথা চিন্তা কৰিম। এনেদৰে কওঁতেই গাড়ীৰ শব্দ শুনিবলৈ পালে। গাড়ী কৰ পৰা আহিছে বুলি মুখ ঘূৰাওঁতেই মাৰুতী এখন আহি নিচেই কাষতে ৰ'লহি। গাড়ীখনৰ পৰা এগৰাকী ভদ্ৰ মহিলা নামি আহিব ধৰিলে। মানুহ গৰাকীক দেখা মাত্ৰেই হেদ পণ্ডিতে চিনি পালে, এৱে সেই বৰচাপৰিৰ তাহানিৰ চন্দ্ৰ চৌধুৰীৰ ছোৱালী জয়ন্তী। স্থানীয় বৰবৰুৱা কলেজৰ দৰ্শনৰ অধ্যাপিকা। গাড়ীৰ পৰা নামিয়েই সমজুৱাক সুধিলে- "শান্তিৰাম দত্তৰ ঘৰটো কোনফালে আছে"। (প্ৰকৃততে দধিভকতৰ আচল নাম শান্তিৰাম দত্তহে, তাহানিৰ দিনতে গাখীৰ বেচে বাবে দধি আৰু নাম গাই ফুৰে বাবে ভকত অৰ্থাৎ দধি ভকত বুলি জনাজাত হ'ল।)

তেতিয়া ইজনে সিজনক ছোৱাচুই কৰিব ধৰিলে। ইয়াৰ মাজতে জয়ন্তীয়ে কিবা এটা বুজি পালে, কথাটো যেন কোনেও কাকো নকবই। লেৰেলা খনিকৰে বোলে হেদ পণ্ডিতেই প্ৰথম কথাটো আৰম্ভ কৰকছোন। আগবাঢ়ি হেদ পণ্ডিতে মাত লগালে-

"হেৰা, তোমাক দেখো মই চিনি পাওঁ পাওঁ লাগিছে। তুমি সেই চন্দ্ৰ চৌধুৰীৰ ছোৱালী নোহোৱানে বাৰু।

"হয় হয়, মই চন্দ্ৰ চৌধুৰীৰ একমাত্ৰ ছোৱালী। এতিয়া পিচে মই চিচি লৈ বিয়া হৈ আহিলো, মাখন হাজৰিকাৰ ডাঙৰ বোৱাৰী হৈ জয়ন্তী হাজৰিকা হ'লো।"

"মাখন হাজৰিকা মানে-আমাৰ জিলাৰ সভাপতিৰ কথা কৈছানেকি।"

অঁ হয় তেখেতৰে।

"হেৰা, মই তোমাৰ দেউতা চন্দ্ৰৰ লগত একালত একেলগে পঢ়িছিলো- তোমালোকৰ ঘৰলৈ গৈছিলোও তোমাক দেখা মনত আছে।"

"ক্ষমা কৰিব, বহুদিন হ'ল-মই পাহৰি গ'লো। এতিয়া মনত পৰিছে-বোধকৰো আপোনাৰ ঘৰ....।

"এই কাষৰটিয়েই ..পিচে তুমি শান্তি ৰামৰ ঘৰলৈ আহিলা মানে....।

"মানে মই তেখেতৰ সৰু বোৱাৰী ৰাজমালাৰ লগতে জে.বিত একেলগে পঢ়িছিলো। মই বৰ্তমান বৰ বৰুৱা কলেজত কাম কৰো। এই সুযোগতে আজি কলেজলে অহাৰ চলেৰে মামাৰ গাড়ীখন লৈ বান্ধৱীৰ ঘৰত এপাক সোমাই যাওঁ বুলি ভাবিলো।"

"বৰ ভাল কৰিলা দেই, পিচে তুমি আজি থাকিবা নহয়।"

" নহয়, নোৱাৰিম, মই কাইলৈ আই মাতৃ সমাৰোহত ভাষণদান কৰিব লাগিব।"

"আৰু ভাল কথা শুনালা তুমি। পিচে শান্তি ৰামৰ বৰ অশান্তি বুজিছা।"

"বুজিছো দেউতা, মই সকলো কথা বুজিছো।"

"বুজিছা মানে শান্তি কুশলে.....

"অ কুশলে আছে। আজি পুৰা চাৰি বজাৰ ৰেলখনৰ পৰা নামি আমাৰ ঘৰ পালেগৈ। পিচত জানিব পাৰিলো তেখেতক নিচলা লোক নাই। আমাৰ জিলা নামঘৰৰ ধনীৰাম আতৈয়ে বোলে মাতি পঠাইছিল। নামঘৰত নামঘৰীয়া এজন লাগে বুলি। সেই সুত্রে তেখেতে জিলাৰ সভাপতিক নামঘৰীয়া হবৰ বাবে আবেদন এখন দিবলৈ পুৰাই গৈছিল আৰু শহুৰ দেউতাক নিজ হাতে দিছিল, কাৰণ আজি বিয়লী জিলাৰ কাৰ্য নিৰ্বাহিক বহিব। তাতে বিষয়টো নিষ্পতি হ'ব লাগিব।"

'উঃ এয়া মই কি শুনিলো প্ৰভু, কি শুনিলো। হেৰা লাহেশ্বৰ, বায়নহে আহা আহা, গোমধৰো আহা আজিয়েই কিবা এটা হেস্ত নেস্ত কৰিব লাগিব কি কাৰণে ভকতে নামঘৰীয়া হবলৈ দখাস্ত দিব'...বুলি লেৰেলা খনিকৰে উচপিচাব ধৰিলে।'

"মই সকলো বুজিছো দেউতা সকল। শান্তিৰামৰ ঘৰ সংসাৰৰ কথা আমাৰ দেউতাই সকলো জানে। এক কথাত কবলৈ গ'লে-পুত্ৰবোৱাৰীৰ অঘোষিত অনুশাসনত বন্দী হৈ থকাতকৈ ঘৰ সংসাৰ ত্যাগী 'নামঘৰীয়া' হৈ থকাই ভাল হব বুলি ভাবি যে শান্তিৰামে এনে আবেদন দিছে- এই কথাও মোক দেউতাই বুজাই দিলে। ইতিপূৰ্বে মই ৰাজমালাক এনেধৰণৰ কথা শুনালো আৰু তায়ো নিজৰ দোষ স্বীকাৰ কৰি মোক জৰুৰী তেওঁৰ ঘৰলৈ মাতি পঠাইছে। কিন্তু আবেদনখন দিওঁতে তেখেতৰ চকুত গোট মাৰি থকা চকুপানী খিনি দেখিহে মোৰ দুখ লাগিল, যেন আবেদন খন পুনৰ উঠাই ল'ব.....

লগে লগে সকলোৰে চকু সেমেকি উঠিল। আৰু হেদ পণ্ডিতে পৰিস্থিতিৰ উমান পাই সকলোকে ভকতৰ ঘৰলৈ লৈ গ'ল। দুই এজনকৈ গাঁৱৰ প্ৰায় খিনি পুৰুষ মহিলা গোট খালেহি। যেন কাৰোবাৰ বিয়োগত এক মৌন সমদলহে। ভকতৰ চোতাল গৰকাৰ লগে লগে ৰাজমালাই ৰাউচিজুৰি কান্দিব লাগিলে। 'ৰাজমালা' বুলি জয়ন্তীয়ে মাতষাৰ দিছিলহে দুয়ো সাবটা সাৱটি কৰি অবুজন ছোৱালীৰ দৰে কন্দা কটা কৰিলে। দুই একে বুজালে, বাপ সকলৰ কিছুৰে ভালেই পালে। কিন্তু আই সকলৰ অৱস্থা হলে বেয়া হল, দধিভকতলৈ মনত পৰিল, ভকত হয়তো এই ঘৰলৈ আৰু ঘূৰি নাহিব।

এনে এটা পৰিৱেশৰ মাজত খনিকৰে সুৰুঙা উলিয়াই পিচফালে গৈ গাটো তিয়াই ল'লে। ভকতৰ ভাগৰে কাপোৰ কেই পদ পিন্ধিলে, গোসাই ঘৰৰ দুৱাৰ খন খুলি পানী দুছাটি মান মাৰি ধুপ এদাল, গুৱা পান এভাগ আগবঢ়াই বন্তি গছ জলালে। সকলোকে আহি গুৰু গৃহৰ সন্মুখত আঠু লবলৈ আদেশ কৰিলে। কথামতেই যেয়ে যতে আছিল সকলোৰে আহি আঠু কাঢ়িলে। তেনেতে দুই একে ধৰি ললে যে খনিকৰে পকাত আঠু লোৱাই দীঘল আশীৰ্বাদৰ মাননী দিহে এৰিব।" কেই দণ্ডমান নিৰৱতাই বিৰাজ কৰিলে। তথাপি কোনেও একো নমতা দেখি লেৰেলা খনিকৰে অকলেই আৰম্ভ কৰিলে-"আমি যত জীৱ.........তোমাৰ পালন......হৰি এ.......তুমিসে পালিয়া...........

# সাহিত্যৰ বিকাশত সৃজনীমূলক সাহিত্যৰ ভূমিকা

**ৰাজিত চাংমাই**
ঘিলামৰা শাখা সাহিত্য সভা।

সাহিত্য বুলি ক'লে পোনচাটেই সৰ্বসাধাৰণতে মনলৈ আহে সাহিত্যৰেই কেতবোৰ ৰূপ যেনে- গল্প, কবিতা, উপন্যাস, প্ৰবন্ধ, নাটক আদি। অৰ্থাৎ এইবিলাকেই সাহিত্য কাক বোলে বুলি প্ৰশ্ন অবতাৰণা কৰিলে সাহিত্যৰ অৱধাৰণাটো মানসপটত স্পষ্ট কৰে। ইয়াৰে গল্প, কবিতা, উপন্যাস, নাটক প্ৰভৃতিবোৰক সৃজনীমূলক সাহিত্য বুলি ক'ব পাৰি। কিয়নো ইয়াত স্ৰষ্টাই নিজস্ব কল্পনা, অভিজ্ঞতা, আবেগ-অনুভূতিৰ সু-সমন্বয়ত সৃষ্টিশীল আৰু উদ্ভাৱনীমূলকভাবে বিষয়বস্তু উপস্থাপন কৰি পাঠকক নান্দনিক আনন্দ প্ৰদান কৰাৰ লগতে ন-চিন্তা বা ভাবৰো উন্মেষ ঘটায়। আনহাতে প্ৰবন্ধত সাধাৰণতে কল্পনাৰ স্থান নাথাকে ই তথ্যধৰ্মী হয়। সৃজনীমূলক সাহিত্যত লক্ষ্য কৰাৰ দৰে আবেগ-অনুভূতিৰ প্ৰাচুৰ্যতাও ইয়াত দেখিবলৈ পোৱা নাযায়। সেয়েহে প্ৰবন্ধক সাধাৰণতে সৃজনীমূলক সাহিত্যৰ ভিতৰত ধৰা নহয়।

সাহিত্য হ'ল সমাজৰ দাপোণ। সমাজৰ সুখ-দুখ, হাঁহি-কান্দোন, আশা-আকাংক্ষা, আচাৰ-ব্যৱহাৰ, বিশ্বাস-অবিশ্বাস ইত্যাদিবোৰ কলাত্মকভাবে প্ৰতিফলিত হয়। গতিকে সাহিত্যৰ অন্যান্য ধাৰা যেনে ব্যৱহাৰিক সাহিত্য বা যৌগিক সাহিত্যতকৈ সৃজনীমূলক সাহিত্যইহে ইয়াক অধিক প্ৰাণৱন্ত, প্ৰাঞ্জল বা প্ৰত্যয়জনকভাবে প্ৰতিফলিত কৰিব পাৰে। সৃজনীমূলক সাহিত্যৰ বিষয়বস্তু পৰিসৰ অতি ব্যাপক। ইয়াৰ ভাষা, শৈলী, ইংগিতময়ীতা, সাৱলীলতা এই সকলোবোৰ ব্যৱহাৰিক বা যৌগিক সাহিত্যৰ পৰা সম্পূৰ্ণ পৃথক। ইয়ে এনে সাহিত্যক বেছি উপভোগ্য আৰু পঠনীয় কৰি তোলে। গতিকে সাহিত্যক সমাজৰ দাপোণ বোলা কাথাষাৰত বেছি যথাযৰ্থতা দেখা পোৱা যায়, সৃজনীমূলক সাহিত্যৰ ক্ষেত্ৰতহে।

সাহিত্যৰ বিকাশৰ ক্ষেত্ৰত সৃজনীমূলক সাহিত্যৰ গুৰুত্বক, কোনেও অস্বীকাৰ কৰিব নোৱাৰে। সৃজনীমূলক সাহিত্যই সাহিত্যক এক নতুন মাত্ৰা প্ৰদান কৰে আৰু বিষয়বস্তুৰ ভিন্নতাই সাহিত্যৰ ন ন পৰিসৰ প্ৰতিভাত কৰে। সৃজনীমূলক সাহিত্যৰ বিষয়বস্তু কেতিয়াবা কোনো ইতিহাস, কোনো সামাজিক সমস্যা, ব্যক্তিগত অভিজ্ঞতা বা কোনো ভাবাবেগ বা অনুভূতি বা কোনো এক বিশেষ চিন্তাৰ প্ৰতিফলনো হ'ব পাৰে। গতিকেই ইয়াত বিষয়বস্তুৰ বিচিত্ৰতা লক্ষ্য কৰা যায়। সেই অনুসৰি পৰিবেশ-পৰিস্থিতি অনুসৰি ভিন্নধৰ্মী বা ভিন্ন স্বাদৰ, গল্প, কবিতা, উপন্যাস, নাটকৰ পয়োভৰ দেখিবলৈ পোৱা যায়।

সৃজনীমূলক সাহিত্যৰ বিকাশে আন কেতবোৰ সাহিত্যৰ শ্ৰেণী যেনে- সমালোচনামূলক সাহিত্য, জীবনী বা আত্মজীৱনীমূলক সাহিত্য, বুৰঞ্জীমূলক সাহিত্য আদি অবশ্যাম্ভাৱীভাৱে গঢ় লৈ উঠাত সহায় কৰে। ফলত সাহিত্যৰ কলেৱৰ বৃদ্ধি হৈ গৈ থাকে।

সৃজনীমূলক সাহিত্যত ভাষাৰ ব্যৱহাৰ বিশেষভাবে গুৰুত্বপূৰ্ণ। স্ৰষ্টাই বিভিন্ন শৈলী আৰু কৌশল প্ৰয়োগ কৰি  লিখনিৰ মাজত আবেগ আৰু সৌন্দৰ্য ফুটাই তোলে। অকল এইয়াই নহয়। পাঠকৰ মাজতো ইয়াক অনুভৱ কৰাত অনুকূল পৰিৱেশ সৃষ্টি কৰে। ভাষাৰ প্ৰকাশ যোগ্যতাৰ অভাৱ অনুভৱ কৰিলে বিভিন্ন

Liteary Device যেনে ৰূপক, চিত্ৰকল্প, প্ৰতীক, বক্ৰোক্তি, উপমা ইত্যাদিবোৰ ব্যৱহাৰ কৰে। ভিন্ন পাঠকে তেওঁলোকৰ জ্ঞান বৃদ্ধি, ব্যাস অনুসাৰে ভিন্ন স্বাদ ল'ব পাৰে। কোনো পাঠক ইয়াত নিৰুৎসাহ, নিৰ্বাবেগ বা চিন্তা শূন্য হ'ব লগীয়া পৰিস্থিতি নাথাকে। যিহেতু আবেগ অনুভূতি, অভিজ্ঞতা চিন্তা, কল্পনা আদিবোৰৰ ক্ষেত্ৰত ব্যক্তি বৈষম্য (Individual Dif-ference) থাকে, সেয়ে সৃজনীমূলক সাহিত্যৰ ৰুচি বা উপস্থাপনো ভিন্ন-ভিন্ন হোৱা দেখা যায়। ই এখন ফুলৰ বাগিচাত ফুলি থকা বিভিন্ন ধৰণৰ ফুলৰ দৰে য'ত আটাইবোৰ ফুল ফুলি সামাগ্ৰিকভাবে গোটেই বাগিচাখনতে সৌন্দৰ্য বৃদ্ধি কৰে। সৃজনীমূলক সাহিত। ৰচনাৰ অন্যতম প্ৰয়োজনীয় যোগ্যতা হ'ল সৃজনশীলতা। ই হ'ল কোনো ব্যক্তিয়ে নতুন চিন্তা কৰিব পৰা আৰু উদ্ভাৱনীমূলকভাৱে সৃষ্টি কৰিব পৰা এটা বিশেষ দক্ষতাপূৰ্ণ ক্ষমতা, যিয়ে সৃষ্টিশীল কৰ্মৰাজি ৰূপায়ন কৰিব পাবে। মানৱ সমাজৰ সৃষ্টিশীল ব্যক্তিসকলে যেতিয়া নিজৰ মনৰ পৰা ভাৱৰ উপাদান গ্ৰহণ কৰি নতুন কোনো মানসিক চিত্ৰ সৃষ্টিৰ কল্পনা কৰে তেতিয়া সেই কল্পনা সৃজনশীল হয়। গতিকে সৃজনীমূলক সাহিত্যৰ মূল উপাদান হ'ল কল্পনা আৰু সৃজনশীলতা। ইটোৰ ব্যতিৰেকে সিটোৰ সাৰ্থক সৃষ্টি নহয়। গিলফোৰ্ডে সৃজনশীলতাক এই বুলি কৈছে- "অপসাৰী চিন্তাৰ যোগে কোনো নতুন আৰু উপযোগিতামূলক এই দুই প্ৰকাৰৰ ধাৰণাৰ সৃষ্টি কৰাৰ ক্ষমতাকে সৃজনশীলতা বুলি কোৱা হয়।" সুজনীমূলক সাহিত্য গতানুগতিকতাৰ পৰিবৰ্তে নতুন আৰু মৌলিক কথাৰ উৎপত্তি হয়। এনে সাহিত্যই মানুহৰ জীৱন আৰু বিশ্ব সম্পৰ্কে নতুন দৃষ্টিভংগী প্ৰদান কৰে যাৰ দ্বাৰা ব্যক্তিৰ চিন্তা আক ধাৰণাকে প্ৰসাৰিত কৰে।

সৃজনীমূলক সাহিত্যই কেৱল যে আনন্দই দিয়ে এনে নহয় এনে সাহিত্যই লেখকৰ দৰ্শন আৰু দৃষ্টিভংগী অনুসৰি জীৱনৰ কল্যাণময়ীতাৰো সন্ধান দিয়ে। জীবন যাপনৰ বাবে জ্ঞান আৰু প্ৰজ্ঞাৰ পাঠো এনে সাহিত্যত পোৱা যায়।

প্ৰথম চেষ্টাতে সাধাৰণতে যথাৰ্থ সৃজনীমূলক সাহিত্য সৃষ্টি নহয়। প্ৰচুৰ অধ্যয়ন, অনুকৰণ আৰু অনুসৰণ, চৰ্চা, অধ্যবসায় আৰু সাধনাৰ জৰিয়তেহে সাৰ্থক সৃজনীমূলক সাহিত্য সৃষ্টি কৰিব পাৰি। সেয়েহেন সৃষ্টিশীল লেখকসকলে এইকেইটা যোগ্যতা মনত ৰাখি পুনঃ পুন সংযোজন-বিয়োজন কৰি চেষ্টা অব্যাহত ৰাখি নিজৰ হাতখন কৌশলী কৰি তুলিবলৈ চেষ্টা কৰা উচিত। অবিৰত সাধনাই হে সিদ্ধি লাভৰ অন্যতম উপায়।

সৃজনীমূলক সাহিত্যক সাহিত্যৰ হৃদয় বা আত্মা বুলি অভিহিত কৰিব পাৰি। ইয়াৰ অবিহনে সাহিত্যৰ দেহটো সম্পূৰ্ণ নহয়। গতিকে যিকোনো ভাষাৰ সাহিত্যই সৃজনীমূলক সাহিত্যক উপেক্ষা কৰিব নোৱাৰে। সৃজনীমূলক সাহিত্যইহে সাহিত্যক পূৰ্ণতা প্ৰদান কৰে আৰু সমৃদ্ধিশালী গতি প্ৰদান কৰে। গতিকে সাহিত্যৰ বিকাশত সৃজনীমূলক সাহিত্যৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ আৰু সহজেই সৱৰ্জন অনুমেয়।


লক্ষীমপুৰ জিলা সাহিত্য সভাৰ দ্বাৰা **২০২৫-২৭** বৰ্যত প্ৰকাশিত গ্ৰন্থ -

১) সংগৃহীত সাক্ষ্য - বিষ্ণু প্ৰসাদ কটকী

২) ডেকাগিৰি (নাট্য সংকলন) - মাণিক সোনোৱাল

# অদাহ্য অৰুচি

গোলাপ দিহিঙ্গীয়া

ফোনটো বাৰে বাৰে বাজি আছে। সেইটো অহোৱলীয়াটোৰেই ফোন চাগৈ। কিমান কথা পাতিম একেখিনি কথাকে। নধৰো বুলিয়েই নধৰিলোঁ। বাহিৰৰ ফাললৈ চাই আছোঁ খিৰিকীখনেৰে। বাটেদি সিমান মানুহ অহা-যোৱা কৰা দেখা নাই। এজননে দুজনমানহে মানুহ পাৰ হৈ গৈছে। এজনলৈ ভালকৈ লক্ষ্য কৰাত দেখিলোঁ তেওঁৰ মূৰত টুপী, পিন্ধনত লংপেণ্ট আৰু হাতদীঘল চোলাৰে বেচ পৰিপাটিও নহয়। খিৰিকীৰে সেইজনলৈ চাই মাত লগালোঁ - 'দাদা, এইফালে আহকচোন। কেৰাহিকৈ চাই। মোক মাতিছেনেকি ? হয় হয়, আপোনাকে মাতিছোঁ। মানুহজন আহি কোঠাৰ ভিতৰত সোমাল। তেনেই মৌন। মাথো মোলৈ একেথৰে চাই আছে। ময়ো চাই আছোঁ। নেচাবনো কিয় ? আগেয়ে কোনেও কাকো দেখা মনত নপৰে। অথচ হঠাতে ঘৰলৈ মাতিছোঁ। এয়া বেলিৰ বয়স ল'ৰালিকাল। মোৰো টোপনি ভগা বেছিপৰ হোৱা নাই। সপোনত কি দেখিছিলো তাকে মনত পেলাবলৈ যত্ন কৰি আছো। এনেতে দেখিছো আকৌ ফোনটো বাজিছে। সেয়া বা কাৰ ? তুমিয়েই কৰিছা চাগে। অনুমান কৰিলোঁ। বুকুখন একেবাৰে চেঁচা পৰি গ'ল। লাহেকৈ ফোনটো ধৰিলোঁ সদায় ধৰাৰ দৰে। মই ক'লোঁ - হে'ল্ল। সিফালৰ পৰা তোমাৰ মাত। মই বাৰ্থৰোমত আছিলোঁ। কি কোৱা সোনকালে কোৱা। মই ক'লোঁ। ধেমালিতেহে কৰিছিলোঁ। তোমাৰ উঠিল নহয় টিকিচ্কৈ খঙটো। লগে লগে ফোনটো কাটি দিলা। উস্ কি আচৰিত, অলপো দয়া-মৰম নাই। কাটো বুলিয়েই কাটি দিয়ে। মই নিৰুপায় হ'লোঁ। ভিতৰত বহি থকা মানুহজনে মোৰ বডি লেংগুৱেজ দেখি অনুমান কৰিলে মোক কিবা অচিন চিন্তাই আক্ৰমণ কৰিছে। মানুহজনক ক'লো - দাদা, আপুনি এতিয়া যাওকগৈ। আকৌ কেতিয়াবা লগ পালে কথা পাতিম। মানুহজনে কি ভাবিছিল নাজানো, তথাপি গুচি গ'ল একো নোকোৱাকৈ। মোৰ কলমৰ ফটা মুখখন জপাব নোৱাৰিলোঁ। সি মুখ মেলিলে মেলিয়েই থাকে। দূৰত পৰ্বত থাকে। কি হৈ থাকে কোনে জানে। পৰ্বতৰ লগত কথা পতা কঠিন। ওচৰতে নিজৰ ছাঁটো থাকে আন্ধাৰত দেখা টান। মই পৰ্বত নে তুমি পৰ্বত মোৰ তেনে জ্ঞান নাই। ছাঁটো মোৰ ওচৰতে থাকে কেতিয়াবাহে দেখা পাওঁ। মাতষাৰ ওচৰতে বা দূৰতেই হওক শুনি বৰ ভাল লাগে।

মাজে মাজে খং কৰা ভাল। শৰীৰৰ নিষ্ক্ৰিয় সিৰা-উপসিৰাবিলাক সজাগ হৈ উঠে। অতীতবোৰে বৰ্তমান, ভৱিষ্যতৰ লগত লগ হৈ বৈঠকত বহে। বৈঠকত তিতা-মিঠা-কেঁহা প্ৰত্যেকেই যোগ দিয়ে ফলত এটাৰ পিছত আন এটা উত্তৰ আহে মনলৈ। চিনাকি-অচিনাকি বন্ধু লগ পোৱাৰ দৰে কেতিয়াবা সভা কক্ষত তাৰে কিছুমানৰ লগত স্থায়ী বন্ধুত্ব হয়। কিছুমানে আকৌ পাহৰি যায় তৎক্ষণাত। ময়ো ভাবি আছোঁ তোমালৈ ফোন কৰিম নে নকৰিম। খিৰিকীখন জপাই ল'লোঁ। আজি আৰু বাহিৰৰ আকাশ নাচাওঁ। চালে কিজানি দিনতে আকাশৰ পৰা তৰা সৰি পৰা দেখা পাওঁ। দিনত তৰা সৰা দেখা বেয়া। এদিন দিনত তৰা সৰি পৰা দেখি বহুত কিবাকিবি হৈছিল। সেইবোৰ পাছে পৰে কম।

এনেতে দুৱাৰখন খোলা গম পালোঁ। দেখিলোঁ সদায় অহা মেকুৰীটো আহিছে। সি সাইলাখ মানুহে খোলাৰ দৰে দুৱাৰ খোলে। আহি সি ৰৈ থকা নাই ভিতৰলৈ সোমাই আহিল। তাৰো নিশ্চয় ভোক লাগিছে।

খাদ্যৰ সন্ধানত সি ব্যস্ত। মই কিন্তু ঠিৰাং কৰিছোঁ আজি একো নাখাওঁ। ডাক্তৰৰ মতে বয়স বাঢ়িলে অলপ অলপ খাই থকা ভাল। নহ'লে দুৰ্বল হৈ যোৱাৰ আশা থাকে। তোমাৰ পৰা অহা ফোনটোৰ পিছত মোৰ পেটটো একেবাৰে ভৰি আছে। অৱশ্যে আগতে এনে ঘটনা নোহোৱাকৈ থকা নাই। বহুতে কয় - বেছি খঙাল মানুহৰ অন্তৰ অতি কোমল। এইক্ষেত্ৰত তুমি একেবাৰে জুই-পানীৰ বিপৰীত। সেয়ে মই এনেবোৰ কথা মানি নলওঁ। এইবোৰ কথাৰ প্ৰমাণ পাওঁমানে মোৰ কিয় হয় কি ঠিক আছে। কাৰণ তুমি যে একেবাৰে আজৰ। ইয়াৰ আগতে বহুতবাৰ এনে হৈছে। তুমি সকলো কথাতে পৰিপাটি সেয়া ভালকৈ জানো। এই ধৰা কিতাপ ক'ত ৰাখিবা, পিন্ধি অহা কাপোৰ ক'ত থ'বা। লিখি থকা কলমটো আৰু কাগজবোৰ ক'ত কেনেকৈ ৰাখিবা ইত্যাদি ইত্যাদি। মোৰ তেনে পৰিপাটি হোৱা মনত নপৰে। এনেতে মেকুৰীটোৱে নিগনি এটা মুখত লৈ দুৱাৰেদি বাহিৰলৈ গ'ল। তেজৰ টোপোল কেইটামান ভিতৰৰ পৰা বাহিৰলৈ পৰি গৈছে। তাৰমানে মোৰ কাম বাঢ়িল। তেজপৰা মজিয়াখন মচি চাফা কৰিব লাগিব। এনেতে মনটোত কিবা চিন্তা এটাই আগুৰি ধৰিল। কিজানি তুমি মোৰ খঙতে মাছ কাটি থাকোতে নিজৰ আঙুলি কটা যায়। ময়েতো সিদিনা কটাৰীখন ধাৰ কৰি থৈ আহিছিলোঁ। শিলটো সোৱণশিৰি নৈৰ পৰা অনা। আমি ভোজ খাবলৈ যাওঁতে তুমি আৰু মই, আকৌ বাথৰুমত খৰধৰকৈ ওলাওঁতে সোমাওঁতে পিছল খাই পৰা। বৰ চিন্তাত পৰিলোঁ। আকৌ ফোনটো ...। এয়া আচৰিত কথা। কলমৰ ৰিফিলডালত চিএগ্ৰাহী নোহোৱা হ'ল। নতুনকৈ আনি থোৱা কলমটো নধৰা হ'ল। ভাবিলোঁ কথাষাৰ ভাবোতেই যেতিয়া এনে বেমেজালি দেখা দিছে ফোন নধৰাই ভাল হ'ব। বৈ আছোঁ মন মাৰি।

নতুন কলমটো বহুত ঘঁহা-পিহাৰ পিছত লিখিবলৈ আৰম্ভ কৰিছে। আকাশৰ ডাৱৰবোৰে বহুত গুজৰি গুমৰি শেষত বৰষুণ অনাৰ দৰে। ভাল পোৱাৰ মাজতো এনে দুটা-এটা খেলিমেলি নঘটাকৈ নাথাকে। শেৱালি গছজোপাৰ তলত মেকুৰীটোৱে আনন্দমনে নিগনিটো খাই আছে। ওচৰৰ তামোলজোপাত পৰি কেইটামান শালিকা চৰাই চিএগ্ৰাত ব্যস্ত। কেতিয়াবা শালিকা চৰায়ে সিহঁতৰ নিজৰ ভিতৰতে মস্ত কাজিয়া লাগে। প্ৰায়ে দেখো পিছত হ'লে একো নাই। আকৌ একেলগে থাকে। তেনেকৈ ছাগলীৰ যুঁজ দেখাত বৰ ভয়ানক যেন লাগে কিন্তু শেষত কাৰো একো নহয়। আমাৰ যুঁজখন বা কেনে হয়। অৱশ্যে মোৰ খং কেতিয়াবাই ঠামিল। তুমি তেনে মানুহ নহয়। অন্তৰ বৰ কোমল। মই বুজি পাওঁ। আজি কিমানদিন হ'ল তোমাক নেদেখা। হাত দুখন চুই নোচোৱা। ভৰি দুটিও দেখা নাই। চুলিৰ ৰং বা কেনে হ'ল। বৰ দুখ লাগে। সেয়ে আকৌ ভাবি আছোঁ।

শুকুতাকে মুকুতা কৰি চিন্তাৰ গভীৰ অৰণ্যত পাত পাতকৈ বিচাৰি ফুৰিছোঁ। মই বিচৰাটো কস্তুৰী হৰিণৰ নাভী। নাপাওঁ হে নাপাওঁ। এয়া সত্য ক'তনো পাম। চকুৰ আঁতৰমানে মনৰ আঁতৰ। এনেতে দেখিলো চোতালত এজাকমান পাৰ আহি ৰূণ দিয়াত লাগিছে। লাহেকৈ চকীৰ পৰা উঠি গৈ মচুৰ দালিৰ টেমাটো খুলি কেইমুঠিমান চটিয়াই দি শান্তি লভিলোঁ। বৰ ভোকত আছিল। সিহঁতজাক প্ৰায়েই আহে। সিহঁতেও মানুহ নামৰ জন্তুৰ প্ৰাণত কেনেকৈ ঠাই ল'ব লাগে জানে। সেয়ে ...। মোলৈ ভয় নকৰে আজিকালি। মোৰো কিবা অনাবিল আনন্দৰ জোৱাৰ উঠে সিহঁতক খাবলৈ দি। সিহঁতজাক খাই-বৈ শেষ হ'লত আনন্দৰে উৰি গৈ ঘৰৰ মূধচত পৰি পাখি কটলাই পাখি কটালিছে, আন কেইটামানে আকৌ ৰূণ দিয়াত লাগিছে। ময়ো ভিতৰলৈ সোমাই আহিলোঁ। টেবুলত সজাই থোৱা তোমাৰ ছবিখন মোৰ ডিঙিত মেৰাই ৰখা গামোচাখনেৰে লাহে লাহে মোহাৰি মোহাৰি ভাবিলোঁ তুমি সদায় এনেকৈয়ে থাকিবা। হঠাৎ হাঁহি এটাৰে গবা মাৰি ধৰি মোক লাহেকৈ ক'লা -

ফোনটো বাজিছে। নধৰা কিয়?

গল্প

# অভিলাষ

## বুলি চুতীয়া

কাহানিও কল্পনা কৰা নাছিল এনেকুৱা এটা জীৱন ভাস্কৰে, কিন্তু জীৱন এনেকুৱাই অপ্ৰত্যাশিত ভাবেই কেতিয়াবা মানুহক এনে এক ৰূপৰ সৈতে মুখামুখি কৰোৱাই দিয়ে যে যি ৰূপ দেখি অবাক হোৱা যায় কেতিয়াবা সুখত আৰু কেতিয়াবা দুখত ।

মইনা জ্ঞান ফিৰি অহা লক্ষণ অলপো আগবঢ়া নাই । ভাড়াতীয়া ৰমেনৰ ফোনত যেতিয়া খবৰ টো পাইছিল ভাস্কৰ ঘৰৰ পৰা দূৰত আছিল । খুড়া, খুড়ী চিৰি পৰা পৰিল আমি ওচৰৰ নাচিংহোমখনলৈকে আনিছোঁ । এনেকুৱা মুহূৰ্তত কি দৰে মানুহে গ্ৰহণ কৰে নাজানো ভাস্কৰে ভাবিলে। মইনা কাষৰ কেবিনৰ বিচনাখনত বহি বহি ভাস্কৰে অতীতৰ বহু কথা মনলৈ আহিল । যিবোৰ কথা কোনোদিনে ভবাৰ প্ৰয়োজন হোৱা নাছিল ভাস্কৰৰ । সকলো কথাৰে উপলব্ধি আছে কিন্তু উপলব্ধি কৰা হয় বহুত দেৰিকৈ । ভাস্কৰে অনুভৱ কৰিলে যে তাৰ যি কোনো উপলব্ধিয়েই এতিয়া মইনা বাবে অৰ্থহীন । ভাস্কৰৰ মন বিষণ্ণতাৰ, অতিতৰ স্মৃতি বোৰে ৰিঙিয়াই -- স্মৃতিবোৰ কিজানি সুৰাৰ দৰে যিমানেই পুৰণি হয় সিমানেই হৈ উঠে অধিক মূল্যবান, সেয়েহে তেনে সুৰাৰ জমা কৰি থোৱা হয় ছেলাৰত। স্মৃতিবোৰো সেইদৰে মানুহে ৰাখি থয় বুকুৰ ভিতৰত কোনো অদৃশ্য ছেলাৰত অকস্মাতে কেতিয়াবা সেই ছেলাৰৰ পৰা উঠি আহে পুৰণি সুৰাৰ দৰে।

সময় দ্ৰুত গতিত পাৰ হৈছে, কোঠাটো চেতনা সেই পাৰে মইনা আৰু চেতনা এই পাৰে ভাস্কৰ । ভেণ্টিলেছনত ৰখা হৈছে মইনাক । ইনজেকচন এটা ল'বলৈ ভয় কৰা মইনাক আজি নাকে মুখে সুমুৱাই দিয়া হৈছে পাইপ । ইনজেকচন খুচত মইনা সুকোমল শৰীৰটো ক'লা পৰি সিৰবোৰ ফুলি উঠিছে । মইনাই একো গম নাপায়, যন্ত্ৰণাৰ কোনো বোধ নাই । আশংকা কোনো ছায়া নাই । ভাস্কৰ থকা নথকা এই সকলো মইনা বাবে অৰ্থহীন, অথচ ৰাতিপুৱা দহ বজাৰলৈ দুয়ো চাহ জলপান একে লগেই খাইছিল । এই দৰেই শেষ হৈ যাব নেকি মানুহৰ জীৱন? এক মুহূৰ্তৰ বাবে বেলেগে থাকিব লগীয়া হ'লে যাৰ বাবে বিচ্ছেদৰ কোনো অনুভৱ হয়, তেৱোঁ এই দৰে আতৰি যাব নেকি ? মইনা আৰু মোৰ মাজৰ সকলো প্ৰেম সকলো সম্বন্ধৰ এই দৰেই ঘটিব নেকি পৰিসমাপ্তি? মইনা কাষৰ বিচনা খনত বহি বহি মোৰ অতীতৰ পাৰ কৰি অহা দিনবোৰ মনলৈ আহি আছে, আচলতে ইয়াত মোৰ কৰিবলগীয়া একো কামেই নাই । বিচনাত শুই আছে নিষ্পাপ মইনা শৰীৰ ।

. . সৰু পৰাই মই মোৰ ঘৰৰ পৰিয়ালটো বিশেষকৈ ককা, দেউতা -মা সকলোৰে অধিক ব্যাকুলতাৰে আৱৰি ৰাখিছিল । তেওঁলোকে যেন পৃথিৱীৰ সমস্ত সুখ, সমস্ত গৌৰৱ নিৰ্ভৰ কৰিছিল মোৰ ভৱিষ্যতৰ ওপৰত। যেতিয়া পৰা মই মোৰ মাক আৱিষ্কাৰ কৰিছিলো যাৰ মাজত লক্ষ্য কৰিছিলো এক উন্মাদ ইতিবাচকতা । মোৰ নিচিনা টেলেণ্টড সন্তান যেন পৃথিৱীত কোনো নাৰীৰ গৰ্ভতে কেতিয়াও জন্ম লোৱা

নাই । প্ৰথম নে দ্বিতীয় শ্ৰেণীৰ কথা এক নে দুই নম্বৰৰ বাবে মই শ্ৰেণীৰ দ্বিতীয় হৈছিলো উগ্ৰ মূৰ্তি ধৰিছিল মা । প্ৰিন্সিপাল ছাৰকগৈ কথা শুনাই আহিছিল । ক্লাছ টুত এক নম্বৰ কম বেছি "গৌৰৱ আৰু অহংকাৰ" , বহুত সৰুতে মই বুজি উঠিছিলোঁ যে মই এক বিস্ময় বালক অন্তত মাৰ চকুত । মই বুজি উঠিছিলো মোৰ জীৱনৰ উদ্দেশ্য হ'ব লাগিব মাত্ৰ এটাই সাফল্য-- ছাকছেছ । সেই সময়ত সাফল্যৰ সংজ্ঞা কি বুজি পোৱা নাছিলো কিন্তু প্ৰতিটো পৰীক্ষাতে প্ৰথম হোৱা সাফল্যই মা-দেউতাৰ গৌৰৱ আৰু অহংকাৰ পৰা মনৰ ভিতৰত অংকণ কৰিছিলো সেই সাফল্য মই অৰ্জন কৰিবই লাগিব সেই শৈশৱ কৈশোৰ অৱস্থাৰ পৰাই মই মোৰ মনৰ ইচ্ছাৰে যি টো বিচাৰিলো তাকে পোৱাটো একান্তই , সেই অভ্যাসটো মোৰ মন মগজুত ৰোপণ কৰিছিলো । ব্যক্তি স্বাধীনতাৰ অন্য এক ৰূপ -- যি বোৰ মোৰ প্ৰয়োজন হৈছিল তাক মই আজোৰি আনিছিলোঁ।

কেবিনৰ দুৱাৰত মৃদু নক । সম্প্ৰতি চুটি চাপৰ ছিষ্টাৰ গৰাকী সোমাই আহি মইনাক পেছাৰ টো জোখি কাগজত কিবা লিখি মোৰলৈ চাই মিচিকিয়া হাঁহি টো দি ওলাই গ'ল । মোৰ ইমান দিনৰ চিনাকি অথচ এই মুহুতত ইমান অচিনাকি ? কিমান বয়স হৈছে তেওঁৰ মোতকৈ বাৰৰ বছৰৰ সৰু । মোৰ বয়স বৰ্তমান বাষষ্টি বছৰ । বৃদ্ধ নে মই ? কিমান বয়সত মানুহ বৃদ্ধ হয় ? শৰীৰ লগে লগে মানুহৰ মনটোও বৃদ্ধ হয় নে ? এনে ধৰণৰ প্ৰশ্ন বোৰ কেতিয়াও কৈশোৰ , যৌৱনত মানুহৰ মনলৈ নাহে, মোৰো অহা নাছিল । সেই সময়ত ভাব হৈছিল চিৰকাল মোৰ শৰীৰত থাকিব অযুত বল । বৃদ্ধ মানুহক দেখিলে ভাব হৈছিল এওঁলোক চাগৈ জন্ম হৈছিল ঠিক এনেদৰেই । শোতোৰা ছাল , দুৰ্বল শৰীৰ । গালত হনু সোমাই যোৱা ,গাতত সোমোৱা চকুৰ হাতভৰি শোতোৰা । থৰক বৰক খোজ। সকলোকে যে তেনেদৰেই দেখিছিলো, তেওঁলোকৰ জীৱনলৈ যেন কাহানিও যৌৱন অহা নাছিল , যাৰ জীৱনলৈ যৌৱন আহে তেওঁ কেতিয়াও বৃদ্ধ নহয় । মোৰ দেউতা বৃদ্ধ আছিল , ককা দেউতা তাতোতকৈ বৃদ্ধ । যুৱক দেউতা অথবা যুৱক ককাক দেখাৰ কথা দেখোন মোৰ মনত নাছিল । তেওঁলোক সঁচাই যুৱক নাছিল নেকি ? এনেবোৰঠন্দ্ৰ কথা মই সেই সময়ত ইয়াকে ভাবিছিলো ।

মইনা উঠা এবাৰ চকু মেলা মইনা সাৰ সুৰ নাই । ভাস্কৰৰ মন বিষণ্নতা বিচিন্নতাৰ । মইনা ওচৰত এতিয়া ভাস্কৰৰ বাহিৰে কোনো নাই ; যেন অপেক্ষা কৰি আছে সেই ক্ষণটোৰ বাবে কেতিয়া মইনাই চেতনা ঘুৰাই পাব নে মুক্তি পাবৰ মইনাই ? সময়ৰ কাটা বাগৰিছে যিমান ভাস্কৰৰ মইনা লগত কটোৱা স্মৃতি বোৰে ওপৰাউপৰি ধৰিছে । হাস্পিতালৰ ৰোগীৰ ইউনিফৰ্ম যোৰ ভিতৰত সোমাই থকা মইনা শৰীৰ , মুদি থকা চকু , শেতা পৰা মুখ , কপালত ৰঙা টিপ আৰু শিৰত অকণমান সেন্দুৰ । মানুহৰ উজ্বলতা সৌন্দৰ্য সকলো বিকিৰণ হয় ভিতৰৰ পৰা আনকি বয়সে আনি দিয়ে গাম্ভীৰ্যৰ চাপো সানি দিয়ে ভিতৰৰ কোনো অদৃশ্য শক্তিয়ে । মইনাৰ সেই শক্তি উৎসও যেন এই কেইটা ঘন্টাতে নিবাম্পিত হৈ গৈছে , কিয় মোৰ কথা মনলৈ অহা নাই মইনা, ভাস্কৰে ভাবিলে ইমান দিনৰ চিনাকি অথচ এই মুহুতৰ্ত ইমান অচিনাকি ? মোৰ মইনাজনী আজি পৰা প্ৰায় পয়ত্ৰিশ বছৰৰ আগতে মইনাক দেখা পিচত , মই মোৰ হৃদয়ত দীৰ্ঘমিয়াদী লক্ষ্যলৈ মইনাক পোৱা প্ৰবল আৰু শেষ সিদ্ধান্ত প্ৰকাশ কৰিছিলো প্ৰথম মাা আগত , মায়ে দেউতা আৰু পৰিয়ালটোক ।

যোৰহাটত ইঞ্জিনিয়াৰিং কলেজত পঢ়ি থাকোতে বন্ধত ঘৰলৈ আহিলেই সতজানৰ সুবাস বিচাৰি আহিছিলোঁ । কিয় নাজানো নিজৰ ঘৰখন যান্ত্ৰিকতাময় চহৰৰ মাজ মজিয়াত বাবে হয়তো এই শান্তিময় সতজানৰ প্ৰাকৃতিৰ বুকুত স্বৰ্গ আৰু প্ৰেমৰ সান্নিধ্য উপলব্ধি কৰিছিলো । প্ৰাকৃতিৰ ,সতজানৰ বিনন্দীয়া ৰূপ

যেতিয়ালৈকে এই মহিমাময়ী ৰূপ থাকিব তেতিয়ালৈকে এই অঞ্চলৰ মানুহে যি কোনো দুখকেই শান্তি বিচাৰি পাব । সেই সময়ত মোৰ বিশ্বাস হৈছিল এক মাত্ৰ প্ৰাকৃতিক এই সতজান খনেই সকলো দুখতে শান্তি অমিয়া ঢালিব পাৰে । লক্ষীমপুৰ চহৰৰ পৰা আঠ ৮ কি:মি: পশ্চিমে পহুমৰা তিনি আলি । পহুমৰা তিনি আলি পৰা উত্তৰে ডিজু-কিমিন পথত প্ৰায় এক কি:মি; দূৰ গ'লেই পথৰ সোঁ কাষত , ৰঙানদীৰ পশ্চিম পাৰে ৰেলপথ কাষত মহিমাময়ী সতজান জলাশয় অৱস্থিত । সতজান জলাশয় হৈছে স্থানীয় আৰু পৰিভ্ৰমী চৰাইৰ বিচৰণ ভূমি । জৈৱ বিচিত্ৰতাৰে ভৰা সতজান লৈ দুৰ- দুৰণিৰ পৰা বহুলোক মনোমোহা প্ৰাকৃতিক পৰিৱেশ উপ-ভোগ কৰিবলৈ অহাৰ লগতে বিদ্যালয় মহা বিদ্যালয় আদি ছাত্ৰছাত্ৰীৰ পৰিৱেশ অধ্যয়ন বা ক্ষেত্ৰ অধ্যয়নৰ বাবে ইয়ালৈ আহে । ঠান্দাৰ দিনত বিশেষকৈ অক্টোবৰ মাহৰ পৰা এপ্ৰিল মাহৰ ভিতৰত বহুতো দেশীবিদেশী চৰাই ইয়ালৈ অহা দেখা যায় । তাৰ ভিতৰত চাইবেৰিয়াৰ, শ্ৰীলংকা, ভূটান, নেপাল, অষ্ট্ৰেলিয়া আদি বিভিন্ন প্ৰজাতিৰ ভেষজ, জলজ উদ্ভিদ কীট-পতংগ , সৰীসৃপ, মাছ, কাছ, সাপ , কামচৰাই , ডাউক, শৰালি আদি দুষ্প্ৰাপ্য জীৱৰ বাসভূমি সতজান । ই প্ৰাকৃতিৰ ভাৰ সাম্য ৰক্ষাৰ আধাৰ । এই সতজানৰ প্ৰাকৃতিক ৰূপ প্ৰথম ছাত্ৰ অৱস্থাত স্কুলৰ শিক্ষক সকলৰ লগত আহিছিলো পিছলৈ লগৰ বন্ধু লগত সৰু সুৰা পাৰ্টি খাবলৈ আৰু যৌৱনৰ প্ৰেমৰ সুবাস লবলৈ তানি আনিছিল এই সতজানে --।

ৰোগীৰ বিচনা খনৰ ওচৰতে দুই ফুট বাই ছফুট বিছনা এখন, দুয়োখন বিচনা মাজতে এখন সৰু ডায়াৰ থকা টেবুল, ৱালৰ এচুকত এটা হেঙিং টিঃ ভি : । টি:ভি:টো ৰখা হয় প্ৰকৃততে ৰোগিৰ বাবে । সেয়েহে টি:ভি: টো এনে পজিচনত ৰখা হৈছে যাতে ৰোগীজনে গাৰুত মুৰ থয়েই সন্মুখত চকু পৰে টি:ভি: পৰ্দাত । বৰ্তমান মইনা বাবে টি:ভি টো অৰ্থহীন । অথচ ঘৰত যেতিয়া আমি দুয়োজনৰ সৰু সৰু মান অভিমান কেন্দ্ৰবিন্দু আছিল সেই টি: ভি :টো । মই চাব বিচাৰিছিলো নিউজ চেনেল কেইটা আৰু মইনাই চাব বিচাৰিছিল চিৰিয়েল কেইখন । মই টো জিদি মনৰ মানুহ ইচ্ছাৰ কৰা বোৰ জোৰ কৰি নিজৰ কৰিছিলোঁ । এতিয়া উপলব্ধি কৰিছো মই আৰু কেতিয়াও ইচ্ছাৰ নকৰোঁ নিউজ চাবলৈ । বলা আমি ঘৰলৈ উভতি যাওঁ, তুমি ভাল পোৱা তোমাৰ পচন্দ চিৰিয়েল বোৰ মইও উপভোগ কৰো । আজি মই অনুতপ্ত আৰু লজিত লগ পোৱা দিন ধৰি মই মইনাক ভাল লগা , ভাল পোৱা তেওঁ মনৰ ইচ্ছা খিনিক কোনো দিনেই গুৰুত্ব দিয়া নাছিলোঁ । মাথো প্ৰয়োজনীয় খিনি আদায় কৰিছিলোঁ ,সচৰাচৰ স্বাৰ্থপৰ আত্মকেন্দ্ৰিক মই ।

যোৰহাট ইঞ্জিনীয়াৰা পঢ়ি থাকোতেই পূজা দীঘলীয়া বন্ধত যেতিয়া ঘৰলৈ আহি সতজানলৈ আহিছিলো। কোনো এটা দিনৰ কোনোবা ক্ষণত মইনাক দেখা পাইছিলো দহ, বাৰৰ জনীমান ছোৱালী মাজত ।প্ৰথম দৃষ্টিতে হৃদয়ত অনুভৱ কৰিছিলোঁ । মই যুগে যুগে তৃষ্ণাতুৰ তেওঁ সান্নিধ্য পাবলৈ ----। ফুলৰ পাহিৰ দৰে নিৰ্মল, পবিত্ৰ মুখখনি । মুখমণ্ডলৰ দুয়োফালে অযত্নত ওলমি থকা আউলি-বাউলি দীঘল চুলিটাৰি , পৃথিৱীৰ সকলো ৰূপ, সকলো নিজু গুণ মই যেন সেইদিনা মইনা সেই মুখখনিতে স্তুপীকৃত । কি যে এক দুৰ্ব্বাৰ তৰঙ্গৰ সৃষ্টি কৰিছিল মোৰ সুক্ষ্ম হৃদয়ত । নাজানো মই ভাল পাওঁ বাবেই মইনা ধুনীয়া নে ? মইনা সচাঁকৈয়ে ধুনীয়া ? স্মৃতি বোৰ সুন্দৰ ভাৱে আজিও মোৰ হিয়াত সজীৱ । ইঞ্জিনীয়াৰিং ফাইনেল ইয়েৰত , মইনা ক্লাছ এইটত তেৰঙ্গচৈধ্য বয়স । কিয় ইমান ডাঙৰ দেখাইছিল মইনাক ?? মোৰ বাবে ?? আকুল অপেক্ষাৰ যুগসুত্ৰ পম খেদি খেদি, সহপাঠীৰ নয়নৰ খুড়াকৰ ছোৱালী সঠিক ঠিকনা টো পাইছিলো কিন্তু উৎকণ্ঠা আৰু প্ৰতীক্ষাৰ বোৰো ইমান বেদনাদায়ক হয় নে ? বুকুৰ বিষবোৰ বুকুতে বান্ধি নিজৰ কৰ্তব্যলৈ আহিছিলোঁ সিদিনা । বন্ধু মহলত হাঁহি আড্ডাৰ মুল কাৰণ আছিল মোৰ আৰু মইনা । কাৰণ মইনা বহুত সৰু হৈ আছে ।

হৃদয়ৰ ৰিক্ততা লৈ অসহনীয় ব্যৰ্থতা,নিৰাশাৰ ,যাতনা লৈ প্ৰতিক্ষাৰ তাড়না এটাই আছিল মইনাক পোৰা ।

ইঞ্জিনিয়াৰ পাছ কৰি চাকৰি এটা যোগাৰ কৰিবলৈ মোৰ বাবে বেছি সময় ৰব লগা নহল । নতুন নতুন চাকৰিত জইন, চাকৰি জীৱনৰ অজস্ৰ অভিজ্ঞতা। নতুন কৰ্ম নতুন বন্ধু। নিজৰ শৰীৰ প্ৰতি, পোছোক পৰিছেদৰ প্ৰতি অধিক সচেতন হৈ নাৰীৰ প্ৰতি অধিক আকৰ্ষিত হৈছিলো যদিও হৃদয়খনৰ কোনোবা খিনিত মইনা ৰয় গৈছিল। মোক কেন্দ্ৰ কৰি সকলো সময়তে যেন ঘৰখনত চলিছিল এক উৎসৱ আয়োজন । মোৰ চাকৰিটো লৈ দেউতা -মা বহুত সুখী হৈছিল ।

মইনা হাঁহি, কথা বতৰাই মোক কাষলৈ চপাই আনিছিল । মইনাই মোৰ প্ৰাণত জগাই তুলিছিল প্ৰেমৰ তীব্ৰ নিচা । নতুন জীৱনৰ স্বপ্ন । মইনা হায়াৰচেকেণ্ডেৰীৰ পাছ কৰা পাছতে দুযোখন ঘৰৰ অনুমতিত আমাৰ বিয়াখন সম্পূৰ্ণ হৈছিল । মই অন্তৰেৰে বিচাৰিছিলো মইনাক জীৱনসংগী হিচাপে পালো । মা-দেউতা মৰমলগা বোৱাৰী পাই সুখী । মায়ে বোৱাৰী জীৱনৰ কাম বোৰ শিকালে , মইনাই আদৰ্শ বোৱাৰী হৈ সকলো কাম সোনকালেই শিকি লৈছিল । মা দেউতাই নাতিনী বিচাৰিলে , নাতি নাতিনী জন্ম দি মমতাময়ী মাতৃ হ'ল । আজিও অতীতৰ স্মৃতিবোৰ সোঁৱৰো । সেই স্মৃতিবোৰ সুন্দৰভাৱে আজিও মোৰ হিয়াৰ মণিকূটত থৈ দিছো । তাত যেন কিবা এটা অজান পূলক অনুভৱ কৰো । ইয়ো জানো পাই হেৰুৱাৰ বেদনা নহয়নে ?

কেবিনৰ দুৱাৰত মৃদু টুকৰ । চিকিৎসকজন সোমাই আহিছে, লগে লগে তিনি গৰাকী ছিষ্টাৰ । কাগজ পত্ৰ বোৰ চাইছে । মোৰ মুখলৈ চাইছে এবাৰ । তাৰ পিচত অকস্মাতে কিয় জানো সুধিলে আপোনালোকৰ ল'ৰা, ছোৱালী বাহিৰতে থাকে নহয খবৰ দিলে নিশ্চয় ? মোৰ উত্তৰলৈ তেওঁ অপেক্ষা কৰা নাই । কিন্ত খন্তেকৰ সেই প্ৰশ্নটোৰ পৰাই মই উমান পালো যে চিকিৎসকৰ ভিতৰতো এজন মানুহ থাকে । মোৰ বাবা আৰু মাজনীলৈ অকস্মাতে মনত পৰিল । কিবা এটা উজাই আহি যেন বুকুৰ পৰা ডিঙিৰ ওচৰত ৰৈ গ'ল । ইহঁত দুটা থকা হ'লে মোৰ কাষত থাকি মাকক চাব পাৰিলহেঁতেন । কিন্তু বাবা হত যে অসমতে নহয় ভাৰতৰ বাহিৰত আছে ।

বাওঁহাতেৰে কেবিনৰ দুৱাৰৰ হেণ্ডেলডালত ধৰি চিকিৎসকগৰাকীয়ে এবাৰ স্থিৰ দৃষ্টিৰে মোৰলৈ চালে আৰু তাৰপিছত খুব গম্ভীৰ স্বৰেৰে ক'লে । ৰানিং শেষত মোক কেবিনেট লগ ধৰিব কথা পাতিম তাৰ পিছত দুৱাৰ খন খুলি তেওঁ এখন্তেকো নৰ'ল ।

কৰিডৰেৰে খটখটকৈ পাৰ হৈ গ'ল শব্দ লয়ত মই শুনিলোঁ । নুশুনিলে মইনাই । কি বা কথা পাতিব ডাক্তৰে ?

মোৰ জীৱনৰ আটাইবোৰ কথাকে শুনি আহিছিল মইনাই আজি পয্যন্ত । মই জানো তোমাৰ শুভ্ৰতা অতুলনীয় । তুমি নিৰ্মল আৰু পবিত্ৰ । তুমি মোক বাদ দি আজি কিয় মৌনতা ? তুমি মৌনতা হোৱা আগতেই মই তোমাৰ মনৰ কথাখিনি শুনিব বিচিৰিছো তুমি মোক বিমুখ নকৰিবা । উস্ মইনা মই ভাল পাওঁ বাবেই মোৰ লগত সংসাৰ কৰিছা নে তুমিও মোক ভাল পোৱা ? মোৰ জীৱনৰ শূন্যতা পূৰণ বাবে তোমাক আজুৰি আনিলো কিমান মুক্ত মনেৰে সতজানৰ পাৰে পাৰে বিচৰণ কৰি আছিলা । সকলো ত্যাগ কৰি পত্নী , বোৱাৰী , মাক হৈ নিৰবে দ্বায়িত্ব বোৰ পালন কৰিলা । আপোনৰোও আপোন আত্মীয় তুমি । তোমাৰ দুখ বেদনা সহ্য কৰিব বহুত টান । তাতে তোমাৰ সদায়ে ভালটোৱেই বিচাৰোঁ । সঁচাকৈ মইনা তোমাক মই বহুত বেছি ভাল পাওঁ । মোৰ দৰে সকলো স্বামীয়ে ভাবে নেকি তেওঁ পত্নীয়ে তেওঁক ভাল পাই নে ? নে মই হে ভাল পাই আহিছো ওৰেটো জীৱন ? হয়তো ভাবে। আচলতে পৃথিৱী সকলো স্বামী-স্ত্ৰীয়ে জীৱনৰ অন্তিমক্ষণলৈকে

প্ৰশ্ন লৈ তেওঁক মই ভাল পাওঁ তেওঁ মোক ভাল পাইনে ? তেওঁক লৈ মই সুখী তেওঁ বাৰু মোক লৈ সুখীনে ??
হয়তো সেই প্ৰশ্ন বুকুতলৈয়ে বিদায় লৈছে কিমান জনে আছে জানো তাৰ লেখজোখ ? খুব মৰমেৰে , খুব নিবিড়ভাবে মই মইনা চকুলৈ চাই আছোঁ । বন্ধ চকু । তথাপি মোৰ ভাব হ'ল কিতাপ পঢ়াৰ দৰেই চকুৰ মণি দুটা যেন দ্ৰুততাৰে লৰচৰ কৰিছে । মই বাৰু স্বাৰ্থপৰ নেকি ? নিজৰ ভাবত এনেকৈ কিমান সময় পাৰ হৈছিল নাজানো ?

ডাক্তৰে আহি যেতিয়া মোৰ বাহুত ধৰি জোকাৰি দিছিল তেতিয়াহে মোৰ সন্ধি ঘুৰি আহিল চেহ কিমান সময় পাৰ হৈছিল ? ডাক্তৰে মাতি পঠিয়াইছিল মই নোযোৱাত ডাক্তৰ নিজেই আহিল নিজকে বৰ লজ্জিত অনুভৱ কৰিছোঁ । দুখী দুখী ভাবেৰে ডাক্তৰ কিবা এষাৰ কোৱা জৰুৰী ভাবি কব লওঁতেই ডাক্তৰে কবলৈ ধৰিলে আপোনাৰ ৰিজাল্ট ভাল ,মুখত মিচিকিয়া হাঁহি ডাক্তৰৰ । যুদ্ধ শেষত জয়ৰ হাঁহি । ডাক্তৰৰ মুখৰ হাঁহিত কিবা এটা বুজিবলৈ চিন্তা কৰোঁতেই --। ডাক্তৰে মইনাক দেখুৱাই কলে এতিয়া আৰু চিন্তা কাৰণ নাই মই যিটো চিন্তা কৰিছিলো সেইটোৱেই হ'ল সকলো টেষ্টৰ ৰিজাল্ট ভাল । তেতিয়া হে মই মইনা মুখলৈ চালো মইনা মুখৰ অক্সিজেন পাইপ আঁতৰাই দিছে । চকুযুৰিয়ে পিৰিক-পাৰাক কৰি কৰোবাৰ সন্ধানত ডাক্তৰে মোৰ কান্ধত হাত থৈ কথা পাতক কৈ ওলাই আহিছিল ।

ৰোমটোত মইনা আৰু ভাস্কৰ । হৃদয়ৰ গুপুত কথাবোৰ সৰ্বপ্ৰথমে চকুৰ মাধ্যমেই প্ৰকাশ পায় । আমাৰ চাৰিও চকু মিলনত আত্মাই আত্মাক উপলব্ধি কৰিছোঁ । স্বামী-স্ত্ৰীৰ বন্ধনৰ বাবে প্ৰেমৰ স্বৰূপ হ'ব লাগিব গভীৰ আৰু নিঃস্বাৰ্থ । মইনা চকুৰে ভালপোৱা বোৰ বিলাই দিলে । আকুলতৰে মইনা ভালপোৱা বোৰ বুটলিব ধৰিলোঁ , যেন মোৰ হৃদয়ত আতেহ মানে ভৰাই লম ------


অসমীয়া প্ৰতিদিন ■ উত্তৰ লখিমপুৰ ■ সোমবাৰ, ২৩ জুন, ২০২৫/৮ আহাৰ, ১৯৪৭ শক ৯

লখিমপুৰ জিলা সাহিত্য সভা

'শাখালৈ যাওঁ আহক' কাৰ্যসূচী ৰূপায়ণ

# ধূপ নীৰৱে জ্বলে

নিৰুপমা বুঢ়াগোহাঁই

সন্ধিয়া গুৰু গৃহত বন্তি গছি জ্বলাই কাষতে ধূপ এডাল জ্বলাই দি অনুৰাধাই সভক্তিৰে প্ৰাৰ্থনা এভাগ গাই ভগৱন্তৰ ওচৰত নিজকে অৰ্পণ কৰি মানসিক প্ৰশান্তিৰে জ্বলি থকা ধূপডাললৈ চাই ৰ'ল একান্ত চিত্তে। কুণ্ডলী পকাই পকাই ধোঁৱাবোৰ উৰি গৈ ছাই খিনি পৰি ৰ'ল সুগন্ধি বিলাই চৌদিশে। তাইৰ জীৱনটোও যেন এনেদৰে কুণ্ডলী পকাই পকাই আহি আজিৰ অৱস্থা পাইছেহি। কথাবোৰ ভাবি ভাবি তাই যেন ভাৱ সাগৰত ডুব গ'ল --

কিমান যে ৰঙীন সপোন দেখিছিল তাই জীৱনটোক লৈ -

সুন্দৰ সুঠাম চেহেৰাৰ অনুপম প্ৰথম দেখোতেই তাইৰ ভাল লাগি গৈছিল। উচ্চ শিক্ষাৰে শিক্ষিত অনুপমে মাক দেউতাকৰ তাৰণাত পৰি অনুৰাধাক কৰিলে জীৱন সংগী। প্ৰথম দুদিন মান ভালেই গৈছিল। অনুৱে এবাৰো ভৱা নাছিল যে তাইৰ অন্তৰৰ মানুহ জনৰো অন্য এটা ৰূপ থাকিব পাৰে। সময় আগবঢ়াৰ লগে লগে অনুপম যেন হৈ পৰিছিল এজন মানুহৰ নাম ধাৰী এটা নৰপশু। মাক দেউতাকৰ অজ্ঞাতে অনুপমে মদৰ ৰাগীত মাতাল হৈ গৃহত প্ৰবেশ কৰি বিনা কাৰণত অনুৰাধাক কৰা শাৰীৰিক আৰু মানসিক নিৰ্যাতন নীৰৱে সহ্য কৰি গ'ল সকলোৰে অজ্ঞাতে। দুয়োখন ঘৰৰ সন্মানৰ খাতিৰত কাকো একো ক'বলৈয়ো তাই সৎ যোৱা নাছিল। ঘৰলৈ গুচি গৈ মাক দেউতাককো তাই দুখ দিব বিচৰা নাছিল ।

সঁচা কথা লুকাই নাথাকে। অনুপমৰো সেয়ে হৈছিল ।মাক দেউতাকৰ লগতে ওচৰ চুবুৰীয়াইয়ো কথা বোৰ গম পাইছিল। তথাপি অনুৰাধা আছিল নিৰ্বিকাৰ । যেন একোৱেই হোৱা নাই। জীৱন সংঘাত ৰ মাজতেই তেওঁ লোকৰ মাজলৈ আহিল আকাংক্ষিত আলহী তনয় । আৰু তাৰ পাছত??

আহিল সেই অনা আকাংক্ষিত বাৰ্তাটো । অনুপম লাঞ্চ কেঞ্চাৰত আক্ৰান্ত শেষ পৰ্যায়ত। কিংকৰ্তব্য বিমোৰ হৈ পৰিছিল অনুৰাধা ।কি কৰিব ,কি নকৰিব একো সিদ্ধান্ত ল'ব পৰা নাছিল। কণমানি তনয়ক সাৱটি ধৰি মাত্ৰ চিঞৰি চিঞৰি কান্দিছিল। আৰু শেষান্তৰত সেই দুৰ্দান্ত মানুহ জনে চিকিৎসালয়ত যুঁজি যুঁজি এটা সময়ত নিঠৰ হৈ পৰিছিল । অসহায় অনু ৰাধাজনী হৈ পৰিছিল মুক । পুত্ৰৰ শেষ পৰিণতিত এজন এজনকৈ পিতৃ মাতৃও গুচি গ'ল । কিন্তু অনুৰাধা ???

পুত্ৰৰ মুখলৈ চাই সকলো যন্ত্ৰণা নীৰৱে সহ্য কৰি গ'ল সকলোৰে অলক্ষিতে। কোনে বুজিব তাইৰ হৃদয়ৰ বেদনা,তাইৰ আস্ফালন মাথোঁন অৰণ্যৰোদন।

"মা, তুমি ক'ত আছা? ইমান দেৰি লৈকে মোক একো খাবলৈ দিয়া নাই??বৰ ভোক লাগিছে জানা? মই কেতিয়াবাই আছিলোঁ নহয়?"

তাইৰ চিন্তাৰ আঁত হেৰাল। তাৰ মাততহে তাইৰ সম্বিত ঘূৰি আহিল। খৰখেদাকৈ গুৰু গৃহত সশ্ৰদ্ধাৰে সেৱা জনাই ওলাই আহিল ধীৰে ধীৰে --।

# কহিনুৰ কাবাৰীৱলা আৰু দুটা দিনৰ কথকতা

**দীপালী বৰুৱা**

ৰাতিপুৱাই মুখত ব্ৰাছডাল লৈ পানীমটৰৰ চুইচ দিয়াটো বৰ্ণালীৰ প্ৰথম কাম। তাৰ পাছত হে মুখখন ধুই গৰম পানী এগিলাচ খাই আন কামত ধৰে। কামবোৰ শেষ কৰি গাটো ধুই ওলাই আহে মানে ঘৰৰ বাকী সদস্য কেইজন উঠে। সিহঁতে মুখ ধুৱে মানে তাই চাহ বাকে আৰু গোটেই কেইটাই একেলগে চাহ খায়। এই ৰুটিনখনৰ এদিনো সলনি হোৱা নাই।

আজিও বৰ্ণালীয়ে মটৰৰ চুইচটো দিলে। মটৰ চলা শব্দ নুশুনি ভাৱিলে -- কাৰেন্ট নাই চাগৈ। ঘৰৰ কামবোৰ কৰি হ'ল, গা-পা ধুই আজৰিও হ'ল। তথাপিও মটৰ চলাৰ শব্দ নুশুনি ভোৰভোৰাই উঠিল তাই - "এই কাৰেণ্টডাল নো ইমান পৰলৈকে আহিব নাপায় নে ? কচি কচি সময়ত ঠিকেই বিল ল'ব, প্ৰয়োজনৰ সময়ত হে কাৰেণ্ট নিদিয়ে।"

ভোৰভোৰাই ভোৰভোৰাই বৰ্ণালীয়ে ৰুমৰ লাইট টো জ্বলাই চালে -- আৰে ...লাইট জ্বলিছে দেখোন। কাৰেণ্ট আছে তাৰ মানে। তেন্তে মটৰ চলা নাই কিয় ? বেয়া হ'ল নেকি আক' ? ছেঃ ...বেয়া হ'ল যদি মিস্ত্ৰী মাতি মটৰ ঠিক কৰালৈ এপৰ লাগিব এতিয়া। এই মিস্ত্ৰী বোৰৰো যে ডেমাকিবোৰ আৰু আহিবই নোখোজে। দহটা বাহানা দেখুৱাব। অমুকত হে আছো - তমুকত হে কাম আছে... আৰু কাম কৰাৰ পাছত পইচা কেইটা হাতত লৈ এনেকুৱা দেখুৱাব যেন আমাক বুলিহে ইমান কমতে কৰি দিছে... উফ্

"ৰাতিপুৱাই ৰাতিপুৱাই কিনো ভোৰভোৰাই আছা হে ?" বুলি গৃহস্থই বিৰক্তি প্ৰকাশ কৰি উঠি আহিল। ল'ৰাহঁতো উঠিল। "কি হ'ল অ' মা ?" বুলি সিহঁতে ব্ৰাছত টুথ পেষ্ট লগাই লগাই মাত দিলে। বৰ্ণালীয়েও ঠেহেৰাই ক'লে-

"হ'বলৈ কিটো নো আছে ? একো হোৱা নাই। মাত্ৰ মটৰটোহে বেয়া হ'ল নেকি - চলা নাই দেখোন। এতিয়া মিস্ত্ৰী মাত,মিস্ত্ৰী আহি ভাল কৰিব, তাৰ পাছত পানী উঠাবি, ভাত খাবি কেতিয়া, স্কুল যাবি কেতিয়া? হ'ল আৰু আজি।"

"এহ , হ'ব দিয়া - কালি পানী উঠোৱা আছিল নহয়- এবেলা চলি যাব। ইমান চিন্তা কৰিব নালাগে। এতিয়া চাহ কৰা - চাহ কাপ খাই লওঁ আগতে। ইহঁতক স্কুলত থ'বলৈ যাওঁতে মিস্ত্ৰী লগতে লৈয়েই আহিম দিয়া।"-- মুখ ধুই ধুইয়েই গৃহস্থই ক'লে।

"চাহ দিম বাৰু, ফ্লাস্কত গৰম পানী আছে আগতে গৰম পানী এগিলাচ খাই লোৱা চোন।" বুলি কৈয়ে বৰ্ণালীয়ে ৰেঞ্চপাত বিচৰাত লাগিল। ঘৰটো সাজি থকাৰ সময়ত মটৰ নচলিলে মিস্ত্ৰীয়ে ৰেঞ্চপাতেৰে মটৰটোৰ কিবা এটা লৰচৰাই দিওঁতেই মটৰ চলা দেখিছিল। এতিয়াও তেনে কিবা কৰিব পাৰি নেকি চাওঁ বুলি ভাৱিয়েই ৰেঞ্চপাত হাতত লৈ মটৰটো চাবলৈ গ'ল। ...ওৱা, তলাটো পৰি আছে দেখোন, গ্ৰীলখনো মেল খাই আছে - চোৰে নিয়া নাই তো উৎকণ্ঠাৰে বৰ্ণালীয়ে জুমি চালে আৰু চায়েই চিঞৰি উঠিল --"হেৰা , মটৰটো নাই - চোৰে নিলে।" চিঞৰ শুনি ব্ৰাছ কৰি কৰিয়েই আটাইকেইটা বৰ্ণালীৰ কাষ চাপি আহিল। জুমা-জুমি কৰি বৰ পুত্ৰই ক'লে -- "কালি যে ভঙা-ছিঙা বেচিছিলা সেই ল'ৰাটোৱেই নিলে চাগে"

পুতেকৰ কথা সমৰ্থন কৰি বাপেকেও বৰ্ণালীক ঠাট্টা কৰিলে -"চাগে নহয় হয়েই। মাৰে কালি বৰ উকালতি কৰিছিল নহয় - কহিনুৰ নে চহিনুৰ কি নাম কৈছিল জানো - মুখখন বৰ সৰল, মৰম লগা - সেই মৰম লগা মুখখনে কি কৰিলে দেখিলা নহয় "

চোৰে আমাক হে পায় বুলি খং, উৎকণ্ঠা আৰু চিন্তাৰে বৰ্ণালীৰ মূৰটো গৰম হৈ আছিলেই এতিয়া গৃহস্থৰ কথা শুনি আৰু খং উঠি গ'ল।" এ.. হ'ব আৰু কোনো দিনে কাৰো কথা নকওঁ , নেবেচোঁ একো। যত দোষ নন্দ ঘোষ। চব দোষ মোৰেই। কালি ভঙা-ছিঙাবোৰ নেবেচো হ'লে সেইটো নাহিল হেঁতেন আৰু চোৰো নহ'ল হেঁতেন। কেলেই যে মাতিছিলোঁ নহয়"

মাকক চাপৰ্ট দি সৰু পুত্ৰই ক'লে --"চোৰে নিলে - নিলে আৰু , কিনো ইমানকৈ কৈ আছা দেউতা ভঙা-ছিঙা লোৱা ল'ৰাটো আহিছিল কাৰণে তাকেই চোৰ বুলি কৈ আছা , নহা হ'লে কাক ক'লা হেঁতেন। মা , তুমি চাহ কৰাগৈ। আমাক স্কুলত থ'বলৈ যাওঁতে দেউতাই মটৰ আৰু মিস্ত্ৰী লৈ আহিব - তুমি চিন্তা নকৰিবা।"

"চিন্তা কৰা নাই অ' , বেয়া কিবা এটা হ'লেই যে দোষবোৰ মোৰ গাতে পৰে -- সেই কাৰণেহে খং উঠিছে" বুলি কৈ বৰ্ণালী পাকঘৰলৈ গ'ল।

সময় উলিয়াই বৰ্ণালী প্ৰায়েই বাৰীত সোমায়। বাৰী বুলিবলৈ নায়েই। ডেৰকঠা মাটিহে - ঘৰটো বান্ধি অকনমান জেগাহে ৰৈছিল। তাতেই তাই বতৰৰ ইটো- সিটো শাক পাচলি দুটামান কৰে।ঘৰৰ চৌপাশৰ বন চিকুণোৱা, শাকৰ বন-বাত নিৰাই গুৰি খোচৰা,পানী দিয়া, শুকান গোবৰ দিয়া আদিবোৰ কৰে। বেয়া নাপায় কামবোৰ কৰি ।নিজকে ব্যস্ত ৰখাও হয় আৰু সাৰ, কীটনাশক নিদিয়া তাজা শাক - পাচলি দুটামান খাবলৈও হয় , ওচৰ- চুবুৰীয়াকো দিবলৈ হয় । ফুলৰ টাবেৰে ঘৰ ভৰি আছে বৰ্ণালীৰ । ৰাস্তাৰে যোৱা মানুহেও ঘূৰি ঘূৰি চাই যায় ।দেওবাৰে সাধাৰণতে আগবেলাই বাৰীৰ কাম খিনি কৰে । কালিও তেনেকৈ বাৰীত কাম কৰি থাকোতেই ৰাস্তাৰে চিঞৰি গৈ থকা ভঙা- ছিঙা বিচাৰি ফুৰা ল'ৰাটোৰে সুধিলে--

ঃ ভঙা-ছিঙা আছে নেকি বাইদ' ?

মূৰ নোতোলাকৈয়ে তাই সুধিলে --

ঃ কেনেকে দিছ ?

ঃ পিলাষ্টিক পাঁচ টকা ,লোহা- টিনা আঠ টকা, পেপাৰ বহী কাগজ বাৰ টকা।

ঃ হেৰৌ, চব বস্তুৰে দাম বাঢ়িছে , তহঁতৰ এই ভঙা-ছিঙাৰ হে দাম বঢ়া নাই দেখোন, কিমান দিবি ভালকৈ ক।

ঃ বাইদ' আপোনাক দুই টকা বেছিকৈ দিম -- দিয়ক আছে যদি।

ঃ আৰু দুটকা দে।

ঃ হ'ব বাইদ' মিলাই দিম আৰু কিবা এটা।

সেই বুলি কৈয়েই ডাঙৰ বস্তা এটা লৈ ল'ৰাটো গেট খুলি সোমাই আহিল। বৰ্ণালীয়ে তেতিয়াহে তাৰ মুখলৈ ভালকৈ চালে । লেতেৰা হ'লেও খীন-মীন চেহেৰাৰ ল'ৰাটোৰ মুখত কমনীয়তা আছে । সৰলতাৰে ভৰা চকুহাল মৰম লগা। ঘৰ সাজোঁতে ৰৈ যোৱা টুকুৰা- টুকুৰ লোহাবোৰ , তেলৰ খালি বটলবোৰ, প্লাষ্টিকৰ ভঙা চকী, টাববোৰ পাছ ফালৰ খটখটীৰ তলৰ খালি ঠাইতে জমা কৰি থৈছিল তাই। সেইবোৰ আঁতৰাই তাতে দুজনীমান কুকুৰা পোহাৰ কথা বহু দিনৰে পৰাই ভাবি আছিল। গতিকেই দ্বিতীয়বাৰ চিন্তা নকৰাকৈ ল'ৰাটোক ভঙা-ছিঙাবোৰ দেখুৱাই দি পেপাৰখিনি আনিবলৈ বৰ্ণালী ভিতৰ সোমাল। এবছৰৰ পেপাৰ জমা হৈ আছে - সেই ঠাই খিনিও আজৰাব লাগে। বস্তু যিমানেই বেছি হয় ধূলি-মাকটিও সিমানেই বেছি জমা হয়। চাফা

কৰোঁতাই হে জানে জাৰি-জোকাৰি চাফ-চিকুণ কৰোঁতে সময় আৰু কষ্ট কিমান হয়।

বস্তুবোৰ চোতালত দ'মাই ল'ৰাটোৱে দগা-পাল্লা লৈ জোখাত লাগিল। বৰ্ণালীয়েও ওচৰতে বহি লৈ হিচাপ ৰাখি গ'ল। ল'ৰাটোৰ সহজ সৰল চেহেৰাটোৱে তাৰ বিষয়ে জানিবলৈ আগ্ৰহী কৰি তুলিছিল বৰ্ণালীক। সেয়ে জোখ- মাখৰ মাজে মাজে তাই কিবা কিবি সুধি থাকিল তাক।

ঃ তোৰ নাম কি অ' ?

লাজকুৰীয়া হাঁহি এটা জিলিকাই সি উত্তৰ দিলে---

ঃ কহিনুৰ ।

ঃ আৰে .. তই দেখোন গোবিন্দ। কহিনুৰ চিনেমাৰ গোবিন্দ। চাইছ নে নাই চিনেমাখন?

কহিনুৰৰ চকুত হতভম্ব অসহায় চাৱনি দেখি বৰ্ণালীয়ে বুজিলে সি চিনেমাখন চোৱা তো নায়েই নামটোও শুনা নাই। তাই কথা সলালে--

তাৰ লগত হোৱা টুকুৰা-টুকুৰ কথাৰ পৰা গম পালে যে সি সৰু থাকোঁতেই মাক বেমাৰী হোৱাৰ বাবে তালাক দি বাপেকে আন এজনী বিয়া কৰালে আৰু সি এতিয়া ঘৰত নাথাকে। বৰ্ণালীয়ে তাৰ সৰল চকুহালৰ অভ্যন্তৰত থকা দুঃখবোৰ অনুভৱ কৰি তাৰ প্ৰতি সদয় হৈ উঠিব খুজিলে। জোখ- মাখ শেষ কৰি গণি গণি টকা কেইটা লৈ দহ টকা এটা তাক ঘূৰাই দিলে - "এই দহ টকা ল-- চাহ খাবি।" বিনা বাক্যব্যয়ে দহ টকাটো লৈ চকুৰেই কৃতজ্ঞতা জনাই কহিনুৰ গুচি গ'ল অথচ গোটেই দিনটো কামৰ ফাঁকে ফাঁকে বৰ্ণালীয়ে তাৰ কথাই ভাৱি থাকিল। দুপৰীয়া ভাত খাওঁতেও গৃহস্থ আৰু ল'ৰাহঁতৰ আগত তাৰ মাত শুনাৰ পৰা বস্তুবোৰ সামৰি যোৱালৈকে , আনকি দহ টকা দিয়ালৈকে ডিটেইলচ ক'লে। গৃহস্থ গহীন হৈ গ'ল। ক'লে --

ঃ হ'ৰা, এই টাইপৰ মানুহৰ কোনো বিশ্বাস নাই বুজিছা । চোৰ-তাৰি, ড্ৰাগচ পেডলিং , মাৰ্ডাৰ আদি অসামাজিক কাম-কাজ বোৰত ইহঁতেই বেছি জড়িত । এনে বহুবোৰ ঘটনা জানাই দেখোন। সেই হাজৰিকাৰ ঘৰৰ ডকাইতিৰ ঘটনাটোত তেওঁলোকৰ ঘৰত ৰং দিয়া মানুহটোৱেই দেখোন জড়িত আছিল। জানমণি হঁতৰ ঘৰতো একেই। স্কুলবোৰতো দেখোন চোৰ সোমাই কম্পিউটাৰ, কিতাপ চোৰ কৰি নিয়ে। নামঘৰ, মন্দিৰো বাদ নপৰে। এইবোৰ কোনো ডাঙৰ চোৰ নহয় বুজিছা-- সৰু চোৰ, ড্ৰাগচ খোৱা চোৰ। চুৰি বস্তুৰ এখন ডাঙৰ বজাৰো আছে । সৰু চোৰবোৰে এই সৰু সৰু বস্তুবোৰ চোৰ কৰি বেচে আৰু যি পইচা পায় তাৰে সিহঁতে ড্ৰাগচ খায়। গতিকে এইবোৰ মানুহৰ প্ৰতি ইম'চনেল হৈ লাভ নাই।

মানুহ জনৰ কথা সঁচা যদিও অকনমান হ'লেও আহত হ'ল বৰ্ণালী। তাইৰ মনটোৱে যেন মানি ল'ব পৰা নাই। ডাঙৰ ল'ৰাই কথা সলাবলৈকে চাটনি অকন আঙুলিৰে চেলেকি চেলেকি টকালি পাৰি কৈ উঠিল —

ঃ মা , চাটনিখিনি কিন্তু বৰ ধুনীয়া হৈছে দেই । কি কি দিছা ?

ঃ নাৰিকল , মগু , কেঁচা মটৰ , জলকীয়া আৰু নহৰু। ফ্লেভাৰৰ কাৰণে ধনীয়া পাত আৰু অকনমান নেমুৰস। ---- হাঁহি এটা বিৰিঙাই বৰ্ণালীয়ে উত্তৰ দিলে।

ঃ মাংসও ধুনীয়া হৈছে -- খা । মাই ৰন্ধা চিকেন - ফাইভ ষ্টাৰ হোটেলেও ফেইল মাৰিব।

চিকেনৰ লেগপিচত কামোৰ দি ভায়েকে ককায়েকক ক'লে। গৃহস্থইও প্ৰশংসা কৰিলে। ক'লে--

ঃ মাৰৰ হাতখন ভালেই পিছে অলপ বেছি ইম'চ'নেল। নিজৰ দৰে আনকো সৰল বুলিয়েই ভাৱে। হ'ৰা

বুজিছা -- তুমি কৈ থকা এই কহিনুৰহঁতৰ জাতটো যে একেবাৰে ৰক্তবীজৰ বংশ, গোজেই গজালি হোৱা জাত। চাৰিওফালে চানি ধৰিছে এতিয়া। প্ৰথমে এঘৰ যেনেতেনে কাৰোবাৰ মাটিত বহিবলৈ পাব হে লাগে, তাৰ পাছত এটা দুটাকৈ আহি সেই ঘৰতে থাকিবলৈ ল'বহি আৰু কেইদিন মানৰ পাছতে পা- পোৱালি আনি কাষতে এটা জুপুৰি সাজিবহি। এনেকৈয়ে অলপ দিনৰ ভিতৰতে কেইবাঘৰো হয়গৈ। সিহঁতক ক'ৰ পৰা আহিছে বুলি সুধিলে হয় নগাৱঁৰ পৰা নহ'লে ধুবুৰী বা বৰপেটাৰ পৰা অহা বুলি কয়। সিহঁতক থাকিবলৈ ভাল ঘৰ দুৱাৰ নালাগে, অহা যোৱা কৰিবলৈ ভাল ৰাস্তা-পদূলিও নালাগে । পিন্ধিবলৈও বৰ বিশেষ কানি-কাপোৰৰ প্ৰয়োজনো নাই। খাবলৈ ভাতমুঠিৰ যোগাৰ কৰিব পাৰিলে সিহঁতক একো নালাগে। এটা এটা মানুহৰ দুই-তিনি জনী মাইকী আৰু এপালমাল ল'ৰা ছোৱালী। সেই তাহানিতে বৃটিছে grow more food কৰিবলৈ অনা এই মানুহবোৰে ম'ৰ ফুড গ্ৰ' কৰিব পাৰিলে নে নাই ঠিক নাই কিন্তু ম'ৰ মিঞা যে গ্ৰ' কৰিলে সেইটো ঠিক। সেই যে অসমলৈ অহাৰ চিলচিলা আৰম্ভ হ'ল- হ'লেই আৰু, অন্ত হোৱাৰ নাম গোন্ধেই নোহোৱা হ'ল। বৃটিছে কৰা ভুল,অসমৰ ৰাজনৈতিক নেতাই কৰা ভুল , অসমীয়া মানুহৰ ভুল , অসম আন্দোলনৰ ভুল -- ইমানবোৰ ভুলৰ সুৰুঙা লৈ ইহঁতবোৰ আহিয়েই আছে আহিয়েই আছে। তোমালোকৰ গাঁৱলৈকে নোচোৱা কিয়? প্ৰফুল্ল সিংহই দুঘৰ মানুহ বহাইছিল খেতি কৰিবলৈ। এতিয়া কেইঘৰ হ'ল? কেইঘৰ নহয় এখন গাঁও হ'ল। সেই প্ৰফুল্ল সিংহৰ মাটিয়েই বেদখল কৰি বহি ল'লে - নোৱাৰিলে সিহঁতক উঠাব। অৱশেষত সিহঁতকেই মাটিখিনি কম দামতে বিক্ৰী কৰিব লগা হ'ল। আন্দোলনৰ সময়ত সিহঁতেই শিঙৰাজানৰ সিপাৰে গোপালপুৰৰ মদন কলিতাৰ ঘৰত জুই লগোৱা নাছিল জানো? সেই ভয়তেই তাত থকা অসমীয়া মানুহ খিনিয়ে ঘৰ-বাৰী এৰি পলাই আহি তোমালোকৰ গাঁৱত আশ্ৰয় লোৱা নাছিল জানো? পাছত মাটি-বাৰীবোৰ মিঞাকে বেচিবলৈ বাধ্য হোৱা নাছিল জানো? সেইদিনা তোমালোকৰ গাৱঁতো আক্ৰমণ কৰিবলৈ আহিছিল। গাৱঁৰ মানুহবোৰ ৰঙানদীৰ পাৰলৈ পলাইছিল। খগেনৰ ভায়েকে মিলিটেৰী গাড়ীৰ আগত পৰি দি কথাবোৰ ক'লত মিলিটেৰীয়ে মিঞাখিনিক খেদি পঠোৱাত হে সেইবাৰলৈ ৰক্ষা পৰিছিলা বুলি তুমিয়েই কৈছিলা দেখোন গতিকে এইবোৰ মানুহৰ প্ৰতি ইম'চ'নেল হোৱাৰ কোনো দৰকাৰ নাই। কি টাউন, কি গাওঁ গোটেইখনতে সিহঁতৰেই দপদপনি। সকলো কাম সিহঁতৰ হাতত । আমাৰ মানুহবোৰ ধোদ হ'ল- নিষ্কৰ্মা হ'ল। এতিয়া অসমীয়া মানুহৰ এনেকুৱা অৱস্থা হ'ল গৈ যে সিহঁত নহ'লে খেতি কৰিব নোৱাৰে, সিহঁত নহ'লে ঘৰ সাজিব নোৱাৰে। মুঠতে সিহঁতৰ অবিহনে একো কৰিব নোৱাৰে। ঘৰটো সাজি থাকোতে দেখা নাছিলা জানো ?

বৰ্ণালীয়ে গৃহস্থক সমৰ্থন কৰি ক'লে--

ঃ হয় দেই প্ৰথম প্ৰথম মিস্ত্ৰী কেইটাই কম জ্বলা-কলা খুৱালে নে? আহিব চাৰে ন - দহ বজাত আৰু চাৰি বাজিল কি নাবাজিল টালি- টোপোলা সামৰিলেই যাবলৈ। সৰু টুকুৰা এটাৰ কাৰণে ভাল তক্তা এখন ঘচাঘচ কাটি দিব, মচলাত বালি এসোপা ছটিয়াই এৰি থৈ যাব , সদায় এডভাঞ্চ লাগে আৰু যিদিনাই এডভাঞ্চ পায় দুদিন মানলৈ দেখাদেখি নাই , ফোন কৰিলেও নানানটা অজুহাত দেখুৱায়। আৰু যে ক'ত কি এনেকুৱা মানুহক কোনে কামত লগাব ? কিন্তু এই মিঞা মিস্ত্ৰীবোৰ সেই ক্ষেত্ৰত সঁচাকৈ বহুত ভাল। সোনকালে তো আহেই, দৰকাৰ পৰিলে লাইট জ্বলাই হ'লেও কাম কৰি দিনটোৰ কাম শেষ কৰিহে যায়।

ঃ মানুহ বোৰ কিন্তু বৰ পৰিশ্ৰমী । আমাৰ মানুহখিনিয়ে কিন্তু সিহঁতৰ এই গুণটো লোৱা উচিত। পিছে নাই - ক'ত ল'ব, মাটি গ'ল ভেটি গ'ল বুলি ডেডাউৰি পাৰি থাকিলেইতো নহ'ব ,মাটি-ভেটি ৰাখিব পৰাকৈ নিজকে কৰ্মঠ কৰিবও লাগিব। আজি-কালি অৱশ্যে কিছু লোক ওলাই আহিছে , কামো কৰিছে আৰু পলিটিকেল

চাপৰ্টো পাইছে। তাহানিতে লক্ষ্মীনাথ বেজবৰুৱাই কৈ গৈছিল -"বিদেশীয়ে চাৰিওফালৰ পৰা চেপি-খুন্দি অসমীয়া জাতিটোক আকাৰত সৰু কৰি পেলালেও ভাইটেলিটি থকা লৈকে অসমীয়া নমৰে।" অসমীয়াৰ ভাইটেলিটি যে আছে এয়াই তাৰ প্ৰমাণ বুজিছা।

বাচন- বৰ্ত্তন ধুই পাকঘৰ সামৰালৈকে বৰ্ণালীয়ে ভাৱি থাকিল - গৃহস্থই কোৱা ধৰণৰ কথাবোৰ আগতেও বহুবাৰ ডাইনিং টেবুলত আলোচনা হৈ গৈছে । কথাবোৰ সঁচাও। তাই চাপৰ্টো কৰে। কিন্তু আজি কিবা এটা ভাল নালাগিল তাইৰ। সঁজাত বন্দী কৰি থোৱা চৰাইটোৰ দৰে যেন তাইৰ মনৰ উচাহক বাধা দিবলৈকে কথাবোৰ আকৌ ক'লে তেওঁ - তেনে যেনেই লাগি থাকিল তাইৰ। তাই জানে এখন অমায়িক মুখ, দেখাত নিষ্কলুষ এযোৰ চকুৰ আঁৰতো লুকাই থাকিব পাৰে এটা অসংস্কৃত মন, এটা অপৰাধী মানুহ। তাই জানে ভোক আৰু দৰিদ্ৰতাই নকৰিব লগা কামো কৰাব পাৰে। তথাপি তাইৰ মনটোৱে মানি ল'ব পৰা নাই দেখোন।

ল'ৰাক স্কুলত থৈ গৃহস্থই মটৰ এটা কিনি আনিলে - মিস্ত্ৰী আহি মটৰ ফিট কৰি চুইচ দি গ'ল। বৰ্ণালীয়েও বাকী থকা কামবোৰ কৰি অঁতালে । কিন্তু গোটেই সময়খিনিত তাই এটা কথাই ভাৱি থাকিল-- ইমান সৰল মুখৰ ল'ৰাটো চোৰ হ'ব পাৰে নে?

তথাপি... ক'ব তো নোৱাৰি।

# বিহপুৰীয়া শাখা সাহিত্য সভাৰ চমু ইতিবৃত্ত

**ললিত মহন্ত**, সদস্য
লক্ষীমপুৰ জিলা সাহিত্য সভা

যি সকলে নিজৰ লক্ষ্য স্থিৰ কৰি কৰ্তব্য পথ নিৰৱে আগবাঢ়ে-
তেওঁলোকেই সমাজ আৰু জগতৰ ভৱিষ্যত আশা ভাৰসাৰ থল -
ড° বাণী কান্ত কাকতি

এই কথা দোহৰা নিষ্প্ৰয়োজন যে- মানৱ জীৱনত আজন্ম ক্ষুধা নিবৃত্তিৰ বাবে যেনেকৈ খাদ্যাভাসৰ প্ৰয়োজন তেনেকৈ সু-স্বাস্থ্যৰ বাবে যোগ-ব্যায়াম, ক্ৰীড়া-কৌশল, নৃত্য-গীত, ভাওনা-থিয়েটাৰ তথা নাট্য শিল্প, বাদ্যযন্ত্ৰৰ লগতে সাহিত্য-সংস্কৃতি প্ৰভৃতি সু-কুমাৰ কলা চৰ্চাও অপৰিহাৰ্য। ইয়েই মানসিক বুদ্ধি-বৃত্তি বা তথা কথিত বৌদ্ধিক বিকাশ আৰু প্ৰসাৰত ইন্ধন যোগোৱাৰ সমান্তৰালভাৱে এটা স্থায়ী সৃষ্টিশীল ধাৰাৰ গতি পথ নিৰ্মান কৰে। কৰ্মৰ প্ৰতি থকা আস্থা আৰু স্পৃহাই মানুহক প্ৰকৃত কৰ্তব্যৰ প্ৰতি সচেতন কৰে।

এটা সময়ত বিহপুৰীয়াৰ সমাজ জীৱনলৈও পৰিৱৰ্তনৰ বতাহ ব'বলৈ ধৰিলে। কিছু সুযোগ-সন্ধানী লোকে এই আওহতীয়া ৰাইজখনৰ প্ৰতি কোনো সৎকৰ্ম কৰাৰ আকাঙ্খাৰে সঙ্গবদ্ধ হ'ল। কেতিয়াবা কোনোৰে নভবা-নিঃচিন্তা কথাও বাস্তৱত ফলিয়ায়, বিহপুৰীয়া শাখা সাহিত্য সভা প্ৰতিষ্ঠাৰ বেলিকাও সেৱাৰ মনোভাৱেৰে ওলাই অহা সাহিত্যিক-সাংবাদিক ধৰ্ম্মেশ্বৰ কটকী দেৱৰ আছিল অহোপুৰুষাৰ্থ নজহা-নপমা স্মৃতিস্তম্ভ।

১৯৫৬ চনত পোন প্ৰথমে মুষ্টিমেয় কেই গৰাকীমান সাহিত্য প্ৰেমী লোকৰ উপস্থিতিত বিহপুৰীয়া শাখা সাহিত্য সভা প্ৰতিষ্ঠা কৰা হৈছিল। তেতিয়া ধৰ্ম্মেশ্বৰ কটকী দেৱ আছিল লোহিত ডিক্ৰুং সাহাৰ্য্যপ্ৰাপ্ত হাইস্কুলৰ সহকাৰী শিক্ষক।

ইতিমধ্যে পৰিস্থিতিৰ সাপেক্ষে সেই দিনাৰ সভাত বিদ্যালয়খনৰ সংস্কৃত ভাষাৰ শিক্ষক শোভন চন্দ্ৰ শৰ্মা শাস্ত্ৰী দেৱক সভাপতি আৰু ধৰ্ম্মেশ্বৰ কটকী দেৱক সম্পাদক হিচাপে লৈ মুঠ এঘাৰজনীয়া এখন তদৰ্থ সমিতি গঠন কৰা হয়। পৰৱৰ্তী কাৰ্যকালত প্ৰাপ্ত তথ্য আৰু কাৰ্য বিৱৰণীৰ মতে সভাপতি আৰু সম্পাদক সকলৰ নাম উল্লেখ কৰা হ'ল।

**১৯৫৬ চনৰ পৰা ২০২৫ চনলৈকে সভাপতি আৰু সম্পাদক সকলৰ নাম -**

| সভাপতি | সম্পাদক |
|---|---|
| প্ৰয়াত শোভন চন্দ্ৰ শাস্ত্ৰী | প্ৰয়াত ধৰ্মেশ্বৰ কটকী |
| প্ৰয়াত সৰ্ব্বেশ্বৰ বৰুৱা | প্ৰয়াত ধৰ্মেশ্বৰ কটকী |
| প্ৰয়াত মোহন চন্দ্ৰ ভূঞা | প্ৰয়াত ধৰ্মেশ্বৰ কটকী |
| শ্ৰী প্ৰেমধৰ বৰা | প্ৰয়াত ধৰ্মেশ্বৰ কটকী |
| প্ৰয়াত কমলেশ্বৰ সাতোলা | শ্ৰী হেম গোস্বামী |
| প্ৰয়াত কমলেশ্বৰ সাতোলা | প্ৰয়াত ৰবিন্দ্ৰ নাথ শৰ্মা |
| শ্ৰী চন্দিকা দত্ত কোঁৱৰ | প্ৰয়াত হৰেণ চুতীয়া |
| প্ৰয়াত কমলেশ্বৰ সাতোলা | শ্ৰী হেম গোস্বামী |
| শ্ৰী ডম্বৰুধৰ নেওগ | ডাঃ বিপুল কুমাৰ নেওগ |
| প্ৰয়াত নগেন গোস্বামী | ডাঃ বিপুল কুমাৰ নেওগ |
| প্ৰয়াত হেম চন্দ্ৰ খাটনিয়াৰ | প্ৰয়াত ভবেন বৰা |
| শ্ৰী চন্দিকা দত্ত কোঁৱৰ | শ্ৰী প্ৰবীণ হাজৰিকা |
| প্ৰয়াত যাদৱ শৰ্মা | শ্ৰী প্ৰবীণ হাজৰিকা |
| শ্ৰী অনিল কাকতি | শ্ৰী দুলাল শৰ্মা |
| শ্ৰী অনিল কাকতি | শ্ৰী বেণুধৰ দাস |

ইয়াৰোপৰি উল্লেখ যোগ্য যে - বিহপুৰীয়া শাখা সাহিত্য সভাৰ সম্পাদকৰ দায়িত্বত সু-দৃঢ়ভাৱে সংগঠন সক্ৰিয় কৰাৰ উপৰিও অসম সাহিত্য সভাৰ কাৰ্য্যাৱলীত দক্ষতাৰে সেৱা আগবঢ়োৱাৰ বাবে অসম সাহিত্য সভাই নিম্নলিখিত দুয়োগৰাকীলৈ বঁটা সহ স্বীকৃতি জনায়। তেখেত সকল হ'ল

(১) প্ৰয়াত ভবেন বৰা

(২) শ্ৰী প্ৰবীণ হাজৰিকা, (বৰ্তমান লক্ষীমপুৰ জিলা সাহিত্য সভাৰ সম্পাদক আৰু অসম সাহিত্য সভাৰ কাৰ্য্যনিবাহক সদস্য)

বিহপুৰীয়া শাখা সাহিত্য সভাৰ নিমন্ত্ৰণ ক্ৰমে ১৯৮৫ চনত অসম সাহিত্য সভাৰ ৫১ তম্ অধিবেশন

অনুষ্ঠিত হৈছিল। অসম সাহিত্য সভাৰ সভাপতি শ্ৰী যোগেশ দাস দেৱৰ সভাপতিত্বত অনুষ্ঠিত হৈছিল। ৫১ তম্ অধিবেশনৰ আদৰণী সমিতিৰ সভাপতি আছিল প্ৰয়াত ডম্বৰুধৰ শইকীয়া আৰু সম্পাদক আছিল শ্ৰীযুত গোলোক চন্দ্ৰ হাজৰিকাদেৱ।

অসম সাহিত্য সভাই ২০১৫-১৭ বৰ্ষত বিহপুৰীয়া শাখা সাহিত্য সভাক "শতদল" শাখাৰ স্বীকৃতি প্ৰদান কৰে। বিহপুৰীয়া পৌৰসভাৰ ৮ নং ৱাৰ্ডত শাখাৰ নিজা মাটিত এটি কাৰ্য্যালয় গৃহ আছে। বৰ্তমান শাখা কাৰ্য্যনিৰ্বাহকে নিয়মীয়াভাবে কাৰ্য্যনিবাহ চলাই আহিছে।

*বিহপুৰীয়া শাখা সাহিত্য সভা আৰু প্ৰতিষ্ঠা কালৰ সম্পাদক ধৰ্মেশ্বৰ কটকী।*

কটকীচাৰে মাজুলীৰ কমলাবাৰীৰ উচ্চ প্ৰাথমিক স্তুৰৰ বিদ্যালয়ত অধ্যয়ন কৰি থকা সময়তে অগা-পিছাকৈ পিতৃ-মাতৃ দুয়োগৰাকীৰে দেহাৱসান ঘটিছিল। তেখেতৰ পিতৃ-মাতৃৰ নাম আছিল বাপুৰাম কটকী আৰু চেনেহী দেৱী। দুয়ো গৰাকীয়েই সমাজত নাম জ্বলা লোক আছিল। কমলাবাৰী এৰি জন্মভূমি আঁহত গুৰিৰ পৰা উত্তৰ পাৰত ভৰি দিলে। উত্তৰ পাৰত পূৰ্বৰ চিনা পৰিচয় থকা বিহপুৰীয়াৰ আধাৰ সত্ৰৰ লোকনাথ গোস্বামী প্ৰভূ জনাৰ ঘৰত আশ্ৰয় ল'লে। বিহপুৰীয়াৰ লোহিত ডিক্ৰং উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষকতাৰ সেৱাত অৱতীৰ্ণ হ'ল।

অসমীয়া ভাষা সাহিত্যৰ জগতত নিজৰ নাম খোদিত কৰা ধৰ্মেশ্বৰ কটকী দেৱে প্ৰকাশ কৰা শিশু উপযোগী কিতাপ-পত্ৰৰ লগতে গল্প, উপন্যাস আদিৰ উপৰিও ১৯৫২ চনতে এবছৰলৈ " লখিমী" নামৰ তিনিমহীয়াকৈ প্ৰকাশিত আলোচনীৰ সম্পাদনা কৰিছিল। তেখেতৰ উদ্যোগত কেইবা বছৰো ধৰি "বিহু সংখ্যা" নামৰ ১২ পৃষ্ঠাৰ বাৰ্ষিক আলোচনী প্ৰকাশ কৰে। শেষৰ অংশত কটকী দেৱৰ তিনিখন উপন্যাস নাম অৰ্থালংকাৰ আশ্ৰয়লৈ প্ৰকাশ কৰা হ'ল।

(১) জীৱনৰ তপত বালি

(২) জীৱনৰ ভগা ৰং ঘৰ

(৩) দেশৰ সপোন

**************

# জিলা সম্পাদকৰ আংশিক প্ৰতিবেদন

## এখন পূৰ্বাপেক্ষ  সংস্কৃতিবান অসমীয়া সমাজ গঢ়াৰ সংকল্পই হে জাতীয় জীৱন সুৰক্ষিত হোৱাৰ সম্ভাৱনা।

**বিষয়টো নাড়ী অনুভৱেৰে  পৰ্যবেক্ষণ কৰকঃ**

চাওক, আইৰ মুখৰ ভাষাই মাতৃভাষা। ইয়াকে আমি ল'ৰালি কালত মুখে-মুখে লৈ ফুৰোঁ; ইমান ইমান পানী, ঘেৰ, ঘেৰণি, বেজী সীও সীও, নিসীবা নিসীবা, এইফালে যাওঁ, নেযাবা নেযাবা, সেইফালে যাওঁ পোতা পুখুৰী পাওঁ, হাবিয়ে বননিয়ে যাওঁ, পিছে পিছে ভূত-প্ৰেতে বোলে আমিও ভয় খুৱাওঁ, আপুনি বয়স হৈলে বুদ্ধি হৈব ভাল, চৰণেহে জানিব মৰণৰ ঠাই, যৈকে লাগি তৈকে যায়।

এনেকৈয়ে ভাষাই গৈ গদ্য সাহিত্যৰ ৰূপ ল'ব, কিছুমান পদ্যৰ, একাংশই পানীত তিতি- বুৰি জুৰুলা-জুপুৰা হোৱা শব্দ ভাণ্ডাৰে কৈশোৰ কালত বা যুৱ অৱস্থাত মুখে-মুখে বগাই গৈ কবিতাৰ ৰূপেৰে কাগজৰ নাৱত উঠি ভাটিয়ালী গীতৰ সৈতে ভটিয়াই পানীত উটিব। ''বৈঠা মাৰ বৈঠা মাৰ ৰে', 'অ বাইচাৰ ভাইয়া ৰে' আৰে জাৰিয়া বৈঠা' 'মাৰিয়া জাইয় ৰে''-- লোকগীতৰ সম্ৰাজ্ঞী প্ৰতিমা পাণ্ডে।

খেনোৱে উজনিলৈ পাল তৰিব। সময়েহে ক'ব, কোন কেনি যাব । এখন সুস্থ সবল তথা সাম্প্ৰতিক শিক্ষা-দীক্ষাৰে পুষ্ট জ্ঞানগৰ্ভী সমাজ গঢ়িবলৈ আমি সংকল্পবদ্ধ হৈ খোলোচা অন্তৰেৰে অৰ্থাৎ এটা ত্যাগ মনোভাৱ লৈ পদপথত আগবাঢ়িব লাগিব। ভাষা সাহিত্যৰ উন্নতিৰ ওপৰতে জাতীয় জীৱনৰ মান নিৰ্ভৰশীল। ইতিমধ্যে ক্ৰমাগত ভাৱে অসম সাহিত্য সভাই ভাষা-সাহিত্যৰ ক্ষেত্ৰখনত বিপুল বৰঙণি আগবঢ়াই আহিছে। এই উদ্দেশ্য সাৱোগত কৰি **২০২৫-২৭** বৰ্ষৰ লক্ষীমপুৰ জিলা সাহিত্য সভাৰ সম্পাদকৰ দায়িত্ব মূৰ পাতি লওঁ।

অসম সাহিত্য সভাই ভাষা-সাহিত্যৰ উত্তৰোত্তৰ উন্নতি সাধন কৰাৰ ক্ষেত্ৰত সম্প্ৰতি গ্ৰহণ কৰা অন্যান্য গঠনমূলক সিদ্ধান্তৰ লগতে প্ৰতিভাসম্পন্ন লিখকৰ গ্ৰন্থ প্ৰকাশো অন্যতম। বিভিন্ন সময়ত বিভিন্ন অনুষ্ঠানৰ জৰিয়তে  অসমৰ সৰ্ববৃহৎ জাতীয় অনুষ্ঠান অসম সাহিত্য সভাৰ লক্ষীমপুৰ জিলাৰ শাখা সমূহৰ হৈ অসমীয়া সাহিত্যৰ উন্নতিৰ বাবে আমাৰ চেষ্টা অব্যাহত আছে। শাখা সমূহে এই ক্ষেত্ৰত আমাক সহায় সহযোগিতা আগবঢ়াই আহিছে। আমি সততাৰে নিজৰ দায়িত্ব পালন কৰিবলৈ চেষ্টা কৰি আহিছোঁ। নিজে বিভিন্ন শাখা সমূহলৈ গৈ প্ৰতিগৰাকী বিষয়ববীয়াক লগ ধৰি কৰ্মৰাজিৰ বুজ লৈছোঁ।

সাহিত্যৰ সৈতে সমাজৰ এক নিবিড় সম্পৰ্ক আছে। লক্ষীমপুৰ জিলা সাহিত্য সভাৰ  সম্পাদকৰ

পদত অধিষ্ঠিত হোৱাৰ পিছৰে পৰা আমি বিভিন্ন কাৰ্যসূচী ৰূপায়ন কৰি আহিছোঁ।

ইংৰাজী **২/৩/২৫** তাৰিখে জিলা সাহিত্য সভাৰ মৈদমীয়াস্থিত লক্ষীবিলাস শইকীয়া ভৱনত যুটীয়া বৈঠক অনুষ্ঠিত কৰি সভাত কাৰ্যনিৰ্বাহক সমিতি গঠন কৰি শ্ৰীযুত সঞ্জীৱ উপাধ্যায়ক সভাপতি আৰু আমাক সম্পাদকৰ দায়িত্ব অৰ্পণ কৰে।

**৪/৩/২৫** তাৰিখে আমি পাভ শাখাৰ সভাপতি , সম্পাদক, সদস্য সকলৰ লগত জিলা কাৰ্যনিৰ্বাহক অনুষ্ঠিত কৰাৰ বিষয়ে আলোচনা কৰোঁ।

**২০/৩/২৫** তাৰিখে আমি পাছিঘাটলৈ গৈ আয়ুক্তক লগ কৰি লুম্মেৰ দাই প্ৰতিমূৰ্ত্তি নিৰ্মাণ সম্পৰ্কত মাটি ঠিক কৰি গিৰীণ তামুলীদেৱক দায়িত্ব দি আহো।

**৯/৩/২৫** তাৰিখে যোৰহাটৰ কেন্দ্ৰীয় কাৰ্যালয়ত কেন্দ্ৰৰ যুটীয়া বৈঠক অনুষ্ঠিত হয়।

**২৫/৩/২৫** তাৰিখে সুৰভি শাখা সাহিত্য সভাৰ প্ৰতিনিধি সভা অনুষ্ঠিত হয়।

**২৬/৩/২৫** তাৰিখে উত্তৰ লক্ষীমপুৰ শাখাৰ কাৰ্যালয়ত ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ **৮৭** সংখ্যক মৃত্যু দিৱস সাহিত্য দিৱস উদ্‌যাপন কৰা হয়। নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে শ্ৰীযুত তিলক চন্দ্ৰ ডেকাদেৱ।

**২৯/৩/২৫** তাৰিখে ঘূণাসুতি শাখা সাহিত্য সভাত প্ৰতিনিধি সভা আছিল। তাত নতুন সমিতি গঠন কৰা হয় আৰু উক্ত দিনটোতে সোৱণশিৰি আৰু দক্ষিণ তেলাহী শাখাতো প্ৰতিনিধি সভা অনুষ্ঠিত হয়।

**৯/১২/২৫** তাৰিখে প্ৰয়াত কবি যোগেন টাইদৰ স্মৃতি দিৱস অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱা হয়।

**৩১/৩/২৫** তাৰিখে পভুমৰা শাখা সাহিত্য সভাৰ নতুন সমিতিক দায়িত্ব অৰ্পণ কৰা সভাত শাখাৰ পত্ৰিকা উন্মোচন কৰা হয়। গ্ৰন্থ উন্মোচন কৰে শ্ৰীযুত সঞ্জীৱ বৰাই । উদ্বোধক হিচাপে আমি উপস্থিত আছিলোঁ।

উক্ত দিনাই উত্তৰ পিছলা শাখাতো এখন প্ৰতিনিধি সভা আছিল। পৰ্যবেক্ষক হিচাপে আছিল শ্ৰীযুত উপেন হাজৰিকা।

**১১/৪/২৫** লক্ষীমপুৰ আঞ্চলিক কাৰ্যালয়ত লুম্মেৰ দাইৰ স্মৃতি দিৱসৰ ওপৰত অনুষ্ঠিত কৰা এখন সভাত উপস্থিত থাকো।

**১২/৪/২৫** পাভ শাখা সাহিত্য সভাৰ আতিথ্যত লালুক মাৰ্কাজ একাডেমীত প্ৰথমখন কাৰ্যনিৰ্বাহক সভা জিলা সভাপতি সঞ্জীৱ উপাধ্যায়দেৱৰ সভাপতিত্বত অনুষ্ঠিত হয়। পুৱা গছপুলি ৰোপণ, পতাকা উত্তোলন, স্মৃতি তৰ্পণ, অন্তৰংগ আলাপ আৰু **১০-৩০** বজাৰ পৰা মূল সভা আৰম্ভ হয়। উক্ত সভাতে কৰ্ণধাৰ সমিতি, পৰামৰ্শদাতা সমিতি আৰু প্ৰচাৰ উপসমিতি গঠন কৰি অনুমোদন লোৱা হয়।

**১৫/৪/২৫** নিজৰ দিন উপলক্ষে ৰাজ্যিকৰ পৰা প্ৰেৰণ কৰা সম্বৰ্ধনা পত্ৰৰে জিলাৰ কেইগৰাকী গুণী ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়।

**১৬/৪/২৫** তেলাহী কমলাবৰীয়া শাখা সাহিত্য সভাৰ ঘৰুৱা মেলৰ ৰূপালী জয়ন্তী উৎসৱৰ অনুষ্ঠান ভাগি শ্ৰীযুত প্ৰশান্ত কুমাৰ নাথদেৱৰ ঘৰত অনুষ্ঠিত হয় তাত আমি উদ্বোধকৰ ভাষণ প্ৰদান কৰোঁ। উক্ত ঘৰুৱা মেল অনুষ্ঠানত জিলা সমিতিৰ কেইবাগৰাকী বিষয়ববীয়া উপস্থিত আছিল।

**৪/৫/২৫** তাৰিখে দিনৰ বাৰ বজাৰ পৰা লক্ষীবিলাস ভৱনত জিলাৰ প্ৰথমখন কৰ্ণধাৰ সমিতিৰ সভা অনুষ্ঠিত কৰা হয়।

**৯/৫/২৫** তাৰিখে আঞ্চলিক কাৰ্যালয়ত অনুষ্ঠিত সভাত উপস্থিত থাকোঁ। 'আকাশ' উপসমিতিৰ আশীৰ্বাদ

যাত্ৰাৰ ওপৰত আলোচনা কৰা হয়।

**১৬/৫/২৫** তাৰিখে উত্তৰ লক্ষীমপুৰ শাখা সাহিত্য সভাৰ ভৱনত আকাশ অনুষ্ঠানৰ এখন সভা অনুষ্ঠিত হয়।

**১৭/৫/২৫** তাৰিখে মঙ্গলময় পত্ৰিকাৰ এঘাৰ সংখ্যক বৰ্ষ পূৰ্তি অনুষ্ঠানত উপস্থিত থাকোঁ।

**১৮/৫/২৫** তাৰিখে লক্ষীমপুৰ জিলা সাহিত্য সভাৰ কাৰ্যালয়ত পৰামৰ্শদাতা সমিতিৰ প্ৰথম বৈঠক অনুষ্ঠিত হয়।

**২১/৫/২৫** তাৰিখে মাধৱদেৱ বিশ্ববিদ্যালয়ত সাহিত্য সভাৰ এটা শাখা খোলাৰ সম্পৰ্কে সন্মানীয় উপাচাৰ্য আৰু পঞ্জীয়কৰ লগত আলোচনা কৰা হয়। সেই দিনাই নাৰায়ণপুৰ শাখা, মাধৱদেৱ শাখাত 'শাখালৈ যাওঁ আহক' কাৰ্যসূচী ৰূপায়ন কৰোঁ।

**২২/৫/২৫** তাৰিখে শংকৰদেৱ মহাবিদ্যালয়ত জিলা সাহিত্য সভাৰ এটা শাখা খোলাৰ সম্পৰ্কে আলোচনা কৰা হয়।

**২৩/৫/২৫** তাৰিখে শাখালৈ যাওঁ আহক কাৰ্যসূচীত পশ্চিম নাৰায়ণপুৰ শাখা সাহিত্য সভা আৰু লুইত পৰীয়া শাখা সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সভাত উপস্থিত থাকোঁ।

**২৪/৫/২৫** তাৰিখে আমি 'শাখালৈ যাওঁ আহক' কাৰ্যসূচীত শিমলুগুৰি শাখা, ধলপুৰ শাখা, খেৰাজখাত শাখালৈ যাওঁ।

**২৫/৫/২৫** আকাশ অনুষ্ঠানৰ এখন আদৰণি সমিতি গঠনৰ সভা আঞ্চলিক কাৰ্যালয়ত অনুষ্ঠিত হয়।

উক্ত দিনা নাওবৈচা শাখা সাহিত্য সভাত সোণালী জয়ন্তী বৰ্ষৰ শুভ উদ্বোধনী অনুষ্ঠান আজীৱন সভ্য সন্মিলনত সভাপতিৰ লগতে আমি উপস্থিত থাকোঁ। লগতে 'শাখালৈ যাওঁ আহক' কাৰ্যসূচী নাওবৈচা শাখা সাহিত্য সভাত ৰূপায়ন কৰা হয়।

**২৬/৫/২৫** তাৰিখে শাখালৈ যাওঁ আহক কাৰ্যসূচীত, উত্তৰ পিচলা শাখা সাহিত্য সভা আৰু উত্তৰ পিচলা শাখা সাহিত্য সভাত ৰূপায়ণ কৰা হয়।

**২৮/৫/২৫** তাৰিখে খেৰাজখাত মহাবিদ্যালয়ত এটা নতুন শাখা গঠন কৰা হয়।

**৩০/৫/২৫** তাৰিখে হাৰমতী সীমান্ত শাখা সাহিত্য সভাত শাখালৈ যাওঁ আহক কাৰ্যসূচীৰ লগতে বিষ্ণুৰাভা দিৱস উদযাপন কৰা সম্পৰ্কত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। প্ৰতিকূল বতৰতো সভাত সকলোৱে সহযোগিতা আগবঢ়ায়।

**৩/৬/২৫** তাৰিখে হাৰমতী সীমান্ত শাখাত বিষ্ণু প্ৰসাদ ৰাভা দিৱস উদযাপনৰ যাৱতীয় কাম সম্পাদন কৰোঁ।

**৭/৬/২৫** তাৰিখে পশ্চিম ঢকুৱাখনা শাখা সাহিত্য সভা, ঢকুৱাখনা শাখা সাহিত্য সভা,সাপতীয়া শাখা সাহিত্য সভা, ঘিলামৰা শাখা সাহিত্য সভা, সোৱণশিৰি শাখা সাহিত্য সভা আৰু বগীনদী শাখা সাহিত্য সভা, এই ছটা শাখাত 'শাখালৈ যাওঁ আহক' কাৰ্যসূচী ৰূপায়ন কৰা হয়।

**৮/৬/২৫** তাৰিখে উত্তৰ পিচলা শাখা সাহিত্য সভাৰ আতিথ্যত লক্ষীমপুৰ জিলা সাহিত্য সভাই পাৰ্বতী প্ৰসাদ বৰুৱাৰ স্মৃতি দিৱসৰ লগত সংগতি ৰাখি 'ৰামধেনু' অনুষ্ঠান অনুষ্ঠিত কৰে।

**১০/৬/২৫** তাৰিখে বিহপুৰীয়া মহাবিদ্যালয়ত সাহিত্য সভাৰ এটা নতুন শাখা খোলা হয়। সেইদিনাই বিহপুৰীয়া শাখাত লক্ষীমপুৰ জিলা সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত বিষ্ণু প্ৰসাদ কটকীৰ 'সংগৃহীত সাক্ষ্য' গ্ৰন্থ উন্মোচন কৰা হয়। লগতে 'শাখালৈ যাওঁ আহক' কাৰ্যসূচী ৰূপায়ন কৰা হয়।

উক্ত দিনতে কল্যাণ কামী শাখা সাহিত্য সভা, সুৰভী শাখা সাহিত্য সভা,পাভ শাখা সাহিত্য সভাত

'শাখালৈ যাওঁ আহক কাৰ্যসূচী' অনুষ্ঠিত কৰা হয়।

**১২/৬/২৫** তাৰিখে লীলাবাৰী শাখা সাহিত্য সভাত 'শাখালৈ যাওঁ আহক' কাৰ্যসূচী ৰূপায়ন কৰা হয়। দিনৰ এক বজাত ড° হেমন্ত কুমাৰ বৰুৱা ছাৰ পুত্ৰ দিপুল বৰুৱা ছাৰৰ ঘৰত ছাৰৰ এখন অভিনন্দন গ্ৰন্থ জিলা সাহিত্য সভাৰ হৈ প্ৰকাশ কৰা সম্পৰ্কত আলোচনা কৰা হয়। উক্ত দিনা সূৰুযমুখী শাখা সাহিত্য সভা আৰু পূৰ্বাঞ্চল শাখা সাহিত্য সভালৈ গৈ বিভিন্ন বিষয়ত আলোচনা কৰা হয়।

**১৭/৬/২৫** তাৰিখে ফুলবাৰী শাখা সাহিত্য সভাৰ কাৰ্যালয়ত 'শাখালৈ যাওঁ আহক' কাৰ্যসূচী ৰূপায়ন কৰা হয়। উক্ত দিনতে ঢেকীয়াজুলী শাখা সাহিত্য সভা, পহুমৰা শাখা সাহিত্য সভা, উত্তৰ লক্ষীমপুৰ শাখা সাহিত্য সভালৈ যাওঁ কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

**১৮/৬/২৫** তাৰিখে ৰঙানদী শাখা সাহিত্য সভাত 'শাখালৈ যাওঁ আহক' কাৰ্যসূচী ৰূপায়ন কৰা হয়। সেই দিনাই আমি দক্ষিণ তেলাহী শাখা সাহিত্য সভা, তেলাহী কমলাবৰীয়া শাখা সাহিত্য সভা, হাতীলুংপৰীয়া শাখা সাহিত্য সভাতো উক্ত কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

**১৯/৬/২৫** তাৰিখে হাৰমতী সীমান্ত সাহিত্য সভাৰ শাখাত উপস্থিত হৈ **২০** জুনত অনুষ্ঠিত হ'ব লগা বিষ্ণু প্ৰসাদ ৰাভা দিৱসৰ প্ৰস্তুতিৰ বুজ লওঁ।

**২০/৬/২৫** তাৰিখৰ দিনা হাৰমতী শাখা সাহিত্য সভাৰ আতিথ্যত লক্ষীমপুৰ জিলা সাহিত্য সভাই বিষ্ণু প্ৰসাদ ৰাভা দিৱস আয়োজন কৰাৰ লগতে 'কুঁহি' অনুষ্ঠান ৰূপায়ণ হয়। বিষ্ণু প্ৰসাদ ৰাভা দিৱসৰ মুকলি সভা উদ্বোধন কৰে শিয়ালমাৰী সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীযুত অৰুণ গোস্বামীদেৱে আৰু মুখ্য অতিথি হিচাপে ভ্ৰাম্যভাষৰ যোগেদি ভাষণ আগবঢ়াই মাধৱদেৱ মহাবিদ্যালয়ৰ উপাচাৰ্য ড° অৰূপ জ্যোতি চৌধুৰী মহোদয়ে।

**২২/৬/২৫** তাৰিখে ঘূণাসুতি শাখা সাহিত্য সভা, কদম শাখা সাহিত্য সভাত 'শাখালৈ যাওঁ আহক' কাৰ্যসূচী ৰূপায়ন কৰা হয়।

**২৯/৬/২৫** তাৰিখে উত্তৰ লক্ষীমপুৰ বিশ্ববিদ্যালয়ত বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত 'আকাশ' অনুষ্ঠানত লক্ষীমপুৰ জিলা সাহিত্য সভায়ো সম্পূৰ্ণ সহযোগিতা আগবঢ়ায়। 'আকাশ' অনুষ্ঠানত অসম সাহিত্য সভাৰ সন্মানীয় সভাপতি ড° বসন্ত কুমাৰ গোস্বামীদেৱ, উপ সভাপতি শ্ৰীযুত পদুম ৰাজখোৱাদেৱ আৰু প্ৰধান সম্পাদক দেৱজিৎ বৰাকে প্ৰমুখ্য কৰি বহুতো বিষয়ববীয়া আৰু সাহিত্যপ্ৰেমী লোক উপস্থিত আছিল।

**৪/৭/২৫** তাৰিখে লক্ষীমপুৰ জিলা সাহিত্য সভাৰ উদ্যোগত আৰু বগীনদী শাখা সাহিত্য সভাৰ আতিথ্যত সুগন্ধি পখিলাৰ কবি হীৰেন ভট্টাচাৰ্য স্মৃতি দিৱস উদযাপন কৰাৰ লগতে কাব্য অনুষ্ঠান অনুষ্ঠিত হয়। সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি হীৰোদাৰ কবিতাৰ ওপৰত আলোকপাত কৰে লক্ষীমপুৰ কেন্দ্ৰীয় মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° ত্ৰিনয়ন দত্তদেৱে আৰু বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি বক্তব্য আগবঢ়াই শ্ৰীযুত জীৱন চন্দ্ৰ দত্তদেৱে।

এনেদৰে আমি বিভিন্ন সময়ত জিলাৰ হৈ বিভিন্ন কাৰ্যসূচী ৰূপায়ন কৰি আহিছোঁ । আমাক সহযোগিতা কৰিবৰ বাবে এখন পৰামৰ্শদাতা সমিতিও গঠন কৰা হৈছে। অভিজ্ঞ পুৰোধা ব্যক্তি সকলে আমাক কৰ্ম সম্পাদনত দিহা-পৰামৰ্শ আগবঢ়াই জিলাখন ভাষা-সাহিত্য-সংস্কৃতিৰ দিশত আৰু এঢাপ আগবাঢ়ি যোৱাত সহায় কৰিব বুলি আশা কৰিছোঁ।

আমি যি দায়িত্ব গ্ৰহণ কৰিছোঁ সেয়া নিষ্ঠাৰে পালন কৰি যোৱাৰ প্ৰতিশ্ৰুতিৰে নৱ প্ৰজন্মক সাহিত্যৰ ক্ষেত্ৰখনলৈ আকৰ্ষিত কৰিবলৈ চেষ্টা অব্যাহত ৰাখিম।

ভাষা-জননীৰ সেৱাৰ যি ব্ৰত আমি লৈছোঁ সেয়া নিষ্ঠাৰে পালন কৰি যোৱাৰ প্ৰচেষ্টা অব্যাহত ৰাখিম। আমাক সহায়-সহযোগিতা, আৰু সৎ-দিহা পৰামৰ্শ আগবঢ়োৱা উপদেষ্টামণ্ডলী, জিলা সভাপতি, উপ সভাপতি প্ৰমুখ্যে প্ৰতিগৰাকী বিষয়ববীয়া আৰু শুভাকাংক্ষীলৈ এই সুযোগতে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ, বিশেষভাৱে জিলাৰ জ্যেষ্ঠ সাংবাদিক, সাহিত্যিক বিহপুৰীয়াৰ শ্ৰীযুত হেম গোস্বামী ছাৰে আগবঢ়োৱা বৌদ্ধিক সহযোগিতাৰ বাবে আমাৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ। ভৱিষ্যতেও আমাক এনেদৰেই অনুপ্ৰাণিত কৰিব বুলি আশা ৰাখিলোঁ ।। ০।।

**প্ৰবীণ হাজৰিকা**

সম্পাদক

লক্ষীমপুৰ জিলা সাহিত্য সভা।

ফোন নং ঃ **৯৭০৬৭৬২৮০৬**

# পৰিশিষ্ট - ১

## লক্ষীমপুৰ জিলা সাহিত্য সভাৰ সভাপতি-সম্পাদকসকল

| চন | সভাপতি | সম্পাদক |
|---|---|---|
| ১৯৮২-৮৪ | হৰেন্দ্ৰ দেৱ গোস্বামী | হেমচন্দ্ৰ শইকীয়া |
| ১৯৮৪-৮৫ | গোপাল হাজৰিকা | চন্দ্ৰকান্ত শৰ্মা |
| ১৯৮৫-৮৭ | হৰেন্দ্ৰ দেৱ গোস্বামী | কৃষ্ণ বৰা |
| ১৯৮৭-৮৮ | মোহন চন্দ্ৰ ভূএগ্ৰা | চুছেন ভিতৰুৱাল কোঁৱৰ |
| ১৯৮৮-৯১ | বিশ্ব বৰুৱা | ৰমেন শইকীয়া |
| ১৯৯১-৯২ | তৰণী চৌধুৰী | নবীন চেতিয়া |
| ১৯৯২-৯৩ | তৰণী চৌধুৰী | যুগল দোলাকাষৰীয়া |
| ১৯৯৩-৯৫ | হেমচন্দ্ৰ শইকীয়া | যুগল দোলাকাষৰীয়া |
| ১৯৯৫-৯৭ | চন্দ্ৰকান্ত শৰ্মা | বিপুল শৰ্মা ববৰা |
| ১৯৯৭-৯৮ | মাধৱ দত্ত | বিপুল শৰ্মা ববৰা |
| ১৯৯৮-৯৯ | মাধৱ দত্ত | নিৰণ কুমাৰ বৰা |
| ২০০০-০১ | মাধৱ দত্ত | খগেন গগৈ |
| ২০০১-০৫ | হেমন্ত কুমাৰ বৰুৱা | ৰঞ্জন কুমাৰ দত্ত |
| ২০০৫-০৭ | চন্দ্ৰনাথ শইকীয়া | খগেন গগৈ |
| ২০০৭-০৯ | স্বপ্না চেতিয়া গগৈ | উপেন কুমাৰ বৰুৱা |
| ২০০৯-১১ | হৰেন শইকীয়া | হিৰণ্য সভাপণ্ডিত/ মঃ আব্দুল বাচিৰ |
| ২০১১-১৩ | নিত্যানন্দ সেনাপতি | মঃ আব্দুল বাচিৰ |
| ২০১৩-১৫ | নিৰণ কুমাৰ বৰা | বিপুল শৰ্মা বৰুৱা |
| ২০১৫-১৭ | কৃষ্ণকান্ত বৰা | বিপুল শৰ্মা বৰুৱা |
| ২০১৮-২০ | সপোন কুমাৰ দত্ত | বীৰেন চন্দ্ৰ বৰদলৈ |
| ২০২০-২৩ | বিপুল শৰ্মা বৰুৱা | নৰকমল বৰা |
| ২০২৩-২৫ | উমানন্দ বৰুৱা | নৰকমল বৰা |
| ২০২৫-২৭ | সঞ্জীৱ উপাধ্যায় | প্ৰবীণ হাজৰিকা |

## পৰিশিষ্ট - ২
## লক্ষীমপুৰ জিলা সাহিত্য সভাৰ পত্ৰিকা সম্পাদকসকল

| | |
|---|---|
| প্ৰথম সংখ্যাঃ | হেমচন্দ্ৰ শইকীয়া |
| দ্বিতীয় সংখ্যাঃ | চন্দ্ৰনাথ শইকীয়া |
| তৃতীয় সংখ্যাঃ | প্ৰশান্ত কুমাৰ বৰা |
| চতুৰ্থ সংখ্যাঃ | প্ৰশান্ত কুমাৰ বৰা |
| পঞ্চম সংখ্যাঃ | যোগেশ্বৰ সোনোৱাল |
| ষষ্ঠ সংখ্যাঃ | নিৰণ কুমাৰ বৰা |
| সপ্তম সংখ্যাঃ | নিৰণ কুমাৰ বৰা |
| অষ্টম সংখ্যাঃ | খগেন গগৈ |
| নৱম সংখ্যাঃ | উপেন কুমাৰ বৰুৱা |
| দশম সংখ্যাঃ | বিতোপন গগৈ |
| একাদশ সংখ্যাঃ | কমল চন্দ্ৰ বৰা |
| দ্বাদশ সংখ্যাঃ | জগত গগৈ |
| ত্ৰয়োদশ সংখ্যাঃ | জগত গগৈ |
| চতুৰ্দশ সংখ্যাঃ | বুলটন গগৈ |
| পঞ্চদশ সংখ্যাঃ | ভৱেন বৰা |
| ষষ্ঠদশ সংখ্যাঃ | সঞ্জীৱ উপাধ্যায় |
| সপ্তদশ সংখ্যাঃ | নৱকমল বৰা |
| অষ্টাদশ সংখ্যাঃ | লক্ষ্য হাজৰিকা |
| ঊনবিংশ সংখ্যাঃ | প্ৰশান্ত কুমাৰ মোদক |
| বিংশ সংখ্যাঃ | প্ৰশান্ত কুমাৰ মোদক |
| একবিংশ সংখ্যা | জিতেন বৰুৱা |